# সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী
# ‘বাঙ্ময়’ৰ নিৰ্বাচিত গল্প
# (১৯৭৭-২০২২)

সম্পাদক
ড° ববিতা দত্ত
ড° অমৰ শইকীয়া

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষ

*Sarupathar Mahavidyalayar Barxik Alosani 'Bangmoi'r Nirbasita Galpa (1977-2022)*, edited by Dr. Bobita Dutta & Dr. Amor Saikia , published by Sarupathar College Publication Cell, Sarupathar.

Advisory Board
Dr. Prapti Thakur, Principal, Sarupathar College
Mrs. Bharati Saikia, Associate Professor, Sarupathar College

1st Published : November, 2023
Contribution: Rs. Two Hundred Eighty only
Cover: Monjit Rajkhowa
D.T.P: Ghanakanta Phukan, Kalpajyoti
Printed at: Bhabani offset, Guwahati

ISBN : 978-93-5996-522-2

© Author, 2023
All right reserved. No part of this work may be reproduced, stored, in a retrieval system, or transmitted in any form or by any means, electronic, mechanical, photocopying, recording, or otherwise, without the copyright owner's and the publisher's prior written permission.

চুটিগল্প সৃষ্টিশীল সাহিত্য। চুটিগল্পত আভ্যন্তৰ জীৱনৰ সত্য আৰু সৌন্দৰ্য কলাসুলভভাৱে চিত্ৰিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনত মহাবিদ্যালয় এখনৰ আলোচনীয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। এগৰাকী নবীন লেখকৰ বাবে সৃষ্টিশীলতাৰ কছৰৎ কৰাৰ ঘাই কঠিয়াতলী মহাবিদ্যালয়ৰ আলোচনী। ১৯৭৯ চনৰ পৰা ২০২৩ চনলৈকে প্ৰকাশিত সৰুপথাৰ মহাবিদ্যালয়ৰ আলোচনী, 'বাঙ্ময়'ৰ পাতৰ পৰা এমুঠিমান নিৰ্বাচিত চুটিগল্পক লৈ গল্প সংকলনটি প্ৰস্তুত কৰি উলিওৱা হৈছে। উৎকৃষ্ট মানৰ নহলেও আটাইকেইটা গল্পতে সমসাময়িক সমাজ-জীৱন, ব্যক্তি-জীৱন আৰু সামাজিক মূল্যবোধৰ প্ৰকাশ ঘটিছে। পাঠক সমাজে আমাৰ এই প্ৰয়াসক আদৰি ল'লে সুখী হ'ম।

সম্পাদক

এই সংকলনত প্ৰকাশ পোৱা কোনো গল্প যদি আন কোনো গ্ৰন্থ, আলোচনী বা কোনো ব্যক্তিৰ লেখাৰ পৰা হুবহু ৰূপত লোৱা হৈছে আৰু সেয়া যদি আমাৰ অজ্ঞাতে এই সংকলনত প্ৰকাশ হৈছে তাৰ বাবে সম্পাদক জগৰীয়া নহয়।

# অধ্যক্ষৰ একলম

বিংশ শতিকাৰ সত্তৰৰ দশকত কেইগৰাকীমান স্বপ্নদ্ৰষ্টাৰ প্ৰয়াসত গঢ় লৈ উঠিছিল ধনশিৰি মহকুমাৰ উচ্চশিক্ষাৰ কেন্দ্ৰ সৰুপথাৰ মহাবিদ্যালয়। প্ৰয়াত মুহিকান্ত তামুলীদেৰৰ নেতৃত্বত গতি লাভ কৰা মহাবিদ্যালয়খনে প্ৰতিষ্ঠা কালৰেপৰা অঞ্চলটোৰ জ্ঞানপিপাসু ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান অন্বেষণৰ পথ প্ৰদৰ্শন কৰি আহিছে। বৰ্তমান অৰ্ধশতক গৰকা উচ্চশিক্ষাৰ এই অনুষ্ঠান প্ৰতিষ্ঠাৰ আঠ বছৰৰ পাছত ১৯৭৯ চনত ১৯৭৭-৭৮ বৰ্ষৰ মহাবিদ্যালয়ৰ মুখপত্ৰ হিচাপে এখন আলোচনী প্ৰকাশ কৰা হৈছিল। সেয়াই আৰম্ভণি।তেতিয়াৰ পৰাই একেৰাহে বৰ্তমানলৈকে প্ৰকাশ হৈ অহা আলোচনীখনৰ মাধ্যমেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য প্ৰতিভাৰ প্ৰকাশ আৰু বিকাশ ঘটোৱাৰ সুবিধা পাই আহিছে। ২০০৯ চনত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সম্পাদক জেমছ তপ্নৰ উদ্যোগত 'বাঙ্ময়' নামেৰে নামকৰণ কৰা হয়।

২০২৩ বৰ্ষৰ ৩, ৪, ৫ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ১৯৭৯-২০২২ চনলৈকে মহাবিদ্যালয় আলোচনীত প্ৰকাশিত নিৰ্বাচিত গল্পসমূহ একত্ৰে সংৰক্ষণ কৰিবলৈ এই নিৰ্বাচিত গল্পৰ সংকলনটি প্ৰস্তুত কৰা হৈছে। এই প্ৰচেষ্টাক গ্ৰন্থ আকাৰত প্ৰকাশৰ বাটলৈ আগবঢ়াই নিলে সম্পাদকদ্বয় ড° ববিতা দত্ত আৰু ড° অমৰ শইকীয়াই। তেওঁলোক দুয়োৰে আন্তৰিক শলাগ লৈছোঁ।

যুৱকাল সপোন দেখাৰ সময় — সৃজনীশীল চিন্তা, প্ৰগতিশীল সাধনা, নতুন ভাৱাদৰ্শেৰে যুৱশক্তি অপৰাজেয়। তেওঁলোকেই দেশৰ ভৱিষ্যত। সাহিত্যই ভৱিষ্যতৰ সমাজ নিৰ্মাণ কৰাত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰে। সমসাময়িক সমাজৰ পটভূমিত গল্পকেইটা ৰচনা হৈছে। সংকলনটিৰ আটাইকেইটা গল্পতে গল্পৰ সকলো বৈশিষ্ট্য প্ৰকাশ নাপালেও প্ৰকাশিত গল্পসমূহত আধুনিক চিন্তা-চেতনাৰ নৱ উন্মেষ ঘটিছে বুলি ক'ব পাৰি। আশা কৰিছোঁ আমাৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলেও সাহিত্য চৰ্চাৰ জৰিয়তে মহাবিদ্যালয়ৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ সক্ষম হ'ব। আমাৰ এই প্ৰচেষ্টাই তেওঁলোকক দুগুণে উৎসাহিত কৰক, তাৰেই প্ৰত্যাশাৰে,

অধ্যক্ষ

সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ

# সূচীপত্ৰ


**জীৱন সংগ্ৰাম** ❑ ৰোহিনী কুমাৰ শৰ্ম্মা ▌৭-১২
**অন্য নাম মৃত্যু** ❑ ভবানন্দ লাহন ▌১৩-১৭
**প্ৰতিদান** ❑ সতীশ ৰয় ▌১৮-২৬
**পপীৰ সপোন** ❑ মুকুট বৰা ▌২৭-২৯
**ব্যতিক্ৰম** ❑ সুনীল গোহাঁই ▌৩০-৩৪
**নামধৰীয়া** ❑ প্ৰণীতা শৰ্মা ▌৩৫-৩৯
**অবুজ বেদনা** ❑ বৰ্ণালী গগৈ ▌৪০-৪২
**আলোকৰ সন্ধানত** ❑ নৱনীতা শৰ্মা ▌৪৩-৪৫
**প্ৰতীক্ষাঃ পোহৰৰ বাবে** ❑ বনিফ্ৰাচ গগৈ ▌৪৬-৪৯
**নেহা, মই আৰু অলপ ভৱিষ্যতৰ গল্প** ❑ সুশান্ত কৃষ্ণ শৰ্মা ▌৫০-৫২
**প্ৰাপ্তি, অপ্ৰাপ্তি, অপ্ৰকাশ্য কিছু বেদনাৰ কক্‌টেল** ❑ ৰূপন গগৈ ▌৫৩-৬২
**অস্পষ্ট ৰামধেনু** ❑ চিৰঞ্জিতা কোঁৱৰ ▌৬৩-৬৪
NEIMS **ৰ অনন্যা মিলি** ❑ সংগীতা চন্দ্ৰ শইকীয়া ▌৬৮-৭২
**প্ৰদূষণ** ❑ প্ৰণৱজ্যোতি শইকীয়া ▌৭৩-৭৬
**পৰিণতি** ❑ ৰিছা বৰগোহাঁই ▌৭৭-৮৪
**অৱসৰ** ❑ জাহ্নৱী গগৈ ▌৮৫-৮৮
**সুঁহুৰি হেৰোৱা মানুহজন** ❑ জয়ন্তজিৎ বৰদলৈ ▌৮৮-৯১
**পৰিত্ৰাণ** ❑ চিত্ৰৰঞ্জন বৰা ▌৯২-৯৬
**ৰান্ধনি বেলি** ❑ ৰিম্পী গগৈ ▌৯৭-১০৩
**সোঁৱৰণীৰ এখিলা পাতত দেউতা আৰু মা....** ❑ শাশ্বতী শৰ্মা ▌১০৪-১১১
**অপৰাহ্ন** ❑ সুস্মিতা বৰঠাকুৰ ▌১১১-১১৬
**এটি সপোন** ❑ প্ৰত্যাশা প্ৰিয়ম গোহাঁই ▌১১৭-১১৯
**অতীতৰ স্মৃতি** ❑ পলাশী শইকীয়া ▌১২০-১২৩
**নলগা জেং** ❑ যতীন গগৈ ▌১২৪-১২৬
**বৰশী** ❑ চয়নিকা চেতিয়া ▌১২৭-১৩৪
**ৰহস্যৰ সিপাৰে** ❑ পৰশ হাজৰিকা ▌১৩৫-১৪২
**দিক্‌ভ্ৰান্ত** ❑ সান্ত্বনা বড়া ▌১৪৩-১৪৫
**জীয়া** ❑ টুটুমণি ভূমিজ ▌১৪৬-১৪৯
**উদাসী ৰাগৰ মালিতা** ❑ কৃষ্ণাশ্ৰী গগৈ ▌১৫০-১৫১
**আইতা** ❑ শতাব্দী চুতীয়া ▌১৫২

# জীৱন সংগ্ৰাম

**ৰোহিনী কুমাৰ শৰ্ম্মা**

ৰাতি প্ৰায় এঘাৰ মান বাজিছিল। মোৰ চিলমিলকৈ টোপনি ধৰিছিল। হঠাতে নান্‌কাৰ ঘৰৰ পৰা অহা চিঞৰৰ বাখৰত মোৰ টোপনি ভাঙি গ'ল। আমাৰ ঘৰৰ পাছফালেই নান্‌কাৰ সৰু জুপুৰীটো। সেই কাৰণে অলপ কোৢাল হ'লে আমি শুনো। প্ৰথমতে মই সিমান গুৰুত্ব দিয়া নাছিলো। কাৰণ প্ৰায় ৰাতিয়েই সিহঁতৰ ঘৰত হুলস্থুলৰ সৃষ্টি হয়। হুলস্থুল ক্ৰমাত বাঢ়ি আহিল। শুনিলো, নান্‌কাৰ সৰু ল'ৰা ছোৱালীকেইটাই মাগ', মাগ' বুলি চিঞৰি চিঞৰি কান্দিছে। হুলস্থূলৰ মাজত নান্‌কাই নিচাত কোৱা কথা কিছুমানো মোৰ কাণত নপৰাকৈ থকা নাছিল। ইমান ৰাতি সিঁহতৰ ঘৰত কিহৰ হুলস্থূল মোৰ বুজিবলৈ বাকী নৰ'ল। হয়তো, নান্‌কাই খাই আহি ঘৈনীয়েক আৰু সৰু সৰু ল'ৰা-ছোৱালী কেইটিক মাৰ-ধৰ কৰিছে। মই লাহেকৈ-বিচনাৰ পৰা উঠি চাকিটো জ্বলালো।

'পোনা'-। মায়ে চাকি জ্বলোৱা গম পায়ে ভিতৰৰ শোৱা কোঠাৰ পৰা মাত লগালে।

'কি হ'ল মা'? মই সুধিলো।

'তই টোপনি যোৱা নাই হ'বলা'? মায়ে সুধিলে।

"নাই যোৱা মা। ইমান হুলস্থূল, ক'ত টোপনি আহিব"। মই ক'লো। 'কিহৰ জানো হুলস্থুল লাগিছে?"

"কিহৰ হুলস্থুল হ'ব আৰু নান্‌কাই চাগৈ চাৰাপ খাই আহি ঘৈণীয়েকৰ পিঠিত ঔ কিল পাৰিছে'। মায়ে বিতৃষ্ণাৰ সুৰত ক'লে 'এই নান্‌কাটোৰ পৰা বেচেৰী

ফুলমনীজনীৰ সুখ নহ'ল আৰু"।

মই দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহিলো। বাহিৰত ভীষণ জাৰ। কুঁৱলীও পৰিছে। কুঁৱলীয়ে আঁৰ কাপোৰ তৰি চতুৰ্দশীৰ জোনাকখিনিক ঢাকি ৰাখিছে। তেনেতে মায়ে ক'লে।

"পোনা- তই আকৌ নান্‌কাৰ ঘৰলৈ কাজিয়া ভাঙিবলৈ নাযাবি"—

"নাযাওঁ মা! তুমি চিন্তা নকৰিবা"। মই ক'লো। নান্‌কাৰ ঘৰৰ ফালে ঘূৰি চালো। এটা মাত্ৰ চাকি ধিমিক ধামাককৈ জ্বলি আছে। কোঢ়াল আগতকৈ কমিছে। মাত্ৰ সৰু সৰু ল'ৰা-ছোৱালীকেইটাই উচুপি থকা মোৰ কাণত পৰিল। সিহঁতৰ ঘৰৰ ফালে অলপ আগবাঢ়ি গ'লো। মোৰ উপস্থিতিৰ গম পায়েই, ওচৰত থকা কলজোপাৰ পৰা ঢপঢপাই এটা বাদুলী উৰি গ'ল। মই আৰু অলপ আগবাঢ়ি গ'লো। মোৰ কাণত পৰিল ফুলমনীয়ে কান্দি কান্দি নান্‌কাক কৈছে—

তোকে হামিতো কিছু বেয়া কথা নাই বল্‌ছি। হামাৰ সব্ কথাই তোৰ খাটিৰ বেয়া হয়। হামি কিছু বল্‌লেই তই হামাকে মাৰ। থিক আছে, হামি কিছু বলব না। তোৰ যেই মন হয় কৰ্‌বি'।

এই, চুপ ৰাৰ। মুখ নাই চলাবি। নান্‌কা গৰ্জ্জি উঠিল।

'কি কৰ্‌বি মাৰ্ বি-মাৰ্ তো কেট্‌না মাৰ'। ফুলমনিয়ে উচুপি উচুপি কোৱা মোৰ কানত পৰিল। নান্‌কাই কিন্তু এইবাৰ একো নক'লে। হয়তো সি আৰু হুলস্থূল বঢ়াব নুখুজিলে। সম্ভৱতঃ মদৰ জালো শাম কাটিছিল। তাৰ পাছত মই আৰু একো নুশুনিলো।

কিছু সময়ৰ পাছতে ঢিমিক্‌ঢামাক্‌কৈ জ্বলি থকা চাকিটোও নুমাই থাকিল। চাৰিওফালে প্ৰকৃতিৰ নিমাত-নিতাল শান্ত ৰূপ। অলপ আগতে হৈ যোৱা হুলস্থূলৰ কোনো চিন চাবেই নাই। ময়ো লাহে লাহে ভিতৰ সোমাই দুৱাৰখন বন্ধ কৰিলো। মাৰ হয়তো ইমান সময়ে টোপনি ধৰিল। চাকিটো নুমুৱাই ময়ো বিচনাত পৰিলো।

মোৰ কিন্তু বিচনাত পৰি টোপনি নধৰিল। বাৰে বাৰে ফুলমনীৰ বিষাদে ভৰা মুখখন মোৰ চকুৰ আগত ভাঁহিবলৈ ধৰিলে। গিৰিয়েকৰ ইমান অত্যাচাৰ তাই বাৰু কেনেকৈ সহি আছে? প্ৰায় ৰাতিয়েই গিৰিয়েকে মদ খাই আহি তাইক মাৰ-ধৰ কৰে। কিমাননো হ'ব তাইৰ বয়স? খুব বেছি সাতাইশ। হয়তো তাতোকৈয়ো কম। অথচ, এই বয়সতেই তাই পাঁচোটা সন্তানৰ মাক। কিমান কষ্ট কৰিব তাই? দিনৰ দিনটো ৰ'দে বতাহে লোকৰ ঘৰত কাম কৰিব লাগে। কাম কৰি যি পায় তাই তাৰেই সংসাৰখন

চলাব লাগে। ল'ৰা-ছোৱালীকেইটিৰ কাপোৰ কানি, খোৱা-বোৱাৰ আলপৈচান তায়ে ধৰিব লাগে। তাই অবিহনে ল'ৰা-ছোৱালীকেইটিৰ কি অৱস্থা হ'লহেঁতেন ভাবিব নোৱাৰি।

নান্‌কাইতো সেইবোৰ খবৰ নাৰাখে। সি মাত্ৰ ল'ৰা-ছোৱালীকেইটা জন্ম দিছে। সিঁহতক যে খুৱাব পিন্ধাব লাগে, সেই কথা সি নাভাবে। ঘৰৰ কাম বনত সি হাত নিদিয়েই। মন গ'লে কেতিয়াবা ক'ৰবাত ঠিকা কাম পালে কৰে। নাপালে তাকো নকৰে। ঘৰত থকা সময় শুই বহিয়েই কটায়। ঠিকা কৰি কেইটামান টকা হাতত পৰিলেই হয় জুৱা খেলত বহিব, নহয় কোনোবা মদৰ মহললৈ দৌৰ মাৰিব। মদৰ মহলত সোমালে সি পাহৰি যায়, তাৰ ঘৰখনলৈ। পাহৰি যায়, তাৰ মৰমী ঘৈনীয়েক আৰু কণ কণ ল'ৰা-ছোৱালীকেইটিলৈ। জুৱাত বহিলে সি পাহৰি যায় আজি তাৰ ল'ৰা-ছোৱালীকেইটাই একো এটা মুখত দিয়া নাই। দিনটো লঘোণে আছে। ৰাতি মহলত দুচিপ মান ধৰি আহি সি ঘৈনীয়েক আৰু ল'ৰা-ছোৱালী কেইটিক মাৰ-ধৰ কৰে। এইয়াই যেন তাৰ কৰ্ত্তব্য। সি ভাবি নাচায়, ফুলমনী অবিহনে তাৰ সংসাৰ খন কি হ'লহেঁতেন? নাই নাভাবে। এইবোৰ ভাবি সি মূৰ নঘমায়। ঘমোৱা হ'লে হয়তো আজি সিহঁতে হা-কাপোৰ, হা-ভাত বুলি চিঞৰিব নালাগিলেহেঁতেন।

আৰু ফুলমনী? দিনৰ দিনটো ৰ'দে বৰষুণে লোকৰ ঘৰত হাজিৰা খাটে। গাঁৱত কাম নাপালে বাগানলৈ যায়। মাত্ৰ ল'ৰা-ছোৱালীকেইটাৰ কথা ভাবি; কিজানি সিহঁত লঘোণে থাকিব লাগে। লোকৰ ঘৰত দিনটো হাজিৰা খটাৰ পাছতো ঘৰলৈ আহি ল'ৰা-ছোৱালীকেইটাৰ খোৱা-বোৱাৰ জঞ্জাল মাৰিব লাগে। তাইৰ এই সাতজনীয়া সংসাৰখনৰ যাৱতীয় সকলো কাম-কাজৰ ওপৰত চকু দিব লাগে। ঘৰৰ পানী অনা, ধান বনা, খৰি ফলা সকলো কাম তাইয়েই কৰিব লাগে। তাই যেন এটা যন্ত্ৰ, যন্ত্ৰৰ দৰে দিন-ৰাতি তাইক মাত্ৰ মই কাম কৰাহে দেখো, অকনো জিৰণি নোলোৱাকৈ। কাম কৰিবলৈহে যেন তাই জন্ম লৈছিল এই পৃথিৱীত। কামৰ বাহিৰে তাই যেন এই পৃথিৱীখনৰ বিষয়ে একো নাজানে।

এদিন সন্ধিয়া খৰি ফালি থাকোতে তাইক মই সুধিলো — "ফুলমনী তোৰ জানো কাম কৰি ভাগৰ নালাগে?"

'লাগে পোনা বাবু। কিন্তু ভাগৰ নালাগে বুলি কামটো এৰি থলে পাচত মোক কোনে কৰি দিব।' তাই বিষাদ হাঁহি এটাৰে উত্তৰ দিছিল।

"কিয়? নান্‌কা ক'লৈ গ'ল।" মই আচৰিত হৈ সুধিছিলো। তাই কিছু সময়

মোৰ মুখলৈ ৰ  লাগি চাইছিল। যেন মই এটা অলাগতিয়াল প্ৰশ্নহে তাইক সুধিছিলো। তাই পাচত কৈছিল —

"সি এইবোৰ খৱৰ নাৰাখে পোনা বাবু"। মন কৰিছিলো, কথাষাৰ কওঁতে তাইৰ চকুজুৰি চলচলীয়া হৈ পৰিছিল। মই আৰু একো নুসুধি গুছি আহিছিলো।

সঁচা কথা, নান্‌কাই ঘৰৰ নামত কুটা এগছো ইফাল সিফাল কৰা মই দেখা নাই। এইখন যেন তাৰ  ঘৰ, তাৰ সংসাৰ নহয়হে। অৱশ্যে ফুলমনীয়েও তাক একো নকয়। কিয় ক'ব ? সি জানো নেদেখে তাইৰ কষ্টবোৰ ? ঘৰখন কেনেকৈ চলাব লাগে সি জানো নাজানে ? তাই তাৰ পত্নী হিচাপে যিমান কৰিব লাগে তাতোতকৈ বেছি কৰে তাই। ৰাতিপুৱা ওলাই যায় কামলৈ আৰু গধূলি ঘৰ সোমায়। ঘৰখনৰ সকলো বোজা তাইৰ মূৰৰ ওপৰত। এইবিলাক জানো অকল তাইৰে কৰ্তব্য ? এজনী মানুহে দুহাতে আৰ্জি সাতজনীয়া সংসাৰ এখন জানো চলাব পাৰে। তাই অকলে কৰা নাই কি ? তাই সংসাৰখনৰ অৰ্থোন্নতিৰ বাবে গৰু-ছাগলী পুহিছে, গাহৰি-কুকুৰা পুহিছে। এই সকলোবোৰৰ জঞ্জাল তায়েই মাৰিব লাগে আনকি, গাহৰি বা কুকুৰাৰ গড়ালটো ভাঙিলেও  নান্‌কাই ভালকৈ বনাই নিদিয়ে। তাই নিজেই বনাই ল'ব লাগে। তাই ভাবে, এইবোৰ বেচি কিনিয়েই পূজা পাৰ্বনত ল'ৰা ছোৱালীকেইটিক একোসাঁজকৈ নতুন কাপোৰ দিব পাৰিব। আৰু নান্‌কা ? নান্‌কাই এইবোৰ নাভাবে, ভাবিবলৈ সময় নাই। গৰু-ছাগলী, গাহৰি-কুকুৰা নান্‌কাক নালাগে। কিন্তু টকাৰ দৰকাৰ হ'লে সি ফুলমনীক মাৰ-ধৰ কৰি গাহৰি, কুকুৰা বেচি কিনি হাত খৰছ উলিয়ায়। ফুলমনীৰ সকলো সপোন সি ভাঙি দিয়ে।

মোৰ মনত পৰিল, আজিৰ পৰা প্ৰায় দহবছৰ আগৰ নান্‌কাহঁতৰ ঘৰখনলৈ। কি নাছিল নান্‌কাহঁতৰ ? গাঁৱৰ সকলো মজদুৰতকৈ সিহঁতৰ ঘৰৰ অৱস্থা ভাল আছিল। কাৰো ওচৰত কোনো দিনে, কোনো ক্ষেত্ৰতে সিহঁতে হাত পাতিব নালাগিছিল। কিন্তু, আজি সিহঁতৰ অৱস্থা কি হ'ল ? নানকাৰ বাপেক লচ্‌মন বুঢ়াৰ যথেষ্ট পৰিমাণৰ মাটিবাৰী আছিল। ভড়ালৰ ধানেৰে নিজে খাইয়ো লোকক খুৱাব পাৰিছিল। পৰিশ্ৰমী মানুহ আছিল লচ্‌মন বুঢ়া। গাঁৱৰ কাৰো বাৰীত নথকা শাক পাচলিৰে লচমন বুঢ়াৰ বাৰী ভৰি আছিল। বুঢ়াই গৰু ছাগলী, হাঁহ-কুকুৰা আদিও নোপোহাকৈ থকা নাছিল। যদিও পঢ়িব শুনিব নাজানিছিল, তথাপি অত্যন্ত হিচাপী মানুহ আছিল লচমন বুঢ়া। গাঁৱৰ সকলো মানুহে মৰম আৰু সন্মান কৰিছিল তাক। তাৰ সহজ-সৰল ব্যক্তিত্বৰ কাৰণে সকলোৱেই ভাল পাইছিল। গাঁৱৰ মেল মোকদমাতো সিয়েই আগশাৰীত

আসন পাইছিল। গাঁৱৰ এখন মেলো লচ্‌মন বুঢ়া অবিহনে হোৱা মনত নপৰে।

নান্‌কা লচ্‌মন বুঢ়াৰ একেটি মাত্ৰ সন্তান। মায়ে কৈছিল, নান্‌কাৰ দুবছৰ বয়সতেই হেনো মাক ঢুকাইছিল। নান্‌কাৰ মাক মৰাৰ পাছত বুঢ়াই আৰু দ্বিতীয়বাৰ বিবাহ কৰোৱা নাছিল। বহুতেই হেনো তাক ছোৱালী যাচিছিল কিন্তু, সি দ্বিতীয় বিবাহ কৰাবলৈ মান্তি হোৱা নাছিল। নান্‌কা ডাঙৰ হৈছিল মামীয়েক, পেহীয়েকহঁতৰ কোলাতেই। মামীয়েকহঁতৰ মৰম আৰু বাপেকৰ অপত্য স্নেহৰ মাজতেই মাতৃৰ মৰম অনুভৱ নকৰাকৈ ডাঙৰ হৈছিল সি। বুঢ়াৰ একমাত্ৰ ল'ৰা, সি-যি বিচাৰিছিল তাকেই পাইছিল। কিন্তু বাপেকৰ আলাসৰ লাড়ু নান্‌কা ডাঙৰ হৈ অহাৰ লগে লগে বাপেকৰ সম্পূৰ্ণ বিপৰীত গুণৰহে অধিকাৰী হৈছিল। যি লচ্‌মন বুঢ়াই মদ আৰু জুৱাক দূৰতে বিদুৰ কৰিছিল, সেই লচমন বুঢ়াৰ পুতেকে তাক ভগৱানৰ দান বুলি দিনে ৰাতিয়ে পূজা কৰিছিল। বাপেকৰ পৰা পইচা চুৰ কৰি নাইবা, নহ'লে চুৰকৈ ধান চাউল বিক্ৰী কৰি সি জুৱা খেলিছিল। অৱশ্যে, বাপেকে এইবোৰ একো গম নাপাইছিল।

বাপেক জীয়াই থাকোতেই নান্‌কাই বিয়া কৰাইছিল, ওচৰৰে গাঁৱৰ ৰছমলৰ জীয়েক ফুলমনীক। সৰুতে মাতৃহীনা হোৱা ফুলমনী খুউব দুখত ডাঙৰ দীঘল হৈছিল। ঘৰৰ অৱস্থা সিহঁতৰ বেয়া আছিল। বাপেকে অ'ত ত'ত হাজিৰা ঠিকা কৰিয়েই ডাঙৰ দীঘল কৰিছিল তাইক। সৰুৰে পৰা গহীন গম্ভীৰ স্বভাৱৰ ফুলমনীক গাঁৱৰ সকলোৱেই ভাল পাইছিল। গাঁৱৰ সকলোৱেই ভাবিছিল, নান্‌কাৰ লগত বিয়া হ'ল যেতিয়া তাই আৰু দুখ কৰিব নালাগে। কিন্তু, তাইৰ অৱস্থা আজি কি হ'ল। বাপেকৰ ঘৰত তাই যিমান দুখত ডাঙৰ দীঘল হৈছিল, তাতোকৈ আজি গিৰিয়েকৰ ঘৰত তাই বেছি দুখেৰে জীৱন কটাব লগীয়াত পৰিছে।

লচমন বুঢ়া মৰাৰ পাছত, নান্‌কা অজস্ৰ সম্পত্তিৰ মালিক হ'ল। কিন্তু বাপেকে দুহাতে কপালৰ ঘাম মছি আৰ্জি থোৱা ধন, সৰুৰে পৰা মদ জুৱাত জুটি পোৱা নান্‌কাই চলাই খাব নোৱাৰিলে। বাপেক মৰাৰ এবছৰ পুৰ নৌহওঁতেই এপদ এপদকৈ ঘৰৰ সকলো বস্তু শেষ হৈ গ'ল। প্ৰৰোচনাত পৰি আজি এবিঘা, কালি এবিঘাকৈ ঘৰৰ ভেটিটোৰ বাহিৰে খেতি মাটি সকলো জুৱা খেলি শেষ কৰিলে। আনকি ফুলমনীয়ে বাপেকৰ ঘৰৰ পৰা যৌতুকত পোৱা বস্তুবোৰ এটাৰ পাছত এটাকৈ বেছি শেষ কৰিলে। আজি তাৰ ভেঁটিটোৰ বাহিৰে একো নাই, তথাপিও সি বুজা নাই কিহৰ পৰা কি হ'ল ? আজি সি চিন্তা কৰা নাই তাৰ ল'ৰা-ছোৱালী কেইটিৰ ভৱিষ্যত কি ? কিন্তু, ফুলমনীয়ে চিন্তা কৰিছে। কাৰণ তাই সিহঁতৰ মাক। নাৰীৰ চিৰন্তন মাতৃত্বৰ

মহিমাই তাইক বাধ্য কৰাইছে। পাঁচোটা সন্তানৰ ভৱিষ্যত চিন্তা কৰিয়েই তাই আজি দুহাতে সংগ্ৰাম চলাইছে জীৱনৰ লগত। এমুঠি চাউলৰ বাবে লোকৰ ঘৰত দিনটো হাজিৰা খাটিছে, মাত্ৰ সন্তানকেইটিৰ কথা ভাবিয়েই। সিহঁতক মানুহৰ দৰে জীয়াই ৰাখিবলৈ। আচৰিত এই নাৰী জীৱন। আচৰিত অশিক্ষিতা ফুলমনীৰ নাৰীত্বৰ মহিমা। গিৰিয়েকৰ ইমান কঠোৰ ব্যৱহাৰতো আজি তাই অভিমান কৰা নাই। ধন্য তাইৰ পতি স্নেহ ধন্য তাইৰ মাতৃত্বৰ মহিমা।

**(প্ৰকাশ কালঃ ১৯৭৭-৭৮)**

# অন্য নাম মৃত্যু

**ভবানন্দ লাহন**

খবৰটো পোৱাৰ লগে লগে প্ৰসন্ন ঘৰলৈ গ'ল। সি মনতে ভাবিলে, খবৰটো ঘৰত জনাবনে নজনায়। মাককতো কোনো ৰকমে ক'ব নোৱাৰি, নবৌয়েককো ক'ব নোৱাৰি, ক'লেই চিন্তাৰ সাগৰত সোমাই পৰিব। ভনীয়েক জুনুক অৱশ্যে ক'ব পাৰি। তাই অলপ বেলেগ ধৰণৰ। ধৈৰ্যও আছে। দেউতাকৰ মৃত্যুৰ সময়ত তাই কম ধৈৰ্য ধৰা নাছিল, মাক কান্দি-কান্দি বাউলি হৈ গৈছিল। কোনোমতে ধৈৰ্য নধৰে। জুনুৱেহে বুজাই বঢ়াই শান্ত কৰাব পাৰিছিল। গতিকে তাই অলপ বেলেগ ধৰণৰ। তাইক ক'ব নেকি বাৰু?

নাই কাকো নোকোৱাটোকে থিৰ কৰিলে। কিজানিবা খবৰটো মিছাই হয়। সিওটো নিজে দেখা নাই শুনা কথাহে। শুনা কথাৰ ওপৰত বৰ বেছি গুৰুত্ব দিয়া ভাল নহয়। আজিকালি এনেও অপপ্ৰচাৰ হৈ থাকে, সিবাৰ ১৯৬১ চনকে ভিত্তি বছৰ হিচাপে ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদে মানি লোৱা বুলি উৰা বাতৰি প্ৰচাৰ হৈ কম খন হুলস্থূলৰ সৃষ্টি হৈছিলনে। গতিকে আজিৰ খবৰটো মিছাও হ'ব পাৰে। অৱশ্যে খবৰটো হৰেণে দিছে যেতিয়া অবিশ্বাস কৰাৰ থলো তেনেকৈ নাই। প্ৰসন্নই হৰেণক ভালদৰে জানে। সি দায়িত্ব বুজা ল'ৰা।

চোতাললৈ ওলাই গ'ল প্ৰসন্ন। দুল আৰু জানে খেলি আছে। দুল আৰু জান প্ৰসন্নৰ ভতিজাক অৰ্থাৎ বুধিন চৌধুৰীৰ পুতেক। দুইটা ল'ৰাই শ্ল'গান দি দি চোতালতে ঘূৰি আছে। এটাই যদি কয় 'মৰে অসম জীয়ে কোন? আনটোৱে কয় 'জীয়ে অসম মৰে কোন?'' সৰু ল'ৰা দুটাৰ- মুখত বিশেষ সুৰত গোৱা শ্ল'গান শুনি প্ৰসন্নৰ ভাল

লাগিল। সিহঁতৰ সন্মুখৰ ৰাস্তাটোৰে গৈ থকা শোভাযাত্ৰাবোৰৰ শ্ল’গান শুনি শুনি ভতিজাক দুটাৰ মনত ৰৈ গৈছে।

‘— তই হ’বলা সমাৰোহলৈ নগলি ?”

জুনুৱে সোধা প্ৰশ্নটো শুনি প্ৰসন্নই বাৰাণ্ডালৈ চালে, জুনু ৰৈ আছে।

“নাই, যোৱা নাই, এফালে গৈছিলো দেৰি হ’ল।” কলেজত পঢ়িলেও জুনুক প্ৰসন্নহঁতে সৰু ছোৱালী বুলিয়েই ভাবে।

“গাটো ধুই ল, ভাত বাঢ়িয়েই থৈছো।”

“ভাত এতিয়া নাখাওঁ। চাৰিআলিত কাম এটা আছে। সেইটো কৰি আহোঁ। বেচি সময় নালাগে।” এই বুলি কৈয়েই প্ৰসন্ন বাটলৈ ওলাল। আলিবাটত থিয় হৈ কাৰোবাক লগ পাই নেকি বুলি প্ৰসন্নই চাৰিওফালে চালে। নাই, কোনো নাই বেগাই খোজ দিলে প্ৰসন্নই। চাৰিআলিৰ কাষতে লগ পালে তৃপ্তিক। সি অনবৰতে ৰজনজনাই হাঁহি থাকে। সেইবাবে সিহঁতৰ ফাইলটোৱে তাক ‘হাঁহিৰাম’ বুলি মাতে। অথচ এই তৃপ্তিৰ মুখো আজি শাওণৰ বাৰিষাৰ আকাশৰ দৰে গম্ভীৰ মুখ হাঁহিৰ ৰেঙণি এটা থকাটো দূৰৈৰ কথা।

“ক’লৈ যাব ?” প্ৰসন্নই সুধিলে।

“খবৰটো পাইছ চাগে। অফিচৰ পিনে যাওঁ। ইয়াৰ পাছত কি কৰিব লাগিব আলোচনা কৰোঁগে।” সি ছাত্ৰ সন্থাৰ কাৰ্য্যালয়লৈ গ’ল। এনে এটা ঘটনাৰ পিছত কি কৰিব লাগিব কোনেও থিৰ কৰিব পৰা নাই। আটাইবোৰ মানুহ কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছে। প্ৰসন্নই আচলতে ভাবিব পৰা নাই সি কি কৰিব বা ক’লৈ যাব। সিও ভাবি চিন্তি ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ খোজ দিলে। বাটতে লগ পোৱা মানুহবোৰৰ ব্যস্ত আৰু উদ্বিগ্ন মুখলৈ চাই প্ৰসন্নই কাকো একো নুসুধিলে। চিনাকি মুখো কেইবাখনো পাইছিল যদিও সিহঁতে ওলোটাই তাৰ ফালেহে আচৰিতভাবে চালে। প্ৰসন্নক দেখি সোধো সোধো কৰা মুখবোৰ কিবা অজান কাৰণত মৌন হৈ ৰ’ল। সি একো বুজি নাপালে আৰু কিহৰ বাবে এই কাণ্ড হৈছে ধৰিব পৰা নাই। বিস্ময়ত মাথো সকলোৱে ৰেহ-ৰূপ চাইছে।

ছাত্ৰ সন্থাৰ কাৰ্য্যালয়ৰ সন্মুখ পাই প্ৰসন্ন আচৰিত হ’ল। ইমান মানুহ। কাৰ্যালয়ৰ সন্মুখত ইমান মানুহ গোট খোৱা কেতিয়াও নাছিল। মানুহবোৰৰ মুখবোৰো ইমান গম্ভীৰ! নিশ্চয় হৰেণে কোৱা ঘটনাটোৰ বাবে। প্ৰসন্নক দেখাৰ লগে লগে তৃপ্তি আগুৱাই আহি প্ৰসন্নক সাৱটি ধৰিলে। সদাই হাঁহি থকা ‘হাঁহিৰাম’ নামেৰে খ্যাত

তৃপ্তিয়ে সাৰটি ধৰি হুকহুকাই কন্দা কাৰ্যই প্ৰসন্নক আচৰিত কৰিলে। তাৰ ফাইলৰ হ'ৰ, মণ্টু, হলি, পুতু আটাইবোৰে তাক দেখি আগুৱাই আহিল। নৃপেনৰ দোকানত বহি সকলোৰে হাঁহিৰ ৰহঘৰা বনোৱা আটাইবোৰৰ মুখত কান্দোনৰ চিন।

আটাইবোৰে মৌন হৈ ৰৈ থকা প্ৰসন্নই চিঞৰি ক'লে "গোটেই ঘটনাতো ভাল দৰে নকৰ কিয় ? নক'লেনো মই কেনেকৈ জানিম। কথা বতৰা নাই সকলোৰে কেৱল কান্দিবলৈ আৰম্ভ কৰিছে।"

প্ৰসন্নই সোধাৰ পাছতো কোনেও একো নক'লে, পৰস্পৰে পৰস্পৰৰ মুখলৈ মাথো চালে।

'নকৰ কিয় ?" টানকৈয়ে ক'লে প্ৰসন্নই।

"কিনো কম। জানই আজি স্বেচ্ছাসেৱক বাহিনীৰ সমাৰোহ আছিল" উচুপি উচুপি মণ্টুৱে ক'বলৈ ধৰিলে। "স্বেচ্ছাসেৱক বাহিনীৰ পতাকা উত্তোলন কৰাৰ পাছত গোটেই সমাৰোহটো চি-আৰ-পিৰ দ্বাৰা ঘেৰাও হ'ল। শান্তিপূৰ্ণ সমাৰোহত চি-আৰ-পিৰ দ্বাৰা ঘেৰাও প্ৰতিবাদ কৰা হ'ল। কিন্তু প্ৰতিবাদ নামানি লাঠি চালনাৰ অৰ্ডাৰ হ'ল আৰু ৰাইজৰ মাজত নিষ্ঠুৰভাৱে চালনা কৰি গ'ল। আৰু লাঠি চলোৱাৰ পাছত চি-আৰ-পিয়ে নিজহাতে সিহঁতৰ গাড়ী এখন জ্বলাই দিলে। আৰু পুলিচ অফিচাৰ এজনে ফায়াৰিং বুলি চিঞৰাৰ লগে লগে গুলীচালনা আৰম্ভ হ'ল।" — এইখিনিকে কৈ মণ্টু ৰৈ গ'ল।

"তাৰ পাছত ?" উত্তেজনাত ৰ'ব নোৱাৰি প্ৰসন্নই চিঞৰিয়ে সুধিলে। মণ্টুৱে আটাইৰে মুখলৈ আকৌ এবাৰ চালে। ঘটনাৰ বাকীখিনি ক'বলৈ যেন তাৰ ইচ্ছা নাই। ইমান নিৰ্ম্মম সত্য কথা এটা প্ৰসন্নৰ আগত কৈয়েই বা কেনেকৈ ? তথাপিতো মণ্টুৱে ক'লে।

"ফায়াৰিং হোৱাৰ আগমুহূৰ্তলৈকে মই আৰু বুধিন ককাইদেউ একেলগে আছিলো। কিন্তু ফায়াৰিং হোৱাৰ লগে লগে ককাইদেউ আগুৱাই গ'ল। ভিৰৰ মাজত মই ককাইদেউৰ পিছ ল'ব নোৱাৰিলো। কিছু দূৰৰ পৰা দেখিলো বুধিন ককাইদেউ বুকুত হাত দি ঢলি পৰিছে।"

"কি ?" প্ৰচণ্ড জোৰত চিঞৰি উঠিল প্ৰসন্ন। সি সমগ্ৰ পৃথিৱীখন তাৰ মূৰত খহি পৰা যেন অনুভৱ কৰিলে। অলপ আগলৈকে সি ভবা নাছিল যে হৰেণে কোৱা গুলীচালনাৰ ঘটনাত তাৰ অতি মৰমৰ অতি শ্ৰদ্ধাৰ একমাত্ৰ ককায়েকজনৰ মৃত্যু হৈছে। হৰেণৰ পৰা ঘটনাটো শুনাৰ পাছত সি ভাবিছিল যে কোনোবা হয়তো

গুৰুতৰভাৱে আহত হৈছে। সি জানে গুলীচালনা হ’লে নিশ্চয় কোনোবা মৰিব। কিন্তু সি কল্পনা কৰিব নোৱাৰা চিনাকী মানুহজন যে তাৰ ইমান আপোন। ইমান কাষৰ। ইমান ওচৰৰ। চিঞৰি চিঞৰি কান্দিব খুজিও সি কান্দিব নোৱাৰিলে।

বিদেশী বহিষ্কাৰ আন্দোলনত দেহেকেহে খটা স্থানীয় গণসংগ্ৰাম পৰিষদৰ সভাপতি বুধিন চৌধুৰীৰ চি-আৰ-পিৰ গুলীত মৃত্যু হ’ল। এই সত্যটো মানি ল’বলৈ টান পালে প্ৰসন্নই। দুখ, খঙ আৰু অভিমানত উতলি উঠিল প্ৰসন্ন। বুধিন ককায়েকে সিহঁতক কিয় এৰি যাব? চি-আৰ-পিৰ গুলীত তাৰ ককায়েকৰ কিয় মৃত্যু হ’ব? চি-আৰ-পিৰ গুলী খাবলৈকে তাৰ ককায়েকৰ জন্ম হৈছিলনেকি?

‘জন্মিলে মৰিবই লাগিব বোপা। কিন্তু দেশৰ কাৰণে মৰিবলৈ পোৱাটো বৰ ভাগ্যৰ কথা।”

প্ৰসন্নক আগুৰি ধৰি থকা জুমটোৰ মাজৰ পৰা ৰতিকান্ত বুঢ়াই ক’লে। ইতিমধ্যে বহুতে তাক বহুত ধৰণে বুজাইছে যদিও তাৰ কাণত একো পৰা নাছিল। যোৱাবাৰ ভাৰত পাকিস্থানৰ যুদ্ধত বৰ্ব্বৰ পাকিস্থানী সৈন্যৰ হাতত মৃত্যু বৰণ কৰা ভূৱনৰ পিতৃ ৰতিকান্ত বুঢ়াই কোৱা কথাষাৰ তাৰ অন্তৰত লাগিল।

প্ৰসন্নই ঘৰলৈ যোৱাৰ কথাকে চিন্তা কৰিলে। কথাটো মনত পৰাৰ লগে লগে তাৰ মাকলৈ মনত পৰিল। এনেকুৱা এটা নিষ্ঠুৰ আৰু নিৰ্ম্মম খবৰ পোৱাৰ পাছত মাকৰ অৱস্থা কেনেকুৱা হ’ব বাৰু? সি জানে, মাক কান্দি-কান্দি বাউলি হ’ব। ঘৰলৈ যোৱাত পলম হ’লেই অধৈৰ্য হোৱা মাকে জানো এই খবৰটো সহ্য কৰিব পাৰিব? তথাপিতো মাকক বুজাব লাগিব। “দেশৰ বাবে মৰিবলৈ পোৱাটো বৰ ভাগ্যৰ কথা”। বুলি ৰতিকান্ত বুঢ়াই কোৱা কথাষাৰ মাকক ক’ব লাগিব। দেশৰ বাবে জীৱন দিয়া পুত্ৰ এজনৰ মাতৃ হ’ব পৰাটো আৰু কিমান ভাগ্যৰ কথা। নবৌয়েককো বুজাব লাগিব। নবৌয়েকৰ কথা মনত পৰাৰ লগে লগে নবৌয়েকৰ যিখন ছবি তাৰ আগত ভাহি উঠিল, সেই ছবিখন প্ৰসন্নৰ বৰ অসহ্য লাগিব। শুধ বগা সাজ পিন্ধি নবৌয়েক থিয় হৈ আছে। মুখত অনবৰতে লাগি থকা সেই হাঁহি আৰু উৎফুল্লতাৰ ভাব ক্ষণিকমাত্ৰও নাই। বৰঞ্চ আছে এটা উদাস উদাসভৰা ভাব। সকলো পাই হেৰুৱাৰ বেদনা। অসহ্য লাগিলেও প্ৰসন্নই সেই ছবিখন স্বীকাৰ কৰি ল’লে। জুনুকো বুজাব লাগিব। দেউতাকৰ মৃত্যুৰ সময়ত অসীম ধৈৰ্য্য ধৰা জুনুৱে জানো এইবাৰ ধৈৰ্য্য ধৰিব? ককায়েকে তাইক বৰ মৰম কৰিছিল। নবৌয়েকেও জুনুৰ বাবে ভাল দৰা এজন চোৱাৰ বাবে ককায়েকক প্ৰায়েই কৈছিল। এইবাৰ কাক ক’ব? তাইৰ বাবে ভাল দৰা এজন কোনে

চাব। তথাপিতো জুনুক বুজাব লাগিব। ধৈৰ্য্য ধৰিবলৈ শিকাব লাগিব। ভতিজাক দুটাক বাৰু কি বুলি ক'ব? সিঁহতেতো জন্ম মৃত্যুৰ কথা নাজানে। ৰাতি দেউতাক ঘৰলৈ নগ'লে সিহঁতে যদি দেউতা ক'ত বুলি সোধে?

এইযাৰ কথা ভবাৰ লগে লগে আৰু এটা কথা তাৰ মনলৈ আহিল। সি তো ককায়েকক দেখা নাই।

"ককাইদেউক ক'ত ৰাখিছ?"

প্ৰসন্নৰ প্ৰশ্নতো শুনি তাত উপস্থিত থকা সকলো সচকিত হৈ উঠিল। এই প্ৰশ্নটোৰ পৰাই যেন সকলোৰে পলাই ফুৰিছিল।

মণ্টুৰে কোনো মতে উত্তৰটো দিলে। উত্তৰটো শুনি খঙত প্ৰসন্ন জ্বলি উঠিল। চকু দুটা ক্ষোভত ডাঙৰ হৈ উঠিল, তাৰ চকুৰে যেন জুইহে ওলাব। তাৰ মূৰটো গৰম হৈ গ'ল।

সি ভাবিবই পৰা নাছিল অসভ্যালিৰ মাত্ৰা ইমানলৈকে আগবাঢ়িব পাৰে। ঘৃণাত তাৰ জিভা কোঁচ খাই গ'ল। এইখিনি পাবলৈকে সিহঁতৰ দেশখন স্বাধীন হৈছিল নেকি? ককাইদেউৰ দেহটোত দুটামান গোৰ মাৰি ককাইদেউক সিহঁতে চোচঁৰাই লৈ গ'ল বুলি মণ্টুয়ে কোৱা কথাষাৰ যেন তাৰ চাৰিওপিনে প্ৰতিধ্বনিত হ'ল। কথাযাৰে যেন তাক প্ৰতি মুহূৰ্ততে শেল একোপাত হৈ খুচিব ধৰিলে। পূব পাকিস্থানত বুটেৰে গচকি মানুহক মৰা বৰ্ব্বৰ পাকিস্থানী সৈন্য আৰু ভাৰতৰ চি-আৰ-পি বাহিনীৰ মাজত প্ৰসন্নই পাৰ্থক্য দেখা নাপালে। বৰ কষ্টেৰে জনগণে অনা স্বাধীনতাৰ কথা মনত পেলাই দিবলৈকে পতা স্বাধীনতা দিৱসত উৰুওৱা ত্ৰিৰঙ্গা পতাকাখনৰ তিনিওটা ৰং প্ৰসন্নৰ মনত নিৰৰ্থক যেন লাগিল।

**(প্ৰকাশ কালঃ ১৯৮৪)**

# প্ৰতিদান

**সতীশ ৰয়**

“ঐ মানস, তই একো নক’লি যে? কিনো ভাবি থাক? আচলতে আমি দুটা গ’লে খুউব ভাল লাগিব। গ’লেও এনেয়ে নেযাওঁ; ফুৰাৰ লগতে বহুত বস্তুও কিনি আনিব পাৰিম। এনেকুৱা এটা ধুনীয়া Chance আমি আৰু কেতিয়াও নাপাম। তই ওলাবি দেই। গ’লে তোৰেই আটাইতকৈ বেছি লাভ হ’ব। সাহিত্যত তোৰ হাত আছে। গতিকে পৰ্ব্বত পাহাৰে বেষ্টিত চিৰসেউজীয়া অঞ্চলত কিবা প্লট শ্লট পাই যাবি আৰু তাকে যুগমীয়া কৰি তয়েই ৰাখিব পাৰিবি। গতিকে “বচ ওলা” প্ৰৱালে মানসৰ হাতত ধৰি কৈছিল।

“প্ৰৱাল, তই যে তাক ইমানকৈ খাটিৰ কৰিছ, সি জানো তোৰ কথাত কিবা গুৰুত্ব দিছে? তাৰ চিন্তা বহুত বুজিছ। তোৰ মোৰ দৰে সিটো আৰু অমুকটো তমুকটো হৈছে বুলিয়েই দৌৰ নামাৰে; ক’ৰবাত যাবলগা হ’লে কাৰোবাৰ অনুমতি পালেহে যায়। সি তোৰ মোৰ দৰে উদণ্ডীয়া নহয় বুজিছ।”

‘অ’ হয়তো, বল খেলিবলৈ লগ ধৰিবি, তাৰ সময় নাই; চিনেমা চাবলৈ লগ ধৰিবি, কাৰোবাক টিউচন কৰাৰ দায়িত্ব আছে; ক’ৰবাত ভাওনা চাবলৈ মাতিবি, ঘৰলৈ যাব লাগিব — ইত্যাদি ইত্যাদি। কিন্তু আমাৰ ক্ষেত্ৰতহে। আমাক মাত দিবলৈও তাৰ টান। অন্যহাতে ৰূপজ্যোতিৰ লগত তাৰ কি তামাচা নাচাবি?”

“এৰা জোৱান লড়কা তো? তাতে আকৌ এক্কেবাৰে মডাৰ্ণ লড়কী পাইছে। দেখা নাই — কাকোৰেই মাতবোল নকৰা গহীন গপচ ৰূপজ্যোতিয়ে তাৰ লগত কেনেদৰে হাঁহি মাতি কথা পাতে, গল্প মাৰে? বুজিছ প্ৰৱাল - প্ৰেম, মানস আৰু ৰূপ।

দুয়োজনেই লায়লা মজনু। কি কৰ, ৰূপজ্যোতি যোৰাৰ ওপৰতে মানসৰো যোৰাতো নিৰ্ভৰ কৰিছে। গতিকে আমি খাতিৰ কৰি একো লাভ নাই। আহা যাওঁ।

এইয়া মোৰ বন্ধুবৰ প্ৰৱাল, ৰঞ্জন, দিগন্ত আৰু অনুপ। অহা সপ্তাহৰ সোমবাৰে মানস সৰোবৰ অভিমুখে শিক্ষামূলক ভ্ৰমণৰ আখৰা। আমাৰ শ্ৰেণীৰ সকলো যাব। মোৰ মুখৰ পৰা একো জানিব নোৱাৰি আটাইকেইটাই নাটকৰ বচন মতাদি মাতি গৈছে। মোক কোৱাৰ সুবিধা দিয়া নাই। ক'বলৈ মোৰ ইচ্ছা থাকিলেও সিহঁতৰ মুখৰ অসংলগ্ন ভাষাবোৰৰ কাৰণে মনত এটা ঘৃণাৰ ভাৱ জাগি উঠিছে। সেয়ে মই মতা নাই। কিন্তু সিহঁতৰ ৰূপজ্যোতিক লৈ ইমান অশ্লীল মন্তব্য কিয় ? আমাৰ শ্ৰেণীৰ ৬৫ জনী ছোৱালীৰ ভিতৰত ৰূপজ্যোতিয়ো এজনী। আনক লৈ নগ'লে কিয় ? মানে ৰূপজ্যোতিৰে মোৰে আন্তৰিকতা আছে? সহজ সৰল ছোৱালী ৰূপজ্যোতিয়ে মোক মাতে, হাঁহে, কথা পাতে, মোৰ নোট বহী নিয়ে। কিন্তু মইতো কাকো বাধা দিয়া নাই। অন্য তেনেদৰে নাহে কিয় ? ৰূপজ্যোতিয়ে সকলোকে নামাতে সেইতো জানো মোৰ দোষ, ইচ্ছা নগ'লে নামাতিবও পাৰে। কিয় তেন্তে তাকে লৈ বন্ধুহঁতে মোক বেয়া ধৰণে মন্তব্য কৰিলে ? এওঁলোকে মোক ভালদৰে নাজানে। যধে মধে কথা কোৱাত অভ্যস্ত এওঁলোক। কিন্তু ৰূপজ্যোতি ?

'মানস' - শনিবাৰৰ শেষ ক্লাচটো কৰি এটা হতাশাগ্ৰস্ত মনলৈ ভাড়াঘৰ অভিমুখে ৰাওনা হৈছিলো। হঠাতে গেট পাৰ হ'ব ধৰোতে নাৰীকণ্ঠৰ সম্বোধনত ৰৈ পৰিছিলো। আচৰিত হৈছিলো এই নতুন ঠাইত এজনী অচিনাকী ছোৱালীয়ে নামধৰি মতাৰ কাৰণে। ক্লাচত কোনো ছোৱালীৰ লগত মোৰ চিনাকি নাই। ছোৱালীজনী মোৰ ওচৰত ৰৈছিলহি।

"শুনা, মানস, মোৰ এজন সম্পৰ্কীয় দাদাই আৰ্ট'ছৰ কিতাপখিনি মোক দি দিলে। আনহাতে মই সকলো কিতাপ কিনি পেলাইছো। যিহেতু তুমি কিতাপ লোৱা নাই গতিকে তুমি যদি বেয়া নোপোৱা মোৰ কিতাপৰ ভাগটো তোমাক দিব বিচাৰো, কোৱা তুমি ৰাজি ?" ছোৱালীজনীয়ে মোক কৈছিল।

মই আচৰিত হৈছিলো। কাৰণ ছোৱালীজনীক মই চিনি নাপাওঁ। এইবোৰ আক' তাই কি কৈছে। মই কিতাপ লোৱা নাই বুলি তাই কেনেকৈ জানিলে ? নে তাইয়ো আমাৰ ক্লাছৰে। হ'বও পাৰে যদি হয় তেন্তে ক্লাছত নিশ্চয় গম পাইছে। এৰা অৰ্থনীতি বিজ্ঞানৰ চাৰে কেইটামান প্ৰশ্ন সুধিছিল। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিব নোৱাৰিলো মই। ক্লাচ কৰা বেছিদিন হোৱা নাই, আনহাতে মোৰ কিতাপ নাই। চাৰে মোক সুধিছিল

“কিয় কিতাপ লোৱা নাই?” — মই উত্তৰ দিব নোৱাৰিলো। মোৰ কণ্ঠ ৰোধ হৈ গৈছিল। এই ‘কিয়’ৰ সমাধান মই কৰিব নোৱাৰিম। মনে মনে নিজকে অভিশাপ দিছিলো। ঘৃণা লাগিছিল নিজৰ সামৰ্থ্যৰ ওপৰত। পাছৰ ক্লাচবোৰতো মন বহা নাছিল। খুউব বেয়া লাগিছিল। মাত্ৰ শেষ ক্লাছটোলৈহে ৰৈ আছিলো।

“মানস কি হ’ল একো নক’লা যে? আৰু আজি ক্লাছত তুমি আনদিনৰ দৰে কথা পতা নাই কিয়? তুমি কিয় মন মাৰি আছা? কিবা অসুখ হৈছেনেকি তোমাৰ?”

“মই অত্যন্ত আচৰিত হৈছিলো। ধৈৰ্য্যৰ সীমাও পাৰহৈ গৈছিল। সেয়েহে সুধি পেলাইছিলো- “আপোনাক মই চিনি পোৱা নাই।” আপুনি মোক তেনেদৰে কিয় কৈছে মই বুজিব পৰা নাই।

“কিয় মোক তুমি চিনি পোৱা নাই? মানস এইবোৰ তুমি কি কৈছা? সেই গুৱাহাটী মেডিকেলত তুমিযে মোক ব্লাড দিছিলা ৰূপজ্যোতি বৰুৱা মনত পৰা নাই? তুমি কি আচৰিত, মৰণ পথৰ যাত্ৰী এজনক তোমাৰ শৰীৰৰ তেজ দি বচাই তোলাৰ পাছতে, তেওঁক তুমি পাহৰি যাব পাৰা!”

“মানে তুমি ৰূপজ্যোতি বৰুৱা! প্লিজ তুমি মোক ক্ষমা কৰিবা। আচলতে সেই সময়ত মই তোমাৰ চেহেৰাটোৱেই মনত ৰাখিব নোৱাৰিলো। তুমি তেন্তে আমাৰ ক্লাচৰে?” ছোৱালীজনীৰ মুখলৈ চাই এই মই প্ৰথম সুধিছিলো। পাতল, লাহী, সুন্দৰ মুখমণ্ডলৰ গৰাকী ৰূপজ্যোতিৰ চকুত বুজিব নোৱাৰা এক আকুলতা।

‘অ’ মাই গড!’ তুমি মানে, মই যে তোমাৰ ক্লাচৰে তাকো সঠিককৈ নাজানা? তুমি জানো মোক ক্লাচত দেখা নাই? তোমাকযে মই সদায়েই দেখো, মাত্ৰ মতাহে নাছিলো।” ৰূপজ্যোতিয়ে কৈছিল।

এৰা, মই ৰূপজ্যোতিক ক্লাচত দেখা নাই। আচলতে মই লক্ষ্য কৰা নাছিলো। এটা সময়ত মৃত্যু শয্যাত ক্ষণ গণি থকা ৰূপজ্যোতিয়ে এইখন কলেজতে, আমাৰ ক্লাচত যে নাম ভৰ্তি কৰিলে তাকো জনা নাছিলো। জানিছিলো এখন ঘৰৰ একমাত্ৰ কন্যা সন্তান এটি, .... এটি ভয়াবহ ৰোগত...।

প্ৰৱেশিকা পৰীক্ষা দিয়াৰ পাছত কিছুমান ঘৰুৱা আৰু অৰ্থনৈতিক চিন্তাই মোক খুলি খুলি খাইছিল। সৰুতে মোৰ দেউতা ঢুকাল। মাৰ তত্বাৱধানত মই আৰু ভাইটি পৰেশ ডাঙৰ দীঘল হৈছো। মই ঘৰৰ ডাঙৰ ল’ৰা। মাৰ প্ৰতি মোৰ কৰ্তব্য আছে। ভাইটিৰ প্ৰতি গধূৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মই মানুহ হ’ব লাগিব। কিন্তু আমাৰ দাৰিদ্যই মোক চিন্তিত কৰি তুলিছিল। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মই কি কৰিম।

উচ্চ শিক্ষাৰ কাৰণে মই জানো কলেজত ভৰ্তি হ'ব পাৰিম। কলেজত পঢ়িবলৈ মই মাহে মাহে শ শ টকা ক'ৰ পৰা পাম? এইবোৰ চিন্তাই মোক মানসিকভাৱে দুৰ্বল কৰি পেলাইছিল। মা ভাইটিৰ লগতে ঘৰুৱা কামবোৰ কৰি দিন অতিবাহিত কৰিছিলো। হঠাতে এদিন ভাইটিয়ে দোকানৰ পৰা দাইল বান্ধি অনা এখনি ক্ষুদ্ৰ কাকতত এটি ভয়াবহ বাতৰি পাইছিলো। যিটো জাননীৰ পম দেখি এটি স্বাৰ্থ পুৰাবলৈ দৌৰি গৈছিলো গুৱাহাটী মেডিকেললৈ আৰু তাতে একে গ্ৰুপৰ তেজ মিলা কাৰণে এজনী মৃত্যুৰ ক্ষণ গণা ছোৱালীক মোৰ শৰীৰৰ তেজ দিছিলো। ছোৱালীৰ দেউতাক বোকাজান নিবাসী মেজিষ্ট্ৰেট বিনয় বৰুৱাই দাতাৰ যিকোনো স্বৰ্ত মানিবলৈ প্ৰস্তুত যদিও মই তেজৰ বিনিময়ত টকা পাঁচশ লৈছিলোঁ। টকা পাঁচশ ল'বৰ সময়ত মোৰ দুচকুৰ পৰা চকুপানী ওলাইছিল। অন্তৰত মোৰ কিহৰ ধুমুহা বৈছিল মই কাকো ফুটাই কব নোৱাৰো। সৰুতেহ হেৰাই যোৱা মোৰ দেউতালৈ মনত পৰিছিল। দেউতায়ো এনে এটি ৰোগত মৃত্যুবৰণ কৰিছিল। ৰক্তহীনতাৰ কাৰণে দেউতাই ইহ সংসাৰৰ পৰা গুচি গ'ল। চিকিৎসা কৰিবলৈ মাৰ হাতত টকা নাছিল। এনে কিছুমান বেমাৰ আছে যাক টকা দিলেই ভাল নহয়। দেউতাক যদি তেজ দিব পৰা গ'লহেঁতেন, কিজানি দেউতা...। মনটোৱে হাহাকাৰ কৰি উঠিছিল। হাতত লোৱা টকা পাঁচশ পুনৰ ঘূৰাই দি মই ঘৰমুৱা হৈছিলোঁ।

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মা আৰু ভাইটিৰ মুখলৈ আনন্দৰ ৰেখা আনিব পাৰিছিলো, যদিও ফলাফল ঘোষণা কৰাৰ দিনা মই খু-উ-ব কান্দিছিলো। কান্দিছিলো মোৰ ভৱিষ্যতৰ কথা ভাবি। ইয়াৰ পিছত মই কি কৰিম........? কিন্তু মাৰ ইচ্ছা আৰু ভাইটিৰ হেঁপাহক বুকুত বান্ধি প্ৰস্তুত হ'লো উচ্চ শিক্ষাৰ কাৰণে। ভৰ্তি হ'লোহি- "সৰুপথাৰ মহাবিদ্যালয়ৰ কলা শাখাত"।

"কি হ'ল মানস, তুমিচোন একোয়ে নক'লা? হঠাতে ৰূপজ্যোতিৰ মাতত মোৰ তন্ময়তা ভাগি গ'ল।

"অ কিতাপৰ কথা। তুমি কাম এটা কৰিবা। গোটেইখিনি কিতাপ মোক এতিয়া নালাগে। কেইখনমানহে ল'ম। তুমি দামটো জনাবা। পাছত মই তোমাৰ পৰা লৈ যাম।" মই কিবা এটা চিন্তা কৰি কৈছিলো।

"নহয় মানস, কিতাপখিনি মই বিক্ৰী কৰিব খোজা নাই। মিছাকৈয়ে কিতাপৰ দুটা ভাগ মোকনো কেলেই? সেয়েহে তোমাক তাৰে এটা ভাগ দিব বিচাৰিছো। কাৰণ তুমি যে কিতাপ লোৱা নাই।

"কিন্তু কিতাপকেইখন তোমাৰতো এনেয়ে অহা নাই তাৰ এটা মূল্য...। প্লিজ, শুনা মানস, বৰ্তমান তুমি কিতাপখিনি মোৰ পৰা আনিবা। মূল্য তুমি পাছত দিবা যেতিয়া মই বিচাৰিম। এটা কথা মনত ৰাখিবা টকা-পইচাই সকলোৰে মূল্য নিৰূপণ কৰিব নোৱাৰে....।"

এইয়াই ৰূপজ্যোতি। তাৰ পিছদিনাই তাই মোক প্ৰায়খিনি কিতাপেই দিছিল। দেখা গ'ল কিতাপখিনি একেবাৰেই নতুন। মোৰ মনটোৱে মানি ল'ব বিচৰা নাছিল যদিও তাই বিচৰা মূল্যলৈ অপেক্ষা কৰিলো।

তাৰ পিছৰ পৰাই আমাৰ আৰম্ভ হ'ল আন্তৰিকতা। পঢ়াশুনাৰ ক্ষেত্ৰত সহযোগিতা আৰম্ভ হ'ল। প্ৰায়েই ৰূপজ্যোতিয়ে মোৰ নোট বহী নিয়ে। ক্লাচত বিভিন্ন আলোচনা হয়। কেতিয়াবা হয়তো মোৰ ভাড়াঘৰতে ওলায়হি নাইবা কেতিয়াবা তাইৰ থকা মেছলৈ মোক মাতি পঠিয়ায়। কেতিয়াবা কিবা কাৰণত যদি মই যাব নোৱাৰো সেইলৈ প্ৰায় এক সপ্তাহমান মোক নমতাকৈ থাকে। প্ৰায়বোৰ ক্ষেত্ৰতে তাইক মই সহায় কৰি দিওঁ যদিও তাইৰ সহায়ৰ তুলনাত মোৰখিনি নিচেই নগণ্য। এই ভয়াবহ বেমাৰৰ পৰা উঠা কাৰণে নেকি ৰূপজ্যোতিৰ স্বভাৱত ধীৰ, স্থিৰ, গম্ভীৰ। অন্য যি কোনো ছোৱালীৰ দৰে চঞ্চলতা চপলতা নাই। সেই কাৰণে মোৰ ৰূপজ্যোতিৰ প্ৰতি এটা শ্ৰদ্ধাৰ মনোভাৱ আছে।

এবাৰ তাইৰ একান্ত অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেওঁলোকৰ ঘৰলৈও গৈছিলো। ৰূপজ্যোতিৰ মাক-দেউতাকে মোক খু-উ-ব মৰম কৰিছিল। জোৰকৈ ৰাখিছিল যদিও মই এদিন থাকিয়েই গুচি আহিছিলো। মই জানো তেওঁলোকৰ মোৰ প্ৰতি ইমান মৰম। হয়তো ভাবিছে, সেইয়া মোৰ অকণমান তেজ তাৰ কাৰণে তেওঁলোকৰ একমাত্ৰ সম্বল, ৰূপজ্যোতিয়ে পুনৰ জীৱন পালে। কিন্তু বিনিময়ত মই কি কৰিছিলো।

কিন্তু মই সেই কথা ভবা নাই। ভাবিছো মোৰ ঘৰখনৰ কথা। মাৰ কথা। ভাইটিৰ কথা। মোক কলেজত পঢ়ুৱাবলৈ গৈ নৰম-মানত পড়ি থকা অৱস্থাতে ভাইটি এঘৰত হালোৱা সোমাইছিল। মায়ে দিনক ৰাতি, ৰাতিক দিন কৰি তাঁতবোৱা ধানৰোৱা, ইত্যাদি কামবোৰ ঘৰে ঘৰে কৰি ফুৰিছে মাত্ৰ কেইটামান টকাৰ কাৰণে। মায়ে নাজানে কলেজত পঢ়িবলৈ কিমান টকাৰ প্ৰয়োজন। ভাইটি হালোৱাৰ বেতন আৰু মাৰ তাঁতৰ উপাৰ্জনেৰে মাহে মোলৈ দুশকৈ টকা পঠায়। মায়ে চাগৈ টকা পঠায়েই সুখ অনুভৱ কৰে। মনত শান্তি পায়। মই কিন্তু সুখী হ'ব নোৱাৰো। যিকেইটা টকা ভাইটিৰ কুমলীয়া

বয়সতে কলিজাৰ কেঁচা তেজ পানী কৰি ঘটা, যিকেইটা টকা মাৰ নিদ্ৰাহীন ৰাতিৰ চকুপানীৰে ঘটা, সেই টকাকেইটা হাতত লৈ মোৰ বহুত চিন্তা মনলৈ আহে। খৰচ কৰিবলৈ গলে মোৰ হাত কঁপি উঠে। তাৰ এটকা যদি কেনেবাকৈ অযথা খৰছ হয় তেন্তে মোৰ ৰাতি টোপনি নহা হয়। দুশ টকাৰে মোৰ মাহটো নচলে। মাক জনাব নোৱাৰো। কাৰণ মায়ে যদি গম পায় মই টকাৰ অভাৱত চলিবলৈ টান পাইছো, তেন্তে কিজানিবা যিকণ সময় জিৰণি লৈছিল, তাকো বাদ দি দিব। সেয়েহে মাঁহতে নজনাকৈ মই ইয়াতে কেইটামান সৰু সৰু ল'ৰা-ছোৱালীক আবেলি টিউচন কৰো। মাহে তাৰ পৰা এশ পঞ্চাশ টকা পাঁও। মায়ে পঠোৱা দুশ আৰু টিউচনৰ এশ পঞ্চাশ টকা, মুঠ তিনিশ পঞ্চাশ টকাৰে মোৰ ঘৰভাড়াৰ পৰা আৰম্ভ কৰি, কলেজৰ মাহেকীয়া ফিজলৈকে যেনেতেনে মাহটো চলি যায়। মাজে মাজে মনলৈ নিৰাশাৰ ভাৱবোৰ আহে। দুখীয়া ঘৰৰ ল'ৰাই পঢ়াটো এটা বিলাসীতা নেকি ?

সমনীয়া ল'ৰাবিলাকৰ ওচৰত বহুতো ক্ষেত্ৰত মিছাৰ অভিনয় কৰিব লাগে। নহ'লে যে মই মিলিব নোৱাৰিম। চিনেমা, থিয়েটাৰ সাংস্কৃতিক অনুষ্ঠানবোৰ চাবলৈ বাৰু কাৰ মন নেযায় ? কিন্তু তেনে এটি মুহূৰ্ত আহিলেই মোৰ মানসপটত ভাঁহি উঠে বৰষুণত তিতিবুৰি, ৰ'দত শুকাই শুকাই হালবোৱা মোৰ একমাত্ৰ ভাইটোৰ শুকান মুখখন; টোপনিয়াই টোপনিয়াই যতঁৰত সূতা কাটি থকা মোৰ মাৰ করুণ মুখখন। সেয়েহে মই সমনীয়াবোৰক কিবা এটা কথাৰে প্ৰত্যয় নিয়াই সেইবোৰৰ পৰা আঁতৰি যাওঁ। সকলোবোৰ বন্ধ হ'লেও মই মানসিকভাৱে বৰ অকলশৰীয়া অনুভৱ কৰো। মোৰ ভিতৰুৱা কথাবোৰ কোনেও নাজানে। জানিলে হয়তো মই ঘৃণাৰ পাত্ৰ হৈ যাম। কাৰণ আধুনিক সমাজত মোৰ নিচিনাবোৰৰ কোনো মূল্য নাই। যিহেতু মই কাকো ক'ব নোৱাৰো- "আহা একাপ চাহ খাওঁগৈ"— ক'ব নোৱাৰো "First Show ৰ টিকট কৰিছো দেই" — বুলি।

যাৰ মাহটো চলিবলৈ টনাটনি, তেনেস্থলত মই দুশ টকা দি Excursion ত কেনেকৈ যাওঁ, যোৱা হলে লাভেই হ'লহেঁতেন। কিন্তু এদিনত দুশকৈ টকা খৰচ কৰিবলৈ...।

মোৰ বাহিৰে হয়তো সকলোৱে যাব। মানস সৰোবৰৰ নামহে শুনিছো। য'ৰ পৰা ব্ৰহ্মপুত্ৰ নদী ওলাই আহিছে। এটা সময়ত হেনো এই হ্ৰদৰ পানীবোৰে হ্ৰদৰ ভিতৰতে টৌখেলি জোঁৱাৰৰ সৃষ্টি কৰি তোলপাৰ লগাই আছিল। পাছত পৰশুৰামে মাতৃক হত্যা কৰোতে হাতত লাগি ধৰা কুঠাৰখন এই হ্ৰদৰ পাৰ কাটি দি অসমলৈ

বোৱাই আনিলতহে এৰাইছিল। মানস সৰোবৰৰ উন্মত্ত জোৱাৰবোৰ ভৈয়ামত আহি সৃষ্টি কৰিলে শান্তি আৰু সৌম্যৰ আকৰ। মানস সৰোবৰৰ পৰা খান্দিলে পৰশুৰামে। মোৰ অন্তৰতো কিহৰ বা প্ৰৱল ঢৌৱে তোলপাৰ লগাইছে, কিন্তু এই ঢৌৰ পাৰ কাটোতা কোনো নাই।

"মানস, ইয়াত অকলে অকলে বহি কি কৰিছা? তোমাক বিচাৰি বিচাৰি চাৰিওফালে হুলস্থূল লগাই দিছো, কিন্তু তুমি এই কমনৰুমতে অকলে বহি আছা।"

বন্ধুবৰ প্ৰৱাল, ৰঞ্জন, দিগন্ত আৰু অনুপে কেতিয়া যে মোক কমনৰুমতে এৰি ওলাই গ'ল ক'বই নোৱাৰিলো। আমাৰ ক্লাচৰ ৰূপজ্যোতিৰ অন্তৰংগ বান্ধৱী মণিমালাৰ মাততহে মোৰ তন্ময়তা ভাগিল।

"কি হ'ল মণিমালা, মোক কিয় বিচাৰিছিলা?

"এইয়া লোৱা জ্যোতিয়ে দি পঠাইছে। তাই আজি ৰাতিপুৱা ঘৰলৈ গ'ল। মোক তোমাক বস্তুটো দিবলৈ কৈ গৈছে।" এইবুলি ভেনিটি বেগৰ পৰা এটা এলবাম আৰু এখন চিঠি উলিয়াই মোৰ হাতত দিলে।

"মানস, মই যাওঁ দেই।" বুলি তাই ৰুমৰ পৰা ওলাই গ'ল।

মই লৰালৰিকৈ চিঠিখন খুলি চাওঁ। এফালৰ পৰা পঢ়ি গৈছো চিঠিখন। কিন্তু এইবোৰ ৰূপজ্যোতিয়ে কি লিখিছে? লৰালৰিকৈ এলবামটো খুলি চাওঁ।

কিন্তু কিয় তাই এনেকুৱা কৰিছে? লাহে লাহে পাছৰখিনিও পঢ়ি যাওঁ। মোৰ নিজকে অচিনাকি যেন লাগিছে। ক্ৰমান্বয়ে মই চিঠিখন বুজিব নোৱাৰা হৈ আহিছো। ভালদৰে বুজিবলৈ পুনৰ প্ৰথমৰ পৰাই পঢ়িবলৈ লৈছো।

স্নেহময়,

মানস,

আভিজাত্য, ক্ষমতা আৰু ধনৰ বলেৰে পৃথিৱীৰ সকলো বস্তুৰেই লাভ কৰিব পাৰি। কিন্তু উক্ত সম্পদৰাজিৰেও এটা বস্তু লাভ কৰিব নোৱাৰি। যিটো বস্তু বজাৰতো পোৱা নাযায়। বিচাৰিলেও পোৱা নাযায়। কিন্তু এনেয়ে হঠাতে পাব পাৰি।

সেয়া হ'ল সঁচা পৱিত্ৰ আন্তৰিকতা। তোমাৰ ওচৰতো মই তাকেই পালো। তোমাক মই তোষামোদ কৰিব নিবিচাৰো। তথাপি কওঁ তুমি সঁচাই সুন্দৰ। তোমাক মই সেই দিনাই জানিছিলো যিদিনা তুমি তেজ দিছিলা। যদি তুমি তেজ নিদিলাহেঁতেন কিজানি মই আজি জীৱিত নাথাকিলোহেঁতেন। তাৰ পাছতো তোমাক কলেজত ক্লাচত

যেতিয়া দেখা পাওঁ, তেতিয়া তোমাৰ ওপৰত মই সদায় চকু ৰাখিছিলো। তোমাৰ চাল-চলন কথা বতৰাত সদায় কিবা এটা কাৰুণ্য প্ৰকাশ পাইছিল। যাৰ কাৰণে তোমাক সততে কোনেও মাতিবলৈ সাহ নকৰে। আচৰিত কৰিছিলা মোকো, যিদিনা তোমাক মই প্ৰথম মাতিছিলো, তুমি মোক চিনি পোৱা নাছিলা। ফাঁকি দিছিলা তুমি সমনীয়াবোৰক। কিন্তু ফাঁকি দিব নোৱাৰিলা মোক। মই তোমাৰ প্ৰতিটো খোজ, প্ৰতিটো কথা চিনি পাওঁ। যিহেতু তোমাৰ তেজেই মোৰ দেহত প্ৰবাহিত হৈ আছে। মানস, তুমিতো জানা, মই সম্পূৰ্ণ সুস্থ আজিও হোৱা নাই। Excursion ত যাবলৈ পাহাৰীয়া অঞ্চলত বৰফ-শীতল ঠাণ্ডা, গাড়ীৰ অনন্ত জোঁকাৰণি মোৰ সহ্যৰ বাহিৰত। সেয়েহে মোৰ যোৱা নহ'ব। মই ঘৰলৈ আহিলোঁ। মায়ে মাতি পঠাইছে কিন্তু মোৰ আশা তুমি যাবা। তোমাৰ কাৰণে নহয়, মোৰ কাৰণে। এলবামৰ মাজত টকা পাঁচশ আছে। মোলৈ মিঠাই আনিবা। তোমাৰ যি মন যায় আনিবা। মনত আছেনে তোমাৰ, এদিন মই কৈছিলো "কেতিয়াবা তোমাৰ ওচৰত হাত পাতিলে তুমি মোক তাকেই দিব লাগিব।" আজি মই হাত পাতিছো তুমি জানো নিদিবা?

জানা মানস; মানুহৰ প্ৰতিটো কামেই উদ্দেশ্যমুখী হ'ব লাগে। Excursion ত ময়ো যাব পাৰো। কিন্তু মই কি আনিম জানা? কিছুমান বেমাৰ, যিবোৰক নিৰাময় কৰিবলৈ মা-দেউতাই মেডিকেলে-মেডিকেলে ঘূৰাই ফুৰাব। মোৰ দৰে বহুতে হয়তো তাকেই আনিব। কিন্তু তুমি? মই জানো তুমি বুটলি আনিবা "সত্য আৰু সুন্দৰ"। মই তোমাৰ পৰা তাকেই বিচাৰিছো। মানস সৰোবৰৰ মৌনতাক ভাঙি তাৰ পৰা বোৱাই আনা ব্ৰহ্মপুত্ৰৰ নদীক অসমী আইৰ বুকুলৈ য'ত গা ধুই আমি পবিত্ৰ হ'ম। কৌটিকলীয়া অন্ধবিশ্বাসক উটাই দি নিকা হ'ম সহানুভূতিৰে। তোমাৰ ওচৰত মই তাকেই ভিক্ষা মাগিছো। তুমি জানো নিদিবা?

শুনা মানস, টকা পইচাই সকলো নহয়। অজস্ৰ টকা-পইচা থাকিলেও মানুহ সুখী হ'ব নোৱাৰে। ঐশ্বৰ্য্য বিভূতিবোৰ মানুহৰ অহংকাৰ মাথোন আৰু অহংকাৰ মানুহৰ ক্ষণস্থায়ী দম্ভ। চিৰস্থায়ী সেই সত্য, যি যুগ যুগান্তৰৰ কাৰণে প্ৰবাহিত হয়, যাৰ বিলুপ্তি নাই। পোহৰৰ ওচৰত যেনেদৰে অন্ধকাৰ থাকিব নোৱাৰে। সেই সত্যই হ'ল সুন্দৰ। ধৰিলোৱা তোমাৰ একোৱেই নাই, কিন্তু এটা সুন্দৰ মন আছে, যাৰ কাৰণে তুমি চিৰদিন জোতিষ্মান হৈ থাকিবা।

কিন্তু আমি? এৰা আমি পুৱা সূৰ্যৰ মুখ দেখা নাপাওঁ। জন্মদাতা ধৰিত্ৰীৰ বুকুত বিচৰণ কৰিবলৈ নাপাওঁ। প্ৰকৃতিৰ মুক্ত বায়ু সেৱন কৰিবলৈ নাপাওঁ। প্ৰবাহিত

নদীৰ পানী, সতেজ ফলমূল, গাইৰ গৰম বিশুদ্ধ গাখীৰ আমি ভক্ষণ কৰিবলৈ নাপাওঁ। এই সকলোবোৰ কৃত্ৰিমতাৰ মাজত প্ৰকৃত সত্য কি তাৰ জানো উপলব্ধি হ’ব মানস? মানৱ সভ্যতাই চৰম উন্নতি লভিছে কিন্তু কোনটো দিশত। সভ্যতাৰ লগে-লগে জানো সকলোবোৰ কৃত্ৰিম হৈ যোৱা নাইনে? তেন্তে প্ৰকৃত শান্তি কি? সুন্দৰ ক’ত?

মানস, ভুল নুবুজিবা মোক। অনুৰোধ কৰিছোঁ, এই অভিযানৰ পাছত তোমাৰ পৰা আমি এখনি পৱিত্ৰ নদী পাম; যাৰ প্লাৱনে অসমী আইৰ শুকান মুখলৈ অমৃতৰ ৰস আনিব। সেই ৰসত ফুলি উঠিব ৰঙা নীলা বাৰে-বৰণীয়া ফুলবিলাক। সেই আশা জানো তোমাৰ পৰা কৰিব নোৱাৰো? তুমি ঘুৰি অহা দিনটোলৈ বহু হেপাঁহেৰে বাট চাই থাকিম। পৰ্ব্বত পাহাৰৰ মনোৰম দৃশ্যবোৰ এলবামত ঠাই পাব বুলি আশা কৰিলোঁ। মই কিন্তু সেইবোৰ চায়েই তালৈ গৈছো বুলি ভাবিম। মনত ৰাখিবা তোমাক মই বহুতো দায়িত্ব দিছো। কেৱল মোৰ কাৰণেই সেইবোৰ কৰিবা বুলি আশা কৰিলো।

ঘৰলৈ যোৱাৰ আগতে তোমাক লগ কৰিব নোৱাৰিলোঁ। বেয়া নাপাবা। তুমি ‘সত্য শিৱ সুন্দৰ’ৰ পূজাৰী হোৱা। মোৰো ভয় নাই। কিয়নো তোমাৰ তেজ-যে মোৰ গাতো আছে। বহুত মৰমেৰে তোমাৰ- যাত্ৰা শুভ হওঁক। ইতি,

তোমাৰ

‘ৰূপজ্যোতি’

মোৰ চকুৰ আগৰ পৰা এখন আৱৰণ কোনোবাই যেন খুলি দিছে। এলবাম আৰু চিঠিখন লৈ মই কমন ৰুমৰ পৰা ওলাই আহিছো। ভাৱ হৈছে মই যেন এটা বন্ধ কোঠালিত যুগ যুগ ধৰি বন্দীহৈ আছিলো। আজিহে যেন কোঠাটোৰ দুৱাৰ মুকলি হৈছে। সেই দুৱাৰেদি মই ওলাই আহিছো। মই যাব লাগিব বহুত দূৰ। ব....হু...ত দূ....ৰ....।

**(প্ৰকাশ কালঃ ১৯৯১-৯২)**

# পপীৰ সপোন

**মুকুট বৰা**

এহাতে উঘা চেৰেকী আৰু আনখন হাতেৰে পীৰাখন লৈ পপী মাৰল ঘৰৰ বেৰখনৰ কাষলৈ গ'ল। হাতৰ পীৰাখনেৰে তাই চেৰেকীটোৰ মূৰত দুমাৰমান দি টিপ চাকিটোৰ পোহৰত সূতা উঘাবলৈ পীৰাখনত বহি পৰিল। কাৰণ বিহুলৈ আৰু বেছিদিন নাই। পুৱতি নিশা দুই এটা কুলিয়ে লুকাই চুৰকৈ বসন্ত অহাৰ জাননী দিছেই। বিহুৰ আগতেই গামোছা কেইখন ওলাব লাগিব। শালত অঁৰা তাঁত বিহু চেৰা হ'ব নেপায়। জয়ন্ত এতিয়াও আহি পোৱা নাই। চেৰেকীৰ কিৰিক কিৰিক শব্দ আৰু উঘাটোৰ ঘৰঘৰণিত এক অদ্ভুত সুৰৰ সমলয় ঘটিছে। চেৰেকীৰ ঘুৰণৰ লগে লগে তাইৰ মনৰ চকৰিটোও ঘূৰিবলৈ লাগিল। হয় ঠিকেই মনত পৰিছে, এই ব'হাগে তাই জয়ন্তৰ লগত বিয়া সোমোৱা আঠ বছৰ পূৰ হ'ল। এই আঠোটা বছৰে তাইৰ জীৱনৰ খতিয়ানত বহুতো যোগ বিয়োগ ঘটিছে। বহু সংঘাত তাই পাৰ কৰিছে। বহুত ৰাতিলৈকে জয়ন্ত অহাৰ অপেক্ষা কৰাটো তাইৰ বাবে এতিয়া সহজ হৈ পৰিছে। প্ৰথম দিনাৰ স্মৃতি তাইৰ এতিয়াও মনত আছে, সেইদিনা জয়ন্ত ঘৰলৈ আহোতে তাৰ চকু দুটা ৰঙা হৈ আহিছিল। তাই সেইদিনা এটা উৎকট গন্ধ পাইছিল। নাকৰ পাহিকেইটাই লগে লগে জাউৰিয়ে জাউৰিয়ে বিদ্ৰোহৰ ফিৰিঙতি ছটিয়াইছিল। নিগনি এটা বেগাই গাৰ কাষেৰে পাৰহৈ যোৱাত তাইৰ পৰা উঘাটোৰে খন্তেক জিৰাব বিচাৰিলে। চেৰেকীৰ আউলডাল ভাঙি তাই পুনৰ সুতা ল'বলৈ আৰম্ভ কৰিলে।

সিহঁতৰ বিয়াৰ আগতে যদি তাইৰ মাক-দেউতাকে জয়ন্তৰ চৰিত্ৰৰ বিষয়ে এবাৰো ভাবিলেহেঁতেন তেনেহ'লে পপীৰ আজি এনে দশা কেতিয়াও নহয়। তথাপিও তাই ৰৈ থাকে জয়ন্তৰ অসংযত অৱস্থাত অৰ্ধচেতন মনৰ পৰা ওলোৱা অশ্ৰাব্য বাক্য বাণ শুনিবলৈ, ৰৈ থাকে তাই অমানুষিক অত্যাচাৰৰ বলি হ'বলৈ। তাই ৰৈ থকা প্ৰকৃত কাৰণটোনো কি তাই ভাবি একো উৰাদিহকে নাপায়।

বিয়াৰ আগতে খুৰীয়েক, মাকহঁতে শিকাই দিয়াৰ দৰে স্বামীক তাই দেৱতাৰ দৰে পূজা কৰিবলৈ নে অইন কিবা কাৰণত তাই ৰৈ থাকে। আজি প্ৰায় আঠ বছৰেও তাই জয়ন্তৰ ভিতৰৰ মানুহটোক চিনি নাপালে। তাই ভাবে মনৰ মানুহজনক, বুকুৰ আপোনজনক, জীৱনৰ অৰ্দ্ধেকজনক বুজি পাবলৈ আৰু কিমান দিন লাগে। এটা দীঘল হুমুনিয়াহ তাইৰ অন্তৰ ভেদি ওলাই আহিল। তাইৰ সৰল মগজুৱে এইবিলাক "কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য"ৰ কথা বুজি নেপায়। হিচাপত তাইৰ সদায় সদায় কেৱল ভুলেই হয়। সৌ তেতিয়াৰ পৰাই তাই উলিয়াব নোৱাৰে ৰাতিৰ জয়ন্ত আৰু দিনৰ জয়ন্তৰ মাজৰ পাৰ্থক্য কিমান। তাইতো কোনো দিনেই জয়ন্তৰ প্ৰতি সেৱাৰ ত্ৰুটি কৰা নাই।

জয়ন্ত এজন সাধাৰণ চাকৰিয়াল। দৰমহাটোৰে সিঁহতৰ সৰু সংসাৰখন কাণে কাণমাৰি চলি যায়। লগুৱা ল'ৰাটোৰ হাতত পপীয়ে মাজে সময়ে বাৰীতে হোৱা লাই খুটুৰা, কলডিল এচুঙা দুচুঙা গাখীৰ বেচিবলৈ দি পঠায়। তাৰে সূতা-নেটা, চিএগ্ৰাহী, পেঞ্চিল আদিৰ খৰচৰ সৰুসুৰা জোৰা বোৰ মাৰে।

আজি তাইৰ মনৰ মাজ মজিয়াত এটা বিদ্ৰোহৰ ভাৱে ক্ষণিকৰ বাবে দোলা দি গৈছে, তাইৰ স্বামী জয়ন্তৰ দৰে এচাম মানুহে ভদ্ৰতাৰ নামত মুখা পিন্ধি থাকে। যেতিয়া আন্ধাৰৰ আগমন হয় তেতিয়া সিহঁতৰ মুখাবোৰ খোল খায়। তেতিয়া আহত হোৱা বাঘৰ দৰে সিহঁত ক্ষন্তেকতে হিংস্ৰ হৈ পৰে। আৰম্ভ কৰে নিজৰ মানুহজনীৰ ওপৰত শাৰীৰিক মানসিক আঘাত বৰ্ণনা কৰিব নোৱাৰা এনে আঘাতবোৰ যুগ যুগ ধৰি চলি আহিছে। সংবিধান প্ৰণেতাসকলে যদি আৰম্ভণিতে এখন সুস্থ সমাজ গঢ়াৰ সপোন দেখিছিল, তেন্তে কিয় বাৰু এই সমাজৰ বৰবিহসোপাক সাৰ জাৰৰ দিছিল। এই বিলাক ভণ্ডামি ভ্ৰষ্টাচাৰৰ বাহিৰে আন একো নহয়। আজি পপীৰ দৰে হাজাৰজনী এই ভ্ৰষ্টাচাৰৰ বলি হৈছে। ধ্বংস হৈছে একোখনি সোণৰ সংসাৰ। চুৰমাৰ হৈ গৈছে সোণটোহতঁৰ ভৱিষ্যত। অকাল বৃদ্ধা হৈছে পপীৰ দৰে তিৰোতাবিলাক। এই বিলাকে এখন সুস্থ সমাজ গঢ়াত বাধা দিছে। ভণ্ডামিবোৰৰ গুৰিতে তাই চৰকাৰৰ হাত আছে

বুলি ভাবে। কাৰণ চৰকাৰেহে আইন বনায়। এইবোৰ যে বহুৱালি তাই আজি বুজি উঠিছে, ন'হলেনো মন্ত্ৰীবোৰ কেনেকৈ ৰজা হ'ব, ৰজাবোৰ চক্ৰৱৰ্ত্তী কেনেকৈ হ'ব। সোনটোক তাই কেতিয়াও দেউতাকৰ দৰে হ'বলৈ নিদিয়ে। তাক মানুহ কৰিব লাগিব। তাক ৰাজচক্ৰৱৰ্ত্তী হোৱাৰ সপোন দেখিবলৈ নিদিয়ে। ৰাতিও বহুপৰ হ'ল। পপীক তন্দ্ৰালস ভাব এটাই হেঁচা মাৰি ধৰিলে। চেৰেকীটোৱে জিৰণি পালে। বেৰখনতে আঁউজি তাই টোপনি গ'ল। তাই এটা বৰ ভাল সপোন দেখিছে তাইৰ স্বামী জয়ন্তই এতিয়া মদ খাবলৈ এৰি দিছে। এজন নিষ্ঠাবান পুৰুষ হৈ ঘৰখনক তেওঁ সাৱটি ধৰিছে। সোনটোৱে ডাঙৰ হৈ এটা উদ্যোগ খুলিছে চাৰিওফালে ৰুণজুন নুপুৰৰ সুৰ এটা বাজি, তাই আৰু জয়ন্তই মুকলি আকাশৰ তলত বহি তৰা লেখিছে।

চাকিতো তেলৰ অভাৱত নুমাই থাকিল। সোনটোৰ কাঁহত তাই খক্‌মক্‌কৈ সাৰপাই উঠিল। তাই জুইশলাটো বিচাৰি চাকিটো জ্বলালে। জুইশলা কাঠিটোৰ অগ্নিস্ফুলিংগই তাইৰ মনলৈ সাহস আনিলে। তাই নিপীড়িত সত্বাটোৱে সাৰ পাই উঠিল। তাই আজি জয়ন্তৰ লগত জেহাদ ঘোষণা কৰিব। তাইৰ পিঠিৰ ক'লা দাগবিলাকৰ উপলব্ধিয়ে মনলৈ সাহসৰ ভাৰ দুগুণে বঢ়ালে। তাই প্ৰতিবাদ কৰিব। জয়ন্তক সৎ পথলৈ ঘূৰাই অনাৰ দায়িত্ব তাইৰোটো আছে।

**(প্ৰকাশ কালঃ ১৯৯৩-৯৪)**

# ব্যতিক্ৰম

সুনীল গোহাঁই

প্ৰথমে সিমান চিন্তা নাছিল কিন্তু এতিয়া ভয় লাগিবলৈ ধৰিছে। উদ্বিগ্নতা, দুচিন্তাই খুলি-খুলি খাইছে। নাচাওঁ বুলিও তাই খিৰিকিৰ ফাঁকেদি বাহিৰলৈ চালে। হয় ল'ৰাকেইটা সেই নিৰ্দিষ্ট ঠাইতে এতিয়াও আছে। আৰু কি আচৰিত। সকলোৰে যে গুণ্ডা বুলি কয় সি দেখোন তাইৰ ফালৈকে চাই আছে। তৎক্ষণাত তাই পৰ্দাখনৰ সামান্য ফাকটোও বন্ধ কৰি দিলে। ল'ৰাকেইটা আৰু গুণ্ডাটোৰ উপস্থিতিয়ে সঁচাই বিচলিত কৰি পেলালে। ভীতিগ্ৰস্ত হৈ তাই আঠুৰ মাজত মূৰ গুজি লৈ নিতাল মাৰি বহি থাকিল।

প্ৰতিদিনে সিঁহতে ঠাই টুকুৰাত ৰয়হি আৰু তাইৰ ঘৰটোলৈ চাই থাকি কিবা আলোচনা কৰে। তিনি-চাৰিটা লগ লাগি কাষৰ ৰাস্তাটোৰেদি অহা-যোৱা কৰোতেওঁ চাই যায়। সিঁহতৰ মনত কি আছে একো বুজিব নোৱাৰে। সিদিনাৰ ঘটনাটোৰ পৰা সমূলি বাহিৰলৈ ওলোৱা নাই। আনকি তুমনকো ভিতৰতে ৰাখিছে। আজি আহি পূৰ্ণনন্দই চাউল দাইল অলপ দি গৈছেহি। আন দিনা হোৱাহলে তাই এইবোৰ প্ৰত্যাখ্যান কৰিলেহেঁতেন। মানুহটোৰ চাৱনিটো ভাল নালাগে, বিছাই ডকাদি ডাকে। হ'লেও এতিয়া নিৰুপায়। বিপদ কালত বাঘে ছাগে একে ঘাটে পানী খায়। এই ভয়ৰ কথাটোও ইচ্ছা কৰিয়ে তাক নক'লে। কোৱা হ'লে অভয়দানৰ অজুহাতত ৰাতি থাকিবলৈকে আহিলহেঁতেন। নাই, তাতকৈ মৰি যোৱাই ভাল। মুকুন্দৰ মৃত্যুৰ পাছতে এই ঘটনাটোৱে তাইক বিহ্বল কৰি পেলাইছে। আচলতে ঘটনাটো ইমান ডাঙৰ হোৱাৰ থল নাছিল; কিন্তু তাইৰ তেতিয়া ভীষণ খং উঠিছিল। আক্ৰোশত কব

নোৱাৰা হৈ কাণ্ডটো কৰি পেলাইছিল।

'শ্বহীদ সোঁৱৰণী শিখা'ই অঞ্চলটোৰ প্ৰতি ঘৰকে উজ্বলাই তুলিছে। কিন্তু জুলিয়ানাৰ ঘৰখন আন্ধাৰে ঢাকি থৈছে। তুমনক লৈ তাই বাৰান্দাত বহি আছিল। ল'ৰাকেইটা ভিতৰলৈ সোমাই অহাত সিহঁতক বহিবলৈ দিলে। কোনো পাতনি নেমেলাকৈ সিঁহতে আৰম্ভ কৰিলে—

বাইদেউ, আন্দোলনৰ বিৰোধিতা এই ঠাইত কেৱল আপুনিয়েই কৰিছে। শ্বহীদৰ পৱিত্ৰ সোঁৱৰণীত আপুনি এগছি চাকিও দিয়া নাই ...।

আপুনি ভাৱে নেকি এয়া বৰ বাহাদুৰী কাম? আমি টেম্পাৰ নাইকীয়া কৰি দিব পাৰোঁ...।

অসমৰ চাউলটো খাইছেই, অসমীয়াৰ তেজ খাবলৈকো বিচাৰিছে...।

উপৰ্যুপৰি আক্ৰমণত জুলিয়ানা হতভম্ব হ'ল— বন্ধ কৰক, বন্ধ কৰক। আমি সব জানো। আপুনি বিধবা, অবলা, আপোনাৰ স্বামীয়ে দেশদ্ৰোহ কৰি স্বৰ্গ লাভ কৰিছে— এয়েতো—?

পতিব্ৰতা হৈ আপুনি স্বামীৰ অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰি যাম বুলিয়েই দেশদ্ৰোহ কৰিছে নহয়? আমি সকলো খবৰ ৰাখো বুইছে।

চুপ থাকা। মোৰ ঘৰতে মোক অপমান কৰিবলৈ তোমালোক কোন? জুলিয়ানাই ফেঁট তুলি ধৰিলে। খাঁটি দেশপ্ৰেমিক। বীৰৰ সন্তান। — ছিঃ তোমালোকক ঘিণ কৰোঁ মই। সকলো খবৰ ৰাখা— কি জানা তোমালোকে? কোনজনী ছোৱালীয়ে হাত দাঙি শ্লোগান দিলে, কোনটো ল'ৰাই দুৱাৰ মাৰি সোমাই থাকিলে, কোনে কিমান গৰম বক্তৃতা দিলে, তাৰহে খবৰ ৰাখা তোমালোকে। মুখেৰে ভালৰি বোলাই পেটে পেটে শত্ৰুতা কৰাবোৰৰ খবৰ ৰাখা তোমালোকে? মোৰ স্বামী পুলিছ আছিল। চৰকাৰী বিষয়া হৈ কৰ্তব্য কৰাটো যদি দেশদ্ৰোহ, তোমালোকক প্ৰতাৰণা কৰাটো কি? মই আজি বিধৱা, দেশদ্ৰোহীৰ পত্নী, তোমালোকে জানা। মই কেনেকৈ জীয়াই আছোঁ সেয়া নাজানা। কত দিন পোহৰ নোহোৱাকৈ ৰাতি কটাইছোঁ- ক'ব পাৰা? আন্ধাৰ ৰাতিৰ সুযোগত মোৰ বন্ধ দুৱাৰত কোনে কেইটা টোকৰ মাৰি বিফল হৈ উভতি গ'ল তাৰ খবৰ তোমালোকে ৰাখা?

— নহয় আমি...।

ৰ'বা শুনা— একমাত্ৰ ল'ৰাটো বুকুত সাৱটি দুখ শোকেৰে জৰ্জৰিত হৈ, কিদৰে জীয়াই আছোঁ বুজিবলৈ চেষ্টা কৰিছা? চৰকাৰী সামান্য সাহাৰ্যই মানুহক

জীয়াই ৰাখিব পাৰে? হাতেৰে চিলাই কৰি কৰি, উল গুঠি গুঠি চকুত বিষ উঠিলেও যেতিয়া অভাৱ নাতৰে, সুদা ভাতেৰে ভোক গুচাব লাগে, তেতিয়া তোমালোকে মোৰ মনৰ অৱস্থা বুজা? আজি মই পদূলীত এগছি চাকি দিব পৰা নাই তোমালোকে দেখিছা। কিন্তু মোৰ অন্তৰত জ্বলি থকা জুইকুৰা জানো দেখিছা? তিনিদিন ধৰি তেল নোহোৱাকৈ থাকিব পাৰিছো যেতিয়া আজিও পাৰিম, আগলৈকো পাৰিম। হাতত টকা নোহোৱাকৈ দোকানলৈ গৈ দোকানীৰ অসৎ ইংগিতৰ মুখামুখি হোৱাটো কিমান কষ্টদায়ক তাকতো নাজানা... অথচ... তোমালোকে মোক দেশদ্ৰোহী বুলি অপমান কৰা.... ভয় দেখুওৱা...। তোমালোক... অমানুহ... নীচ... পশু... যোৱা মোৰ ইয়াৰ পৰা আঁতৰি যোৱা... ওলাই যোৱা... এতিয়াই...এই মুহূৰ্ততে...।

উন্মাদৰ দৰে শেষৰ ল’ৰাটোক গতা মাৰি বাহিৰ কৰি দি ধামকৈ দুৱাৰখন বন্ধ কৰি দিলে জুলিয়ানাই। বিচনাত পৰি লৈ হুকহুকাই কান্দি উঠিল। তুমনে একো বুজিব নোৱাৰিলে। সেই ৰাতি তাই কেৱল কান্দিলে। মুকুন্দ থকাহেঁতেন তাইৰ এই অৱস্থা নহয়; এদিন পুৱা ডিউটি দিবলৈ যোৱা জীয়া মানুহটো নিস্প্ৰাণ হৈ বগা কাপোৰেৰে ঢকা অৱস্থাত আহিছিল, পুলিছৰ সংঘৰ্ষৰ সি চিকাৰ হৈছিল। কৰ্তব্যনিষ্ঠাৰ বলেৰে লাভ কৰা দেশদ্ৰোহী আখ্যাটো তাইলৈ হস্তান্তৰিত কৰি, তাইক একেবাৰে নিঠৰুৱা কৰি এৰি থৈ সি গুচি গৈছিল। কোনোবা কাহানিতে সুদূৰ ৰাজস্থানৰ পৰা আহি অসমত বসতি স্থাপন কৰা ৰাজস্থানী পৰিয়ালৰ ছোৱালী তাই। জাত-পাত, সৰু-ডাঙৰতো আৰু ভাল পোৱাই নামানে। সেয়ে এদিন মুকুন্দৰ পত্নী হৈ, এখন সুখৰ সংসাৰৰ সপোন লৈ তাই গুচি আহিছিল। সেই সপোন আজি ভাগি চুৰমাৰ হৈ গৈছে। অসম আন্দোলনে তাইৰ সকলো কাঢ়ি নিছে। কেতিয়াবা তাই নিজকে দোষী দোষী অনুভৱ কৰে। অনুতপ্ত হয়। কিমানবাৰ যে মুকুন্দই চাকৰি ৰিজাইন দিবলৈ বিচাৰিছিলতাই জানে। নিৰ্দোষী মানুহবোৰক মিছাতে মাৰ-পিট কৰাৰ পক্ষপাতী সি সমূলি নাছিল। আন্দোলনটোৰ আৱশ্যকতাকো নুই কৰা নাছিল বৰং চৰকাৰে সোনকালে এটা মীমাংসা কৰি দিয়াটোহে মনে প্ৰাণে কামনা কৰিছিল। এদিন সি শ্ৰান্ত-ক্লান্ত হৈ আহি কৈছিলহি— কাইলৈৰ পৰা আৰু ডিউটিত নাযাওঁ বুলি। মা-দেউতা, ভাই-ভনীৰ নিচিনা নিৰীহ মানুহবোৰক মৰিয়াই মৰিয়াই চাকৰি কৰাতকৈ নাখাই মৰাই ভাল।” তাই তাক বুজনি দিছিল। ভৱিষ্যতৰ কথা কৈছিল। সন্তানৰ নিৰাপত্তাৰ কথাও সোঁৱৰাইছিল। চাকৰি এৰিলে যে বাচি থকাটো সঁচাই টান হ’ব তাকো বুজাইছিল। অৱশ্যে পিছদিনা সি ডিউটিলৈ ওলাই গৈছিল আৰু সেই

যাত্ৰাটোৱেই তাৰ শেষ যাত্ৰা আছিল। তথাপি তাইৰ বিশ্বাস নহয়। মুকুন্দই যেন আহি ক'বহি—"জুলি ! চোৱা, এয়া মই পালোহি।" বুকুখন কিহবাই পুৰি নিয়া যেন লাগে। তুমনৰ মুখলৈকে চাই সকলোবোৰ পাহৰিব খোজে। প্ৰতিবেশীৰ ঘৃণা, সন্দেহৰ চাৱনিবোৰেও অহৰহ যন্ত্ৰণা দিয়ে। তাই বৰ আশা কৰে এষাৰি সান্ত্বনা বাণী, এফেৰি সহানুভূতি।

কিন্তু নাই, চাৰিওফালে অবিশ্বাস। পুলিছৰ পত্নী দেশদ্ৰোহীৰ পত্নী, ক্ষমাৰো অযোগ্য। কেতিয়াবা কেতিয়াবা আত্মহত্যা কৰিবলৈ মন যায়। নোৱাৰে, তুমনৰ কথা ভাবি ৰৈ যায়। সিতো তেনেই নিঠৰুৱা। দেশদ্ৰোহীৰ সন্তান সি তাইৰ মৰমৰ অবিহনে কেনেকৈ থাকিব? কোনে চাব তাক? দুটা বছৰৰ আন্দোলনৰ শেষত আজি চুক্তি হৈছে; অসমবাসী আৰু চৰকাৰ এক হৈ গৈছে। কিন্তু এই আন্দোলনে জন্ম দিয়া পাৰস্পৰিক ভুল বুজাবুজি, ঘৃণা সন্দেহবোৰ কি চুক্তিৰে নাইকীয়া কৰিব পৰা হ'ব? কেনেকৈ আকৌ সহোদৰৰ আন্তৰিকতাৰে নিৰিবিলি জীৱন কটাব পৰা যাব? তাই নাজানে। তথাপি তাই জীয়াই থাকিব। অকলে হ'লেও থাকিব। কেৱল তুমনকে লৈ, তুমনৰ বাবেই। হে ভগৱান ! শক্তি দিয়া তুমি...।

টক্...টক্... টক্... দুৱাৰত শব্দ হ'ল। অলপ হুলস্থূল হোৱা যেনো লাগিল। চকুলোৰে তিতি আঠুত লাগি ধৰা মেখেলা চাদৰযোৰ সংযত কৰি তাই খিৰিকিৰে বাহিৰলৈ চালে। দেখি তাই শিয়ঁৰি উঠিল কি কৰিব এতিয়া... চিঞৰি দিবনেকি? কোনোৱেতো সহায় কৰিবলৈ নাহিব... তেন্তে টোপনিত থকা তুমনক সজোৰে সাৱটি ল'লে তাই। থক্থককৈ কঁপনি উঠিল। ডিঙিটো যেন শুকাই গৈছে....। বাহিৰত সেই ল'ৰা কেইটা গুণ্ডাটোও! সৰগ পৰা মানুহৰ দৰে তাই নিথৰ হৈ ৰ'ল। দুৱাৰত অবিৰাম টোকৰ পৰিছে। তাইৰ চিন্তা শক্তি যেন লোপ পাই আহিছে। খুকুৰিখনকে ল'ব নেকি? নাই, ইমানবোৰ ল'ৰাক তাই একো কৰিব নোৱাৰে। কোনে বচাবহি তাইক নিশ্চিত মৃত্যুৰ পৰা...। দুৱাৰত টোকৰ ঢকালৈ পৰিণত হৈছে.. দুৱাৰখন ভাঙি পেলাবনেকি ইহঁতে?... যন্ত্ৰচালিতৰ দৰে তাই দুৱাৰখন খুলিলে। হুৰমূৰকৈ সোমাই অহা ল'ৰাবোৰলৈ তাই মাত্ৰ অসহায় ভাৱে চালে। কি কৰে ইহঁতে.... তাই....।

চহী এটা কৰক বাইদেউ, এই ইয়াতে। — এটাই ক'লে—।

মৃত্যু পথৰ যাত্ৰীয়ে যেন মৃত্যু পৰোৱানাত চহী কৰিছে— কঁপা কঁপা হাতেৰে তাই নামটো লিখিলে।

বাইদেউ, সিদিনা আমি তেনেকৈ, ক'ব নালাগিছিল। আপুনি বেয়া নাপাব।

আপোনাৰ দুখখিনি আমি বুজিছোঁ। আমাৰ স্থানীয় ছাত্ৰ সন্থাৰ গোটে আপোনাৰ বাবে এটা ঊল গোঠা মেচিন লোন লৈ আনিব খুজিছোঁ, গতিকে চহীটো ললোঁ।

আপুনি কোনো চিন্তা নকৰিব বাইদেউ আমি আছো নহয়। আমাক ভাই বুলিয়ে ভাবিব।

জানো বাইদেউ, আমি বুজিছোঁ— ঘৃণা বিদ্বেষে মানুহক কেতিয়াও জয় কৰিব নোৱাৰি। মৰম আৰু বিশ্বাসেৰেহে আপোন কৰি ল'ব পাৰি।

জুলিয়ানাই কোনো প্ৰত্যুত্তৰ নিদি মৌন হৈ ৰ'ল। ভাষাবোৰ যেন ক'ৰবাত হেৰাই গ'ল। সোমাই অহাৰ দৰে হুৰমূৰকৈ ল'ৰাকেইটা ওলাই গ'ল। পদুলি পাৰ হৈ ওলাই যোৱা ল'ৰা কেইটালৈ তাই অনিমেষ চাই থাকিল। যিকেইটা ল'ৰাক অলপ আগতে মৃত্যুদূত বুলি ভাবিছিল, সিহঁতক এতিয়া দেৱদূত যেন লাগিছে... তাই ভাবিবলৈ বাধ্য হ'ল— পৃথিৱীত ভাল মানুহবোৰ এতিয়াও শেষ হৈ যোৱা নাই আস্থাবোৰ এতিয়া কিছু হ'লেও ঘূৰি আহিছে। জীয়াই থাকিবলৈ তাই সঁচাই সাহস কৰিব পাৰিছে। মনটো যথেষ্ট পাতল-পাতল লাগিল। সেমেকি থকা দুচকুৰেদি দুধাৰি লোতক বাগৰি আহিল— বেজাৰত নে আনন্দত তাই বুজিব নোৱাৰিলে...।

**(প্ৰকাশ কালঃ ১৯৯৪-৯৫)**

# নামঘৰীয়া

প্ৰণীতা শৰ্মা

"মিটিংখন নামঘৰত কেনেকৈ পাতিবা হে? দিলীপে উধাৰণি নোলোৱাকৈ নামঘৰৰ ভিতৰলৈ...."

নামঘৰীয়া নিমাতে ৰ'ল। এৰা নামঘৰটোতো কেৱল তেওঁৰ বাবে নহয়। এখন গাঁৱৰ নামঘৰ। তাত তেওঁৰ ইচ্ছা-অনিচ্ছাৰ কথা নাখাটে। ৰাইজখনে কি ক'ব সেয়েই হ'ব। দিলীপে উধাৰণি ল'বই লাগিব। কিন্তু, সি জানো সঁচাকৈয়ে কিবা নকৰিবলগীয়া কাম কৰিলে? হ'ব পাৰে গাঁৱৰ তাৰ দৰে আন দহোটা ল'ৰাই নকৰা বা কৰিবলৈ সাহ নকৰা কাম এটাকে সি কৰি দেখুৱালে। সেয়ে জানো তাৰ অপৰাধ; যাৰ বাবে ৰাইজখনৰ আগত আঠু লৈ ক্ষমা খুজিব লাগিব। উধাৰণি ল'ব লাগিব। কথাবোৰ ভাবি ভাবি নামঘৰীয়া চোতালতে থিয় হৈ থাকিল। মিটিঙলৈ মাতিবলৈ অহা 'বাৰিক' ইতিমধ্যে গৈ কোনোবাখিনি পালেগৈ।

সাৱিত্ৰী দেৱী আৰু ৰুক্মিণী। দুয়োজনী কেও কিছু নোহোৱা বিধৱা মাক-জীয়েক। সাৱিত্ৰীৰ একেজনী মাথো জীয়েক আছিল। তাইক শহুৰেকৰ ঘৰলৈ বুলি উলিয়াই দিওঁতেই নেদেখাজনৰ সহ্য নহ'ল। গাৰ পৰা মাহ হালধিৰ গোন্ধ মাৰ নাযাওঁতেই ঘৰৰ ছোৱালী পুনৰ ঘৰলৈ উলটি আহিব লগা হ'ল বিধবাৰ সাজ পিন্ধি। পিছে ঘৰনো আৰু ক'ত? যিওবা এখন ঘৰ আছিল সেইখনো কেতিয়াবাই বৰনৈৰ বুকুত জাহ গ'ল। তাৰ পাছৰে পৰা প্ৰদীপ দোকানীৰ বাৰীখনৰে চুক এটাত খাগৰি বনেৰে সাজি লোৱা পঁজাটোতে থাকে। সাৱিত্ৰী বোৱা-কটাত পাকৈত। ৰুক্মিণীও পিছ পৰি যোৱা বিধৰ নহয়। এনেকৈয়ে টাক-টুককৈ চলি আছে মাক-জীয়েক

দুয়োজনী।

খেলিমেলিটো হ'ল মাছখিনিক লৈ। সাৱিত্ৰী দেৱীৰ পঁজাটোৰ পিছফালে থকা পুখুৰীটোত মাছ-পুঠি কিছু আছিল। পিছে ৰক্ষণশীল ব্ৰাহ্মণ সমাজত বিধৱাই মাছ খোৱাটো 'পাপ'। দুই একে পৰামৰ্শ দিলে মাছখিনি বেছি দিব লাগে। চহৰৰ পৰা মাছুৰৈ আহিয়েই থাকে। দুপইচা ওলাবও। কথামতেই কাম। চহৰৰ চতুৰ বেপাৰীয়ে সাৱিত্ৰী দেৱীক ঠগাৰ ইচ্ছাৰে মাছৰ জোখ-মাপ কৰি থকা নামঘৰীয়াৰ পুতেক দিলীপৰ চকুত পৰিল। মাছ বেপাৰীৰ চতুৰালি সি চাই থাকিব নোৱাৰিলে। সাউৎকৰে আহি সি বেপাৰীজনৰ পৰা থাপ মাৰি মাছৰ পাল্লাখন নিজৰ হাতত তুলি ল'লে। তাকে দেখক কোনোবাই। বচ্, দিলীপৰ অপৰাধ সিমানেই। মাছৰ পাল্লা ধৰি সি ৰাইজৰ চকুত নীচ জাতৰ হ'ল।

পিছদিনাই গোটেইখনতে হুলস্থূল লাগি গ'ল। ৰাতিপুৱাই চেক্ৰেটাৰী আহি নামঘৰীয়াক কৈ গ'ল — আজিৰ পৰা আৰু নামঘৰলৈ যাব নালাগে উধাৰণি নোলোৱালৈকে। পুৱা-গধূলি বন্তি গছি সৰু বাপুৱেই জ্বলাব।

নামঘৰীয়াৰ দুখ লাগিছিল। নামঘৰটোৰ সৈতে তেওঁলোকৰ সম্পৰ্কটো পূৰ্বপুৰুষৰ দিনৰ পৰাই চলি আহিছে। তেওঁৰ ককাক আৰু দেউতাকো নামঘৰীয়া আছিল এইটো নামঘৰৰে। অৱশ্যে, তেওঁ হঠাতে নামঘৰীয়া হ'ব বুলি ভবা নাছিল। দেউতাকৰ মৃত্যুৰ সময়ত তেওঁ পাহাৰৰ ফালে কিবা 'চাকৰি' কৰি আছিল। তেতিয়াই পাহাৰৰ পৰা যি ঘৰলৈ আহিলে আৰু 'চাকৰি' লৈ পুনৰ ঘূৰি যাব নোৱাৰিলে। ৰাইজৰ অনুৰোধ ৰক্ষা কৰি তেৰেঁ এদিন গাঁৱৰ নামঘৰটোৰ নামঘৰীয়া হৈ পৰিল। ঘৈণীয়েকে কথাটোৰ বিৰোধিতা কৰোঁতে তেওঁ মাথো কৈছিলঃ কি কৰিবি, ঈশ্বৰৰ ইচ্ছা বুইছ। নামঘৰত ডাঙৰীয়া আছে। বোলে "ৰাখে হৰি মাৰে কোনে"। ঈশ্বৰে ভাললৈহে কৰে।

তেওঁৰ নাম কি আছিল লাহে লাহে সকলোৰে পাহৰি গ'ল। গাওঁখনৰ সৰু-ডাঙৰ সকলোৰে তেওঁ হৈ পৰিল 'নামঘৰীয়া'। নামঘৰীয়াও সদায় নামঘৰটোক লৈয়ে ব্যস্ত। পুৱাতে উঠে গা-পা ধুই তেওঁ নামঘৰটো সৰা মোছা কৰি গোসাঁইৰ থাপনাত বন্তি গছি জ্বলায়। ভোৰ-তালযোৰ বজায়। সন্ধিয়া দবা-কাঁহ বজায়। এয়ে তেওঁৰ গতানুগতিক জীৱন। ভাদ মাহৰ দিন কেইটা অৱশ্যে অলপ ব্যতিক্ৰম। সেই মাহটো নামঘৰীয়াৰ একেবাৰে আজৰি নাই। আজি বোলে অমুকৰ শৰাই, কালি বোলে গুৰুজনাৰ তিথি ইত্যাদি ইত্যাদি। তদুপৰি জেঠমহীয়া বৰসবাহ, ভাওনা আদিতো

আছেই। যিয়েই অনুষ্ঠান নহওক নামঘৰীয়াৰ কাম মাহ-প্ৰসাদ তিওৱাৰ পৰা ৰাইজে প্ৰসাদ খোৱা পাত চপাই-কোচাই পেলাই দিয়াৰ পাছতহে শেষ হয়। এই সকলোবোৰ কৰাৰ বিনিময়ত তেওঁ ৰাইজৰ পৰা পাই বছেৰেকত ঘৰে প্ৰতি এদোণকৈ ধান। তাকো প্ৰত্যেকে নিদিয়ে। বাধ্যত পৰি দিবলগীয়া হোৱাসকলৰো আটাইবোৰে খোলা মনেৰে নিদিয়ে। নিজৰ মাটি বুলিবলৈ মুঠেই দুবিঘা। ইয়াকে লৈ তেওঁ কেনেদৰে চলে, এসাজ কোনোমতে খালে ইসাজলৈ চিন্তা।

নামঘৰীয়াৰ অমায়িক স্বভাৱটোৰ বাবে কোনো কোনোৱে তেওঁক ভাল পায়। গাঁৱৰে 'শূদিৰ' মানুহ কেইজনে মৰমতে তেওঁক ধান এদোণ, কেতিয়াবা আধাদোণ বেছিকৈও দিয়ে। এনে দৰেই চলি আছে নামঘৰীয়াৰ সংসাৰ। ঘৰখনত মুঠতে প্ৰাণী আছিল সাতোটি। তাৰে তিনিজনী জীয়েকক উলিয়াই দিলে। নামঘৰীয়াৰ মনত সেইটোৱেই দুখ ৰৈ গ'ল জীয়েককেইজনীক কানিয়ে কাপোৰে, অলংকাৰ পাতিৰে নালাগে এলুমিনিয়ামৰ কাঁহী-বাতি এযুৰিও দিব নোৱাৰিলে। তথাপিও তেওঁ আক্ষেপ কৰি কাৰো আগত এইবোৰ নকয়। মনৰ কথা মনৰ দুখ মনৰ মাজতে মাৰ নিয়ায়।

আৰু এনে এক গতানুগতিকতাৰ মাজেদিয়েই হয়তো পাৰ হ'লহেঁতেন নামঘৰীয়াৰ জীৱনৰ বাকী থকা দিনকেইটাও। তাৰ পিছত পুৰুষানুক্ৰমে হয়তো দিলীপো এদিন হৈ পৰিলহেঁতেন নামঘৰীয়া। কিন্তু, সকলোবোৰ খেলি মেলি হৈ গ'ল মাছুখিনিৰ কাৰণে। দিলীপে হাইস্কুলত দুশ্ৰেণীমান পঢ়িছিল। সেয়ে সি কথাবোৰ অলপ বেলেগ ধৰণে চিন্তা কৰে। তাৰ মনত সেই সাতামপুৰুষীয়া কু-সংস্কাৰবোৰ নাই। ইয়েই কাল হ'ল। জগৰো লগালে সিয়েই। ৰাইজৰ চকুত সি নিজেটো জাত নিয়ালেই, নামঘৰীয়াৰো মৰ্য্যদা ক্ষুন্ন কৰিলে। সি ৰাইজৰ আগত আঠু ল'ব লাগিব। নহ'লে সিহঁতৰ পৰিয়ালটোৰ বাবে নামঘৰৰ দুৱাৰ বন্ধ হৈ যাব। ৰাইজে সিহঁতক এঘৰীয়া কৰিব।

স্বকীয় মৰ্যাদা হেৰুৱাই নামঘৰীয়া স্বাভাৱিকতে কিছু ক্ষুন্ন হ'ল। পুৱা-গধূলি 'হৰি' সেৱাৰ পৰা তেওঁ বঞ্চিত হ'ল। আনহে নালাগে কালি গোটেই ৰাইজখনে গুৰুজনাৰ তিথি বৰ ধুম-ধামেৰে পাতিলে। তেওঁক কোনেও খবৰ এটাকে নকৰিলে। আনকি অতদিনে পাই অহা ৰীতি অনুসৰি প্ৰসাদৰ পাত এখিলাও নাপালে। খং উঠি নামঘৰীয়াই পুতেকক উধাই মুধাই গালি পাৰিলে।

দিলীপে ভিতৰৰ পৰা সকলো শুনি আছিল। নামঘৰীয়াৰ খঙটো কিছু শাম কটাৰ পিছত সি ওলাই আহি পিতাকক ক'লে —

ঃ পিতাই, তই যে নামঘৰটোৰ বাবে ইমান কৰ, তাৰ বিনিময়ত তই বাৰু কি পাৰ?

নামঘৰটোৱে বাৰু একো দিব নোৱাৰে ঠিক, কিন্তু গাঁৱৰ মানুহবোৰে তোক কি দিয়ে? বছেৰেকত যে এদোণ ধান দিব লাগে কেইঘৰে দিয়ে? চৰুৰ তললৈ দুদিন জুই নগ'লেও কোনোবাই তোৰ খবৰ লয়নে? তোৰ সংসাৰখনৰ কথা কোনোবাই চিন্তা কৰেনে?

অনৰ্গলভাৱে সি কথাবোৰ কৈ গ'ল। তাৰ মনৰ ভিতৰত বহুতো ক্ষোভ সোমাই আছিল।

ঃ অ' সাৱিত্ৰী পেহী আৰু ৰুক্মিণীয়ে কি কৰি খাইছে, কি পিন্ধিছে তাৰ খবৰ কোনেও নলয়। কিন্তু, মাছকেইটা বেচিলত, চবেই গম পালে। দি আহিব লাগিছিল ছাগৈ চেক্ৰেটেৰীৰ ঘৰত। প্ৰফুল্লহঁত ধনী মানুহটো। সিহঁতে ফিচাৰীৰ মাছ বেচিব পাৰে। পাল্লাত ধৰিব পাৰে। সেইবোৰ দোষণীয় কাম নহয়। সাৱিত্ৰী পেহীক বেপাৰীয়ে ঠগিব খোজোতে পাল্লাখন ধৰাত মোৰ জাত গ'ল। মই নামঘৰত সোমাব নোৱাৰোঁ। কিন্তু, তইনো কি দোষ কৰিলি? তোৰো যে নামঘৰত প্ৰৱেশ নিষেধ কৰিলে। প্ৰফুল্লহঁতৰ বুঢ়াই নামঘৰত বৰতাল কোবাব পাৰে আৰু আমি পাল্লাত ধৰিলো বুলিয়েই বাটচ'ৰাও গচকিব নোৱাৰোঁ। মোক নালাগে তেনে সমাজ।

নামঘৰীয়াই একো নামাতিলে। দিলীপে জানো মিছা কথা কৈছে? সি কোৱা প্ৰতিটো কথাই সঁচা। এয়ে আজিৰ সমাজৰ স্বৰূপ। আগৰ মানুহবোৰৰ মনবোৰ বহল আছিল। মাষ্টৰে নামঘৰৰ 'চান্দা' তুলিছিল। এতিয়া আকৌ কমিটি হ'ল। চেক্ৰেটাৰী হ'ল। নে ধনী দুখীয়াৰ বাচ-বিচাৰ হ'ল?

মিটিংখন সন্ধ্যালৈ স্কুল ঘৰতে পাতিছে। তাতে বিচাৰ হ'ব। উধাৰণি হ'ব। 'বাৰী বামুণী' হৈ মাছ বেচাৰ বাবে সাৱিত্ৰী দেৱীও জবাবদিহি হ'ব লাগিব। আন নহ'লেও গাঁওখনৰ কিছু নীতি নিয়ম আছে। অৱশেষত নামঘৰীয়াই মিটিঙলৈ যোৱাটোকে ঠিক কৰিলে। ৰাইজকো তেওঁৰ কিছু ক'বলগীয়া আছে। হাত লেম্পটো লৈ নামঘৰীয়া মিটিঙলৈ যাবলৈ ওলাল। আন্ধাৰ ৰাতিৰ কথা, বাটত কিবা-কিবি পৰি থাকিবও পাৰে। কথাবোৰ ভাবি তেওঁ নিজৰ মাজতে ভোৰভোৰালে। আজি ৰাইজক এৰি নিদিওঁ। দিলীপে যদি উধাৰণি ল'ব লাগে প্ৰফুল্লহঁতেও লওঁক। সাৱিত্ৰীয়ে যদি মাছ বেচিব নোৱাৰে প্ৰফুল্লহঁতেও নোৱাৰে। নালাগে মোক নামঘৰীয়াৰ কাম। কিন্তু, ৰাইজক মই দাবী কৰিম মোক 'চাকৰি'লৈ উভতি যাবলৈ নিদি কিয় নামঘৰীয়া কৰি ৰাখি থোৱা হ'ল? ৰাইজে মোক সংস্থাপন দিয়ক। আজি নেৰিছোঁ। জাইলাং-থাকেলাং। ধনী দুখীয়া আটাইৰে বাবে নিয়ম-নীতি একেবোৰকে হওঁক....।

পদুলি মুখৰ পৰা নামঘৰীয়াই ঘূৰি নোচোৱাকৈয়ে সেমেকা স্বৰেৰে হঠাৎ চিঞৰ এটা মাৰিলে।

ঃ হেৰ' বৌতিয়েক, মোৰ অহাত কিছু পলম হ'ব। চাকিটো নুমুৱাই থ'। বহুত দেৰি জ্বলিলে। নহ'লে শলিতাডালো পুৰি শেষ হ'ব....।

**(প্ৰকাশ কালঃ ১৯৯৭-৯৮)**

# অবুজ বেদনা

**বৰ্ণালী গগৈ**

আজি কলেজৰ বছেৰেকীয়া সুকুমাৰ কলা প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা। এক আনন্দময় পৰিৱেশ। ইমান আনন্দময় পৰিবেশতো প্ৰিয়মৰ মনত আনন্দৰ তিলমানো চিটিকনি পৰা নাই। সি এখোজ-দুখোজকৈ কলেজলৈ বুলি খোজ দিলে আৰু অতীত ৰোমন্থন কৰি ছাত্ৰ জিৰণী কোঠাত বহি পৰিল।

সভা আৰম্ভ হ'ল। কিন্তু কেতিয়া! হঠাৎ তাৰ নামটো ঘোষণা কৰাত উচপ খাই উঠিল। সি আধুনিক গীত আৰু কবিতা আবৃত্তি কৰি প্ৰথম স্থান পোৱা কথা ঘোষণা কৰিলে, লগে লগে বন্ধু মহলৰ মাজত হাত চাপৰি বাজি উঠা শুনিলে। কিন্তু বন্ধুসকলৰ হাত চাপৰি মাজতো যে মানসৰ চাপৰি শুনা নাই সি পলে পলে অনুভৱ কৰিলে। সঁচাই, সি তাৰ বন্ধু মানসৰ হাত চাপৰি শুনা নাই আৰু নুশুনেও। তাক বন্ধুত্বৰ মৰমেৰে আকোঁৱালি ল'বলৈ, উৎসাহ-উদ্দীপনা দিবলৈ আজি মানস নাই। তাৰ দুচকুৰেদি তপ্ত অশ্ৰু বৈ আহিল।

হঠাৎ কাৰোবাৰ হাতৰ স্পৰ্শত সি ঘূৰি আহিল বাস্তৱ জগতলৈ। জয়ন্তই তাৰ কান্ধত হাতথৈ ক'লে- "প্ৰিয়ম তই পাগল হোৱা নাইতো? পুৰস্কাৰ ল'বলৈ মাতি আছে নাযাৰ কিয়? মোৰ অনুৰোধ প্ৰিয়ম, তই পুৰস্কাৰ ল'বই লাগিব। তই পাহৰি গলি? তই কাৰ গীত আৰু কবিতা আবৃত্তি কৰি পুৰস্কাৰ পাইছ? যা প্ৰিয়ম পুৰস্কাৰকেইটা আনগৈ, কাৰণ এই পুৰস্কাৰবোৰৰ মাজতে আমি জীয়াই ৰাখিম বন্ধু মানসক আমাৰ মাজত।" জয়ন্তৰ অনুৰোধত সি আগবাঢ়িল আৰু মঞ্চৰ বিশিষ্ট ব্যক্তিজনাৰ হাতৰ

পৰা পুৰস্কাৰকেইটা লৈয়ে তাৰ মানসপটত বন্ধু মানসৰ প্ৰতিচ্ছবি লৈ চলচলীয়া চকুৰে বেগাই ওলাই আহিল।

পুনৰ শুনিলে এটি বিশেষ ঘোষণা। "সভাৰ শেষত প্ৰথম পুৰস্কাৰ পোৱাসকলে একোটিকৈ গীত পৰিৱেশন কৰিব লাগে।' এই বিশেষ ঘোষণাই বিশেষকৈ প্ৰিয়মৰ অন্তৰত বিশেষভাৱে আঘাত কৰিলে। কি গাব কাৰ প্ৰেৰণাত? প্ৰথমে সি মান্তি নহৈছিল। শেষত বহু বন্ধু-বান্ধৱীৰ অনুৰোধ ৰক্ষা কৰি আৰু মানসক সুঁৱৰি গীটাৰখনলৈ মঞ্চত উপস্থিত হ'ল। তাৰ লাহী আঙুলীৰ পৰশত তথা মিঠা কণ্ঠৰে মানসৰ গীত এটি পৰিৱেশন কৰিলে যদিও শেষত উচুপনীৰে গীত সামৰি ওলাই আহিল আৰু খন্তেকো নৰৈ ছাত্ৰাবাসলৈ বুলি অবুজ বেদনাক বুকুত সাৱটি খৰধৰকৈ খোজ দিলে। কোঠাত সোমায়ে চকুত পৰিল তাৰ আৰু মানসৰ বন্ধাই থোৱা ফটোখনলৈ। ফটোখন লৈ সি সশব্দে উচুপি উঠিল।

সি বিচনাত বাগৰ দি সোণালী স্মৃতিবোৰক প্ৰাণ দিবলৈ চেষ্টা কৰিলে। লগে লগেই প্ৰাণ পাই নাচি উঠিল স্মৃতি পখিলাই। মানসৰ লগত চিনাকি হৈছিল চাৰি বছৰ আগতে এই ছাত্ৰাবাসতে। সি আছিল তাৰ ৰূমমেট আৰু প্ৰকৃত বন্ধু। মানসে প্ৰবন্ধ, গল্প আৰু কবিতা লিখিছিল। সময় সুবিধা অনুসৰি গীতো ৰচিছিল। কবিতা আৰু গীত সম্পূৰ্ণ বিপৰীত বিষয়। তথাপিও যথেষ্ট চেষ্টা কৰিছিল গীত ৰচিবলৈ আৰু তাক দিছিল সুৰ আৰু কণ্ঠৰে পৰিবেশন কৰিবলৈ। প্ৰিয়মে সুন্দৰ গীটাৰ, বাঁহী বজাইছিল আৰু গান গাইছিল। দুয়ো দুয়োৰে আছিল সহায়ক আৰু প্ৰেৰণাৰ উৎস। সি প্ৰথমবাৰ মানসৰ গীত গাই মঞ্চৰ পৰা নামোতেই মানসে আনন্দত সাৱটি ধৰিছিল। উৎসাহ দিছিল আৰু ভাল কৰিবলৈ। কিন্তু মানসে মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ সাহিত্যিক' পুৰস্কাৰ পাওঁতে চকুৰ কোণত চকুলো জিলিকি উঠিছিল। সি বুজা নাছিল সেয়া আনন্দৰ নে বিষাদৰ। মাথোন সি কৈছিল- "প্ৰিয়ম! মই পুৰস্কাৰৰ আশাত সাহিত্য চৰ্চা কৰা নাই। কৰিছো সত্যক প্ৰতিষ্ঠা কৰিবলৈ। নাজানো সময়ে কি উপহাৰ দিয়ে।" সঁচাকৈয়ে সময়ে কি দিলে? নিদিলে নৱ সাহিত্যিকৰ আশাৰ মুকুলটি প্ৰস্ফুটিত হ'বলৈ, নিদিলে লিখনিৰ দ্বাৰা মনৰ ভাৱ প্ৰকাশ কৰিবলৈ। নিষ্ঠুৰ সময়ে উৰুৱাই নিলে দূৰৰ পৰা দূৰলৈ...।

১৪ নৱেম্বৰৰ পুৱাই মানসৰ লগত শেষ দেখা। সি এবুকু আশাৰ ৰেঙনি লৈ যাত্ৰা কৰিছিল 'অমৰজ্যোতি' পাব্লিক যাত্ৰীবাহী বাছখনত ডিব্ৰুগড়লৈ বুলি। কিন্তু নিষ্ঠুৰ নিয়তিৰ কু-দৃষ্টি পৰিল চলন্ত 'অমৰজ্যোতি' বাছখনৰ ওপৰত। ৰজাবাৰীৰ জয়াল

পুখুৰীৰ জলকুঁৱৰীয়ে টানি নিলে বাছৰ ষাঠিজন যাত্ৰীৰ লগতে মানসকো।

জয়ন্তই আনিছিল এই অসহনীয় দুঃসংবাদ। হৃদয় স্পন্দন স্তব্ধ হৈ বজ্ৰপাত পৰা কপৌৰ দৰে নিথৰ হৈ গৈছিল প্ৰিয়ম। লগে লগে দুয়ো যাত্ৰা কৰিছিল মানসহঁতৰ ঘৰৰ অভিমুখে। সিহঁতে গৈয়ে দেখিছিল মানস শুই আছে চিৰশান্তি শয়নত। বগা কাপোৰেৰে ঢাকি থৈছিল তাৰ একৈশটা বসন্ত জোৰা যৌৱনপ্ৰাপ্ত নিথৰ অৱয়বটো। জয়ন্ত আৰু সি উচুপি উচুপি কান্দিছিল, অধৈৰ্য হৈ গৈছিল। শেষত বহুজনৰ বুজনিত শান্ত হৈছিল খন্তেকৰ বাবে আৰু মানসৰ প্ৰিয় ফুল নাৰ্জী কেইপাহমান আনি তাক শেষবাৰলৈ চাই শেষ শ্ৰদ্ধাঞ্জলি হিচাপে দিছিল। আৰুতো একো নাই! তাৰ পিছত জ্বলিছিল মানসৰ চিতাগ্নি আৰু প্ৰিয়মৰ হৃদয়াগ্নি।

হঠাৎ কৰোবাৰ হাঁহিৰ শব্দত চেতনা আহিল। হয় ছাত্ৰাবাসৰ ল'ৰাবিলাক আহিছে। সি হুমুনিয়াহ এটা কাঢ়ি বিছনাত বহিল আৰু দেখিলে জয়ন্তই তাৰ পুৰস্কাৰ কেইটা হাতত লৈ খৰধৰকৈ সোমাই তাৰ কাষতে বহিল সি ক'লে — "চা প্ৰিয়ম অতীতকলৈ তই হে নালাগে কোনেও একো কৰিব নোৱাৰে। আজি তোৰ অৱস্থাৰ কথা মই বুজিছো। কিন্তু কি কৰিবি? সকলোৰে সময় আহিব আৰু এদিন আমিও হেৰাই যাম মানসৰ দৰে... মাথোন ৰৈ যাব স্মৃতি। অ প্ৰিয়ম কোনোদিন সমাধান কৰিব নোৱাৰা কথা ভাবি একো লাভ নাই। আজি আমাৰ মাজত মানস নাই সঁচা কিন্তু তাৰ স্মৃতি জীয়াই আছে। ধৈৰ্য্য ধৰ, ধৈৰ্য্যই আচল কথা। হোঁ, ল, মানসক আমি এইদৰেই বিচাৰি পাম সি কৰি যোৱা কৰ্মৰ দ্বাৰ...।" জয়ন্তই থোকাথোকি মাতেৰে পুৰস্কাৰকেইটা আগবঢ়াই দিলে।

বহু সময় নিস্তব্ধতাৰে পাৰ হ'ল। শেষত উপায়হীন হৈ প্ৰিয়মেই বিষাদ ভৰা এটি নিশব্দ হাঁহিৰে ক'লে- এহ মোক ধৈৰ্য্য ধৰিবলৈ কৈ নিজে অধৈৰ্য্য হৈছ কিয়? উঠ্উঠ্ব'ল চাহ একাপকে খাই আহোঁ।"

দুয়ো ওলাই গ'ল ‘অনুৰাধা’ হোটেললৈ বুলি। তেতিয়া পশ্চিমৰ বেলিটিয়েও মেলানি মাগিছে মিঠা ৰহন সানি লাজুকী হাঁহিৰে। আবেলিৰ মৃদু সমীৰণৰ লগতে ছাত্ৰাবাসৰ সন্মুখৰ ফুলনিডৰাৰ পৰা উৰি অহা মিশ্ৰিত ফুলৰ সুবাস দুয়োৰে নাকত লাগিল। ভাল লাগিল দুয়োৰে মন। আজিৰ এই সমীৰণে উৰুৱাই নিয়ক বেদনাৰ গ্লানি বুলি দুয়ো দীঘল হুমুনিয়াহ কাঢ়িলে।

**(প্ৰকাশ কালঃ ১৯৯৮-৯৯)**

# আলোকৰ সন্ধানত

**নৱনীতা শৰ্মা**

অই ল'ৰা, এইফালে বৰকৈ নেচাবি। শৰ্মা মাষ্টৰৰ কাঢ়া নিৰ্দেশ। "এই ল'ৰা ছোৱালীবোৰ বুজিছনে (জালোৱাজনৰ প্ৰতি) খাবলৈ নোপোৱা একেলুৱাবোৰ, মাছকেইটাত চকু মাৰিলে মুখ লাগিব।" দুৰ্ভগীয়া ল'ৰাটোৱে ভাবিছিল চাগে খাবলৈ নাপালেও চায়েই সন্তুষ্ট থাকিম। কিন্তু সেইয়াও সম্ভৱ নহ'ল। ল'ৰাটোৰ নাম জিতু, মাক গীতা। সৰুতে বাপেক ঢুকোৱাত সিয়েই মাকৰ একমাত্ৰ সম্বল। ঘৰ বুলিবলৈ নায়েই। সাধাৰণ জুপুৰী এটাই সিহঁতৰ বাসস্থান। বৰষুণ আহিলে ঘৰৰ ভিতৰতে পুখুৰীৰ সৃষ্টি হোৱা আৰু ফৰকাল বতৰত আকাশৰ তৰা দেখা এটি জুপুৰী ঘৰ। ইয়াতেই পৃথিৱীৰ প্ৰাণী দুটাই শান্তিৰে বাস কৰে। শৰ্মা মাষ্টৰৰ ঘৰত দিনটো কাম কৰি পোৱা টকাকেইটা হ'ল তাইৰ জীৱন চলাৰ উপায়।

পশ্চিমত দিগন্তৰ সিটো পাৰে বেলি লুকাবলৈ ধৰিছে। দিনটোৰ টকাকেইটাৰে যি তেল-কুৰ আৰু যি পাৰে সস্তীয়া পাচলি আনি থৈছে। ভাতৰ বাবে খুদ চাউল ২ টকা কেজিকৈ মাষ্টৰৰ ঘৰৰ পৰা কিনি আনি থৈছেই। জুইকুৰাৰ কাষতে বহি তাই ভাবিছে ল'ৰাটো এইবাৰ স্কুলত দিব লাগিব। গীতাৰ মনত পৰিছে ৰাতিপুৱাৰ শৰ্মা মাষ্টৰৰ কথাবোৰ। মনত পৰি তাইৰ হৃদয়খনতো যেন একুৰা জুই জ্বলিছে। তাইৰ কাণত সেই শব্দ কেইটাৰ প্ৰতিধ্বনি উঠিছে। "খাবলৈ নোপোৱা একেলুৱা" তাই আজি দৃঢ় সংকল্প লৈছে এদিন জিতুকো পঢ়ুৱাই ডাঙৰ মানুহ কৰিব। তায়ো দেখুৱাব খাবলৈ নোপোৱা বিধবা সন্তানৰো জীয়াই থকাৰ অধিকাৰ আছে। গীতাৰ মনত সৃষ্টি হ'ল ঘৃণা, প্ৰতিশোধৰ গ্লানি, কিন্তু তাই দিশহাৰা। তাই অকলশৰীয়া। গীতাৰ আজি

এই সমাজখনত শ্বাসৰুদ্ধ হ’বলৈ ধৰিছে। শিক্ষিতৰ মুখা পিন্ধা এই ভণ্ড সমাজক তাইৰ চিঞৰি ক’বলৈ মন হৈছে, “তহঁতৰ মুখা খুলিবলৈ মই ফিৰিঙতিৰ সৃষ্টি কৰিম।”

পিছদিনা ৰাতিপুৱা। আজি শৰ্মা মাষ্টৰৰ ঘৰত সৰু ল’ৰাৰ জন্মদিন। সেয়ে তাই সোনকালে যাব লাগিব। হয়তো ৰাতিও তাতে থাকিব লাগিব। সেয়ে তাই পুতেকক কলে “মোৰ যদি দেৰি হয় তই মাষ্টৰৰ ঘৰলৈ যাবিগৈ।” ৰাতি পাৰ্টিৰ বাবে দিনৰ পৰা আয়োজন চলিছে। গীতাৰ ওপৰতে প্ৰায় সকলো কাম কেক্ বনোৱা, মাছ ভজা ইত্যাদি। মাছটো বাছি বাছি তাই ভাবিছে ইয়াৰ অকনমান যদি তাই জীতুক খুৱাব পাৰিলেহেঁতেন... তাইৰ মনত পৰিছে তাইৰ গিৰিয়েকৰ মৃত্যুৰ আগৰ দিনটো। সিদিনা ৰাতি জীতুৰ দেউতাকে ডাঙৰ মাছ আনিছিল। সকলোৱে একেলগে ভাত খাইছিল খুব আনন্দৰে। জিতুৰ কোমল দাতে মাছ খাব পৰা নাছিল। দেউতাকে কৈছিল- “তই ডাঙৰ হ’চোন। মই সদায় মাছ আনি খুৱাম।” এনেদৰে ভাবি থাকোতেই...

মাষ্টৰনী — ‘অই, তই যে একেবাৰে লিৰিকি বিদাৰি মাছকেইটা চাই আছ’ আৰু কিমান কাম আছে খবৰ নাই। মাহে এশ টকাকৈ দৰমহা এনেই দিছো নেকি? আৰু শুন আজি তোৰ পুতেৰক চাবলৈ আহিব মোৰ জোৱাঁই। কাম কৰিবলৈ চাকৰ এটা লাগে। তাকে দিম বুলি ভাবিছো। ৰাতিলৈ পাৰ্টিত বহুতো ধনী মানুহ আহিব। তই কিন্তু তোৰ এই ফটা কাপোৰযোৰে মানুহৰ আগলৈ গৈ আমাৰ নাক কাণ নাকাটিবি।

সন্ধিয়া ফৰকাল আকাশত তৰা জিলিকিল, আলহীবোৰ আহিব ধৰিছে। যিমানেই আলহী আহিছে সিমানেই গীতাৰ ব্যস্ততা বাঢ়ি আহিছে। হঠাৎ কাৰোবাৰ কান্দোন শুনি তাই ওলাই আহিল। তাই দেখিলে জিতুক কেইটামান ল’ৰাই নাচিবলৈ লগাইছে। কেইটামানে সুধিছে তোৰ বাপেৰ কেতিয়া মৰিল? তোৰ মাৰ গাভৰু নে বুঢ়ী? জিতুক এনে ৰূপত দেখি গীতাৰ অন্তৰত প্ৰচণ্ড আঘাত লাগিল। তাই চিঞৰিলে সোণ তই গুচি আহ। এইখন ধনীৰ সমাজ, এইখন তোৰ মোৰ বাবে নহয়। তাৰে এটা ডেকা ল’ৰাই অত্যন্ত বৰ্বৰভাৱে কেইটামান কথা তাইৰ কাণ পৰিল। “অই এই দেখোন গাভৰুৱেই। নিশ্চয় Side business কৰিব পাৰিব। অই তই দেখোন বৰ ধুনীয়াও। গীতা তাৰ পৰা আঁতৰি গ’ল।

যথা সময়ত পাৰ্টি শেষ হ’ল। গীতা আৰু জিতুলৈ ভাত কেইটামান থাকিল। তাকে মাক পুতেকে ভাগ কৰিলৈ খাবলৈ ধৰিলে। জিতুৱে মাছ নোপোৱাৰ বাবে কান্দিবলৈ ধৰিলে। গীতাই পাৰে মানে বুজালে। শেষত তাৰ কান্দোন মাষ্টৰণীৰ

কাণত পৰিলে আৰু সি কন্দাৰ কাৰণটো জানি ল'লে। কিন্তু জিতুক ক'লে "সেই যে খোৰাৰ পাতবোৰ দেখিছ তাতে মাছৰ সৰু টুকুৰা পাবি আনি ল যা।" জিতুৱে আনি খাবলৈ লওঁতে গীতাই সেয়া কাঢ়ি দলিয়াই দিলে। এইবাৰ তাইৰ অন্তৰৰ প্ৰচণ্ড ধুমুহাজাক বাহিৰ হ'বলৈ ধৰিলে। তাই চিঞৰি চিঞৰি ক'বলৈ ধৰিলে- "এইখন ভণ্ড সমাজ, তাই প্ৰশ্ন কৰিলে এয়ে নেকি ভদ্ৰতাৰ আঁৰত ভোকাতুৰ শিশুক খেলা সামগ্ৰীৰ দৰে গণ্য কৰা সমাজৰ ভদ্ৰলোক? গীতাই তেনে সমাজত জীয়াই থাকিব নিবিচাৰে। তাই মিলিব বিচাৰে এখন পৱিত্ৰ সমাজত। তাই জীৱন নদীৰ এইপাৰৰ পৰা সিপাৰলৈ যাব বিচাৰে। গীতা আজি আগবাঢ়িছে এখন নতুন পৃথিৱীৰ সন্ধানত, এটি নতুন আলোকৰ সন্ধানত।

**(প্ৰকাশ কালঃ ২০০০-২০০১)**

# প্ৰতীক্ষাঃ পোহৰৰ বাবে

**বনিফ্ৰাচ্ গগৈ**

হঠাৎ কুকুৰৰ আৰাৱত সাৰ পালো। আজিকালি বেজী পৰি হোৱা শব্দতো সাৰ পাওঁ। কুকুৰৰ আৰাৱে গাৰ নোম ডালি ডালি কৰি তোলে। তাতে অমাৱস্যা নিশা। আমি আশ্ৰয় লোৱা টঙ্গি ঘৰটো নদী কাষৰ মুকলি ঠাইত হোৱাৰ বাবে পৰিৱেশটো বেছি গহীন নৈ পৰিল। সংগঠনটোৰ নৰমপন্থী গোটৰ বাৰজনীয়া দল এটাই দুদিনৰ পিছতে গাঁৰৰ মানুহক সজাগ কৰি তুলিবলৈ কাম কাজ আৰম্ভ কৰা হ'ব বুলি ভাবি, যোৱা কালি অহা হৈছে। চৰমপন্থী গোটতো এতিয়াও আহি পোৱা নাই। পুনৰ কুকুৰৰ আৰম্ভ ভৌ- -অ--ও--ও। উঠি বহিব খুজিছিলো যদিও উঠা নহ'ল। কাতি হৈ দেখিলো সতীৰ্থ ৰমেশে টঙ্গিটোৰ খুটা এটাত আউজি পহৰা দি আছে। চিন্তাত বিভোৰ যেন অনুমান হোৱাত মাতিবৰ ইচ্ছা আছিল যদিও নামাতিলো। তাৰ বিভোৰত যতি নেপেলাওঁ বুলি। হয়তো সি ভাবি আছে নতুন পৃথিৱীখনৰ কথা, যিখনক ৰূপ দিবলৈ আহোঁতে এৰি থৈ আহিছে সৰুৰে পৰা ভাল পাই অহা গৌৰীক। এই নীৰৱ সময়খিনিতে যেন সি কথা পাতিছে গৌৰীৰ লগত।

... যিটো কথা ভাবি নিদ্ৰাৰ কোলাত পৰিছিলো, সেই কথাটোৱে পুনৰ উক দিলে। অতীতৰ দুখময় ছবিবোৰ মনলৈ স্পষ্টভাৱে ভাহি আহিবলৈ ধৰিলে। ৰাতি জীপত আহি থাকোতে ৰাষ্টাৰ কাষৰ অট্টালিকাৰ পৰা ওলাই অহা গাভৰুগৰাকী দেখি মোৰ বাইদেউ শেৱালী যেন বোধ হ'ল। হয় মোৰেই বাইদেউ শেৱালী। গাড়ীৰ লাইটৰ পোহৰত, মুখখনৰ বাহিৰে পোচাকৰ প্ৰতিটো দিশ স্পষ্টভাৱে জিলিকি

উঠিছিল। প্ৰতিৰূপ আৰু সময়টোলৈ লক্ষ্য ৰাখি অট্টালিকাৰ ভিতৰত কি ঘটি গ'ল বুজিবলৈ বাকী নাথাকিল। নাই নাই মোৰ বাইদেউ তেনে নহয়। কোৱা শুনিছো বকুল পুৰৰ শেৱালী বৰুৱা আজিকালি বেশ্যা। টকাৰ বিনিময়ত দেহ বিক্ৰী কৰে।

দেউতা জীৱন বৰুৱাই মোৰ পাঁচবছৰ বয়সত দুবৃৰ্তৰ গুলীত প্ৰাণ এৰিলে। দেউতা হেৰাই যোৱা দিনটো আজিও খুব ভালকৈ মনত আছে। সেইদিনা আছিল দেওবাৰ। আবেলি বজাৰলৈ ওলাই গৈছিল, যি ওলাই গ'ল আৰু ঘুৰি নাহিল। তাৰ পৰিৱৰ্তে খবৰ আহিল পাতলীয়া হাবিখনত পৰি থকা জীৱন বৰুৱাৰ নিস্প্ৰাণ দেহাটোৰ কথা। খবৰটো শুনি আয়ে কান্দি বাউলী হ'ল। ওচৰ চুবুৰীয়াই ক্ষণিক সান্ত্বনা দিলেহি আৰু মই নুবুজা সাঁথৰত বোবা হৈ ৰৈছিলো। পুলিচে হত্যাকাৰী বিচৰাৰ নামত দুদিন মান ভেঁকোভাওনা চলালে। হলা গছত বাগী কুঠাৰ মৰাৰ দৰে মহাজনে আমাৰ মূৰত বাগী কুঠাৰ মাৰিলে। মহাজনে আমাৰ মাটিবোৰ বিভাগীয় বিষয়াসকলক ভেঁটি দি তেওঁৰ নামত নামজাৰি কৰালে। আদালতত গোচৰ তৰিছিল যদিও ফল নধৰিলে, কুৰি শতিকাৰ টকাৰ যুগত টকাইহে নিয়ন্ত্ৰণ কৰে। দেউতা জীৱিত অৱস্থাত আমাৰ ঘৰখনত মানুহৰ সমাগম হৈছিল যদিও বৰ্তমানে আমাৰ ঘৰৰ ফালে কেৰাহীকৈ নোচোৱা হ'ল। এৰা, দেহা থাকিলেহে বেহা।

জীৱনৰ বাটত বা মাৰলী বতাহজাকে জুপুৰীটো বাৰে বাৰে ভাঙিব খুজিছিল যদিও কোনো মতে ভাগি নপৰাকৈ ৰ'ল। এদিন বাইদেউৱে মেট্ৰিক পৰীক্ষাত পাছ কৰিলে। এনেকৈয়ে দুবছৰৰ পিছত হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হ'ল। পঢ়াৰ ইচ্ছা আছিল যদিও বাদ দিলে। ছাৰ্টিফিকেটবোৰ সম্বল হিচাপে লৈ চাকৰি বিচাৰি ঘুৰি ফুৰিলে অফিচৰ দুৱাৰে দুৱাৰে। কিন্তু তাৰ কোনো লাভালাভ দেখা নগ'ল, কাৰণ পাছদুৱাৰেদি টকা দিব নোৱাৰিলে। জীৱনৰ লগত বাইদেউৱে যুঁজ দি গ'ল। এদিন বৰ উৎফুল্লিত মনেৰে আহি ক'লে,

-মা, মোৰ চাকৰি হৈ যাব। কালিলৈ মোক এম.এল.এ ডাঙৰীয়াই মাতিছে। এই সপ্তাহটোৰ ভিতৰত হ'ব। আমি নিচিন্ত মতে চলি যাব পাৰিম। সেই দিনা মাৰ মুখত হেৰোৱা হাঁহি উভতি আহিল, বহু ৰাতিলৈকে আমি বাহিৰত বহি কথা পাতিছিলো, ভৱিষ্যতৰ নতুন সপোনবোৰৰ বিষয়ে। অমাৱস্যা ৰাতিৰ ফৰকাল আকাশত তৰাবোৰ জিলিকি উঠিল। আমি তৰাবোৰ হিচাপ কৰাত লাগিলো। এটা, দুটা, তিনিটা, চাৰিটা পাঁচটা... লিখি শেষ কৰিব নোৱাৰি।

পিছদিনা হাঁহি মুখে ঘৰৰ পৰা ওলাই গৈছিল নতুন সপোনৰ ৰেখা বুকুত

বান্ধি। কিন্তু হাঁহিটো বেছি সময় জিলিকিবলৈ নাপালে। সন্ধিয়ালৈকে বাইদেউ অহালৈ অপেক্ষা কৰি, ভাগৰি পৰিছিলো। সন্ধিয়া উত্তৰ পাবলৈ বেছি সময় নালাগিল। মই বাৰান্দাত বহি আছিলো খুটা এটাত আউজি। চকুত টোপনীয়ে হেঁচা মাৰি ধৰিলহি। কাৰোবাৰ পদশব্দত চকুমেল খালে। বাইদেউক দেখি প্ৰশ্ন কৰিলো, 'চাকৰি হ'ল নেকি'? বাউদেউৱে কোনো উত্তৰ নিদিলে। মই অনুভৱ কৰিছিলো, বাইদেউৱে খোজ ভাগৰুৱাকৈ দিছে, ডাৱৰীয়া বতৰৰ দৰেই মুখখনো গোমা, অবিন্যস্ত চুলি, পোছাকৰ অস্বাভাৱিক ৰূপ। বাইদেৱে ভিতৰ সোমাই সদ্য চিনাকি বিছনাখনত পৰি হুকহুকাই কান্দিছিল নিজৰ সৰ্বস্ব হেৰুৱাই। মই বিস্ময়, বিমূঢ় হ'লো। মাত্ৰ সাঁথৰৰ উত্তৰ বিচাৰি বিচনাৰ কাষ পালোগৈ। মাথোন ক'লো- 'নাকান্দিবি বাইদেউ, আমাৰ ভাগ্যত সুখৰ দিন নাই।"

— এই বুলি কৈ চকুপানী মচি দিলো, মোৰো দুটোপাল অশ্ৰু দুগালেদি বাগৰিল। সেই দিনা যদি বাইদেউৰ দেহাটোত কাপোৰৰ আৱৰণে ঢাকি নৰখা হ'লে দেখা পোৱা হ'লহেঁতেন- পুৰুষৰ আদিম বন্য উল্লাসৰ চিন, নখৰ আঁচোৰ, গোট মৰা তেজৰ চেকুৰা...। সেইবোৰ কথা মোৰ মনত তেতিয়া বুজা নুবুজাকৈ পাৰ হৈ গ'ল।

এদিন আমাৰ ঘৰত খাবলৈ একো নাছিল। হাতত টকা পইচাও নাছিল। দুপৰীয়া বাইদেউ ওলাই গ'ল, গধূলি হাতত এটা মোনাত চাউল লৈ আহিলে। কিন্তু সেই খোৱা বস্তুত মিহলি আছিল দেহৰ ঘাম পুৰুষৰ আদিম তৃপ্তিৰ উপহাৰ। হঠাৎ এদিন বাইদেউৱে ঘৰ পৰিত্যাগ কৰিলে। টেবুলত লিখি থৈ যোৱা চিঠিখনৰ পৰা গম পোৱা গ'ল অতীতৰ ঘটনা আৰু ঘৰ পৰিত্যাগ কৰাৰ কাৰণে। জীৱন যুঁজত বাইদেউ হাৰিল। সেইদিন ধৰি বাইদেউৰ লগত মোৰ দেখা দেখি হোৱা নাই। মায়ে ভাত-পানী এৰি দিলে। কাকো নামাতে আৰু নিজে মাত্ৰ উচুপি থাকে, এনেকৈয়ে মাৰ মগজুত বিকাৰ ঘটিল। আয়ে 'কমলা বৰুৱা' নামৰ পৰিবৰ্তে নতুন নাম ল'লে- 'কমলা পাগলী' ৰাস্তাইদি গলে সৰু ডাঙৰে জোকায়- কমলা পাগলী বুলি। আয়ে একো উত্তৰ নিদি মাত্ৰ বিচাৰি ফুৰে- "আইজনী ক'লৈ গলি" বুলি। ৰাতিৰ নিস্তব্ধতা ভেদ কৰি গাঁৱৰ আলিয়ে আলিয়ে, চিঞৰি চিঞৰি বিছাৰিছিল-আইজনী কলৈ গ'লি...। আৰু পিছদিনা মোৰ ওচৰলৈ গোচৰ আহিছিল নিজৰ সুখৰ বাবে চিন্তা কৰা চুবুৰীয়াসকলৰ পৰা- "বকুল তই মাৰক এটা কোঠাত বান্ধি থ'বি। নহ'লে ৰাতি শুবলৈ বৰ অশান্তি হয়।

মই থিয় হৈ থকাৰ বাহিৰে কোনো উত্তৰ দিবলৈ ভাবি নাপালো। খঙত,

বেজাৰত মই ঘামি-জামি উঠিছিলো। সেইদিনা মোৰ অন্তৰত এনে একুৰা জুই জ্বলিছিল যিকুৰা জুয়ে হয়তো কঠিন লোহা গলাই পেলালেহেঁতেন। মোৰ আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা দিয়াৰ পাছত পঢ়া নহ'ল। সমাজৰ গ্লানি, সংসাৰৰ জ্বালা সহ্য কৰিব নোৱাৰি এদিন মই ঘৰ পৰিত্যাগ কৰিববলৈ বাধ্য হ'লো। মোৰ ভৰিয়ে ৰে'ল ষ্টেচনৰ অভিমুখে যাত্ৰা কৰিলে। সেই সময়ত ট্ৰেইনখন অহা-নহা একো নাভাবি দৌৰিববলৈ ধৰিলো আৰু শেষত ট্ৰেইনখনত উঠি পৰিলো। সমাজখন পৰিষ্কাৰ কৰিববলৈ ঝাডুৰ সন্ধানত আৰম্ভ কৰিলো ঠিকনাবিহীন যাত্ৰা। ট্ৰেইনত লগ পালো 'মুক্তি বাহিনী'টোৰ শীৰ্ষ নেতা স্বাধীন গোহাঁইক। আৰু মোৰ সেই ঝাডুটো হেনো তেওঁ দিব পাৰিব, সেই কথা অনুভৱ হ'ল। আৰম্ভ কৰিলো জীৱনৰ এক নতুন পাতনি। নিজকে পোহৰৰ প্ৰতীক যেন অনুভৱ হ'ল।

আয়ে ছাগৈ এতিয়া বাইদেউ ঘুৰি যোৱালৈ বাট চাই চাই কান্দি কান্দি সেই জুপুৰীটোতে অপেক্ষা কৰি আছে। কেতিয়াবা ছাগৈ ল'ৰাবোৰক লগ পালে সোধে। মোৰ সোনাইক দেখিছিলি নেকি? হয়তো উত্তৰ দিয়ে নাই দেখা পাগলী। এতিয়া নিশা ছাগৈ সেই জুপুৰীটোতে কোচমোচ খাই শুই আছে। জাৰ লাগিলেও গাত কাপোৰ দিওঁতা মানুহ নাই। আইৰ কথা মনত পৰাত গভীৰ বেদনাত অশ্ৰুবাগৰিল। মনতে মই আইক সান্ত্বনা দিলো। - "মই জাবৰবোৰ অলপ আঁতৰাই লওঁ।" ফেউৰাৰ চিঞৰত মোৰ চিন্তাত যতি পৰিল। লগে লগে চাৰিটা মান কুকুৰে ভুঁকিলে, ভৌ...ও...ও...।

গাত কাপোৰখন মেৰিয়াই উঠি বহিলো দেখিলো ৰমেশ তেতিয়াও নিশ্চুপ হৈ বহি আছে, তেনেতে ওচৰৰ গাঁওখনৰ পৰা কুকুৰাৰ ডাক ভাঁহি আহিল। ফেউৰা আৰু কুকুৰৰ আৰাও ক্ৰমান্বয়ে কমি আহিল। ৰমেশো ছাগৈ এতিয়া পোহৰৰ প্ৰতীক্ষাত। পোহৰ হলেই ভাল, সি শান্তিৰে শুব পাৰিব। ৰমেশক সুধিলো —

— পোহৰ হ'বলৈ কিমান বাকী

— বেছি সময় নাই।

কাষতে থকা বিলখনৰ পৰা বনৰীয়া হাঁহ জাক উৰিছে, পৰিছে, উৰিছে পৰিছে...। মোৰ মনটো পোহৰ পোহৰ লাগিল। খটখটিৰে বাহিৰলৈ ওলাই গলে নৈপৰীয়া বতাহজাকক আদৰিববলৈ...।

**(প্ৰকাশ কালঃ ২০০১-২০০২)**

# নেহা, মই আৰু অলপ ভৱিষ্যতৰ গল্প

**সুশান্ত কৃষ্ণ শৰ্মা**

মোৰ আন্তৰিকতাবোৰ ফুল হৈ সৰিব তোমাত...

— জন্মদিনৰ শুভেচ্ছাৰে 'ভাৰ্গৱ'

নেহাৰ ডায়েৰীখন বিচনাতে পাই লিখি দিলো তেনেকৈ। নেহা মোৰ বিবাহিত পত্নী। আজি তাইৰ জন্মদিন। আনৰ দৃষ্টিত সন্মানীয় বা ডাঙৰ যেন লগা চাকৰিটোৰ দৰমহাৰ আধাতকৈ বেছি অংশ আজি নেহাক দি দিছো। জন্মদিনৰ এই উপহাৰেৰে বহুত আনন্দিত দেখাইছে তাইক। তথাপি টকা পইচাই যেন সকলো নহয়; অনুভৱ হ'ল তেনেকৈ আৰু সেয়ে হয়তো ডায়েৰীখন ওচৰতে পাই লিখিবলৈ মন গ'ল কিবা এটা; সেই পুৰণি কথাষাৰকে...।

"ভাৰ্গৱ, আন্তৰিকতানো আক' ফুল হৈ কেনেকৈ সৰিব? তাহানিখন ইউনিভাৰ্ছিটীত একেলগে পঢ়ি থাকোতে নেহাই তেনেকৈয়ে সুধিছিল। কিজানি তাইৰ জন্মদিনত তাইৰ নোটবুকত কথাষাৰ লিখিছিলো। 'বুইছা নেহা, তোমাৰ প্ৰতি যে মোৰ আন্তৰিকতাবোৰ ফুলৰ দৰে সজীৱ সেয়াহে মই ক'ব খুজিছো।" নেহাক তেনেকৈয়ে বুজাইছিলো তেতিয়া। তাই নিশ্চয় ভালকৈ বুজা নাছিল। নুবুজাটোৱেই স্বাভাৱিক। ইমান অনুভৱী হ'বলৈ নিবিচাৰে তাই; ক'বলৈ গ'লে তাই প্ৰেক্টিকেল। আৰু মই! উস! কিযে অনুভূতিপ্ৰৱণ আছিলো মই সেই দিনবোৰত। ইউনিভাৰ্ছিটিৰ বননিত, ওখ ওখ বেৰবোৰত, সেউজীয়া গছবোৰত মই যেন শব্দৰ সন্ধান কৰিছিলো। মানৱীয় সম্পৰ্কৰ জটিলতা, জীৱন জগতৰ চিন্তাৰ সাগৰখন যেন মোৰহে আছিল!

ইমান বিপৰীত মানসিকতাৰ আছিলো মই আৰু নেহা ! তথাপি আমি ঘণ্টা ঘণ্টা ধৰি কথা পাতিছিলো। এদিন নেহাক সুধিছিলো আমাৰ সম্পৰ্কটোৰ কথা। ইমান বিপৰীত মানসিকতাৰ দুটা মানুহৰ সম্পৰ্কৰ কিবা স্থায়িত্ব আছেনে। নেহাই একেবাৰে স্থায়িত্ব আছে বুলি কৈছিল। তাই কৈছিল... মানুহে হেনো একে মন আৰু মেজাজৰ মানুহৰ লগত থাকিলে একো শিকিব নোৱাৰে, একো বুজিবও নোৱাৰে; চাব নোৱাৰে হেনো জীৱনৰ বিষ্ময়।

নেহাই ইমান বাস্তৱকৈ অনুভৱী কথাবোৰ কৈ পেলাব পাৰে। মোৰ অনুভুতিপ্ৰৱণতাই যেন তাইৰ বাস্তৱমুখিতাৰ মাজত সিদিনা কিবা এটা সন্ধান কৰিছিল।

মই আজিও সন্ধান কৰি ফুৰো সেই কিবাটো। কোম্পানীৰ চাকৰিটো পোৱাৰ কিছুদিন পিছতে নেহা আৰু মোৰ বিবাহ হৈছিল। আনৰ দৃষ্টিত সেয়া আছিল প্ৰেম বিবাহ (কিজানি নেহাৰ দৃষ্টিতো)। কিন্তু মোৰ দৃষ্টিত যেন বুজাবুজি টকা-পইচা, প্ৰেম-অপ্ৰেম আদি শব্দৰ পৰীক্ষা নিৰীক্ষা সেয়া। আৰু নেহা! তাইৰ সেইবোৰ ভাবিবৰ আহৰি নাই। ব্যস্ততাৰ আৱৰ্তত তাই... ৰন্ধা বঢ়া, ফুৰিবলৈ যোৱা, দীপুক স্কুললৈ অনা-নিয়া, নাৰী জাগৰণ সমিতি নে কিবা, টিফিন আদিক কেন্দ্ৰ কৰি তাই ঘূৰি থাকে। আৰু মই যেন কিহক কেন্দ্ৰ কৰি ঘূৰা উচিত তাৰেই পৰীক্ষা অতদিন কৰি আছো। মই ভাবি নাপাওঁ মোৰ লগত থাকি নেহাই জীৱনৰ সেই বিষ্ময় বিচাৰি পাইছেনে। সুধিম যেন লাগে কেতিয়াবা। কিয়বা সুধিম। তাইতো মোক সোধা নাই মোৰ প্ৰাপ্তি-অপ্ৰাপ্তিৰ কথা। নোসোধাই ভাল। কম্প্ৰমাইজতে চলে সংসাৰ। এই কম্প্ৰমাইজ, বিষ্ময় আদি শব্দৰ সতে যেন মোৰহে বুজাবুজি নাই।

এইকেইদিন কলেজৰ পুৰণি দিনবোৰ খুব মনলৈ আহিছে। কিজানি ভৈৰৱীৰ ওচৰলৈ যোৱাৰ বাবেই এনেকুৱা হৈছে। এঘাৰ বজাৰ নিশা এইকেইদিন ঘৰ সোমাইছোহি। মোৰ পত্নীৰ কোনো আক্ষেপ নাই। ঢাকি থোৱা ভাত খাই শুই আছে। কোনো প্ৰশ্ন নাই। হয়তো কিবা বুজাবুজি। সন্দেহ কৰিলেও সংসাৰ চলাবই লাগিব। নেহাই হয়তো তেনেকৈয়ে ভাৱে। আচলতে প্ৰেক্টিকেল মনটো!! আমাৰ সুখৰ সংসাৰত সন্দেহৰ থল নাই। (সুখ? আনৰ সুখত সুখী হ'ব পৰাটোৱে সুখৰ সংজ্ঞানেকি।) মোৰ হঠাৎ এনেকুৱা অনুভৱ কিয় হৈছে আমি যেন এটা 'ফৰেইন ফেমিলি'... আমেৰিকাৰ, নিউজিলেণ্ডৰ... ক'ৰ, ক'ৰ বাৰু আমি? আমাৰ হ'ম এড্ৰেছ ক'ত? ঠিকনা??

ভৈৰৱী ভাল বন্ধু আছিল মোৰ। ভৈৰৱীৰ ওচৰত এইকেইদিন মই কলেজৰ দিনৰ ভাৰ্গৱটো হৈ যাও। (মোৰ কলেজৰ ইউনিৰ্ফমৰ ছাৰ্টটো ইমান বগা আছিল।

মনটোও বাৰু শুভ্ৰতাৰে ভৰা আছিলনেকি।) এজন শব্দৰ শিল্পী (লিখক!) হোৱাৰ, সৰু হ'লেও এটা মৰ্যাদাৰ চাকৰি কৰাৰ মোৰ দৰে ভৈৰৱীৰো তেতিয়া এটা সপোন আছিল। সেই সপোনটো বুকুত সাঁচি ৰাখিয়েই তাই চিৰন্তনৰ সতে বিয়া হৈ যাবলগীয়া হৈছিল। আৰু আজি এজাক ধুমুহাত বিধ্বস্ত হোৱা ঘৰখনৰ পৰা তাই ওলাই আহিবলগীয়া হৈছে। এটা চাকৰিৰ বিশেষ প্ৰয়োজন তাইৰ। মই নেহাৰ বাবে নিশ্চিত কৰি থোৱা চাকৰিটো ভৈৰৱীক দি দিছো। কাৰণ নথকা নহয়। ভৈৰৱীয়ে মোক কলেজৰ দিনৰ অনুভৱী ভাৰ্গৱক জগাই দিছিল। কলেজৰ দিনত আমাৰ খুব ভাল বন্ধুত্ব আছিল। (বন্ধু, বন্ধু জানো!) আমাৰ সেই সম্পৰ্কৰ নাম কি সুধিবলৈ সময়েই নহ'ল, ক'ৰবাত যেন ভুল হৈ গ'ল!)

দীপুৱে মোৰ ওচৰতে এয়া বিচনাত বহি মোৰ পুৰণা কবিতাৰ টোকাবহীখন ফালি নাও সাজিছে। সি বঠাডাল দিবলৈ পাহৰি গৈছে। দীপু, নাওখনত বঠা এডাল দি দিয়া' — মই কলো। "নহয় পাপা, মোৰ নাও মেচিনতহে চলে।" আস! এই চাৰিবছৰীয়া ল'ৰাটোৰেও বুজি পায় যন্ত্ৰ কি, যান্ত্ৰিকতা কি। এটা অহৈতুকী ভয়ে মোক খুন্দিয়াই গ'ল।

সোমাই গৈছে ভৈৰৱী, নেহা, দীপু সকলো মোৰ পৰীক্ষাগাৰত সোমাই গৈছে। মোৰ অজানিতেই পৰীক্ষাগাৰত সোমাই গৈছে মোৰ চাকৰিটো, নেহাৰ বাস্তৱ মনটো; ভৈৰৱী আৰু মোৰ হেৰোৱা বৈভৱবোৰ...। এটা গোলক যেন মই ঘূৰাই আছো, ৰখাই দিছো, আকৌ ঘূৰাই দিছো। গোলকটোত যেন মই এখন নিৰাপদ ঠাই বিচাৰিছো মোৰ বাবে, নেহাৰ বাবে, ভৈৰৱীৰ বাবে, সকলোৰে বাবে। মোৰ আন্তৰিকতাবোৰ সকলোৰে বাবে ফুল হৈ সৰা হ'লে ভাল আছিল।

'দীপু, বাহিৰত খেলাগৈ যোৱা। 'নেহাই আজি জন্মদিন বাবে মোলৈ এয়া কিবা কিবি বনাই আনিছে। বিছনাত ডায়েৰীখন পাই চাই তাই এয়া হাঁহি দিছে। সেই পুৰণি মিঠা হাঁহিটো। 'তোমাৰ প্ৰমোচনৰ পৰীক্ষা পালেহি নহয়, কিতাপ পত্ৰ চাবৰ হ'ল। 'নেহাৰ আবদাৰ সেয়া। প্ৰমোচন হ'লে কি কি হ'ব, এখন নতুন গাড়ী, নতুনকৈ ক'ৰবাত এটুকুৰা মাটি... ইত্যাদি। নেহাই জানো গম পায়! প্ৰমোচনৰ পৰীক্ষাটোৰ বাদেও যে মই আৰু বহুত পৰীক্ষা দি আছো। প্ৰাপ্তিৰ সৰ্ব্বোচ্চ উচ্চতাত উঠিবলৈ মই যে অপ্ৰাপ্তিৰ চিৰিবোৰ বগাই আহিছো; নেহাই জানো উমান পায়। বহুত কথা ক'বলৈ মন গৈছিল। তাইক একো নক'লো। ময়ো অনুৰূপ হাঁহি এটা মাৰি দিলো। সেই হাঁহিটোত কিজানি মোৰ সেই কলেজৰ দিনৰ গল্পবোৰৰ দৰে বিস্ময় সোমাই আছিল।

**(প্ৰকাশ কালঃ ২০০২-২০০৩)**

# প্ৰাপ্তি, অপ্ৰাপ্তি, অপ্ৰকাশ্য কিছু বেদনাৰ ককটেল

ৰূপন গগৈ

'কংগ্ৰেচুলেশ্যন মিছ স্মিতা শৰ্মা,'

এই শুভেচ্ছাবাণীৰ সমান্তৰালভাৱে কেইবাখনো হাতে তাইক লক্ষ্য কৰি খেদি আহে একেলগে। হৈ পৰে তাই বিস্ময়বিমূঢ়, হতবাক। আনন্দ আৰু বেদনা মিশ্ৰিত এক অবাৰ্চীন অনুভূতিয়ে তাইক লৈ যায় চলচ্চিত্ৰৰ প্ৰাচীন নিৰ্বাক যুগলৈ।

মহাবিদ্যালয়ৰ 'কলেজ উইক'ৰ আৰু এটি সোণোৱালী দিন খহি পৰে, দ্ৰুতভাৱে। ফলাফল ঘোষণাৰ লগে লগে ছন্দপতন ঘটে কলেজ প্ৰেক্ষাগৃহত সাৱলীলভাৱে চলি থকা বৰ্ণাঢ্য প্ৰতিযোগিতাখনিৰ। স্মিতা শৰ্মাক 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে আয়োজিত 'কইনা প্ৰতিযোগিতা'ত বছৰৰ শ্ৰেষ্ঠা কইনা প্ৰতিযোগী ৰূপে বিবেচনা কৰা হয়। তাৰ পিছতেই বেঢ়ি ধৰে তাইক শুভাকাংক্ষী আৰু সতীৰ্থসকলে।

প্ৰেক্ষাগৃহৰ বহুবৰ্ণময় পোহৰৰ বৰ্ণালীত নক্ষত্ৰখচিত আকাশৰ পূৰ্ণিমাৰ জোনৰ দৰে সকলোৰে চকু আৰু মনোযোগ এতিয়া তাইৰ ওপৰত নিবদ্ধ। পাটৰ মেখেলা চাদৰৰ সৈতে কইনা সাজত অপূৰ্ব সুন্দৰী হৈ পৰে তাই। কপালৰ ওপৰত উৰি থাকে 'গাৰ্ণিয়াৰ' আৰু 'ক্লিনিক অল-ক্লিয়েৰ' ধন্য সোণোৱালী চুলি। পুৰস্কাৰ প্ৰাপ্তিৰ এক অনিৰ্বচনীয় আনন্দত তাইৰ সৰ্বাংগ লাজত কঁপি উঠে। স্বতঃফুৰ্তভাৱে ঢাকি ধৰে তাই দুহাতেৰে আৰক্ত মুখমণ্ডল। তেনে এটি মুহূৰ্ততে মনলৈ উৰি আহে যোৱা বছৰৰ এটা দিনৰ বেদনা বিধুৰ স্মৃতি।

সৰুপথাৰ হায়াৰ চেকেণ্ডাৰী স্কুলৰ এদিন। সেইবাৰ বৰগীত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল স্মিতাই। পুৰস্কৃত হৈছিল তাইৰ বান্ধৱীদ্বয় ৰীমা আৰু অৰ্চনা। হতাশা আৰু বিফলতাই আগুৰি ধৰিছিল তাইক ক্ৰমশঃ। হাহাকাৰ কৰি উঠিছিল তাইৰ অতৃপ্ত হৃদয়ে। দ্ৰুত বিপন্ন হৈ আহিছিল যেন তাইৰ অস্তিত্ব। অৱশ্যে তাই বুজি উঠিছিল নিজৰ অপৰিমেয় সীমাবদ্ধতা।

পুৰস্কাৰ অপ্ৰাপ্তিৰ শূন্যতা আৰু বেদনাত বিপৰ্য্যস্ত হৈ থকাৰ সময়ত তাইৰ ওচৰলৈ এক হিংস্ৰ সৰীসৃপৰ দৰে আগবাঢ়ি আহিছিল লক্ষী, লক্ষীপ্ৰসাদ গগৈ। তাৰ চকু আৰু মুখমণ্ডলত ধূৰ্তামিৰ প্ৰলেপ। এই লক্ষীৰেই প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল স্মিতাই। এবাৰ নহয় দুবাৰ নহয় ‘বাইবেল’ত পিটাৰে যীশুক অস্বীকাৰ কৰাৰ দৰে সম্পূৰ্ণ তিনিবাৰ। লক্ষীপ্ৰসাদ নামৰ এই ‘দিৱানা’টিলৈ স্মিতাৰ তীব্ৰ খং উঠিছিল। হয়তো এটা ‘আলট্ৰা চেনী’ লক্ষীপ্ৰসাদৰ গাত সঁচা প্ৰেমিকৰ ছবিখন স্মিতাই বিচাৰি পোৱা নাছিল। সেইয়ে স্মিতাই বিনয়েৰে তাৰ প্ৰস্তাৱক অস্বীকাৰ কৰিছিল। বিপৰীতে ক্ষোভ আৰু অপমানত জ্বলিছিল সি। সুযোগ বিচাৰি আছিল তাইক প্ৰতিশোধ লোৱাৰ। অৱশেষত সুযোগ সংলগ্ন কালিকা লগা দিনটো আহিছিল।

ঃ কি হ’ল মন মাৰি আছা যে? প্ৰতিযোগিতাত তুমি অংশ গ্ৰহণ নকৰাহেঁতেনেই ভাল আছিল নেকি? কিয়নো কাউৰী হৈ কুলী চৰাইৰ লগত সংগীত প্ৰতিযোগিতাত নামিলে পুৰস্কাৰ বা পাবাই কেনেকৈ? অৱশ্যে তোমাৰ দুঃসাহসক ধন্যবাদ নজনাই নোৱাৰি।

লক্ষীপ্ৰসাদে বিহ ঢালিবলৈ আৰম্ভ কৰি দিলে। কান্দি উঠে স্মিতাই নীৰৱে। যেন ক’লী ছোৱালীজনীক ক’লী বুলি কোৱাৰ দ’ৰে। তাইৰ কণ্ঠ কি সঁচাই কাউৰীৰ দৰে। কা কা কৰি যেন এজনী কাউৰী তাইৰ ফালে খেদি আহে। পাগল প্ৰেমিক লক্ষী প্ৰসাদৰ তেজস্ক্ৰিয় মন্তব্যত হেৰুৱাই পেলাই স্মিতাই নিজকে। পাহৰি যায় স্থান কাল পাত্ৰ। অনুভৱ কৰে, খুব যেন কষ্ট হৈছে তাইৰ। বুকুৰ ভিতৰত কিবা যেন ভাঙি চিঙি খহি পৰিছে। অস্পষ্ট হৈ আহিছিল, চৌদিশ, সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী।

শৰীৰৰ সমস্ত শক্তি সংগ্ৰহ কৰি সোঁহাতখন দাঙি স্মিতাই লক্ষী প্ৰসাদৰ গালত এটা প্ৰচণ্ড চৰ মাৰিছিল। তৎক্ষণাত বিয়পি পৰিছিল এটি জৰুৰীকালীন হুলস্থূল। অৱধাৰিতভাৱেই অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰী সমাজে ঘটনাটোত হস্তক্ষেপ কৰিছিল। বহু বিতৰ্ক আৰু বহু আলোচনাৰ অন্তত পৰিৱেশ সহজ হৈ পৰিছিল। পুনৰ তুচ্ছ প্ৰাত্যহিকতা আৰু গতানুগতিকতাত নিমজ্জিত হৈছিল স্কুলৰ সেউজীয়া মনোৰম দিনবোৰ। সকলোৰে মানি লৈছিল বৰগীত প্ৰতিযোগিতাত স্মিতা শৰ্মাই পুৰস্কাৰ নাপালেও

লক্ষীপ্ৰসাদে সঠিক পুৰস্কাৰ পাইছিল তাইৰ হাতত, তাৰ দুৰ্ব্যৱহাৰৰ বাবে।

সেয়া অৱশ্যে এবছৰৰ আগৰ কথা।

স্মিতাই ভাৱে, মহাবিদ্যালয়ৰ কইনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱাৰ সময়ত তাইক কাউৰী বুলি তিৰস্কাৰ কৰিবলৈ আজি লক্ষীপ্ৰসাদ সিহঁতৰ মাজত নাই। বৰ্তমান এটা ব্যৰ্থ আৰু পৰাজিত নায়ক সি। হয়তো এই সময়ত আলীৰ গেৰেজৰ সন্মুখত ভঙা বেঞ্চখনত বহি আড্ডা দি আছে নাইবা প্ৰধান মন্ত্ৰী ৰোজগাৰ যোজনা আঁচনিৰ অধীনত ঋণ লৈ ব্যৱসায় আৰম্ভ কৰা জ্যোতিক নিৰ্বোধৰ দৰে উপদেশ দিয়াত ব্যস্ত সি। বৰ সেৰেকা হৈ পৰিছে কিজানি তাৰ প্ৰাত্যাহিক জীৱন।

"ৰাতি জোন আৰু তৰাবোৰৰ স'তে খেলা পাতো
বোকোচাত তুলি তৰাবোৰক
পানীৰ তলে তলে মই লৈ ফুৰো
তৰাবোৰ যেতিয়া ভাগৰি পৰে মোৰ স'তে
সকলো শুই পৰো পানীৰ জলমল বিচনাত
জোনটোৱে পৰ দি থাকে আমাক..."
(নীলিমদা)

অৱশেষত পাপু প্ৰস্তুত হ'ল।

সিদ্ধান্ত ল'লে সি প্ৰেমত পৰাৰ।

দিলীপ, প্ৰণৱৰ দৰে মহাবিদ্যালয়ৰ একেচীয়া চঞ্চল মোহনীয়তাত সিও প্ৰথম ৰোমাণ্টিক খোজটো দিবলৈ সাজু হ'ল। সংগোপনে স্বপ্ন দেখিছিল সিও কাৰোবাৰ প্ৰেমিক হোৱাৰ, মৰ্মে মৰ্মে অনুভৱ কৰিছিল এগৰাকী মৰমীয়াল প্ৰেমিকাৰ অভাৱক। তাৰ জীৱনত প্ৰেমৰ বৰযুণ ন'হবই নেকি ? কোনে জানো কৈছিল, একমাত্ৰ প্ৰেমেই বোলে জীৱনলৈ প্ৰশান্তি আৰু পূৰ্ণতা আনি দিয়ে। সি সেই প্ৰশান্তিৰ আৰু পূৰ্ণতাৰ অংশীদাৰ হ'ব খোজে।

আগতে সি কেইবাবাৰো প্ৰেমৰ উপন্যাস আৰু কবিতাৰ কিতাপ পঢ়িছে। উজ্জ্বল পাওগাম, ৰনজিত গগৈৰ, হীৰুদাৰ কবিতাৰ বৰষুণত তিতিবলৈ ভাল পায় সি। কিজানি সি প্ৰেমিক হৈছেইবা।

'প্ৰেম হৈছে কিজানি প্ৰেমাষ্পদ বা প্ৰেমাষ্পদৰ কাৰণে সকলো ত্যাগ কৰিবলৈ সম্পূৰ্ণ সন্মতি নহ'লেও অন্ততঃ বহুতখিনি ত্যাগ কৰিবলৈ জন্মা আগ্ৰহ। আনকি ত্যাগ কৰিবলৈ মনৰ ভিতৰত জুৰ মলয়াৰ বা অনুভৱ কৰা। কিন্তু অন্য সকলো বস্তুৰ

দৰে সেই প্ৰেমো ক্ষণস্থায়ী, নহ’লেও অন্ততঃ দীৰ্ঘায়ু নহয়। কিছুদিন মাত্ৰ।’

প্ৰেমৰ বিষয়ে সি মাথা মাৰি থাকে তপনদাৰ দোকানৰ সন্মুখত। ভ্ৰাম্যমান মঞ্চৰ কোনো গুৰুত্বহীন চৰিত্ৰত অভিনয় কৰা অভিনেতাৰ দৰে। সৰু চহৰখন ব্যস্ত হৈ পৰিছে। ঘড়ীলৈ চালে পাপুৰে; ন বাজি পঞ্চল্লিচ মিনিট হৈছে। দুৰ্বাদল শব্দেৰে পাৰ হৈ যায় অ’এন-জি-চিৰ ভাৰবাহী গাড়ীবোৰ, টেংকাৰ, বাইকৰ তীক্ষ্ণ হৰ্ণ, বাছৰ হেন্দিমেনৰ কৰ্কশ চিঞৰত গোটেই পৰিৱেশটো অস্থিৰ হৈ পৰে।

ঃ পাপুদা কেনে আছে? কেইবাদিনো দেখা নাই যে? ক’ৰবালৈ গৈছিল নেকি? পল্লৱীৰ মাত জল তৰংগৰ দৰে বৈ আহে। সি উত্তৰ দিয়াৰ আগতেই তাই গুচি যায়। বোধ হয় এক অহৈতুক সৌজন্য প্ৰদৰ্শন কৰে তাই।

অলসভাৱে মুখ ঘুৰাই পাপুৱে ৰাস্তাৰ পিনে চাই ৰয়।

ঃ অই পাপু, চাহ খাবা?

ঃ আৰে দিপা যে। ৰ’বা মই আহি আছোঁ।

ঃ খালী চাহহে কিন্তু। নে কিবা খাবা আৰু?

কথা বতৰাত ধৰিব পৰা যায় ইতিমধ্যে দিপাই বাপেকক কিবা অজুহাত দেখুৱাই পইচা আনিলে। ন’হলে কনজুচ দিপাই ক’ত চাহ খুৱাব? সিহঁত হোটেললৈ সোমাই যায়। সিহঁত মানে দিপা, কাকু আৰু সি।

ঃ তোমাৰ এই কেইদিন গা ভাল নহয় নেকি? দাড়িও কটা নাই যে? গালৰ হনু যে ওলাই গৈছে। খুউব পঢ়িছা নেকি। পৰীক্ষালৈতো এতিয়াও বহু দিন আছে। নে কাৰোবাৰ প্ৰেমত পৰিছা?

তীব্ৰ শব্দ কৰি ভাৰবাহী ট্ৰাক দুখন ভগা ৰাস্তাটোৰে পাৰ হৈ গৈছে। গিলাচ কাপ প্লেটৰ টুংটাং, হোটেলৰ বয় কেইটাৰ কৰ্কশ মাত, এটা টেপ-ৰেৰ্কডাৰৰ পৰা ভাহি অহা ফাল্গুনী পাঠকৰ হিন্দী গান এইবোৰৰ শব্দত ডুবি থাকে সিহঁত তিনিটা। খালী কাপটো নমাই থ’লে সি।

ইতিমধ্যে পিছৰ টেবুলত বহি থকা ল’ৰা কেইটাই তৰুণ গগৈৰ মন্ত্ৰীসভাৰ পৰা আৰম্ভ কৰি কোন প্ৰফেচাৰৰ ক্লাচবোৰ ব’ৰিং, কোনজনী ছোৱালীৰ ফিগাৰটো ভাল, কোনে বেছি কেপকেপাই থাকে, কোনে কাৰ প্ৰেমত পৰিছে ইত্যাদি নানা বিষয়ৰ ওপৰত সৰস আলোচনা আৰম্ভ কৰি দিছে।

হঠাৎ বেৰত ওলমি থকা জুবিনৰ ফটোখনলৈ তাৰ চকু যায়। যুগপৎ মনত পৰি যায় এটি প্ৰেমৰ গীত। গোপনে প্ৰস্তুত হয় সি। মনত তাৰ হাজাৰ বিজাৰ সোনাৰু

ফুলি উঠে। শিল গলিবলৈ আৰম্ভ কৰে ক'ৰবাত। সি আৰম্ভ কৰে সতৰ্কতাৰে।
ঃ দিপা, স্মিতা শৰ্মাৰ লগত তোমাৰ কেনেকুৱা বাৰু?
ঃ কিয়? লাগে যদি কোৱা। এসপ্তাহত হৈ যাব তোমাৰ কাম।
দ্ৰুত গতিত তেজ তাৰ মূৰলৈ উঠি যায়।
ঃ অলপ চিৰিয়াচ হ'বানা। কি যে ধেমালি কৰা অপ্ৰস্তুত হয় সি।
ঃ ডলীক চিনি পোৱা? ইংলিছ ডিৰ্পামেণ্টৰ যে? ভাল ছোৱালী তাই। মোৰ লগত ভাল। তুমি চিন্তা কৰিব নালাগে। মই ক'লে তাই শুনিব অৱশ্যে, ক'ম নেকি? চিৰিয়াচ হোৱাৰ ভাও ধৰে দিপাই।
দিলীপদাৰ দোকানৰ পৰা পুনৰ পান আনে সি। আলোচনা চলি থাকে।
ঃ ডলী? বয়জ কাট ছোৱালীজনী? এনেয়ে তাইক 'ধুম' বুলি কয়।
ঃ অ' খুব ভাল ছোৱালী। মিলিব তোমাৰ লগত। দেউতাকে ক'ৰবাত মাল্টিনেচনেল কোম্পানীত চাকৰি কৰে।
ঃ তাই দেখোন বিকি নামৰ এটাৰ লগত ঘূৰিয়েই ফুৰে। কেতিয়াবা তাৰ বাইকৰ পিছফালেও দেখোঁ। খুব ঠাণ্ডা ছোৱালী নহয়?
ঃ বিকি? যোৰহাটৰ বিকি যে। সি তাইৰ মোমায়েকৰ ল'ৰা। চিনাকি হ'লে গ'ম পাই যাবা।
ঃ সেইবিলাক বাদ দিয়া। তাৰ উপৰি তাইৰ সৈতে প্ৰেমত পৰিবলৈ ইংৰাজীও মই নাজানো। তুমি পাৰিলে স্মিতাৰ লগতে মোক চিনাকি কৰি দিয়া। কোৱা পাৰিবানে নোৱাৰা? নোৱাৰিলে মোৰ বেলেগ 'তৰিকা' আছে। খাটাং সিদ্ধান্তলৈ আহিব খোজে সি। দিপা আৰু কাকুৰ মুখমণ্ডলত ধ্ৰুৱক হাঁহি লাগি থাকে। মনতে পাগুলি থাকে সি কথাবোৰ। প্ৰেমৰ সম্পৰ্কত সি যে ইতিমধ্যে বহু কথা শিকিলে বা জানিলে সেই কথা দিপাৰ আগত কেনেকৈ কয় সি। তাৰ উপৰি মন্দিৰৰ বাবাই দিয়া কৰচটো আছেই। গতিকে চিন্তা কিহৰ? দিপাক এনেয়ে সুধিহে চাইছে। অলপ অধ্যৱসায়, অলপ তোষামোদ আৰু দুদিনমান পিছলৈ ঘূৰিলেই 'ফ্লেট' হৈ যাব ছোৱালী।
ঃ স্মিতা যদিও মোৰ লগত চিনাকি তথাপি তাইৰ সৈতে 'টাৰ্ম্চ' মোৰ কম। তথাপি তুমি জোক লগাদি লাগিছা যেতিয়া চেষ্টা এটা কৰিম বাৰু। চাবা আকৌ, তাই যথেষ্ট হাই ফাই ছোৱালী। পিছত পস্তাৱা।
ঃ প্ৰথমতে এটা পৰিৱেশ ক্ৰিয়েট কৰিব লাগিব। তাৰ পিছত...। দিপাৰ কথা শেষ নহ'ল।

ঃ তাৰ পিছত দিপা, তুমি আৰু স্মিতা হোটেললৈ আহিবা। না-না হোটেল ন'হ'ব। বহুত ভিৰ হয়। শান্তিৰে কথা পাতিবই নোৱাৰি। ৰেষ্টুৰেণ্টলৈকে ওলাবা। অকস্মাৎ, ক'তনো পূৰ্ব পৰিকল্পনা মতে মই গৈ তাত ওলাম। তুমি চিনাকি কৰি দিবা।
ঃ আৰু তাৰ পিছত তোমালোকে প্ৰেমালাপ কৰিবা। বছ মোৰ কাম খতম। বাৰু ফিটিং হৈ গ'লে কি খুৱাবা। দিপায়ে তাল আৰম্ভ কৰি দিলে।
ঃ হুঃ কাম হৈ গ'ল, তোমাক আৰু স্মিতাক এটা ডাঙৰ পাৰ্টী দিম। কিন্তু তাৰ আগতে মোৰ ঘৰৰ টকাখিনি পাব লাগিব।
ঃ কামটো যথেষ্ট জটিল। অলপ টাইম লাগিব।
- চতুৰ ৰাজনীতিবিদৰ দৰে স্বগতোক্তি কৰে দিপাই। পাপু, যদি মই কামটো কৰিব নোৱাৰো তেন্তে মই কেণ্টিনৰ বয় কামালৰ লগতে আজীৱন থাকি যাম।

চৰাই ধৰাৰ ছিটিকা পতাৰ কাম আৰম্ভ হয়। যেন মিছন লাভ চাকচেছ। মিছন লাভ চাকচেছৰ অপাৰেছন দ্ৰুতগতিত চলি আছিল তেতিয়া।

শংকৰ মহাদেৱনৰ 'ব্ৰেথলেছ'ৰ দৰে পাপুৰ মুখ অনৰ্গল চলি থাকে। এক নিঃকিন দীনতাই তাক যুগপৎ গ্ৰাস কৰি পেলায়। স্মিতাই তালৈ চায় ৰয়। সেই দৃষ্টিত বিৰক্তি, প্ৰেম, ঘৃণা, ক্ষোভ আদি প্ৰকাশ নাপায়।
ঃ তাৰ পিছত ?
ঃ তাৰ পিছত আৰু কি। আৰু এবাৰ প্ৰেমত পৰিছিলো খ্ৰীষ্টান ছোৱালী এজনীৰ লগত। মালবিকা নামৰ ছোৱালীজনীয়ে গুৰুত্বই নিদিলে মোক। অৱশ্যে ৱান ছাইডেড এফেয়াৰ আছিল সেইটো। গতিকে ক্লিক নকৰিলে। মই জোনবাইক লগ ধৰিবৰ বাবে চন্দ্ৰলৈ যাব খোজা নাই। মই কেৱল জোনাকখিনিক পাবৰ বাবে পৃথিৱীতে ৰৈ আছো।
- পাপুৰ স্বীকাৰোক্তিক কোনো পাত্তা নিদিলে তাই।
ঃ পাপুদা ময়ো বহুতো ল'ৰা লগ পাইছো, যিয়ে কেতিয়া কোনজনী ছোৱালীৰ ওঁঠত চুমা খালে সেইটো কথা বুকু ফিন্দাই কৈ ফুৰে, অথচ কেতিয়া কোনজনী ছোৱালীৰ হাতে চৰ খালে সেইটো মৰিলেও নকয়।
ঃ অৱশ্যে তেনে ভণ্ডামি মোৰ নাই। তাৰ দাবী দাখিল কৰে সি। অ' চাৰিটা বাজিবৰেই হ'ল দেখোন। লাইব্ৰেৰী বন্ধ হ'ব এতিয়া। চাহ খাবা নেকি। — অহৈতুক জোৰ কৰে সি।
ঃ যাওঁ দিয়া। -স্মিতাই ক'লে।
ঃ চাহ নোখোৱা ? তোমাক আগবঢ়াই দিম নেকি ?

ঃ নাই যাব পাৰিম। বাই।

ইয়াৰ পিছত সঁচাকৈয়ে আৰম্ভ হ'ল পাপু আৰু স্মিতাৰ প্ৰেম আৰু সেই প্ৰেমৰ আদান প্ৰদানত আন্তৰিকতাৰে মধ্যস্থতা কৰিলে দিপাই। দি গ্ৰেট মেট্‌চমেকাৰ দিপা। ফলত তিনি সপ্তাহৰ ভিতৰতে অৰ্থনীতি বিভাগৰ ছাত্ৰী স্মিতাই কিতাপত পঢ়িবলৈ পোৱা আটাইবোৰ অসমীয়া প্ৰেমৰ কবিতাৰে বছা বছা পংক্তিৰে ভৰা চিঠিৰে পাপুৰ বিচনাৰ গাৰুৰ তলত ঠাই পালে। পাপুও পিছ পৰি নাথাকিল। সিহঁতৰ এই চিঠিসমূহৰ লেখক আৰু লেখিকাই পৰষ্পৰে পৰষ্পৰক ইতিমধ্যে বুজি উঠিছে বুলি সগৌৰৱে ঘোষণা কৰিলে। কিন্তু আজিৰ যুগত চিঠিৰেইটো বুজাবুজি হ'লে নহ'ব। কলেজৰ প্ৰেমিক প্ৰেমিকাই ইটোৰে সিটোক বুজি পাবলৈ হ'লে বুজাবুজিৰ ৰোমাণ্টিক বাটত কিছুদূৰ আগবাঢ়ি যাব লাগিব। ৰেষ্টুৰেণ্ট, আলিবাট, নিৰ্জন পথাৰ, হোটেলৰ বিলাসবহুল চকী টেবুলত প্ৰেয়সীক কিবা কিবি অলপ খুৱাব নোৱাৰিলে প্ৰেমত পৰা যেনেই নালাগিব। জমি উঠে দুয়োৰে পাক্কা প্ৰেম। অৰ্থনীতিত প্ৰথম শ্ৰেণী পাম বুলি সপোন দেখি থকা পাপুৰ অৰ্থনীতিত গড়া খহনীয়া আৰম্ভ হয়। হয়তো ইনফ্লেচন। ঘৰৰ পৰা টকা আনি উৰি যায় হোটেলৰ বিল, গিফ্‌ট আদি কিনোতে। ধনশিৰি মহকুমাৰ এখন অখ্যাত গাঁৱত পাপুৰ ঘৰ। দেউতাক আছিল নিম্ন বুনীয়াদি বিদ্যালয়ৰ সাধাৰণ শিক্ষক। মোমায়েকৰ ঘৰত থাকি পঢ়া শুনা কৰে সি। দীনতাই আগুৰি থকা সিহঁতৰ অঞ্চলত তাৰ বি.এত নাম লগাই দিবৰ বাবে দেউতাকে ৰূপিত মাটি দুকঠা বিক্ৰী কৰিব লগা হৈছিল। কিন্তু সি ঘোৰ বিৰোধিতা কৰিছিল। যদিওবা প্ৰায় সকলো যুৱকৰ দৰেই তাৰ মনতো আছিল উচ্চ শিক্ষাৰ প্ৰতি দুৰ্বাৰ আকাংক্ষা। দেউতাকে তাৰ প্ৰতিবাদ নামানিলে।

আহিছিল পাপু বহু সপোন বান্ধি, সপোন মাথোঁ এতিয়া প্ৰেয়সী স্মিতা। মনত পৰেনে বাৰু তাৰ কাহানিবা গাঁৱৰ ঘৰখনৰ কথা, দেউতাক-মাক-ভনীয়েকৰ কিমান যে কল্পনা, লক্ষ্য তাৰ এতিয়া হোটেল 'বিন্দিয়া'। পাপুৰে স্থিৰতা হেৰুৱাইছিল। পাহৰি গৈছিল দেউতাক-মাকে তাকলৈ সোণোৱালী সপোন দেখাৰ কথা, বহু আশাৰে বাট চাই থকা মৰমীয়াল ঘৰখনৰ কথা। প্ৰেমৰ নামত সি ককবকাইছিল। স্মিতা শৰ্মা নামৰ ৰূপৰ একুৰা জুইৰ তাপত তাৰ দেহ মন উত্তপ্ত হৈছিল। পাহৰি গৈছিল সাময়িক ভাৱে তাৰ লক্ষ্যৰ কথা, ভৱিষ্যতৰ কথা।

প্ৰেমৰ ৰঙীন দিনবোৰ খহি পৰিছিল। ক্ৰমশঃ সি হেৰুৱাইছিল সময়, অৰ্থ, শ্ৰম আদি বহুতো। 'কনচেণ্ট্ৰেচন' ভাঙি গৈছিল। আগবাঢ়ি আহিছিল দৈত্যৰূপী

পৰীক্ষা, ষ্টাডি লিভ আৰম্ভ হৈছিল।

ঃ পাপুদা, কালি জুনমনিৰ মুখত শুনিলো তোমাৰ বোলে পৰীক্ষা মাৰ্চত হ’ব। আৰু মাত্ৰ তিনিটা মাহহে আছে। মোৰ ভীষণ ভয় লাগিছে জানা। তোমাৰ বাৰু পঢ়া-শুনা কেনে চলিছে? ফাৰ্ষ্ট ক্লাচ লাগিবতো?

ঃ ভগৱানেহে জানে। পঢ়িবলৈ একেবাৰে মন নাযায়।

ঃ নাই নাই। তোমাৰ পাছপৰ্ট ছাইজৰ ফটো কিন্তু নিউজ পেপাৰত ওলাব লাগিব। অ’ কথা এটা, এমাহমান মই পঢ়াত বিজি হ’ব লাগিব। ডিৰ্পাটমেণ্টৰ হেডৰ পৰাও গাইড ল’ব লাগিব। গতিকে, এইকেইদিন তোমাক সময় দিব নোৱাৰিম লগ কৰিবলৈ।

জোৰ নকৰিলে সি। আচলতে হৃদয়ে তাক জোৰ কৰিবলৈ নকয়। কোনেনো বাৰু ভাল ৰিজাল্ট এটা আশা নকৰে। সি কিবা এটা ক’ব খোজে, কিন্তু ক’ব নোৱাৰে। মন্ত্ৰ মুগ্ধৰ দৰে নিৰ্বিচাৰে মানি লয় সি স্মিতাৰ ব্যাখ্যা। সিও বুজি পায়, পৰীক্ষালৈ যে প্ৰিপেয়াৰ হ’ব লাগে; কিন্তু কথাযাৰ উপলব্ধি কৰাতহে অহেতুক তাৰ পলম হৈ গৈছিল।

ফাইনেল পৰীক্ষালৈ তিনি মাহতকৈ অলপ বেছি সময় আছিল তেতিয়াও। কিছুমান ল’ৰা-ছোৱালীৰ পঢ়াৰ ধুম চৰিছিল। এমুঠি সংখ্যালঘিষ্ঠ ভাগ্যবানে অসমৰ বিশ্ববিদ্যালয় তথা উচ্চ শিক্ষিত লোকৰ শতকৰা হাৰ বৃদ্ধি কৰিবলৈ ব্যস্ত হৈ পৰিল। অন্য ল’ৰা-ছোৱালীৰ দৰে পাপুও ব্যস্ত হৈ পৰিল কিতাপ যুদ্ধত, পৰীক্ষালৈ সাজু হ’বৰ বাবে।

এদিন অৰ্থনীতিৰ এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধৰ সৈতে যুঁজ বাগৰ কৰি থকাৰ সময়তে তাৰ ওচৰলৈ বন্ধু প্ৰণৱ সোমাই আহিছিল। মুখত আছিল তাৰ মদৰ তীব্ৰ গোন্ধ। হয়তো ‘ৰাজকুমাৰ’ৰ দোকানত সি দৈনন্দিন খোৱাৰ দৰে মদ এটুপি ধৰি আহিছিল। জড়তাসনা কণ্ঠেৰে সি কৈ উঠিছিল- কিৰে পাপু, তোৰ স্মিতাক দেখোন এইকেইদিন ‘ইণ্ডিকা’ এটাত দেখি আছোঁ। তোৰ প্ৰেম কি ধোঁৱা হৈ গ’ল নেকি? এয়াই কি তহঁতৰ প্ৰেম? প্ৰেমৰ যদি মূল্য বুজি নাপাৱ, প্ৰেমত নপৰিবি বুজিছ। প্ৰেমৰ বদনাম নকৰিবি। চাল্লা বেইমান। ছোৱালী এজনী ধৰি ৰাখিব নোৱাৰ, বাহাদুৰি কৰ।

‘ঝটকা’ লাগি গৈছিল পাপুৰ।

এক অক্ষম ক্লীৱ ক্ৰোধত কঁপি উঠিছিল সি। না, না, স্মিতাই তাক ঠগিব নোৱাৰে, নঠগে। সি তাইক বাৰুকৈয়ে চিনি পায়। প্ৰেম ভালপোৱা এইবোৰ বিষয় স্মিতাই তাতকৈ ভালকৈ বুজি পায়। প্ৰকৃত প্ৰেমৰ সংজ্ঞা তাইৰ জনা আছে।

ঃ প্ৰেমৰ সংজ্ঞা এটা কোৱাছোন।

ঃ বহুতো আছে। কাৰ ক'ম, কাৰ এৰিম?

ঃ নহয়, তুমি যিটো ভাল পোৱা। — পাপুৰ আবদাৰ।

ঃ প্ৰেম মানে যদি তুমি ক'ব খোজা যে ই হ'ল জীৱনৰ ঘাই সঞ্জীৱনী সুধা, তেন্তে মোৰ উত্তৰ হ'ল — নহয়। যদি ক'ব খোজা পৰিপূৰক আহাৰ তেন্তে হয়। যদি তুমি ক'ব খোজা প্ৰেমত পৰাৰ অৰ্থ হ'ল আন সকলো বাদ দি কেৱল প্ৰেয়সীৰ মাজতে জীয়াই থকা, সকলোতে কেৱল তেওঁকেই দেখা, কেৱল তেওঁৰ চিন্তাতেই তন্ময় হৈ থকা, অৱশেষত এই কথা অনুভৱ কৰা যে তোমাৰ জীৱন তোমাৰ প্ৰেয়সীৰ জীৱনৰ লগত অবিচ্ছেদ্যভাৱে গঠিত, তেওঁ তোমাৰ আত্মাৰ এটা অংশ মাত্ৰ — তেন্তে মোৰ উত্তৰ হয়। নহ'লে মই জীৱনত কোনো সংগীৰ প্ৰয়োজন অনুভৱ কৰা নাই।

ঃ বাঃ বহুত জানা দেখোন তুমি। সৰু সুৰা এজন প্ৰেমৰ বিশেষজ্ঞই। কিন্তু... কিন্তু মোৰ ধাৰণা অলপ বেলেগ। — স্মিতাৰ উৎসুকতা বাঢ়ি যায়।

ঃ মোৰ দৃষ্টিত প্ৰেম মানে দুই মুৰ্খৰ মাজত ভুল বুজাবুজি। পাপুৰ ব্যাখ্যাত হাঁহি উঠে স্মিতা।

কালি পাপুৰ পৰা ক্ষোভ মিশ্ৰিত চিঠিখন পোৱাৰ পিছত তাৰ প্ৰেমৰ চিন্তা চেতনাৰ দৈন্যতা বিচাৰি পালে স্মিতাই। যুগপৎ মনলৈ উৰি আহিছিল অতীতৰ কোনোবা এটা দিনৰ প্ৰেমৰ সংজ্ঞা বিচাৰি কৰা সিহঁতৰ কৌতুক মিশ্ৰিত আলোচনাখিনি।

ককায়েকৰ বন্ধু অমিতৰ সৈতে দুদিনমান ঘূৰিলেই যেনিবা 'ইণ্ডিকা'ত সেই বুলিয়েই পাপুৰ মূৰ কামুৰিব লাগেনে? অমিতৰ সৈতেতো তাইৰ কোনো জৈৱিক সম্পৰ্ক নাই। অৰ্থাৎ এনে এখন তিক্ততাপূৰ্ণ চিঠি লিখাৰ মানে কি? না, এনে সংকীৰ্ণ মনা ল'ৰাৰ লগত প্ৰেম হোৱাটোৱেই মুৰ্খামী। লাভ মেকিং এটা খেলৰ দৰে বুলি বিখ্যাত আমেৰিকান লেডী এনথ্ৰপলজিষ্ট মাৰ্গাৰেট মীডেহে কৈছিল। তাইতো কেতিয়াও কোৱা নাছিল। পাপুৰ ককৰ্থনাৰে পূৰ্ণ চিঠিখন পোৱাৰ পিছত 'লাভ মেকিং' খেল খেলিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ পৰিল। এতিয়াৰ পৰাই তাই পাপুক ভাল পোৱাৰ অভিনয় কৰি যাব। ক্ষমা বিচৰাৰ অভিনয় কৰিব। কিন্তু পৰীক্ষা হৈ যোৱাৰ পিছত এক 'ব্ৰহ্মঠগ' দি তাই অমিত বা কোনোবা উপযুক্ত পাত্ৰক বিয়া কৰাব। ভাল পোৱাৰ খেলখন জমি উঠিব তেতিয়াহে।

খেলখন জমি উঠিছিল তেতিয়া। প্ৰজেক্ট আই.জি.আই.কম্পিউটাৰ গেমটো খেলি আছিল স্মিতাই। বাংগালোৰত 'বেচেলৰ অৱ কম্পিউটাৰ এপ্লিকেছন' নামৰ

তিনিবছৰীয়া পাঠ্যক্ৰম কমপ্লিট কৰিবৰ বাবে এডমিচন লৈছে স্মিতাই। এজাক তেজৰঙা সপোন আগত লৈ তাই আজি ব্যস্ত।

স্মিতাই ভাবে অসমলৈ গৈ তাই কোনোবা মহাবিদ্যালয়ত কম্পিউটাৰ বিষয়ত শিক্ষাদান কৰাত ব্যস্ত হ'ব। টিচাৰ হিচাপে অলপ শকত হ'লেও বেয়া নালাগিব কিজানি তাইক।

**(প্ৰকাশ কালঃ ২০০৪-২০০৫)**

# অস্পষ্ট ৰামধেনু

চিৰঞ্জিতা কোঁৱৰ

ঃ তুমি নিৰৱ? মই স্পষ্ট মাতেৰে সুধিলো।

ঃ অ' তুমি ইয়াত। সি আচৰিত হৈ সুধিলে। তাৰ পিছত শান্ত সুৰেৰে ক'লে — ইয়াত মানে আমাৰ ঘৰেই ইয়াত।

ঃ এ মইতো নাজানিছিলো। তুমিতো তোমাৰ ঘৰ শিলচৰত বুলি কৈছিলা। সেই কাৰণেই হঠাতে দেখি....। মই আচৰিত হৈ তাৰ ফালে চাই ৰ'লো।

ঃ শিলচৰত দেউতাৰ অফিচৰ কোৱাৰ্টাৰত আছিলো। দেউতাই অৱসৰ লোৱাৰ পিছত তাত কেনেকৈ থাকিম। নিজৰ ঘৰলৈ গুচি আহিলোঁ।

ঃ ব'লা সেইখন পাৰ্কত বহি কথা পাতিম। সি ক'লে। সি লগৰ বন্ধুকেইজনক এৰি মোৰ লগত পাৰ্কলৈ আহিল। মোৰ বান্ধৱী নিহাৰিকাক তাৰ লগত চিনাকি কৰি দিলো। কলেজৰ দিনৰ সেই নিৰৱ। সি শকত হৈছে। পাৰ্কত বহি থাকোতে সি সুধিলে ইয়ালৈ কিয় আহিলা, মানে কি কামত কেনেকৈ আহিলা।

মই তাক চাকৰি আৰু নিহাৰিকাৰ কথা কৈ থাকোঁতে সি আকৌ সুধিলে — বিয়া বাৰু?

ঃ মই মূৰটো ল'ৰাই 'নাই' বুলি কৈয়ে তাক সুধিলো তোমাৰ....?

ঃ নাই। বেচৰকাৰী স্কুল এখনত সোমাইছোঁ। ছাত্ৰ-ছাত্ৰীক পঢ়াই থকাৰ বাবে সেই কথা পাহৰিয়ে পেলাইছোঁ।

মোৰ প্ৰশ্নৰ পৰা সি আঁতৰি আহিব খুজিছে। মই তাক এই বিষয়ে বিশেষ নুসুধিলো। আমাৰ লগৰ মুনমী, প্ৰিয়ংকা, ময়ূৰীহঁতৰ খবৰ গম পোৱানে? তাৰ পিনে

চাই মই সুধিলো।

তাৰ মুখত হাঁহি বিৰিঙি উঠিল। সঁচাই কলেজৰ দিনৰ কথাই বেলেগ আছিল। কলেজৰ সেই হাঁহি, ধেমালি, খং, অভিমানবোৰ বাৰু কেনেকৈ পাহৰিব পাৰোঁ?

সি মৃদু হাঁহি এটা মাৰি ক'বলৈ ধৰিলে — মুনমী ডাক্তৰ এজনৰ লগত বিয়া হৈছে। বিয়াত মোক মাতিছিল, যোৱা নহ'ল। তাই এতিয়া মাৰ্ঘেৰিটাত থাকে। প্ৰিয়ংকা, ময়ূৰীহঁতৰ বিয়া বাৰু হৈ গ'ল।

মোৰ ওঁঠৰ ফাঁকেৰে হাঁহি এটা প্ৰকাশ পালে। নিৰৱেও হাঁহিবলৈ আৰম্ভ কৰিলে। আকাশে যেতিয়া ময়ূৰীক প্ৰেমৰ প্ৰস্তাৱ দিছিল তেতিয়া প্ৰ'পজেল লেটাৰত প্ৰসঙ্গক্ৰমে নিৰৱ আৰু মোৰ নাম উল্লেখ কৰিছিল। ময়ূৰীয়ে যেতিয়া সেইখন আনি আমাক দেখুৱাইছিল। তেতিয়া আকাশক আমাৰ নাম অনুমতি নোলোৱাকৈ বিজ্ঞাপনৰ দৰে ব্যৱহাৰ কৰা বাবে পইচা বিচাৰিছিলো। মেজৰ ক্লাছত কথাটোক লৈ বেচ জমিছিল। আমাক হঁহা দেখি একো নুবুজাকৈয়ে নিহাৰিকায়ো হাঁহিলে।

এজনী ছোৱালী মাতিবলৈ অহাত নিৰৱ থিয় হ'ল। নিৰৱ থিয় হৈয়ে ক'লে- মোক যে ইয়াত দেখিছা ইয়াতে আজি নাটক এখন মঞ্চস্থ হ'ব। মই আজিৰ নাটকখনত এটা সৰু চৰিত্ৰত অভিনয় কৰিম। এতিয়া মেক আপৰ বাবে যাব লাগে। ৰাতি লগ হ'ম তেনেহ'লে।

আমি নাটক চাব নোৱাৰিম। তাৰ পিনে নোচোৱাকৈ ক'লো। পৰহিলৈ দোক্‌মোকালিতে যাব লাগিব।

তেনেহ'লে কাইলৈ লগ হ'ম। এই ৰাস্তাটোৰে গৈ সেই যে বকুলজোপা দেখিছা তাৰ সোঁফালৰ হালধীয়া ৰঙৰ ঘৰটোৰেই আমাৰ ঘৰ। কাইলৈ আবেলি নিশ্চয় আহিবা। ময়ো স্কুলৰ পৰা সোনকালে আহিম। কথাখিনি কৈয়ে মোৰ পিনে চাই সি সেই ছোৱালীজনীৰ লগত গুছি গ'ল।

ৰাতি ভাত খাই বিচনাত পৰিলোঁ। নিহাৰিকাই মিহি ভলিউমত ডেকটো বজাই দিছে। প্ৰথমতে শিল এটা খচখচাই দিলে যেনেকুৱা শব্দ ঠিক তেনেকুৱা। গানটোৰ লগে লগে ল'ৰা আৰু ছোৱালী দুয়োটা কণ্ঠৰ মিলিত সংগীত। গানটোৰ কথাত দেহত শীতৰ এটা ভাব অনুভূত হ'ল। আজিৰ দিনটো বেছ গৰমেই পৰিছিল। নহয় বুকুৰ ভিতৰত কিবা এটা শীতলতা বিৰাজ কৰিছে। এটা দীঘল হুমুনিয়াহ ওলাই আহিল। এই যে নিৰৱ সিটো মোৰ কোনো দিনেই প্ৰেমিক নাছিল। কিন্তু কলেজৰ দিনত এক অদ্ভুত সুন্দৰ বন্ধুত্ব তাৰ লগত গঢ়ি উঠিছিল। নিৰৱে সদায়ে কৈছিল সি

কাৰো প্ৰেমত নপৰে। মোৰ দৃষ্টিভঙ্গীত ব্যতিক্ৰম নাছিল। পূৰ্ণিমা ৰাতিৰ নিৰ্মেঘ আকাশখনৰ দৰে নিৰ্মল আৰু ফটফটীয়া এই নিৰৱৰ লগতেই মোৰ কলেজৰ বেছিভাগ সময় জড়িত আছিল। সকলো কামৰ সংজ্ঞা একে ধৰণে বিচাৰ কৰা নিৰৱে মোক প্ৰতিটো বিপদত সহায় কৰিছিল। তাৰ সুখ আৰু দুখত মই লগৰীয়া আছিলো। এই অদ্ভুত বন্ধুত্বপূৰ্ণ সম্বন্ধৰ আঁৰত যে কিবা থাকিব পাৰে, সেয়াতো কলেজৰ দিনকেইটাত ভবা নাছিলোঁ। ভবাৰ কাৰণো নাছিল। কলেজলৈ আহিয়ে নিৰৱে সদায় মোৰ সংগ লৈছিল। মোৰ লগত হাঁহি-ধেমালি, খং অভিমান সকলো কৰিছিল। তথাপি ইয়াৰ আঁৰতো কিবা এটা ৰৈ হৈছে নেকি? সংগোপনে...।

পিছদিনা আবেলি নিৰৱৰ ঘৰত গৈ ওলালোঁ। দূৰৈৰ পৰা দেখিলো নিৰৱ গেটৰ সন্মুখত ৰৈ আছে। মই সন্মুখ পোৱাৰ লগে লগেই ক'লে বহু সময় তোমাৰ বাবে অপেক্ষা কৰি আছোঁ। দেৰি কৰিলা যে?

ঃ মোৰ সদায় দেৰি হয়... সকলো কথাতে... ক'ব খুজিছিলো কিন্তু নোৱাৰিলোঁ।

ঃ ঘৰলৈ যাবানে? নহ'লে ৰাস্তাৰ মুকলি আকাশৰ তলতে অলপ কথা পাতো। কথাখিনি কৈ দুষ্টালি হাঁহি এটা মাৰি সি মোৰ পিনে চালে। এই দুষ্টালি ভৰা কথাৰে সি যে মোক কিমান বিপদত পেলাইছিল।

তাৰ এই কথাত মই অপ্ৰস্তুত হ'লো। ঘৰলৈ মাতি কোনোবাই বাৰু বাহিৰত কথা পতাৰ আগ্ৰহ দেখুৱাইনে?

ঃ ব'লা তেনেহ'লে। মোৰ আপত্তি নাই। কথাখিনি কৈ বাটটো তাৰ লগত আগবাঢ়ি গ'লো। মোৰ পিনে চাই সি সুধিলে তোমাৰ মনটো আজি বেয়া নেকি? তেনেকুৱা একো নাই? সি আগতে মোৰ মুখখন চায়েই মোৰ ভাল লগা বা বেয়া লগা ক'ব পাৰিছিল। আজি সি মোৰ মনৰ অৱস্থা বুজা নাইতো?

ঃ মই বৰ অশান্তিবোধ কৰিছোঁ — ক্লান্ত কণ্ঠেৰে সি ক'লে।

ঃ কিয়?

ঃ ঠিক ক'ব নোৱাৰিম। তোমাক লগ পাইছোঁ, তোমাৰ লগত আগৰ দৰে কথা পাতিছোঁ। সেই কাৰণেই হ'ব পাৰে।

ঃ মোক লগ পাই তোমাৰ আকৌ কি হ'ল — তাৰ মানসিক অৱস্থাটো বুজিবলৈ মই সুধিলোঁ।

ঃ কালি ৰাতি বাৰে বাৰে তোমাৰ কথা, কলেজৰ কথাবোৰ মনলৈ আহিছিল। মই যে তোমাক জীৱনটোৰ বিষয়ে কি কথা কৈছিলোঁ কি কৰিম বুলি কৈছিলোঁ কিন্তু

এতিয়া কি যে কৰিছোঁ।

সি কিবা ক'বলৈ ইচ্ছা কৰা দেখি মই আকৌ সেই প্ৰশ্নটো সুধিলো — তুমি বিয়া কৰোৱা নাই যে?

ঃ তুমি এই কথাটো আকৌ আজি সুধিবা বুলি মই ভাবিছিলোৱেই। তোমাক কৈছোঁৱেই যে দেউতাই অৱসৰ লোৱাৰ পিছত শিলচৰ এৰিলোঁ, তাৰ পিছৰ বছৰতে দেউতা ঢুকাল। ৰুগ্ন মাৰ অৱস্থাটো জানাই। ভাইটি আৰু ভণ্টিক যদি মই নাচাওঁ কোনে চাব? দেউতা থকা হ'লে কিজানি মই কেতিয়াবাই বাপেক হ'লোহেঁতেন।

ম্লান হাঁহি এটা মাৰি সি মোৰ পিনে চালে। এটা স্বস্তিৰ কণ্ঠেৰে সি আকৌ ক'বলৈ ধৰিলে — ভাইটিয়ে গুৱাহাটীত ডাক্তৰ পঢ়ি আছে। এই বছৰতে তাৰ শেষ হ'ব। বেছ ভাল কথা। তাৰ কথা শেষ নহওঁতেই মই ক'লো।

নিৰৱ, কলেজ এৰাৰ পাছত তুমিতো মোৰ এবাৰো খবৰ লোৱা নাছিলা। মই কি কৰিছো, ক'ত আছো। ইমান তৰাং আছিলনে আমাৰ বন্ধুত্ব?

তুমিওতো মোৰ খবৰ লোৱা নাছিলা। আচলতে আমি সকলোবোৰ স্বাৰ্থপৰ। চেতাৰৰ একঘেয়ামি সুৰৰ দৰেই যদি আছিল আমাৰ বন্ধুত্ব তেন্তে আজিৰ এই সাক্ষাৎ তুমি কি বুলি ক'বা।

কলেজত থাকোঁতে কোনোবাই মোক এনেকুৱা প্ৰশ্ন কৰিলে কৈছিলো পৃথিৱীখন যে ঘূৰণীয়া তাৰেই প্ৰমাণ। আজি এনেকুৱা কথা ক'বৰ মন নগ'ল।

আমি বৰ ফাঁকি দিও বুইছা। কথাখিনি কৈ নিৰৱে তাৰ তলৰ ওঁঠটো কামোৰ মাৰি ধৰিলে।

ঃ কিয়?

তুমিতো জীৱনত বহুত কিবা কিবি কৰিম বুলি কৈছিলা। তোমাৰ সৃষ্টিশীল কৰ্মবোৰো এতিয়া স্তব্ধ। কিন্তু বৰ বেয়া লাগে যেতিয়া সকলো কৰিম বুলি কৈ নিজে পলাই ফুৰাৰ চেষ্টা কৰোঁ। কালি তুমি যেতিয়া কৰ্মব্যস্ত জীৱনটোৰ পোৱা নোপোৱাৰ কথাবোৰ কৈ আছিলা, তেতিয়া তোমাক মৰহি যোৱা এপাহ ফুলৰ দৰে অথবা অলিম্পিকৰ এশ মিটাৰ দৌৰত একো পদক নোপোৱা দৌৰবিদজনৰ দৰে ক্লান্ত যেন লাগিছিল। আকৌ যেতিয়া তুমি কলেজৰ দিনৰ কথাবোৰ কৈ আছিলা, তেতিয়া তোমাক দেখিবলৈ পদক প্ৰাপ্তিৰ বাবে এশ মিটাৰ দৌৰ দিবলৈ অহা অতুৎসাহী দৌৰবিদ যেন লাগিছিল।

তাৰ বাস্তৱ সত্যৰ উপলব্ধিটো মোৰ সঁচাই ভাল লাগিল। সত্য কথা অপ্ৰিয়

হয়, বিশেষকৈ যেতিয়াই আত্মসন্মানত আঘাত হানে।

মই একো ক'ব নোৱাৰিলোঁ। নিৰৱক কেনেকৈ বুজাম যে জীৱনটো মই একেবাৰে অন্য ধৰণে কল্পনা কৰিছিলোঁ।

নিজৰ হাতৰ ঘড়ীটো পিটিকি পিটিকি মৃদু হাঁহিৰে সি আকৌ সুধিলে— কিয় বাৰু?

মই ঘড়ীটোলৈ চালো। টিক্ টিক্কৈ ঘড়ীৰ কাটা ঘূৰি আছে। সৰুতে চৰাই-চিৰিকতিৰ মাত, কলেজত ৰায়চৌধুৰী ছাৰৰ মাত আৰু আজিকালি ঘড়ীৰ এইটো শব্দ মোৰ বৰ ভাল লাগে।

নিৰৱে পুনৰ ক'লে — কথা নোকোৱা নেকি? এজাক সৰু চৰাই মূৰৰ ওপৰেদি উৰি গ'ল। সিহঁতৰ ডেউকাৰ ঘৰ্ষণবোৰে কান্দোনৰ শব্দ তুলি যোৱা যেন অনুভৱ হ'ল।

সি ক'লে — কাইলৈ তুমি যাবা। জীৱন নাটৰ আকৌ এটা দৃশ্য শেষ হ'ব। ভাল লাগিব নে বেয়া লাগিব মই এতিয়া ব্যক্ত কৰিব নোৱাৰিম। অসফল জীৱনৰ সফল অধ্যায় নে সফল জীৱনৰ অসফল অধ্যায় এইটো মোৰ বাবে এটা জটিল প্ৰশ্ন।

সি এনেকুৱা বাস্তৱ প্ৰশ্নবাণৰ সন্মুখীন হ'ব বুলি মই ভবা নাছিলোঁ। সি দূৰ দিগন্তলৈ দৃষ্টি ঘূৰাই ক'লে আমি সেইফালৰ পৰা অলপ ঘূৰি আহোঁ যাবানে?

নিৰৱ থিয় হ'ল। গম নোপোৱাকৈ মোৰ ভৰি দুখনো পোন হৈ পৰিল। চাৰিখন ভৰি মাটিত স্পৰ্শ হোৱা শব্দ শুনা গ'ল।

মই চালো আকাশত ৰ'দ কমি আহিছে। বেলি সম্পূৰ্ণ অস্ত যাবলৈ এতিয়াও বহু সময় বাকী আছে।

**(প্ৰকাশ কালঃ ২০০৫-২০০৬)**

# NEIMS ৰ অনন্যা মিলি

সংগীতা চন্দ্ৰ শইকীয়া

ডিচেম্বৰ মাহৰ প্ৰচণ্ড কুঁৱলীকো নেওচা দি পুৱা ছয় বাজিলেই মিঠা বৰণীয়া সেই চিনাকি ল'ৰাটোৱে চাইকেলৰ বে'ল বজায়। উদ্দেশ্য মাত্ৰ এটাই। পেপাৰখন দিয়া।

যোৱা দহদিনে এক/ডেৰঘণ্টা গেটত পৰি থাকে পেপাৰ। আনিবলৈ ভনীয়েক নাই, দেউতাক নাই। ভনীয়েকসহ লগত মাক দেউতাক উৰিষ্যালৈ গৈছে। ভনীয়েকৰ প্ৰগ্ৰেম আৰু মাক দেউতাকৰ দেশ ভ্ৰমণ। মুঠৰ ওপৰত এইকেইটা দিনত ঘৰখনৰ দায়িত্ব যথাসম্ভৱ আকাশৰ। মাঘৰ বিহুৰ উৰুকালৈকে আকাশ যেন সঁচাকৈয়ে এখন আকাশ। ঘৰখনৰ একছত্ৰী সম্ৰাট।

টোপনি চিকুন পুৱা বুলি কিমান দিন যে আকাশে মাক-দেউতাকক ফাঁকি দি পঢ়াৰ টেবুলত টোপনি মৰা নাই। ঠাণ্ডাৰ দিনতটো কথাই নাই। লেপৰ বাহিৰ হোৱাটো আকাশৰ বাবে যেন মৃত্যুদণ্ডতকৈও ডাঙৰ শাস্তি। মুখখন গাৰুতে গুজি পাক মাৰি শোৱা স্বভাৱটো নগ'লেই নহয়। কেতিয়ানো আঠ বাজিলে মিছ্‌কলটো নহা হ'লে গমকে নাপালোহেঁতেন। কনষ্ট্ৰাক্‌চন কোম্পানীটোৰ ফিল্ড এগজিকিউটিভ্‌ অনম বৰুৱাই আকাশৰ স্বভাৱটো জানে। সেইবাবেই এই কেইদিন অমনে একোটা মিছ্‌ কল দি বন্ধু আকাশক তাৰ অভ্যাসত ব্যাঘাত জন্মাইছিল। চাহত সোহা মাৰি পেপাৰখন পঢ়াটো তাৰ নিত্য নৈমিত্তিক ৰীতি। চাহত চুমুক দি পেপাৰখনৰ পৃষ্ঠাটো ওপৰে ওপৰে চাই ভিতৰ পৃষ্ঠাৰ 'দেশ-বিদেশ' শিতানৰ সোঁহাতে আকাশৰ চকু থমকি ৰ'ল। ডাঙৰ হৰফত লিখা আছে "এয়াৰ ক্ৰাছ, ইন্ধন কক্ষত হোৱা আকস্মিক ছিদ্ৰই মুখ্য

কাৰণ।" অজানিতে শিয়ৰি উঠিল আকাশ। জয়পুৰ এয়াৰ হোষ্টেচ্ একাডেমী, অনন্যা...

জয়পুৰ ঃ ২৪ ডিচেম্বৰ, বিমানখনত বিভিন্ন ঠাইৰ পৰা অহা শিক্ষাৰ্থীয়ে Preliminary nursing in air Service বিষয়ত প্ৰশিক্ষণ লৈ আছিল। জেট বিমানখনে পয়ত্ৰিছ মিনিট আকাশ মাৰ্গত উৰণ কৰাৰ পাছত বায়ুমণ্ডলৰ লগত এটা মৃদু ঘৰ্ষণৰ সৃষ্টি হয়। লগে লগে ইন্ধন কক্ষৰ পৰা স্ফুলিংগৰ বাহিৰ হৈ যানখন জ্বলি সম্পূৰ্ণ ৰূপত বিধ্বস্ত হয়। একাডেমীৰ অধ্যক্ষাই জনাইছে যে উত্তৰ পূৰ্বাঞ্চলৰ 'NEIMS'ৰ পৰা সুখ্যাতিৰে স্কলাৰশ্বিপ পোৱা মিছ অনন্যা মিলিও উক্ত দুৰ্ঘটনাত নিহত হয়। মিছ মিলি Top Five ৰ ভিতৰত আছিল। তেওঁৰ পোন্ধৰ গৰাকী সহপাঠী, পাইলটসহ তিনিগৰাকী প্ৰশিক্ষকৰ আকস্মিক দুৰ্ঘটনাত মৃত্যু হোৱাত একাডেমিয়ে দুখ প্ৰকাশ কৰিছে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়েও দুখ প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাই নগদ পাঁচ লাখ টকা আৰু মানপত্ৰ দিয়া কথা কয়। যানখন ইন্ধন... (পি.টি.আই.)

ক্ৰমশঃ শব্দবোৰ যেন দুৰ্বোধ্য হৈ পৰিছে। NEIMS ৰ অনন্যা মিলি মানে মোৰ... অনন্যা। মোৰ প্ৰেম। সৰ্বশৰীৰ কঁপি উঠিল আকাশৰ। যেন চিঞৰি চিঞৰি মাতিব "অনন্যা তুমি ক'ত আছা... মোক এৰি যাব নোৱাৰা তুমি... নোৱাৰা।" বুকুখন গধুৰ লাগিছিল আকাশৰ। সৌ সিদিনা মাত্ৰ অনন্যাই শেষবাৰৰ বাবে বহুত সময় আকাশৰ লগত পাৰ কৰিছিল। বহুত কথা পাতিছিল সেইদিনা অনন্যাই, এটা বিশেষ ভঙ্গীমাৰে, খিল্ খিল্ হাঁহিৰে এটি পাহাৰী নিজৰাৰ দৰে।

জানা আকাশ, কল্পনা চাওলাৰ দৰে মোৰ এটা শক্তিশালী ব্যক্তিত্ব মই বিচাৰোঁ। মোৰ মৃত্যুও মোৰ বাবে যাতে এটা পৰিচয় হয়। মা-দেউতাক পৃথিৱীয়ে যাতে চিনি পায়, হয় এইয়া অনন্যাৰ মাক দেউতাক। তুমিতো ভালদৰেই চিনি পোৱা ডাক্তৰ বন্যা মিলিক। এটা কাৰ এক্সিডেণ্ট। মগজুৰ পৰা ৰক্তক্ষৰণ। মাত্ৰ এটা পলকতেই সকলো শেষ। দুখীয়া জনজাতীয় মানুহৰ আজীৱন চিকিৎসা কৰাৰ প্ৰতিশ্ৰুতি.... বহুত আশা আছিল বুমন বাইদেউৰ। মোৰো বহুত আশা আছে আকাশ মই কিন্তু সোনকালে নমৰোঁ। মই আকাশ চুব খোজো....। সেইবাবে বুমনবাৰ আশা মই হেনো এয়াৰ হোষ্টেচ হ'ব লাগে। চোৱা, মোৰ এই ডিম্পলটো চোৱাছোন। এই ডিম্পল পৰা হাঁহিটোৰে মই হেনো সকলোকে মুহিব পাৰিম। ড্ৰেচিং টেবুলৰ সন্মুখত থিয় হৈ মোক সাৰটি ধৰি কৈছিল "কিমান ভাল লাগিব মই ডাক্তৰ বন্যা মিলি আৰু তাই কেবিন ক্ৰু মিছ অনন্যা মিলি।" বন্যা মিলি এতিয়া নাই কিন্তু অনন্যা মিলি আছে

আকাশ...।

আকাশ তুমি চাগৈ ভাবিছা এই অনন্যাই আজি তোমাক ভালকৈ কামোৰ দিছে। পুৰাই পুৰাই কাক দেখিছিলো বুলি ভাবিছা নহয়নে বাৰু? নিজৰ কথাত নিজেই হাঁহি দিছিল অনন্যাই, ঠিক এজনী অবোধ ছোৱালীৰ দৰে। হাঁহি হাঁহি হঠাৎ ছাৰপ্ৰাইজৰ দৰে অনন্যাই কৈছিল "আজিৰ পৰা এই ছোৱালীজনীয়ে তোমাৰ সন্মুখত আৰু কেতিয়াও আবোল-তাবোল নবকে। এইয়া আমাৰ শেষ দেখা আকাশ। মই কালিলৈ পুৰা সাত বজাৰ ফ্লাইটত দিল্লীলৈ যাম আৰু দিল্লীৰ পৰা জয়পুৰ। জয়পুৰ এয়াৰ হোষ্টেচ্ একাডেমী মোৰ লগতে বু-মন বা আৰু মা দেউতাৰো স্বপ্নপুৰী। আকাশ মই স্কলাৰশ্বিপ পাইছো NEIMS ৰ পৰা। মোৰ সপোনে বাস্তৱৰ ৰূপ ল'ব খুজিছে আৰু মই তোমাৰ পৰা সম্পূৰ্ণ সমৰ্থন বিচাৰো। লগতে তোমাৰ আশিস...।

আকাশ তুমি 'অনন্যা আশ্ৰম'ৰ কথা জানাই নহয়। এটা ধুনীয়া নক্সাৰ চিন্তা কৰিবাচোন। এডোখৰ সুন্দৰ ঠাইত এটা সুন্দৰ অনাথালয় য'ত সৰু সৰু শিশুবোৰে এখন সুন্দৰ পৃথিৱী বিচাৰি পায়। বাহ! কিমান ভাল লাগিব ডাষ্টবিনৰ শিশুবোৰে একেলগে এখন ঘৰত উমলিব। সিহঁতৰ কলৰৱে শান্তিৰ পৃথিৱী এখনৰ আহ্বান কৰিব। পৃথিৱীৰ সকলো সুখ শান্তি যেন অনন্যাশ্ৰমতেই ঠাহ খাই পৰিবহি। আশ্ৰমৰ নক্সা, বিল্ডিং প্ৰস্তুত কৰা তোমাৰ কাম হ'ব অৰ্থাৎ শ্ৰীযুত আকাশ প্ৰতীম শাণ্ডিল্যৰ। বুজিছানে আই মিন এম.ডি.চাহাব? ফাইনেঞ্চাৰ অনন্যা মিলিয়েই হ'ব চিন্তা নকৰিবা।

ওচৰৰ বকুল নামঘৰীয়াই দবা কোবাইছে। আকাশে অনন্যাৰ হাত এখন তাৰ দুই হাতেৰে খামুছি ধৰিছে। অনন্যাৰ সন্মুখত কিয় জানো এযাৰো মাতিব পৰা নাই সি। পতিয়ন যাব পৰা নাই তাৰ দুহাতে স্পৰ্শ কৰি থকা এইজনী অনন্যা কালিলৈ বহু দূৰলৈ গুছি যাব। অনন্যা তুমি বিচৰা পৃথিৱীখন তুমি যাতে নিশ্চয় পোৱা, ঈশ্বৰে তোমাক সহায় কৰক। নামঘৰৰ দবা-কাঁহৰ শব্দৰ লগত যেন আকাশৰ শুভকামনাও ক'ৰবাত এক হৈ গৈছে। তাৰ অনুভৱ হৈছে দেউতাকৰ থাপনাৰ ওচৰত যেন সি মূৰ দোঁৱাইছে। তেতিয়া চৰাইবোৰে জাক পাতি ঘৰলৈ উভতিছে।

সৰুতে দেউতাই কোৱা মনত আছে "সদায় ভাল কাম কৰিবা। জগতখনে তোমাক মনত ৰাখিব। তুমি বা মই কোনো চিৰদিন জীয়াই নাথাকো। সময়ে আমাক অতীত কৰি তোলে কিন্তু সেই সময়েই আমাৰ অস্তিত্বকো ভৱিষ্যতে দাঙি ধৰিব পাৰে। তোমাৰ কোনো কথা বা কামে যদি আনৰ হিত সাধিব পাৰে তুমি তেনে কথা নিশ্চয় ক'বা আৰু তেনে কামেই কৰিবা। 'মৌ-মন' মনত ৰাখিবা জীৱনটো সদায়

এটা প্রত্যাহ্বান।" বুমন বায়ে দেউতাক মানা কৰিছিলে ইমান সৰুতে তাই এইবোৰ কথা বুজি নাপাব। অলপ ডাঙৰ হ'লে কবা। আকাশ, তেতিয়া দেউতাই কি কৈছিলে জানা, "কমাৰে লো কিয় গৰম কৰে? কোমল হ'বলৈ। তাৰ পিছত সিহঁতে সেই কঠিন লোডালৰ পৰা যিয়ে ইচ্ছা কৰে সাজিব পাৰে। এই 'মৌমন' এতিয়া এডাল কোমল লো। তোমাৰ দৰে এইকো গঢ়িব লাগিব নহয়। তোমালোক মোৰ দুচকু, মোৰ দুহাত আৰু মই পঙ্গু হ'ব নোখোজো বুজিছানে মোৰ মইনা দুজনী।"

দেউতাই মোক পৃথিৱীখন ভাল পাবলৈ শিকাইছিল। সুন্দৰ পৃথিৱীখনত এটা সুন্দৰ মন লৈ জীয়াই থাকিবলৈ শিকাইছিল। তেতিয়াই মোৰ অৱচেতন মনত চকুযোৰ দান কৰিম বুলি এক প্রকাৰ সিদ্ধান্তই কৰিছিলো। মোৰ চকুযোৰে দুজন অন্ধ মানুহে পৃথিৱীখনত নতুন জীৱন পাব আচলতে মই মৰিব নোখোজো আকাশ। জীয়াই থাকিব খোজো মৃত্যুৰ পিছতো। আকাশ, ইমানবোৰ আশা আছে মোৰ মনত। সঁচাকৈয়ে এই আশাবোৰ পূৰণ নোহোৱাকৈ মোৰ যদি কিবা হয়...। তেতিয়া বাৰু কি হ'ব? তুমি কি কৰিবা আকাশ? আচলতে মই মোৰ জীৱনটো এখন উপন্যাসৰ দৰে হোৱাটো বিচাৰো। আনইউজুৱেল, ডিফাৰেণ্ট। আকাশে অনন্যা প্লিজ, ষ্টপইট বুলি সজোৰে সাৱট মাৰি ধৰিলে। কিমান সময় তেনেকৈ থাকিলে আকাশে নাজানে। উপৰ্যুপৰি চুমাৰে অনন্যাক যেন আকাশে বুকুৰ ভিতৰতহে লুকুৱাই থ'ব।

তোমাৰ দৰে মোৰো এখন হৃদয় আছে। সেই হৃদয়ক মই দুৰ্বল কৰিব নোখোজো। তথাপিতো কিছুমান মুহূৰ্তক অৱমাননা কৰা ইটছ টু মাচ্ছ ডিফিকাল্ট আকাশ। পলকতে বুকুৰ ভিতৰত ক'ৰবাত বিষ অনুভৱ কৰিলে আকাশে। এদিন দুদিনৰ বাবে নহয় বহু দিনৰ বাবে অনন্যা আঁতৰি যাব আকাশৰ পৰা। আই ন' ইউ আকাশ, বাট আই কাণ্ট এচেপ্ট ইউৰ উইচ। কেৱল প্রাপ্তিয়েই প্রেমৰ পূৰ্ণতা বুলি নাভাবিবাচোন। আকাশ মই তোমাৰ বুকুতেই উৰি ফুৰিম বুলি হাঁহিৰে ফাটি পৰিছিল অনন্যা।

অনন্যা শুনাচোন। তুমি তোমাৰ যি মন যায় তাকে কৈ গৈছা। এবাৰো নাভাবা নেকি মোৰ কথা? ভালদৰে জানি লোৱা মই তোমাক নিজতকৈও বেছি ভাল পাওঁ। মিছা মাতি কিয় ফাঁকি দিছা। তুমি তোমাৰ হৃদয়ক এবাৰ সোধাচোন। মই তোমাৰ বাবে অপেক্ষা কৰিম অনন্যা। তুমি মাথো সফলতাৰে ঘূৰি আহিবা। আই....লাভ....ইউ....অনন্যা।

সেইদিনা আকাশৰ বাৰ্থ দে ৩০ নবেম্বৰ। অনন্যাই জয়পুৰৰ পৰা বাৰ্থদেৰ

শুভকামনা জনাইছিল। এটা এচ.টি.ডি. ফোন কল সিমূৰৰ পৰা ভাঁহি আহিছিল “হেপী বাৰ্থদে টু ইউ।” লাইনটো কাটি গৈছিল। এক বুজাব নোৱাৰা আনন্দত আত্মহাৰা হৈছিল আকাশ সিদিনা। ত্ৰিছ ডিচেম্বৰ ঠিক এমাহৰ পিছতেই অনন্যাৰো জন্মদিন। অনন্যাই নিশ্চয় ফোন কৰিব। আকাশে জনাব তাইৰ উপহাৰে আকাশক পৃথিৱীত এক নতুন জীৱন দিছে। সি ক’ব মোৰ বিশ্বাস আছিল অনন্যা, তুমি মোৰ মৰমক এদিন নিশ্চয় বুজি পাবা। আদৰি ল’বা। মই আজি সকলোতকৈ সুখী অনন্যা, আই লাভ ইউ এণ্ড মিছ ইউ টু।

কিন্তু এইবোৰ কি হৈ গ’ল অনন্যা...। আৰু মাত্ৰ দুটা দিনহে আছিল তোমাৰ জন্মদিনলৈ। তুমি তোমাৰ আশাবোৰ এৰি কিয় যাবা? ক’লৈ যাবা...? অনাথ শিশুবোৰক তুমি জীৱনবোধ ক’ত শিকালা? তুমি তোমাৰ দুচকুৰ দুজন অন্ধ মানুহক ৰঙীণ সপোন ক’ত দেখুৱালা? তুমি আনৰ বাবে জীয়াই থাকিম বুলি কৈছিলা। আনকি তুমি মৰিবলৈও নিবিচাৰিছিলা... আৰু এতিয়া শান্তিৰে মৰ্গত শুই আছা। তুমি মৰিব নোৱাৰা অনন্যা.... ন’ ... নেভাৰ। মই তোমাক জীয়াই ৰাখিম। তোমাৰ সপোনক বাস্তৱ কৰিম। তোমাৰ জন্মদিনলৈ তুমি নৰ’লা। এখন ৰোমাঞ্চকৰ উপন্যাসৰ নায়িকাৰ দৰে মাথো গুছি গ’লা...।

“অজীৱ দাস্তান হে, কাঁহা চুৰু কাঁহা খতম্, ইয়ে মঞ্জিলে হ্যে প্যাৰ কি, না ৱৌ চমঝ চকে না হম।” ৰিংটনেৰে ম’বাইলটো বাজি উঠিল। ইমান পৰে অনন্যা যেন আকাশৰ লগতহে আছিল। এটা দুঃস্বপ্নৰ স্বপ্ন আকাশৰ দুচকুত। অমনৰ নামৰ লগতে নাম্বাৰটো জিলিকি আছে। ‘অমন’ পঢ়িলো। হয়... অনন্যা নাই... কালিলৈ... ঠিক আছে। মই যাম। তুমি ৰেডি হৈ থাকিবা। অ’কে বাই।” এল্ট’খন ষ্টাৰ্ট কৰি আকাশে স্বগতোক্তি কৰিলে “অনন্যা তুমি মোৰ বাবে সদায়েই বৰ্তমান। তুমি মোৰ বুকুৰ মাজত থাকিবা কেৱল মোৰ হৈ। তুমি উৰিব বিচৰা তোমাৰ আকাশৰ বুকুত...।”

**(প্ৰকাশ কালঃ ২০০৫-২০০৬)**

# প্ৰদূষণ

**প্ৰণৱজ্যোতি শইকীয়া**

ছবি অঁকাৰ প্ৰতি মোৰ দুৰ্বলতা আছে। সৰুৰে পৰা ছবি আঁকো। দশম শ্ৰেণীত পঢ়ি থাকোতে এখন চিত্ৰকলা বিদ্যালয়ত নামভৰ্তি কৰিছিলো। দেউতাই মোক চিত্ৰকলা বিদ্যালয়ত নামভৰ্তি কৰিবলৈ দিয়া নাছিল। মা কিন্তু দেউতাৰ বিপৰীত। মাক মোৰ মনৰ কথা কোৱাৰ লগে লগে সন্মতি জনালে। দেউতাৰ অনুপস্থিতিত এদিন নামভৰ্তি কৰিছিলো। চাৰে বিভিন্ন মাধ্যম শিকাইছিল।

আমাৰ অঞ্চলত জিলাভিত্তিত এখন চিত্ৰাংকন প্ৰতিযোগিতা পাতিছিল। মোৰ কেইবাজনো বন্ধুৰ লগত ময়ো প্ৰতিযোগিতাত ভাগ ল'বলৈ গৈছিলো। নিজৰ ঠাইত বহি আছো। এজন উদ্যোক্তাই চিঞৰি চিঞৰি ক'লে ছবিৰ বিষয় 'প্ৰদূষণ'- 'প্ৰদূষণ' ভাবিবলৈ ধৰিলো।

কলেজলৈ যোৱা সিদিনা প্ৰথম দিন। অন্য ছাত্ৰৰ দৰে ময়ো হাতত বহী এখন লৈ কলেজৰ প্ৰথমটো ক্লাছ কৰি ওলাই আহিছো। দ্বিতীয়টো অফ। আগবাঢ়িব খোজোতেই কোনোবাই কান্ধত হাত দি ক'লে, "তোমাক মাতিছে"। আগন্তুকক লক্ষ্য কৰি লক্ষ্যস্থান পালো। ভালেকেইজন ল'ৰা বহি আছে। দুজনমানৰ মুখত চিগাৰেট। দুজনমানে চাধা মাৰি মাৰি কৈছে, "যি নাখায় চাধা, সি এক নম্বৰ গাধা"। মোক দেখা পাই ক'লে "নতুন বে"। মই অৰ্থ নুবুজিলো।

ঃ হেৰ' নাম কি ? লিডাৰ যেন লগাজনে সুধিলে।

ঃ সৌৰভ। সৌৰভ চলিহা।

ঃ ছোৱালী নেকি ? অবান্তৰ প্ৰশ্নআৰু গিৰ্জনি মৰা হাঁহি।

ঃ চিগাৰেট খাবি?

ঃ নাখাওঁ।

ঃ বাঃ ভদ্ৰও দেখোন।

ঃ ছোৱালী পতাইছ?

ঃ এইটোত ওস্তাদ যেন লাগে বে।

শেষত মাইকেল নে চাইকেল জেকচনৰ এটা নাচ দিবলৈ আদেশ।

বাছৰ পৰা নামি কলেজলৈ গৈ আছো। লগত খুড়াৰ ছোৱালী প্ৰিয়া। দুয়ো নতুন। তই কলা শাখাত আৰু মই বাণিজ্য শাখাত। একেলগে ক্লাছ থকাৰ বাবে দুয়ো ঘৰৰ পৰা একেলগে ওলাইছো।

ঃ বাঃ ৰাধাকৃষ্ণ আহি আছে দেখোন?

ঃ নহয়, এইয়া নতুন ৰাধাকৃষ্ণহে।

কৰবী গছজোপাৰ তলৰ পৰাই আমাৰ কলেজৰে ল'ৰাকেইটাই চিঞৰি ক'লে।

ঃ ই ছোৱালী পটোৱাত একদম পাক্কা যেন পাইছো, নহ'লেনো দুদিনতে ইয়াৰ পিছ ধৰেনে।

ঃ আমাকো শিকাই দিবি বে।

সিহঁত কলেজৰ দাদা। সিহঁতৰ বায়েক-ভনীয়েক নাই নেকি বাৰু? যাৰে তাৰে লগত যি টি সম্বন্ধ গঢ়ে যে।

কলেজৰ বন্ধত লগৰ ল'ৰা এজনৰ ঘৰলৈ গৈছিলো। সন্ধিয়া সময়ত লগৰ ল'ৰাজন আৰু তেওঁৰ ভণ্টিৰ লগত ফুৰিবলৈ ওলালো। বাটত দুজনমান মদপী ডেকা ল'ৰাই অবাইছ ভাষাৰে বকি বকি আহি আছে। আমাক দেখা পাই এজনে ক'লে, হেৰা গাভৰুজনী আমাৰ লগতো ফুৰিবলৈ আহিবাচোন। আমেজ আৰু টকা দুয়োটাই পাবা।" কথা শুনি মোৰ প্ৰতিটোপাল তেজেই গৰম হৈ গ'ল আৰু হাতৰ মুঠি টান মাৰি আগবাঢ়িব খোজোতেই লগৰ ল'ৰাজনে ক'লে-

ঃ সৌৰভ, ইহঁত কেইটা বদমাছ। আগতে কোনোবা বিপ্লৱী সংগঠনৰ সদস্য আছিল। এতিয়া আত্মসমৰ্পণকাৰী। সিহঁতে কৰিব নোৱাৰা কাম নাই। সিহঁত হিংস্ৰ।

পূজাৰ বতৰ। পূজা মানে চান্দা। বাৰে বাৰে কলিং বেলত শব্দ কৰাত অতিষ্ঠ হৈ দুৱাৰ খুলি দেখিলো দহজনমান ল'ৰা।

ঃ আমি পূজাৰ চান্দা বিচাৰি আহিছো- সমস্বৰে।

ঃ দেউতাই একৈশ টকা আনি দিলে।

ঃ আমাক ভিক্ষাপাত্ৰ লৈ ফুৰা যেন পাইছে নেকি? নালাগে আপোনাৰ এই একৈশ টকা। আমাৰ পূজাত এই টকা নহ'লেও চলিব। চাই ল'ম আপোনাক। এজনে ৰচিদখন টুকুৰা-টুকুৰ কৰি টকাৰে সৈতে গালৈ দলিয়াই দিলে।

আমাৰ চুবুৰীৰ গিৰীন মাষ্টৰ বোলা মানুহজনক কোনোবা বিপ্লৱী সংগঠনৰ সদস্যই গুলীয়ালে।

দুজন বিদ্ৰোহী সদস্য আহিল। গিৰীণ মাষ্টৰৰ তাত ৰাতি কটাবলৈ। সদস্য দুজনে মাষ্টৰৰ তাত ৰাতি থকাৰ কথা ক'লে। সিহঁত দুটাৰ কথা শুনি মাষ্টৰে ক'লে — "হেৰ' ডেকাল'ৰা, তোমালোকে যি বিদ্ৰোহ কৰিছা তাত আমাৰ ক'বলগীয়া নাই। তোমালোক আজি ৰাতি ইয়াত থাকিবা, কাইলৈ আত্মসমৰ্পণ কৰিবা বা পুলিচৰ হাতত ধৰা পৰিলে দুটা কোবতে সকলোবোৰ কথা মুখস্থ মাতিবা। তোমালোকে সাৰি যাবা। আমাৰ? মোৰ দুটা ডেকা ল'ৰা আছে আৰু এজনী গাভৰু ছোৱালী আছে। পুলিচ-মিলিটাৰীৰ অত্যাচাৰ আমি সহিব লাগিব। মোৰ ইয়াত তোমালোকৰ বাবে কোনো ঠাই নাই।"

মাষ্টৰৰ কথা হয়তো শেষ হ'বলৈ নাপালে। বিবেচনাহীন বিদ্ৰোহী সদস্যৰ হাতৰ অত্যাধুনিক মাৰণাস্ত্ৰ গৰ্জি উঠিল।

আমাৰ কলেজৰ পৰীক্ষা। সেইদিনা ইংৰাজী পৰীক্ষা। প্ৰত্যেকে নিজৰ নিজৰ ঠাইত বহি প্ৰশ্নোত্তৰ কৰাত ব্যস্ত। মোৰ আগৰ ল'ৰাজনে অভ্যস্ত হাতেৰে নকল উলিয়াইছে। পৰীক্ষাৰ নিৰীক্ষক চাৰে দেখা পাই তাৰ ওচৰলৈ আহিল।

ঃ হেই ছাৰ, আগৰ পৰা গুচক, নহ'লে কথা বেয়া হৈ যাব। আজি লিখিবই পৰা নাই। দুটামান কমন পৰিছে, লিখিবলৈ দিয়ক, নহ'লে দিগদাৰ কৰি দিম। বাহিৰ ওলালে জান খতম কৰিম। - প্ৰত্যেকজন ল'ৰাই নিৰৱ দৰ্শক।

সকলোবোৰ কথাই প্ৰদূষণ দেখোন। এইবোৰ প্ৰদূষণ মই ছবিত কিদৰে অংকন কৰিম। এই প্ৰদূষণবোৰ প্ৰদূষণ বুলি মানিব জানো? অকল ইঞ্জিন, কল-কাৰখানা, উদ্যোগ, যান-বাহনে কৰা প্ৰদূষণেই প্ৰদূষণ নেকি? এইবোৰ প্ৰদূষণ বন্ধ কৰাৰ বাবে ৰাইজ, চৰকাৰ, সংস্থা আটায়ে পদক্ষেপ লৈছেনে? নে এইবোৰ প্ৰদূষণ কাৰো চকুত নপৰে নেকি বাৰু? এইবোৰ প্ৰদূষণ নৱ-প্ৰজন্মৰ হানিকাৰক নহয়নে?

ঃ চিত্ৰাংকন প্ৰতিযোগিতাৰ সময় উকলি গ'ল, কাগজবোৰ জমা দিবলৈ কোৱা হৈছে। -এজনে চিঞৰি চিঞৰি ক'লে। কাগজত পেঞ্চিলৰ দাগ নৌপৰোঁতেই সময় উকলি গ'ল, তেতিয়াহে, বাস্তৱলৈ ঘূৰি আহিলো। মোৰ কাষলৈ দুজন মানুহ অহা যেন পালো।

সম্ভৱ অনুষ্ঠানটোৰ লগত জড়িত ব্যক্তি।

ঃ ল'ৰাজনে দেখোন একো অঁকা নাই।

ঃ এইবোৰ ল'ৰাৰ স্বভাৱেই তেনেকুৱা। ইয়াত ছোৱালী চাবলৈ আৰু জোকাবলৈহে আহিছে। ছবি কি? কোনোবা জনমত আঁকিছেনে? এনে ল'ৰাক গতিয়াই বাহিৰ কৰি দিব লাগে।

যি প্ৰদূষণৰ কথা ভাবি এই ছবি আঁকিব নোৱাৰিলো, এই বিশিষ্ট ব্যক্তিগৰাকীৰ কথাখিনিও মই ভবা প্ৰদূষণৰ ভিতৰতে নপৰেনে? এই প্ৰদূষণ নিয়ন্ত্ৰণ হ'বনে?

**(প্ৰকাশ কালঃ ২০০৬-২০০৭)**

# পৰিণতি

**ৰিস্বা বৰগোঁহাই**

চহৰৰ মাজমজিয়াত পাগলীজনী তেতিয়াও মূল ৰাস্তাৰ মাজতে বহি আছে। বাছ, গাড়ী আদিবোৰ যোৱাৰ বাবে অসুবিধা হোৱাত সকলোৱে টান কথা শুনাইছে সেই পাগলীজনীক আৰু হয়তো কোনোবাই "ঐ পাগলী আঁতৰ হ" ইত্যাদি কৈ তাইক মাৰ ধৰ কৰি মূল ৰাস্তাৰ পৰা খেদি পঠাইছে। ভোকত কলমলাই থকা পাগলীজনীৰ প্ৰতি কাৰোৱে সহানুভূতি নাই। মাত্ৰ ডাইনী, বেশ্যা আদি নানা অকথ্য ভাষাৰে প্ৰহাৰ কৰিবলৈহে সকলো সাজু হৈ ৰৈছে। মূল ৰাস্তাত ৰৈ থাকোতে গাড়ী এখনে খুন্দা মৰাৰ ফলত তাইৰ হয়তো হাত ভৰি কোনোবাটো অকামিলা হ'ল, যাৰ বাবে তাই হয়তো ভালদৰে খোজ কাঢ়িব পৰা নাই। আউলী-বাউলী চুলি, নকটা দীঘল নখ, ফটা-চিটা কাপোৰ পিন্ধা তাইৰ ৰূপটো যখিনী এজনীৰ দৰেই হৈ পৰিছে।

এই পাগলীজনীক মই প্ৰথম লগ পাইছিলো চহৰত থকা চুপাৰ মাৰ্কেটত। সকলোৱে যে কেনেকৈ তাইক লেই লেই চেই চেই কৰিছিল। বৰ দুখ লাগিছিল সেইদিনা তাইৰ অৱস্থাটো দেখি। কিন্তু কি কৰিম ময়ো যে অসহায়। পাগলীজনীক সহায় কৰিব পৰা ক্ষমতা মোৰ হাতত নাই যদিও ভোকত থকাৰ বাবে খোৱা বস্তু এটাকে দোকানৰ পৰা আনি দিবৰ মনেৰে দোকানলৈ গৈ ঘূৰি আহি দেখো যে তাই ইতিমধ্যে আঁতৰি গৈছে। সময় হৈ অহাত ঘৰলৈ ঘূৰি আহিলো যদিও পাগলীজনীৰ প্ৰতি মোৰ মনটো সজীৱ হৈ ৰ'ল।

এনেকৈ মাজে-মাজে চহৰলৈ গ'লে পাগলীজনীক প্ৰায়ে লগ পাওঁ। প্ৰায়ে

লগ পোৱাৰ হেতুকে তাইৰ বিষয়ে জানিবলৈ মোৰ বৰ কৌতুহল হ'ল। কিন্তু কিবা কথা ক'ব খুজিলেই তাই আঁতৰি যায়। হয়তো মানুহৰ পৰা পোৱা অমাৰ্জিত ব্যৱহাৰে তাইক মানুহৰ পৰা দূৰত্ব বঢ়াই দিলে। আৰু সেয়েহে তাই মানুহৰ কাষ চাপিবলৈ ভয় কৰা হ'ল। খাবলৈ নাপায় দিনে দিনে তাইৰ অৱস্থা বেয়াৰ ফালে ঢাল খাবলৈ ধৰিলে। লাহে লাহে মোৰো পঢ়া-শুনাৰ দায়িত্ব বাঢ়িবলৈ ধৰিলে। গতিকে চহৰৰ ফালে যাবলৈ বহুত দিন সময়কে পোৱা নাছিলো। আৰু এদিন প্ৰায় দুমাহ মানৰ মূৰত চহৰৰ 'চাহাৰা' অফিচলৈ যাওঁতে দেখিলো যে পাগলীজনীচোন নাই। কাৰণ মই যিমান দিন তাইক দেখিছো সদায় একেডোখৰ ঠাইতে। গতিকে সেইদিনা ইয়াৰ ব্যতিক্ৰম দেখি কৌতুহলবশতঃ কাষৰে পাণ দোকানখনত সুধি গম পালো যে ইতিমধ্যে সেই চহৰৰ পাগলী নায়িকাজনীৰ জীৱনৰ অৱসান ঘটিছে। দুখ লাগিছিল তাইৰ মৃত্যুৰ কাৰণে। নহয় দুখ লাগিছিল তাইৰ জীৱন সংগ্ৰামৰ দিনবোৰৰ কাৰণে। যিয়ে প্ৰতিটো খোজতে কেৱল জীৱশ্ৰেষ্ঠ মানৱৰ পৰা কেৱল লাঞ্ছিতা, বঞ্চিতা, প্ৰতাৰিতা, হৈ সহ্য কৰিব নোৱাৰি এজনী সহজ, সৰল ছোৱালীক পাগলীৰ ৰূপত প্ৰতিষ্ঠা কৰি পেলাইছিল। আৰু বিবেকশূন্য হৈ ঘূৰি ফুৰোতে সংসাৰৰ জ্বালা যন্ত্ৰণা ভোগ কৰি ইয়াৰ পৰা মুক্ত হ'বলৈ বিচাৰোতে ভগৱানে হয়তো তাইক দিলে স্বৰ্গৰ পথৰ সন্ধান। কিন্তু হায় বিধি! কি যে তোমাৰ কৃপাদৃষ্টি মুক্তিৰ বাবেও ছোৱালীজনীক খাবৰ বাবে সেই বলিয়া হোৱা কুকুৰকেইটাহে পঠাব পায়নে? হয়। তাইৰ মৃত্যু এনেয়ে অহা নাছিল, কেইটামান নিষ্ঠুৰ বলিয়া কুকুৰে তাইৰ দেহা বখলা বখল কৰি পেলাইছিল। আৰু তাৰ দুদিন পাছত জলাতংক ৰোগত আক্ৰান্ত পাগলীজনীক মৃত্যু নামৰ দানৱটোৱে আলাসতে জীৱনটো লৈ গ'ল। ৰাস্তাত পৰি থাকিল তাইৰ প্ৰাণহীন দেহ।

মৰা মৰি গ'ল। কিন্তু তাইৰ যে জীৱন কাহিনী মোৰ মনৰ মাজৰ পৰা কেতিয়াও নাতৰে। অন্ততঃ মোৰ স্মৃতি শক্তি অটুট থকালৈকে। কোন আছিল এই পাগলীজনী।

'শ্ৰুতিমধু'! কি সুন্দৰ এটা নাম। নাম যেনে কাম বনো তেনে আৰু তাইৰ ৰূপ। সকলোৱে একেমুখে ক'ব বাঃ কি সুন্দৰ। মাক, দেউতাক, আৰু এজন ককায়েকৰ সৈতে এটা সুন্দৰ সুখী পৰিয়াল। দেউতাক শিক্ষক, ককায়েকে স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰিছে। তাইৰ মাক গৃহিনী আৰু তাই উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত পঢ়ি আছে। শ্ৰুতিমধু চমুকৈ শ্ৰুতি সকলোৰে মৰমৰ আলাসৰ লাডু। মাক-দেউতাক, ককায়েকৰ যেন চকুৰ মনিহে। পঢ়া-শুনা, খেলা-ধূলা, কাম-বন সকলোতে পাৰ্গত শ্ৰুতিক বেয়া পোৱা মানুহ নাই। তাইৰ সপোন পঢ়ি-শুনি প্ৰফেচাৰ হোৱাৰ। গতিকে পঢ়া-শুনাত

খুউব মন দিছে। পঢ়াত দদায়েকেও সহায় কৰি দিয়ে তাইক। কিয়নো ভনীয়েকে এদিন ভাল ৰিজাল্ট কৰক সেয়া তাৰো কামনা। এদিন দুদিনকৈ শ্ৰুতিৰ ফাইনেল পৰীক্ষাৰ দিনো চমু চাপি আহিল। এদিন পৰীক্ষা হ'ল। ৰিজাল্ট অহাৰ দিনা কি যে আনন্দ। তাইৰে অকল নহয় ঘৰৰ প্ৰতিজন সদস্য আনকি ওচৰ-চুবুৰীয়া আৰু স্কুলখনৰো। হায়াৰ ছেকেণ্ডাৰী পাছ কৰি কলেজীয়া জীৱনৰ পাতনি মেলিবলৈ শ্ৰুতি গুছি হৈছিল গুৱাহাটীলৈ। গুৱাহাটীলৈ গৈ তাইৰ জীৱনত আউল লাগি যায়। সহজ সৰল শ্ৰুতিক প্ৰথম সাক্ষাততে দেখি ৰাহুলে বুজি পাইছিল যে তাইক সহজতে ঠগাব পৰা যাব। ৰেগিং কৰাৰ চলেৰে আহি সি শ্ৰুতিৰ লগত চিনাকি হৈ লৈছিল। প্ৰথম দেখা পায়েই ৰাহুলৰ মনৰ মাজত বহি গৈছিল শ্ৰুতি। আৰু অতি কম সময়ৰ ভিতৰতে মিঠা মিঠা ভাষাৰে সি শ্ৰুতিৰ মন বান্ধি পেলালে। এবাৰো প্ৰেমত নপৰা শ্ৰুতিয়ে ৰাহুলৰ কথাত ভোল গৈ ক'ব নোৱাৰাকৈয়ে তাৰ জালত ভৰি দিলে। দুয়োৰে প্ৰেম বিশ্বাস প্ৰতিশ্ৰুতিৰে, নতুন এক ছন্দময় গতিত আগবাঢ়ি গৈ থাকিল।

মানুহৰ দিন সদায় একে নাযায়। ই ৰথৰ চকৰিৰ দৰে ঘূৰি থাকে। কেতিয়াবা ভাল আৰু কেতিয়াবা বেয়া। এদিন শ্ৰুতিৰ দেউতাক ঢুকাল। জীয়েক পুতেকক লৈ দেখা ৰঙীন সপোন বাস্তৱত পৰিণত হোৱাৰ আগতেই তেওঁ পৃথিৱীৰ পৰা বিদায় মাগিলে। দেউতাক ঢুকুৱাৰ পাছতো মাকৰো হিয়াখন হয়তো ভাঙি গৈছিল। বিধৱা হোৱাৰ পাছত তেওঁ যেন কিবা সলনি হৈ গৈছিল। মূল মানুহজন ঢুকুৱাত কোনোমতেহে তেওঁ ঘৰখনৰ দায়িত্ব পালন কৰিছিল। দেউতাকৰ মৃত্যুৰ পাছত দেউতাকৰ খালী হৈ যোৱা প'ষ্টটোত ককায়েকে সুবিধা এটা পালে।

শ্ৰুতি থাকে ঘৰৰ পৰা দূৰত পঢ়াৰ বাবে। পুতেক থাকে দিনটো স্কুলতে শিক্ষকতা কৰি। গতিকে ঘৰখনত প্ৰায়ে অকলে থাকিব লগা হয় মাক। পুতেকক বোৱাৰী এজনী আনি দিবৰ খুউব মন সেয়ে তেওঁৰ। কিন্তু পুতেকৰ আকৌ ভনীয়েকৰ বিয়াখনহে আগতে পতাৰ ইচ্ছা। মাত্ৰ মাক আৰু ভনীয়েকৰ হয়ভৰটোহে বাকী। সি জানে মৰমৰ ভনীয়েকে তাৰ পচন্দক কেতিয়াও অৱমাননা নকৰে। আৰু মাকেও নিশ্চয় নিয়ৰক পছন্দ নকৰাৰ একো প্ৰশ্নই উঠিবই নোৱাৰে। কাৰণ নিয়ঁৰৰ স্বভাৱ-চৰিত্ৰ, বা অৰ্থনৈতিক দিশ, দেখা-শুনা একো ফালৰ পৰাই পিছপৰা বিধৰ নহয়। কথাটো নিয়ঁৰেই প্ৰথমে শ্ৰুতিৰ ককায়েকক কৈছিল আৰু প্ৰস্তাৱ দিছিল শ্ৰুতিক বিয়া কৰোৱাৰ। নিজৰ এজন ভাল বন্ধু হিচাপে শ্ৰুতিৰ ককায়েকেও নিয়ৰৰ প্ৰস্তাৱক হাঁহি মুখেৰে গ্ৰহণ কৰিছিল। মাকক জনোৱাত মাকৰো কোনোধৰণৰ আপত্তি নাথাকিল।

মাক, ককায়েকৰ সম্পূৰ্ণ বিশ্বাস যে শ্ৰুতিয়ে তেওঁলোকৰ মতক অগ্ৰাহ্য নকৰে। আৰু যিহেতু শ্ৰুতিৰ কোনো ভালপোৱা নাই বুলিয়েই তেওঁলোকে ভাবে, গতিকে তেওঁলোকে নিয়ঁৰৰ লগত শ্ৰুতিৰ বিয়াৰ বন্দৱস্ত একপ্ৰকাৰ কৰিয়েই পেলালে। আঙুঠি পিন্ধোৱাৰ দিন বাৰ ঠিক কৰি তাইক সেয়ে মাকহঁতে ঘৰলৈ মাতি পঠিয়ালে।

শ্ৰুতিয়ে প্ৰকৃততে গুৱাহাটী মহানগৰীত নিজকে বিলীন কৰি দিছিল। পঢ়াতকৈ বেছি ৰাহুলৰ সৈতে পাৰ্ক, ৰেষ্টোৰা আদিত দিনৰ দিনটো পাৰ কৰি দিছিল। প্ৰকৃততে প্ৰয়োজনতকৈ অধিক ভাল পাই পেলাইছিল তাই ৰাহুলক। তাক এৰি একমুহূৰ্তও থকাৰ বাবে তাইৰ ধৈৰ্য্যও নাছিল। আগতে কেতিয়াও ঘৰখন এৰি নোযোৱা শ্ৰুতিয়ে এতিয়া বছৰেকতো এবাৰ ঘৰলৈ আহিবলৈ টানহে পোৱা হ'ল। ঘৰলৈ মাতিলে বহুত পঢ়িবলৈ আছে যাব নোৱাৰিম, প্লিজ বেয়া নাপাবা ইত্যাদি কৈ ফোনৰ সংযোগ বিচ্ছিন্ন কৰি দিয়ে। শ্ৰুতি প্ৰকৃততে কঠোৰ স্বভাৱৰ ছোৱালী নহয়। কিন্তু ৰাহুলৰ প্ৰতি থকা প্ৰেমে তাইক মাকহঁতৰ প্ৰতি পিঠি দিয়াৰ বাবে বাধ্য কৰাইছিল। কাৰণ সি প্ৰায়ে শ্ৰুতিক কয় যে তাই যেন তাক এৰি ঘৰলৈ নাযায়, নহ'লে যে- সিও ইয়াত অকলে থাকিব নোৱাৰিব। শ্ৰুতিৰ অদ্ভুত পৰিৱৰ্তনে মাকহঁতক শংকিত কৰি পেলালে। ভয় হ'ল জানোচা তেওঁলোকৰ আজলী, মৰম আকলুৱা, সৰলমনা ছোৱালীজনী মহানগৰীৰ কংক্ৰীটৰ জীৱনৰ ব্যস্ততাৰ মাজত হেৰাই যায়। সেয়ে ভাল, সৰ্বগুণসম্পন্ন ল'ৰা এজন পাই মাকে হাততে স্বৰ্গ ঢুকি পালে। আৰু একপ্ৰকাৰ বহুত জোৰ কৰিয়েই জীয়েকক মাতি পঠিয়ালে। কিন্তু তাই বাৰে বাৰে নতুন নতুন বাহানা কৰিবলৈ ধৰাত ককায়েকৰ ধৈৰ্য্যৰ সীমা পাৰ হৈ গ'ল আৰু এদিনো তই বুলি কৈ নোপোৱা ভনীয়েকক ফোনতে গালি পাৰিলে। ককায়েকে সেইদিনা বৰ আঘাত পাইছিল মনত।

অৱশেষত অনিচ্ছা সত্বেও তাই ঘৰলৈ আহিব লগা হ'ল। ৰাহুলক এৰি অহাৰ দুখত অস্থিৰ হৈ কোনোমতেহে তাই ঘৰ সোমাইছিলহি। ৰাহুলৰ সৈতে তাইৰ প্ৰেমৰ মধুৰ সম্পৰ্কৰ শিকলিডাল গভীৰভাবে দৃঢ়তৰ হৈ গৈছিল যাক ছিঙাটো এতিয়া আৰু তাইৰ বাবে কেতিয়াও সম্ভৱ নহয়। ঘৰলৈ অহাৰ দিনা ৰাতি ভাত খাবৰ সময়ত ককায়েক মাকে তাই কিয় আজিকালি ইমান পৰিৱৰ্তন হৈছে সুধিছিল। পৰীক্ষা ইতিমধ্যে শেষ হৈছে। অথচ তাই ঘৰলৈ নহাৰ কাৰণ কি? ৰিজাল্ট ঘৰৰ পৰাই ল'ব পাৰিবি। কিন্তু শ্ৰুতিয়ে ইয়াৰ কোনো উত্তৰ দিয়া নাছিল। মাকে তাইক বিয়াৰ কথাটো উলিয়াইছিল। যে মাজনী আমি তোমাৰ বিয়া পাতিছো। ল'ৰাজন ভাল, ইঞ্জিনিয়াৰ। স্বভাৱ-চৰিত্ৰ, কথা বতৰা সকলো ফালৰ পৰাই বহুত ভাল তোমাৰ ওপৰত সম্পূৰ্ণ

বিশ্বাস আছে। নিশ্চয় আমাৰ মতত তোমাৰ কোনো আপত্তি নাথাকিব। কি শুনিছে এইবোৰ তাই? তাইৰ বিয়া কোনোবা ইঞ্জিনিয়াৰৰ লগত? কিন্তু ৰাহুল। তাইটো ৰাহুলক কথা দিছে যে তাই যদি বিয়া কৰাই তাকহে কৰাব অন্যথাই তাই বিয়াই নহয়। কিন্তু মাকে এয়া কি কৈছে? দিন বাৰ ঠিক কৰিলেই। তিনিদিন পাছত আঙুঠি পিন্ধাবলৈ নিয়ৰৰ ঘৰৰ পৰা মানুহ আহিব। নাই! তাই ৰাহুলক এৰিব নোৱাৰে। তাক তাই মনে প্ৰাণে ভাল পায়। কেতিয়াও দুখ দিব নোৱাৰে তাই ৰাহুলক। কিন্তু মাক, ককায়েকৰ বিশ্বাস তাকনো কি দৰে ভাঙিব? সৰুৰে পৰা তুলি তালি ডাঙৰ দীঘল কৰা, নিজৰ বুকুৰ গাখীৰে ভোক গুচোৱা সেই মাকজনী যাৰ আঙুলিত ধৰি প্ৰথম খোজকাঢ়িবলৈ শিকিছিল? পৃথিৱীৰ আটাইতকৈ মহান শব্দ 'মা'। কেনেকৈ বিশ্বাস ভংগ কৰিব তাইৰ প্ৰতি থকা মাকৰ অগাধ বিশ্বাসক। লাগ বুলিলেই প্ৰাণটোও দি দিব খোজা ভনীয়েকৰ প্ৰতি থকা ভাতৃপ্ৰেমনো বাৰু কিদৰে কলংকিত কৰিব? বাকৰুদ্ধ গৈ পৰিছিল তাই মাকৰ প্ৰস্তাৱটো শুনি। প্ৰস্তুত নাছিল তাই একেবাৰে এনে এযাৰ কথা শুনাৰ বাবে। একো উত্তৰ নিদিয়াকৈয়ে উঠি গৈছিল তাই আধা খোৱাকৈয়ে ডাইনিং টেবুলৰ পৰা। দুৱাৰ মুখ পায়েই নিজৰ ৰূমৰ দুৱাৰ বন্ধ কৰি বিছনাত পৰি গাৰুত মুখ গুজি কান্দিছিল তাই গোটেই ৰাতি। এফালে ৰাহুলক হেৰুৱাৰ ভয় আনফালে মাকহঁতৰ বিশ্বাস — দুইফালে এটালৈও চাবলৈ সাহস হোৱা নাছিল তাইৰ। গোটেই ৰাতি মন আৰু বিবেকৰ সৈতে যুঁজিছিল তাই। মনটোৱে কয় ৰাহুলক নেৰিবা। বিবেকে কয় মা, দাদাৰ বিশ্বাসক নাভাঙিবা। কিন্তু কথাতে কয় বোলে প্ৰেম অন্ধ। হাজাৰ বাধাকো ই বাধা বুলি নামানে। গতিকে সিদ্ধান্ত ললে তাই ৰাহুলক পোৱাৰ। মাকে বহুত বুজালে। ককায়েকে বুজালে, কিন্তু তেওঁলোকৰ বুজনিক ৰাহুলৰ প্ৰেমে অৰ্থহীন কৰি পেলালে। প্ৰেমৰ আগত বিশ্বাস ভৰসা, কৰ্তব্য মাকহঁতৰ ককায়েকৰ যুক্তি তল পৰি গ'ল। শ্ৰুতি নিজৰ মতত অচল। বিয়া কৰালে ৰাহুলকে কৰাব নকৰালে কাকো নকৰায়। খঙো নুঠাকৈ নাছিল শ্ৰুতিৰ ৰাহুলৰ ওপৰত, সদায় তাইৰ ঘৰলৈ আহি বিয়াৰ কথা সুধিম বুলি কৈ এদিনো নাহে সি। কয়, ডিগ্ৰী কমপ্লিত কৰা। তাৰ পাছতহে মই তোমাৰ ঘৰলৈ যাম। চাকৰি এটা লৈ একেবাৰে তোমাক মোৰ কাষলৈ লৈ আহিলে তোমাৰ জানো ভাল নালাগিব। তোমাক লাগিলে মোলৈ দিয়ক বা নিদিয়ক সেই লৈ মোৰ টেনচন নাই মাত্ৰ মই তোমাক বিচাৰো, তোমাকে লাগে, তোমাৰ মন কিন্তু সলনি নকৰিবা, মই মৰি যাম।" ইয়াৰ পাছত আৰু শ্ৰুতিৰ ৰাহুলক ক'বলগীয়া একো নাথাকে।

শ্ৰুতিৰ প্ৰস্তাৱ প্ৰত্যাখ্যান শুনি নিয়ঁৰে বহুত আঘাত পাইছিল। সন্মানো গ'ল।

বিয়াৰ দিন ঠিক হোৱাৰ পাছতো ভঙাৰ বাবে। গতিকে বহুত চিন্তা কৰি শ্ৰুতিৰ মাকেই এজনী ভাল ছোৱালী নিয়ৰৰ বাবে ঠিক কৰি দিয়ে। আৰু তাইকে নিজৰ ছোৱালীৰ দৰে ভাবি শ্ৰুতিৰ পৰা পোৱা দুখ কিছু লাঘৱ কৰে।

ভিন্ন সম্প্ৰদায়ৰ ৰাহুল আৰু শ্ৰুতিৰ সম্পৰ্কক কোনেও স্বীকৃতি দিয়া নাছিল। মাকহঁতৰ মতক সম্পূৰ্ণ বিৰোধিতা কৰি ৰাহুলৰ প্ৰেমত অহংকাৰী হৈ পৰা শ্ৰুতি চিৰদিনৰ বাবে মাকহঁতৰ ওচৰৰ পৰা আতঁৰি আহিছিল। ৰাহুলৰ বুকুৰ মাজলৈ বুলি নিৰাপত্তা বিচাৰি। ঘৰৰ পৰা ওলাই গৈ গুৱাহাটীৰ তাইৰ নিজৰ ভাৰাঘৰটোলৈ আহিল। শ্ৰুতি অহাৰ গম পাই ৰাহুলো ওলালহি। তাই তাক সকলোকথা বিৰৰি ক'লে। "মই গুচি আহিলো সেই ঘৰ, মাহঁতক এৰি থৈ। চিৰদিন তোমাৰ হৈ থাকিবলৈ। দিবানে তোমাৰ হিয়াত মোক অকণমান আশ্ৰয়। তোমাৰ বাবেই সকলো মায়া মোহ, মৰম, বিশ্বাসক ভাঙি চিঙি একাকাৰ কৰি থৈ লৰৰি আহিছো তোমাৰ কাষলৈ। ৰাহুলতো অবাক, তাৰতো এই মন কাহানিও নাছিল। সিতো তাইক কেতিয়াও বিয়া কৰোৱাৰ কথা চিন্তা কৰা নাছিল। মাথো তাইৰ সতে অলপ প্ৰেমৰ খেল খেলিব বিচাৰিছিল। কি বুৰ্ব্বক এই ছোৱালীজনী ! সি বুজিব পৰা নাছিল। তাৰ আৱেগিক প্ৰেমকে তাই ইমান ছিৰিয়াছ ভাবে ল'ব লাগেনে। সি বুজাইছিল তাইক, আচলতে তুমি ভবাৰ দৰে মই নহয়। মই তোমাক বিয়া কৰাব নোৱাৰো। তোমাৰ, মোৰ ধৰ্ম, সংস্কৃতি নিমিলে। মই তোমাক কোনোপধ্যে বিয়া কৰাব নোৱাৰিম। কাৰণ মোৰ মা, আব্বাই এই বিয়াত কেতিয়াও স্বীকৃতি নিদিয়ে। একমাত্ৰ পুত্ৰ হিচাপে তেওঁলোকৰ ইচ্ছাক অসন্মান কৰাৰ ইচ্ছা মোৰ একেবাৰে নাই। লাগিলে প্ৰেমকে ত্যাগ কৰিবলৈ মই সাজু।

মুহূৰ্ততে শ্ৰুতিৰ সকলো সপোন ভাঙি পৰিল আইনা এখনৰ দৰেই চূৰমাৰ হৈ। সন্মুখৰ বস্তুবোৰ ঘূৰিবলৈ ধৰিলে। এনে লাগিল যেন কোনোবাই তাইৰ উশাহ বন্ধ কৰিহে দিলে। দুগালেদি চকুপানীৰ নৈ ববলৈ ধৰিলে। হৃদয় হাহাকাৰ কৰি উঠিল, এইমাত্ৰ যেন ওলাই আহিব পাৰভঙা এটা ডাঙৰ বান। কিমান সময় তাই এনেকৈ থৰ হৈ আছিল মনত নাই। হঠাৎ চেতনা অহাত দেখে যে ৰাহুল নাই। কথাবোৰ এটা এটাকৈ কি হৈছিল। মনত পেলোৱাত তাই কান্দোনত ভাঙি পৰিল। কিয় ? কিয়, বাৰু প্ৰতাৰণা কৰিলে সি ? মা, দাদাৰ বিশ্বাসক আওকান কৰি প্ৰেমত মতলীয়া হোৱাৰ এয়ে কৰুণ পৰিণতি নেকি ? নে বিশ্বাস, ভালপোৱা নাছিল। তেনেহলে সেই নিবিড় মুহূৰ্তত লগ পাওঁতে কোৱা প্ৰতিশ্ৰুতিবোৰ, দুয়োৰে সপোনবোৰ, ভৱিষ্যতৰ আশাবোৰ এইবোৰ কি মিছা আছিল ? তাই তাৰ বাবে জন্মদাত্ৰী মাককো ত্যাগ কৰিছে

কিমান ভাল পালে মানুহে এনে কৰিব পাৰে। যদি সঁচাকৈ ৰাহুলে বিশ্বাসঘাতকতা কৰিছে তেন্তে দেখোন পৃথিৱীত বিশ্বাস বুলি একোৱেই নাই। সঁচাকৈ ভালপোৱাত ক'ত ভুল ৰৈ গ'ল তাইৰ। হঠাৎ মনত পৰাত তাই ৰাহুললৈ ফোন লগালে। আনটো মূৰৰ পৰা ৰাহুলৰ কণ্ঠস্বৰ ভাঁহি আহিল।

"প্লিজ মোক আমনি নকৰিবা"। শ্ৰুতিয়ে প্ৰায় চিঞৰিয়ে উঠিল বিয়া যদি নকৰোৱাৰ মতলবেই আছিল, ভালনো পাইছিলা কেলেই? অন্তৰত এইদৰে দুখ দিবলৈ।" ৰাহুলে প্ৰায় ইতিকিঙৰ সুৰতেই কৈছিল ভাল পালো বুলিয়েই যে বিয়া কৰাব লাগিব কোনখন সংবিধানত লিখা আছে। আৰু ধুনীয়া ছোৱালীৰ লগত প্ৰেমৰ খেল খেলাতো মোৰ এটা হবি। যিজনী ছোৱালীয়ে নিজৰ জন্মদাত্ৰী মাককো ত্যাগ কৰিব পাৰে, গতিকে এজন ভালপোৱা ল'ৰাকনো কি? নাই নাই মোক আৰু নকবা তোমাক মোৰ আৰু ভাল নালাগে। যি হৈছিল পাহৰি যোৱা। তোমাক মোৰ আৰু ভাল নালাগে। যি হৈছিল পাহৰি যোৱা। আৰু পাৰা যদি ঘৰলৈ ঘূৰি যোৱা। ৰাহুলৰ কথাবোৰে শ্ৰুতিৰ মূৰত গজালৰ খোচৰ দৰে আঘাত হানিছিল। তাই নিৰূপায় হৈ পৰিল। সকলো হেৰুৱাই তাই দিশহাৰা হৈ পৰিল। ঘৰৰ পৰা সকলো ত্যাগ কৰি আহিল, একমাত্ৰ ভৰসাৰ থল ৰাহুল। কিন্তু যাৰ বাবে মাককো এৰি আহিছে তেওঁ আকৌ সেই বাবে তাইক গঞ্জনা দিছে। তাই বুজিলে পৃথিৱীখন যে ভুৱা। তাত আপোন বুলিবলৈ কোনো নাই। ৰাহুলক যিমান ভাল পাইছিল। এতিয়া তাতকৈ বেছি ঘৃণাৰে তাইৰ মন ভৰি পৰিল। তাৰ প্ৰকৃত ৰূপটো দেখাৰ পাছৰে পৰা। কিন্তু এতিয়া যে তাইৰ উভতি যোৱাৰ একো ৰাস্তা নাই। ঘৰখনে তাজ্যপুত্ৰী ঘোষণা কৰিলেই। গতিকে ঘৰলৈ যাবতো নোৱাৰি। কোম্পানীবোৰতো কাম এটা পোৱা হ'লে, কিন্তু ভাল চাকৰি পোৱাৰ যোগ্যতা প্ৰায় তাইৰ নাই। গতিকে চতুৰ্থ বৰ্গৰ কাম এটা কৰি কোনোমতে কেইটামান দিন তাই গুৱাহাটীতে পাৰ কৰিলে। কিছুদিন পিছত কাৰোবাৰ মুখেৰে শুনিছিল তাই যে ইতিমধ্যে মাক হাৰ্টফেইলহৈ ঢুকাইছে। খবৰটো পায়ো অনুতপ্ত শ্ৰুতিয়ে কান্দিব পৰা নাছিল। তীব্ৰ অপৰাধবোধে তাইৰ মুখৰ মাত বন্ধ কৰি থৈছিল। কি কৰিব নকৰিব ভাবি থাকোতেই আন এখন চিঠি এদিন তাইৰ নামত আহিছিল ৰাহুলৰ পৰা, লিখিছে 'নাজিয়া'ৰ সৈতে তাৰ বিয়া গতিকে নিমন্ত্ৰণী পত্ৰ। চিঠিখন পঢ়ি তাইৰ নিজকে এটা মৃত প্ৰাণহীন দেহ যেন অনুভৱ হৈছিল। কান্দিব পৰা নাছিল। হাঁহিছিল, চিঞৰি চিঞৰি। সমগ্ৰ মৰম, ভালপোৱাৰ পৰা প্ৰতাৰিতা, বঞ্চিতা, বিশ্বাসঘাতকতাৰ বলি হোৱা শ্ৰুতিৰ লাহে লাহে মগজুৰ বিকৃতি ঘটিবলৈ লৈছিল।

আৰু এদিন চাকৰি বাদ দি গুৱাহাটীৰ পৰা অন্তৰ্ধান হৈ গৈছিল শ্ৰুতি। তাৰ কিছুমান দিনৰ পাছত মফচলীয় এই চহৰখনত প্ৰায়ে দেখা পোৱা গৈছিল এজনী পাগলীক। আউলি-বাউলি চুলি, ফটা কাপোৰ পিন্ধা পাগলীজনীক যিয়ে দেখে এক কৌতুহল অনুভৱ কৰে। আৰু এদিন পাগলীজনীয়ে যেতিয়া কুকুৰৰ অত্যাচাৰত ভুগি মৃত্যুক সাৱটি লৈছিল তাৰ পাছত তাই সদায় লৈ ফুৰা মোনাটো যিটোৰ প্ৰতি সকলোৰে এসময়ত কৌতুহল অনুভৱ কৰিছিল তাৰ ভিতৰত পোৱা গৈছিল এখন ডায়েৰী। ডায়েৰীখনৰ লেখিকা গৰাকীৰ নাম আছিল শ্ৰুতিমধু হাজৰিকা। যি লেখা হৈছিল প্ৰায় দুবছৰ আগতে। এতিয়া সেয়ে বৰষুণৰ পানী পৰাৰ বাবে ভাল ঠাইৰ অভাৱৰ বাবে সেই ডায়েৰীখনেও মৃত্যুৰ বাবে অন্তিম ক্ষণ গণি আছে। মাত্ৰ নামটো কিছু পঢ়িব পৰা অৱস্থাত আছিল।

শ্ৰুতি ওৰফে পাগলীজনীৰ মৃত্যুৱে মোৰ মন জোকাৰি পেলালে। কিহৰ দোষৰ বাবে তাইৰ বাৰু আজি এই দশা হ'ল ? এফালে প্ৰেম, আনফালে, ঘৰ, পৰিয়াল, বিবেক। কোনটো শুদ্ধ, কোনটো ভুল ? কাৰ বাৰু দোষ ? মই বাৰু ইয়াৰ উত্তৰটো কেতিয়াবা পামনে ?

**(প্ৰকাশ কালঃ ২০০৯-২০১০)**

# অৱসৰ

**জাহ্নৱী গগৈ**

"অৱহেলা"....। নাই, এই ব্যক্তিজনে কোনো কামলৈকে অৱহেলা নকৰে। তেওঁ সাহসেৰে, ধৈৰ্যৰে, নিষ্ঠাৰে জীৱনৰ দায়িত্ব আৰু কৰ্তব্য কৰি গৈছে। দুখ ভাগৰক প্ৰশ্ৰয় নিদি সহিষ্ণুতাৰে আগবাঢ়ি যোৱা এইজন ব্যক্তি গাঁওখনৰ ভিতৰতেই বিৰল। তেওঁ এজন অমায়িক আৰু বহুভাষী ব্যক্তি। তথাপি দুই-এটা ত্ৰুটিও নথকা নহয়। গাঁৱৰে কিছুমান চকুচৰহা লোকে তেওঁক পণ্ডিত আখ্যা দি নিজৰ অমানৱীয়তাৰ পৰিচয় দিয়ে। তেওঁ তালৈ ভ্ৰূক্ষেপ কৰা বিধৰ মানুহ নহয়। তেওঁ নিজৰ বিশ্বাসত অটল। তেওঁ নিজৰ বৃত্তিক লৈ আজিও গৰ্বিত। যিটো বৃত্তি সকলোতকৈ উচ্চ তথা সন্মানীয়, তেনে এটা বৃত্তিৰে তেওঁ অধিকাৰী। তেওঁ প্ৰাক প্ৰাথমিক বিদ্যালয়ৰ এজন শিক্ষক। কণ-কণ শিশুবোৰৰ আঙুলিত ধৰি আখৰ শিকোৱা আৰু ভৱিষ্যতলৈকে পথ প্ৰদৰ্শক হোৱা এজন শিক্ষক সকলো গুণতকৈ শ্ৰেষ্ঠ।

আজি কিছুদিনৰ পৰা এই সোনাৰাম বোলা শিক্ষকজন সলনি হ'বলৈ ধৰিছে। তেওঁৰ খাৱন-শোৱন আদিতো পৰিৱৰ্তন দেখা গ'ল। ঘৈণীয়েক সেউতীয়েও এই কথালৈ মন নিদিয়া নহয়। পিছে এদিন তেওঁ নিজে এই মানসিক অৰ্ন্তদ্বন্দ্বত ভোগা কাৰণো ব্যক্ত কৰিলে। অহা মাহৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে তেওঁ অৱসৰ গ্ৰহণ কৰিব। সেই তাৰিখে বিদায় অনুষ্ঠানৰ সিদ্ধান্তও লোৱা হ'ল। তাতোকৈ কৰুণ অধ্যায় কি হ'ব পাৰে তেওঁৰ বাবে। কণ কণ ল'ৰা-ছোৱালীবোৰৰ সৈতে দিনটো একাত্ম হৈ বিদ্যালয়ৰ অন্যান্য সহকৰ্মীসকলকো পৰিয়ালৰে একোটি অংশ বুলি ভবা এই সকলোকে তেওঁ এৰিব লাগিব। বিগত দিনকেইটালৈ সোঁৱৰিলে বুকুৰ কোনোবা একোণত এটা মৃদু

অনুভূত হয়।

ডেকাকালত সোণাৰাম বৰুৱাই মাথো অভাৱৰ লগত অবিৰত সংগ্ৰাম কৰিছিল। ঘড়ী নথকাৰ বাবে পুৱা শুই উঠি বেলিলৈ চাই আৰু আবেলি পৰত বেলি লহিয়াবৰ সময় অনুযায়ী মাটিত ৰেখা আঁকি সময় নিৰ্ধাৰণ কৰে। কেইবাটাও ককাই-ভাই হোৱা বাবে খাবলৈও ভালদৰে নোজোৰে। তিনিজন ককায়েকে বিয়া কৰালে। সকলোবোৰ একেলগে থাকে। সি আৰু তাৰ ভায়েককেইটা মিলি ম'হেৰে হাল টানে। কাৰোবাৰ পথাৰত হাজিৰা কৰিও দুই-এপইচা নিজে গোটায়।

কলেজীয়া জীৱনৰ এটা কথাই সোণাৰামৰ বুকুত শেলে বিন্ধিছিল। সোণাৰামে ঘৰৰ ম'হবোৰ চৰাবলৈ নিয়ে আৰু হালো টানে বুলি তাক ভালপোৱা এজন শিক্ষকে গম পাইছিল। সেই অনুসৰি তেওঁৰো ম'হ কেইটা চৰাই দিবলৈ শিক্ষকজনে ক'লে। তাৰ বিনিময়ত তেওঁ মৰমতে কিবা এটা দিব। সোণাৰামে তাৰ দায়িত্ব কৰি গ'ল। শিক্ষকজনৰ জীয়েকে আকৌ দূৰণিত পঢ়ি আছিল। ঘৰত নতুনকৈ ম'হ বান্ধি থকা ল'ৰাজন দেখি দেউতাকক সুধিলে, 'দেউতা, এওঁক কেতিয়াৰ পৰা ৰাখিছা?'' জীয়েকৰ কথা শুনি শিক্ষকজনে ততালিকে চিএঞৰি উঠিল, ''কি কোৱা মাজনী He is my student'' কথাষাৰ শুনি সোণাৰামৰ কেনেকুৱা লাগিছিল আজিও বুজাব নোৱাৰে।

ককায়েকহঁতে ছোৱালী পছন্দ কৰি তাৰ বিয়াখনো পাতি দিলে। মাটি-বাৰী ভাগ হ'ল আৰু সকলোৱে নিজা ঘৰ সাজি ল'লে। তাৰ এটি কন্যা সন্তান হ'ল। জীৱনত একো গতি নলগাৰ বাবে নানা অভাৱত ভুগিবলৈ ধৰিলে। শাক-পাচলি কৰি বজাৰত বেচিবলৈ ভেটিৰ মাটিও যথেষ্ট ঠেক। উচ্চতৰ মাধ্যমিক পাছ কৰিও একো মূল্য নোহোৱা হ'ল। ধানখেতিতে চলিছে কোনো ৰকমে। পাছৰটো সন্তানো ছোৱালীয়ে হ'ল। সিহঁতো বিদ্যালয় যাব পৰা বয়স হ'লগৈ।

জীৱনত প্ৰথমবাৰৰ বাবে সোণাৰামে এখন বেচৰকাৰী বিদ্যালয়ত শিক্ষকৰ পদত নিযুক্ত হ'ল। বিদ্যালয় হ'ল বেচৰকাৰী, তাতে ঘৰৰ পৰা ৭ কিলোমিটাৰ দূৰ। কেৰেলাতকৈ গুটিহে দীঘল। মাহেকত মাথোঁ ৫০০ টকা। কষ্টও অধিক। কোনোফালে জোৰাব নোৱাৰে এইকেইটা টকাৰে। দুজনী ছোৱালী, বিহুৰে পূজায়ে এটি নতুন কাপোৰলৈ সিহঁতেও আশাবাদী। ঘৈণীয়েকে অন্য কিবা কৰিবলৈ দিহা দিয়ে, কিন্তু কৰিবনো কি?

বিদ্যালয়খনত সোণাৰামৰ যি মন বহিলে আৰু বহিলে। তেওঁক তাৰ পৰা আঁতৰাই অনাৰ কাৰো সাধ্য নাই। বিদ্যালয়লৈ যাওঁতে ঘৈণীয়েকক নিতৌ যাওঁ বুলি কৈ যায়। মুখত এমোকোৰা তামোল আৰু ভূপেন হাজৰিকাদেৱৰ গীতৰ গুণগুণনি।

হাজৰিকাদেৰৰ প্ৰতিটো গান তেওঁৰ প্ৰিয়। তথাপি তেওঁৰ গতি নোহোৱাকৈ বিয়াখন পাতি লোৱা আৰু ভঙা চাইকেলখনেৰে সুদূৰ ৭ কিলোমিটাৰ পেদেল ঘুৰাওঁতে এই গীতটিয়ে কিছু আমোদ দিয়ে...।

"মই কিয় বিয়া কৰালো হৰি হৰি
মই কৰো চাকৰি স্কুলত ভেনচাৰ
বুঢ়া চাইকেল চলাই ফুৰো সিওঁ পামচাৰ.."

বিদ্যালয়ত উপস্থিত হৈ ল'ৰা ছোৱালীবোৰৰ সৈতে প্ৰাৰ্থনা গোৱা, সিহঁতৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ হিচাপ লোৱা আৰু ধাৰাপাঠ লৈ গছৰ তলত চিঞৰি চিঞৰি পঢ়িবলৈ দিয়া কি যে মিঠা অনুভৱ। নানা কৌশলেৰে সিহঁতক পঢ়োৱা, সাধু কোৱা, সাঁথৰ, কৌতুক, গীত-মাত ইত্যাদি ইত্যাদি। ছুটীৰ সময়ত জাতীয় সংগীতটি গাই লৈ শাৰী-শাৰীকৈ যাবলৈ নিৰ্দেশ দিয়া ইত্যাদিয়ে তেওঁৰ মনত গভীৰ সাঁচ বহুৱাইছিল।

অৱশেষত সোনাৰামে চাকৰি কৰা বিদ্যালয়খন চৰকাৰী হ'ল। ধৈৰ্য আৰু একাগ্ৰতাৰ ফল পালে। নিঃস্বাৰ্থভাৱে কৰ্ম কৰা সকলৰ পথত সঁচাকৈ সেন্দুৰী কুসুম ফুলে। বছৰে বছৰে বিদ্যালয়ৰ পৰা দুই-এটা ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক বৃত্তি পাবলৈও সক্ষম হ'ল। ছাত্ৰ-ছাত্ৰীয়ে ভাল কৰে তাতকৈ সুখবৰ কি হ'ব পাৰে এজোকন শিক্ষকৰ।

যোৱাটো বছৰত সোনাৰাম মাষ্টৰৰ সৰুজনী জীয়েককো বিয়া দিলে। ডাঙৰজনী জীয়েক আৰু জোঁৱায়েকে চাইকেলখনৰ সলনি মটৰ-চাইকেল লোৱাৰ দিহা দিলে। প্ৰত্যুত্তৰত তেওঁ কলে "ৰঙে-তেলে এইখন মই আৰু কেইবাবছৰ চলাব পৰা কৰি থৈছো। আৰু হাতত কেইটা দিননো আছে এই খনেই চলি যাব।"

দিন দিয়েকত আজি বিদায়ৰ দিনটো আহি পালেহি। ৰাতিপুৱাৰ পৰা সোনাৰাম মাষ্টৰৰ মন বিষন্নতাৰে ভৰা। সময়মতে চোলা-চুৰিয়াযোৰ পিন্ধি আনদিনাৰ দৰে আজি ঘৈণীয়েকক মাত নলগোৱাকৈ বিদ্যালয় অভিমুখে ৰাওনা হ'ল। চাইকেল খনৰ 'পেদেল' ঘূৰাই ঘূৰাই সভাতনো তেওঁ কি বক্তব্য আগবঢ়াব মনতে আওৰাই কৈ গ'ল... সকলো মানুহেই অ' আ... ১, ২... পঢ়িয়েই এজোকন ডাঙৰ ডাঙৰ মানুহ হৈছে... আজিকালিৰ শিক্ষা আগৰ দৰে চেকনিৰ আগত বিদ্যা হৈ থকা নাই... শিক্ষক হৈছে এডাল মমবাতি, যি আনক পোহৰ বিলাই নিজে ক্ষয় যায়... ইত্যাদি ইত্যাদি।

অনুষ্ঠান সুকলমে পাৰ হ'ল। ঘৰলৈ ঘূৰি আহোতে তেওঁৰ দুচকুত আকাশখন গোমা হৈ আহিল। অতীতৰ সকলো কথা ভাবি ভাবি চাইকেলখনৰ পেদেল লাহে লাহে ঘূৰালে। বতাহজাকৰ সৈতে "সোঁৱৰণী কুঁৱলীয়ে চিঞৰি চিঞৰি কয় অতীতৰ সীমাৰেখা নাই..."

**(প্ৰকাশ কালঃ ২০১০-২০১১)**

# সুঁহুৰি হেৰোৱা মানুহজন

**জয়ন্ত বৰদলৈ**

এখন দলিচাই ৰাস্তাটো ঢাকি পেলাইছে। ৰঙা, বেঙুনীয়াৰ মাজত হালধীয়া বুটা বছা এখনি দলিচাৰ মাজেৰে সৰ্পিল গতিৰে আগবাঢ়িল গাড়ীখন। বৰুৱাই গাড়ীখন ৰখাই দিলে। চকুৰে নমনা দূৰত্বলৈকে ৰঙা, বেঙুনীয়া আৰু হালধীয়া ৰঙৰ পাৰভঙা উচাহ! এক অনিৰ্বচনীয় সুখানুভূতিয়ে বৰুৱাৰ মনটি আৱেশিত কৰি তুলিলে। খুব ভাল পায় তেওঁ এই ঋতুটি। এই ঋতুতে এজাৰ, কৃষ্ণচূড়া আৰু সোণাৰু ফুলে। এই ফুলকেইজোপাৰ আকৌ এক অদ্ভুত মিল। হিয়া উজাৰি ফুলিব বিচাৰে। নিজৰ সমস্ততাই ৰঙীণ কৰিব খোজে ধৰাখন। বৰুৱাৰ মনটো ভৰি পৰিল। গাড়ীখন ষ্টাৰ্ট কৰি পুনৰ ধীৰ গতিৰে দলিচাখনৰ মাজলৈ আগবাঢ়িল। সুঁহুৰিয়াব পৰা নাই। “চেহ !সুঁহুৰিটো বাৰু ক'ত হেৰাল।” কিমান দিনৰ মূৰত তেওঁ আপোনমনে সুঁহুৰিয়াব খুজিছিল। কিন্তু সুঁহুৰিটো যে তেওঁৰ মুখৰ পৰা অহা নাই।

কিছুদূৰ গৈ গাড়ীখন মূল পথৰ বাওঁদিশৰ এটি পথেৰে আগবাঢ়িল। পথটো প্ৰকৃততে এটি মঠাউৰি। কাষে কাষে এখনি গাঁৱৰ অৱস্থিতি। মথাউৰিটোৰ ওপৰেদি বৰুৱাই গাড়ীখন চলাই গ'ল। নাই সুঁহুৰিটো মনত পৰা নাই তেওঁৰ। এটি তিনিআলিত গাড়ীখন ৰৈ গ'লহি। চৌপাশে পথাৰ। তিনিআলিৰ মূৰতে এখনি সৰু ঘুমটি দোকান। কেইটামান ছিপছ আৰু গুটখ্া পেকেট ওলমি আছে। বৰুৱা গাড়ীখনৰ পৰা নামি গৈ পথাৰখনলৈ চাই পঠিয়ালে। একেই আছে। আজি প্ৰায় বিশবছৰৰ মূৰত এই ঠাইত ভৰি দিছে তেওঁ। মানুহে যিমানেই আকাশ চুব নোখোজক কিয়, মানুহৰ শেষ ঠিকনা মাটিয়েই। কেইদিনমানৰ পিছতে বৰণ সলাব এই পথাৰখনে। সেউজীয়া এক ভৰুণ

সুখে অনাখৰী মানুহবোৰৰ মনবোৰ ভৰাই তুলিব। অনাখৰী এক প্ৰাচীন সভ্যতাৰ স্ৰষ্টা এই পথাৰ। নিজকে পৃথিৱীৰ এক প্ৰাচীন মানুহ যেন লাগিল বৰুৱাৰ। নাই। সুঁহুৰিটো এতিয়াও মনত নাই পৰা। ক'ত বা হেৰাল।

গাড়ীখনত উঠি সোঁদিশে আগবাঢ়িল বৰুৱা। অলপদূৰ গৈ এটুকুৰা ঠাইত গৈ ৰ'ল। এটা কৰ্কশ শব্দই ঠাইটুকুৰাৰ সৰলতাক শেষ কৰি আহিছে। চৌপাশে ধুৱলী-কুঁৱলী। এটা ক্ৰেচাৰ মেচিন। নিৰ্মমভাৱে শিলবোৰ ভাঙি গৈছে। কালৈকো কেৰেপ কৰা নাই। বৰুৱাই চাই পঠিয়ালে। এসময়ত ইয়াত এখন ঘৰ আছিল। পদুলি মুখৰ বকুলজোপা এতিয়া নাই। এখন ঘৰ। য'ত তেওঁৰ শৈশৱ আছিল। প্ৰতিজন সদস্যৰ মৰমেৰে গঁঠা এখনি ঘৰ। এতিয়া ইয়াত এখন কংক্ৰীটৰ অৰণ্য। বৰুৱাৰ চকুৰ আগত ভাঁহি আহিল... আগৰৱালা উপাধিৰ ব্যৱসায়ীজনে হাতত তুলি দিছে পাঁচ লাখ টকাৰ চেকখন ! মাকৰ ক্ৰন্দনৰত মুখখন। বাপেকৰ মৃত্যুৰ পিছত মাটিখিনি বিক্ৰী কৰি দিছিল তেওঁ। গুৱাহাটীত কিনা ফ্লেটলৈ লৈ গৈছিল মাকক। বাৰে বাৰে কৈছিল মাকে, "ধন। মাটিখিনি নিবিকিবি। মই মৰিলে দেউতাৰৰ ওচৰতে খৰি দিবি মোক।" কিন্তু শুনা নাছিল। তেওঁ ভাবিছিল ফ্লেটৰ বিলাসীতাই সুখ দিব মাকক। পাহৰি যাব সকলো এটা সময়ত। কিন্তু নগৰীয়া জীৱনৰ একাকীত্বই মানসিক ভাৰসাম্য কাঢ়ি নিছিল মাকৰ। এখন মানসিক ৰোগীৰ হস্পিতালত খুব কৰণভাৱে মৃত্যুক সাৱটিছিল মাকে। মৃত্যুৰ সময়তো মাকে এটা কথাই কৈছিল বাৰে বাৰে "ধন, মোক তালৈ লৈ যা? ইয়াত মই উশাহ পোৱা নাই।" মাক যেন শিল হৈ গৈছে। আৰু এই ক্ৰেচাৰ মেচিনটোৱে নিৰ্মমভাৱে মাকৰ সপোনবোৰ ভঙি চূৰমাৰ কৰি গৈছে। বৰুৱাৰ চকুহাল সেমেকি উঠিল।

ক্ৰেচাৰ মেচিনটো এৰি বৰুৱা অলপ আগবাঢ়ি গ'ল। এটি বিশেষ পদূলিৰ সন্মুখত থমকি ৰ'ল তেওঁ। বাঁহৰ জপনাখন খুলি সোমাই গ'ল তেওঁ। বাৰান্দাত এজন অশীতিপৰ বৃদ্ধ।

"ছাৰ ভালে আছেনে?"

"কোন"?

"মই ধন ছাৰ।"

"অ' ধনবোপা।" আহ আহ। চকুৰে মনিব নোৱাৰ হ'লো অ' বোপাই। মাটি-বাৰী বিক্ৰীৰ পিছত এইফালে মূৰেই নকৰা হলিছোন।

বৰুৱাই আগবাঢ়ি আহি ভোগেশ্বৰ ছাৰৰ ভৰিত চুই সেৱা কৰিলেহি। ভোগেশ্বৰ

শইকীয়া চাৰ। ষ্টাৰ মাৰ্ক পাই মেট্ৰিক পাছ কৰোতে ছাৰে সাৰটি ধৰিছিল তেওঁক। গামোচাখন পিন্ধাই কৈছিল, "আমাৰ গাঁৱৰ প্ৰথম বিভাগ পোৱা তয়ে প্ৰথম। গাঁওখনৰ নাম ৰাখিব লাগিব। বহুত আশা কৰিছে গাঁওখনে তোৰ পৰা।"

"ঐ নুমলী। ককায়েৰক চাহ এটুপি দে।"

ভোগেশ্বৰ ছাৰৰ মাতত বৰুৱাৰ সম্বিত ঘূৰি আহিল। সৰু বাৰান্দা এখনিৰ সৈতে এটি খেৰিঘৰ। ওচৰতে এটি ভঁৰাল। গোহালিটোৰ কাষতে দুজোপামান জাহাজীকলৰ গছ। গোহালিটিৰ কাষতে পুখুৰীটো। পাৰৰ নাৰিকলজোপাৰ তলতে পাঁতিহাঁহ এজাক। চোতালৰ ডাংডালত এখন খেৰালি জাল ওলমাই থোৱা আছে। এনেকুৱা এখন ঘৰ তেওঁৰো আছিল এই গাঁৱতে। ধূলি বালিৰে লুতুৰি-পুতুৰি হৈ খেলি ডাঙৰ হৈছিল তেওঁ। তেওঁৰ গুৱাহাটীত এখন ঘৰ আছে। দুটি ল'ৰা-ছোৱালীৰে সুখী পৰিয়াল। তেওঁৰ পত্নী নাৰীসংগঠনৰ আগশাৰীৰ সদস্য। তেওঁও উচ্চপদস্থ বিষয়া আছিল চৰকাৰৰ। নাই একো অভাৱ নাই। কিন্তু বৰুৱাই আজি গাঁৱৰ ঘৰখনৰ অভাৱ খুব অনুভৱ কৰিছে। বুকুখন বিষাই উঠিলে বৰুৱাৰ।

"ককাইদেউ। চাহ খাওঁক।" কাঁহৰ বাতিত দুখনমান পিঠাৰ সৈতে এগৰাকী ছোৱালীয়ে চাহ লৈ সোমাই আহিল। নুমলী ছাৰৰ সৰু ছোৱালী। চাহকাপ খাই থাকোতেই ছাৰৰ ঘৰলৈ ল'ৰা কেইজনমান সোমাই আহিল।

"ছাৰ। আজি মিটিং আছে স্কুলত। পাক এটা মাৰিব।"-

— ল'ৰা এজনে ছাৰক উদ্দেশ্যি ক'লে।

"হয়নেকি। যাম যাম। গাঁৱৰ ভাল হোৱা সকলো কামতে যাম মই। বুইচ ধন। তহঁতৰ মাটিবাৰীবোৰ কিনি আগৰৱালা বেপাৰীয়ে ক্ৰেচাৰ মিল সাজিলে। ই গাওঁখনৰ পৰিবেশটো একেবাৰে বেয়া কৰি পেলাইছে অ'। ওচৰতে তাতে স্কুলখন। মিলটো বন্ধ কৰিবলৈ ল'ৰাহ'তে মিটিং পাতিছে। তই পাৰ যদি ওপৰত কৈ কিবা এটা কৰিবিচোন। বৰ উপকাৰ হ'ব বোপাই।"

"তোমালোকে এখন দৰ্খাস্ত এছ.ডি.অ'. ছাৰক দিয়া। মই বাৰু যিমান পাৰো সহায় কৰিম।" বৰুৱাই ল'ৰাকেইজনক উদ্দেশ্যি ক'লে। বৰুৱা ভোগেশ্বৰ ছাৰৰ ঘৰৰ পৰা ওলাই আহি মাথাউৰিটোৰেদি আগবাঢ়ি গ'ল। এজাক স্কুলীয়া ল'ৰাই হুলস্থূল কৰি মথাউৰিটোৰ দাঁতিৰ খেজুৰিজোপাত দলিয়াইছে। ঘাম আৰু ধূলি মিহলি এটা গোন্ধে বৰুৱাক শৈশৱলৈ লৈ গ'ল। আস। কি যে সুন্দৰ আছিল দিনবোৰ। পঁইতা ভাত এমুঠি নাকে মুখে গুজি স্কুললৈ দৌৰিছিল তেওঁলোক। পানীখোৱা ছুটীত লেতেকু,

জামু বিচাৰি ওচৰৰ হাবিখনত পিত পিতাই ফুৰিছিল। "শৈশৱৰ সোৱাদ কেনেকুৱা বাৰু।" বৰুৱাই মনতে ভাবিলে। "আধা পকা খেজুৰিৰ কেঁহা সোৱাদৰ দৰে নে? নে শিলিখা খাই পানী খালে পোৱা মিঠা মিঠা সোৱাদ। নে কলি খেজুৰিৰ লগত নিমখ লগাই খালে পোৱা সোৱাদ।"

"জোবোং।" এটি শব্দই বৰুৱাক চক্‌খুৱাই তুলিলে। ঘূৰি চাই দেখিলে নদীখনত এজাক ল'ৰাই সাঁতুৰিছে। পাৰৰ পৰা পানীলৈ জপিয়াইছে ল'ৰাবোৰে। উদং পিঠিবোৰত জিলমিলাইছে পানীৰ টোপালবোৰ। এয়াহে জীৱনৰ ৰং।

বৰুৱা নদীখনৰ ফালে আগবাঢ়ি গ'ল। মথাউৰিৰ ওপৰৰ পৰা নদীখনলৈ চাই পঠিয়ালে তেওঁ। আবেলিৰ ৰ'দৰ হেঙুলীয়াবোৰে জিলমিলাইছে পানীত!

মথাউৰিৰ ওপৰৰ পৰা পানীলৈ জপিয়াই দিলে বৰুৱাই।

"জোবোং"... এটা শব্দই পানীখিনিক তলওপৰ কৰি তুলিলে

... মাত্ৰ কিছুমান বুৰবুৰণি থাকি গ'ল।

চকুজোৰ মুদি দিলে বৰুৱাই। পানীৰ গভীৰতালৈ সোমাই গৈছে তেওঁ। আন্ধাৰ চাৰিওফালে। ভাঁহি আহিছে মাকৰ ক্ৰন্দনৰত মুখখন আৰু ভোগেশ্বৰ ছাৰৰ গৌৰৱৰ হাঁহি মিশ্ৰিত মুখখন।

"ধন। তই মাটিবোৰ নেবেচিবি।"

"ধন। তই মোক তালৈ লৈ যাহ।"

"ধনবোপা। গাঁওখনৰ মান ৰাখিবি। বহুত আশা কৰিছে তোৰ পৰা।" পানীৰ ওপৰলৈ উঠি আহিল বৰুৱা। বেলিটো ৰঙা, হালধীয়া আৰু আজাৰবুলীয়া আৱেশ সানি অস্তমিত হোৱাৰ পথত। এটি হেঙুলীয়া আৱেশে বৰুৱাক সাৱটি ধৰিলে।"

"আস! জীৱন তুমি বৰ অনুপম।"

বৰুৱাৰ মুখেদি হঠাৎ এটি সুঁহুৰি ওলাই আহিলে।

"আস! সেই চিনাকি সুৰ। ক'ত যে হেৰাইছিল সুঁহুৰিটো।" বৰুৱাই আনন্দত চিঞৰি উঠিল।

"কিবা এটা কৰিব লাগিব।" বৰুৱাই ভাবিলে।

**(প্ৰকাশ কালঃ ২০১২-২০১৩)**

# পৰিত্ৰাণ

**চিত্ৰৰঞ্জন বৰা**

মোক এটা কাহিনীৰ প্ৰয়োজন। বিষয়বস্তু যিয়েই নহওক। সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীত কিবা এটা লিখাৰ হাবিয়াস মোৰো জন্মিছে। মোৰ লেখাবোৰ ছপা আখৰেৰে পঢ়ি চোৱাৰ দুৰ্বাৰ হাবিয়াস। কিন্তু, কি লিখিম? লিখিবলৈচোন ভাষা বিচাৰি পোৱা নাই। মোৰ সীমিত জ্ঞানেৰে ভাবিবলৈওচোন শক্তি নাই এটা কাহিনীৰ; হয় এটা কাহিনীৰ। যদিওবা গল্পত কাহিনীৰ প্ৰয়োজন নহ'লেও হয়, কিন্তু মোৰ গল্পত কাহিনী এটাৰ অবিহনে যেন লেখা আধৰুৱা হৈ ৰ'ব। মই বিচাৰিছো মোৰ লেখাটোৰ জৰিয়তে পাঠকে কিবা এটা হ'লেও বাৰ্তা পাওক। সেই উদ্দেশ্যেৰেই হাতত কাগজ কলম লৈ অথনিৰে পৰা চিন্তাৰ সাম্ৰাজ্যত বিভোৰ হৈ আছো। এইদৰে কিমান সময় চিন্তাত বিভোৰ হৈ বহি আছিলো ক'ব নোৱাৰো। হঠাতে হোৱা মটৰ চাইকেলৰ শব্দতহে মোৰ চিন্তাত যতি পৰিল। ভাড়াঘৰৰ মোৰ টেবুলৰ সন্মুখতে থকা একমাত্ৰ খিৰিকিখনেৰে মূৰ উলিয়াই চাই দেখিলোঁ দুজন পুলিচ বিষয়া ইতিমধ্যেই বাইকৰ পৰা নামি মালিকৰ ঘৰৰ গে'টখনেৰে সোমাই আহিছে। বাৰাণ্ডাত বহি থকা মালিকৰ পুতেকক কিবা কিবি সুধিছে। মোৰ মনত লগে লগে বিভিন্ন চিন্তাই আহি খেলা কৰিবলৈ ধৰিলে। কিয় আহিছে পুলিছ। মোৰ ওচৰলৈ। মই বাৰু কিবা অপৰাধ কৰিলো নেকি? কিন্তু, ক'ত। তেনে কোনো অপৰাধ কৰাৰ কথা মনত পৰা নাইচোন। তেন্তে...?

দুৱাৰ মুখ পায়েই মোক বহি থকা অৱস্থাত আৱিষ্কাৰ কৰি এজনে মেকুৰী চকুৰা দৃষ্টিৰে মোৰ ফালে চাই সুধিলে- তোৰ নামেই ৰাজদ্বীপ নহয় জানো?

ঃ হয়। কিন্তু...।

হয় বুলি ক'বলৈহে পালো, লগে লগে প্ৰশ্নকৰ্তাই চোঁচা মাৰি আহি মোৰ চুলি কোছাত ধৰি টানি আনিলে। বহি থকা চকীখনৰ পৰা মাটিত হামখুৰি খাই পৰিলো। পৰি থকাৰ পৰাই মই প্ৰতিবাদ কৰি উঠিলো-আৰে, মোক কিয় মাৰিছে? কি অপৰাধ কৰিলো মই?

ঃ কিয় মাৰিছো? কি অপৰাধ কৰিলো? চাল্লা, মোবাইলত ছোৱালীৰ লগত কথা পাতি প্ৰেম কৰিবি আৰু মিঠা কথাৰে ফুচুলাই মাতি আনি হত্যা কৰিবি।

ঃ হত্যা! কাক হত্যা কৰিলো মই? আচৰিত হৈ সুধিলো।

ঃ এতিয়া নজনাৰ ভাও ধৰিছ। ব'ল থানাত গম পাবি সকলো। লগে লগে এজনে মোৰ চাৰ্টৰ কলাৰত ধৰি বাহিৰলৈ টানি লৈ আহিল।

ঃ ছাৰ বিশ্বাস কৰক। মই কাকো হত্যা কৰা নাই। ছাৰ, মোক এৰি দিয়ক ছাৰ, পুলিচ এজনে মোৰ কোনো হাক-বচন নামানিলে। বাইকৰ পিছফালে, দুয়োজনৰ মাজত বহুৱাই মোক, বাইক ষ্টাৰ্ট কৰি দিলে। টেবুলৰ ওপৰত মোৰ গল্প লিখিবলৈ বুলি লোৱা কাগজখন উকা হৈয়ে থাকি আহিল।

হত্যা। কোনে কাক হত্যা কৰিলে? এনে জঘন্য কাণ্ডৰ অপৰাধত মোক কোনে অপৰাধী সজাইছে? ঘটনাৰ আকস্মিকতাত মোৰ মূৰটো পাক ঘূৰণি খাবলৈ ধৰিলে। সপোন নে দিঠক নিজকে চিকুটি চোৱাৰ আগতেই দেখিলো মোৰ চৌপাশৰ চিনাকি অচিনাকি মানুহবোৰে মোলৈ ৰ লাগি লাগি চাইছে। সিহঁতৰ ভাৱত মই যেন এটা হত্যাকাৰী। যি কি নহওঁক হত্যা কৰি যে হত্যাকাৰী ধৰা পৰিছে...। তাতেই যেন তেওঁলোকৰ সন্তুষ্টি।

থানা আহি পায়েই মোৰ ওপৰত চলিল উপৰ্যুপৰি জেৰা। চৰ, লাঠি, ঘোচা। চৰৰ কোবত দাঁতৰ আলুৰে ফৰফৰাই তেজ ওলাই আহিল। কি অসহ্য বেতৰ কোব। জীৱনত প্ৰথমবাৰৰ বাবে এনে নিৰ্মম অত্যাচাৰৰ বলি হৈছো। তাতে বিনা দোষত। তেওঁলোকে মোক প্ৰাগ্‌জ্যোতিকাৰ হত্যাৰ সন্দৰ্ভত বাৰে বাৰে একেখিনি প্ৰশ্নকে অকাই-পকাই সুধি আছে যদিও মোৰ পৰা কোনো এটাই সঠিক উত্তৰ পাবলৈ বা ময়ো সঠিক উত্তৰ দিবলৈ সক্ষম হোৱা নাই। পুলিচজনেও প্ৰশ্ন সুধি সুধি, লাঠি চৰ মাৰি ভাগৰি পৰিছে। দুচকুৰে দুগালেদি চকুলো বৈ গৈ মাটিৰ লগত মিলি গৈছে। শৰীৰৰ বিষৰ যন্ত্ৰণাত মোৰ চকুলো বোৱা নাই। বৈছে প্ৰাগ্‌জ্যোতিকাৰ হত্যাৰ কাৰণতহে। প্ৰাগ্‌জ্যোতিকা। যাক মই মনে প্ৰাণে ভাল পাইছিলো। যাক লৈ লিখিবলৈ

আৰম্ভ কৰিছিলো মই, কবিতা। যাৰ দিনটোত এষাৰ মাত নুশুনিলেও ভাল নালাগিছিল মোৰ। তাৰ সেই প্ৰাগ্‌জ্যোতিকাক কোনোবাই হত্যা কৰি ধনশিৰি নদীত পেলাই থৈ গৈছিল সেই কথা বিশ্বাস কৰিবলৈকে টান লাগিছে।

ছমাহ মানৰ আগতে ব'হাগৰ প্ৰথম সপ্তাহৰ কোনোবা এটা দিনত উদীপ্তলৈ ফোন কৰিছিলো মই। দুবছৰ মানৰ আগতে নৈশ বাছেৰে গুৱাহাটীলৈ যাওঁতে মোৰ কাষৰ চিটত বহা যোৰহাটৰ উদীপ্তৰ লগত চিনাকি হৈছিলোঁ। তাৰ পিছৰে পৰা আমাৰ মাজত ফোনেৰে কথা পতা হৈ থাকে। উদীপ্তই প্ৰায়েই মাতে সিহঁতৰ ঘৰলৈ। মাজতে সি এবাৰ আমাৰ ঘৰলৈ আহিও গৈছে। মইহে যাব পৰা নাই। এইবাৰ ব'হাগতে এপাক যাম বুলি কওঁ বুলিয়েই উদীপ্তলৈ ফোন কৰিবলৈ লৈ দেখিলো ৰিলায়েন্সৰ ছিম খনত বেলেঞ্চ অলপো নাই। এয়াৰচেলৰ ছিমখন লগাই থোৱা মোবাইলটোৰ ৰিলায়েন্সটোত চেভ কৰি থোৱা উদীপ্তৰ নাম্বাৰটো ডাইল কৰিলো নাইন, এইট, চিক্‌চ, ফ'ৰ... ক্ৰিং ক্ৰিং শব্দ হোৱাৰ কেইছেকেণ্ড মানৰ পিছত সিফালৰ পৰা এটা মিঠা সুৰৰ নাৰী কণ্ঠ ভাঁহি আহিল— হেল্ল'...।

ঃ হেল্ল'...। ৰিমলি নহয় জানো? দাদা বাৰু ঘৰত আছেনে?

ঃ ৰি-ম-লি...? মই কোনো ৰিমলি চিমলি চিনি নাপাওঁ দেই! আৰু মোৰ কোনো দাদাও নাই। ময়ে ঘৰৰ একমাত্ৰ ছোৱালী। — মই যেন তাহানি যুগৰ নাম এটাহে উচ্চাৰণ কৰিলো। ধৰিব পাৰিলো নাৰীৰ কণ্ঠস্বৰ কোনোবা চঞ্চলা গাভৰুৰ। তাৰ মানে মোৰ ডায়েল কৰা নাম্বাৰটো ভুল হ'ল।

ঃ অ' ছ'ৰি ছ'ৰি। মোৰ হয়তো ডায়েল কৰোতে নাম্বাৰটোহে ভুল হৈ গ'ল। — মইয়ো লগে লগে ভুল স্বীকাৰ কৰিলো।

ঃ হ'ব হ'ব, মিছা মাতিব নালাগে। জানো নহয় ল'ৰাবোৰৰ কথা। ধুনীয়া ছোৱালী দেখিলে যাৰ তাৰপৰা নম্বৰ লৈ অচিনাকী ভাৱেৰে চিনাকি হোৱা, তাৰ পিছত মিঠা মিঠা কথা কৈ প্ৰেম।

ঃ তাৰ মানে তুমি সঁচাই খুব ধুনীয়া...। মোৰ কথাত অলপ লাজ পোৱা যেন লাগিল তাইৰ। কাৰণ তায়ে নিজে নিজকে ধুনীয়া বুলি প্ৰশংসা কৰা যেন হ'ল।

ঃ নহয় মানে...। বাদ দিয়ক এইবোৰ কথা। বাৰু আপোনাৰ পৰিচয়টো জানিব পাৰিমনে? — বাঃ। গাভৰুৱে তাৰ পৰিচয় জানিব বিচাৰিছে। কিবা এটা ভাল লাগি গ'ল মোৰ। মই কিবা এটা ক'বলৈ মুখ মেলাৰ আগতেই তাই আকৌ কৈ উঠিল- ৰ'ব, আপোনাৰ পৰিচয়টো জনাৰ আগতে মোৰ পৰিচয়টো দি লওঁ— মোৰ নাম

প্ৰাগ্জ্যোতিকা। ঘৰ যোৰহাট ৰূপনগৰ। জে.বিত এইবাৰ বাণিজ্য বিভাগৰ ফাইনেল বৰ্ষত অৰ্থাৎ দ্বিতীয় বৰ্ষত। আৰু ঘৰত মা-দেউতাৰ বাহিৰে মই একমাত্ৰ বুলি আগেয়ে ক'লোয়েই দেখোন। আৰু এতিয়া তোমাৰ পাল।

— প্ৰাগজ্যোতিকাই অনৰ্গল কৈ গ'ল। প্ৰাগ্জ্যোতিকাই পৰ্বতৰ শিলাখণ্ডকো যে বৰফৰ দৰে গলাই নদীলৈ পৰিৱৰ্তন কৰি দিবৰ পৰা ক্ষমতা আছে সেই কথা বুজিবলৈ মোৰ বেছি সময় নালাগিল। ময়ো দিলো মোৰ পৰিচয়। অৱশেষত মোৰ গাঁৱৰ নামটো উল্লেখ কৰিবলৈ বেয়া পাই গোলাঘাটৰে বুলি কৈ থ'লো। আচলতে ক'ৰবাৰ গাঁৱৰ জকাইচুকৰ বুলি ভাবিব পাৰে বুলিয়েই নক'লো। তাইয়ো মোৰ ঘৰৰ বিষয়ে বেছি ইণ্টাৰেষ্ট নিদিলে।

.... আৰু এই চিনাকিৰ পিছৰে পৰাই আমাৰ দুটাৰ মাজত প্ৰায়ে কথা-বতৰা চলি থাকিবলৈ ধৰিলে। প্ৰথমে সপ্তাহত এদিন। তাৰ পিছত দুদিন-তিনিদিনৰ মূৰে মূৰে। আৰু যেতিয়া এদিন এই কথা পতাই ভাল পোৱাৰ নামলৈ পৰিৱৰ্তন হ'ল, তাৰ পিছৰ পৰা যেন আৰু দিনে ৰাতিয়ে কথা পাতিও যেন শেষেই নহ'ব। প্ৰায় ময়েই ফোন কৰো তাইলৈ। পৰহিয়ো ফোন কৰিছিলো মই। এবাৰ নহয়, দুবাৰ নহয়, কেইবাবাৰো। কিন্তু এবাৰো তাই ৰিচিভ কৰা নাছিল। শেষত, খঙতে মোবাইলটোকে দলিয়াই দিছিলো। বাৰুকৈ যেনিবা মোবাইলটো নাভাঙিল। এই কেইদিনমানৰ পৰা প্ৰাগ্জ্যোতিকাজনীৰ কি হৈছে, মোৰ লগত ভালদৰে কথা পাতিবলৈকো মন নকৰা হৈছে।

এটা দিন এটা ৰাতি থানাৰ লকআপত কটোৱাৰ পিছত দ্বিতীয় দিনা মোক মুকলি কৰি দিলে। অ'চি জনে মোৰ গাত লাহেকৈ ঢকা এটা মাৰি ভালৰি লগাবলৈকে ক'লে- ছ'ৰি ভাই, তোক মিছাতে বহুত কষ্ট দিলো। কি কৰিবি, আচলতে প্ৰকৃত হত্যাকাৰীয়ে কোনো ক্লু নৰখাত তোৰ আৰু ছোৱালীজনীৰ সঘন ফোন কলৰ সন্দৰ্ভতে তোক এৰেষ্ট কৰা হৈছিল।

ঃ হত্যাকাৰী কি, ধৰা পৰিল নেকি ? - সুধিলো মই।

ঃ এতিয়াও সম্পূৰ্ণ পৰা নাই। সোনকালেই পৰিব ধৰা। বন্ধুত্বসুলভ ভাবেৰে গোটেই কথাখিনি ক'লে অ'চিজনে, চমুকৈ।

প্ৰাগ্জ্যোতিকাৰ মৃত্যুৰ কাৰণত মই যিমান দুখ পাইছিলো তাতোকৈ বেছি দুখ অনুভৱ কৰিছিলো অ'চিৰ কথাবোৰ শুনিহে। আচৰিত হৈছিলো মই। যাক নিজতকৈও বেছি ভাল পাবলৈ লৈছিলো তায়ে যে প্ৰতাৰণা কৰিছিল। কিন্তু ভগৱানে মোক বাৰু

চকু মেলি চালে নেকি... ? কাৰণ, কাৰণ... । মইটো তাইক দেখা নাছিলো।

প্ৰাগ্‌জ্যোতিকাৰ ঘৰত প্ৰাগ্‌জ্যোতিকাই নিজ হাতেৰে লিখা এখন চিঠি উদ্ধাৰ হৈছিল। তাই লিখিছিল- মৰমৰ মা আৰু দেউতা। মোৰ চিঠিখন পোৱাৰ পিছত হয়তো তোমালোকে মনত বহুত আঘাত পাবা। হয়তো তোমালোকৰ ক্ষমাৰো যোগ্য নহ'ম মই। মৃণাল খুব ভাল ল'ৰা যেনেই লাগিছে। খুব ধুনীয়াকৈ কথা কয়। মা, মই মৃণালক হেৰুৱাব নিবিচাৰোঁ। সেয়েহে...। আৰু মা, তোমালোকেতো জানাই, মোৰ দৰে এজনী কুশ্ৰী চেহেৰাৰ ছোৱালীক কোনে সহজতে বিয়া কৰাবলৈ মান্তি হ'ব। মৃণালক এদিন দিছিলো মোৰ চেহেৰাটোৰ বৰ্ণনা। কিন্তু সি এই বিষয়ত একো মত নিদি কেৱল সোনকালে আমাৰ বিয়াৰ কথাহে কৈছিল। ...সেয়েহে মই মৃণালৰ কথা মতেই ভুল কৰিবলৈ আগবাঢ়িছো, তোমালোকৰ মনত আঘাত হানি। তথাপিও মই আশা ৰাখিছো মোক যেন তোমালোকে ক্ষমা কৰি দিয়া আৰু আমাৰ যুগ্ম জীৱনলৈ আশীৰ্বাদ কৰা।

থানাৰ পৰা আহিয়েই মই মোৰ ভাড়াঘৰৰ বিচনাখনত ওপৰলৈ মূৰটো কৰি অলসভাৱে গাটো এৰি দিলো। কালিৰ পৰা মই যেন এটা বেয়া সপোনহে দেখি আছিলো। যেন এইমাত্ৰ টোপনিৰ পৰাহে সাৰ পাইছো। গা-টোৰ য'তে ত'তে বিষ অনুভৱ কৰিছিলো। বিষাই থকা অংশ এটুকুৰাত হাত পৰিলত অনুভৱ কৰিলো ঠাই টুকুৰা উখহি উঠিছে। ওপৰলৈ মূৰ কৰিয়েই মই বহু সময় পৰি থাকিলো। এটা সময়ত মোৰ চকু টেবুলৰ ওপৰত পৰাত, মন কৰিলো টেবুলৰ ওপৰত গল্প লিখিবলৈ বুলি এৰি থৈ যোৱা উকা কাগজখনে অথনিৰে পৰা মোলৈকে চাই আছে একেথৰে। মই বিচনাৰ পৰা লাগে লাগে উঠি গৈ টেবুলখনৰ ওচৰত বহিলোগৈ। মনতে ভাব হ'ল- কিবা এটা লিখো। এই মুহূৰ্তত কিবা এটা লিখাৰ খুব হাবিয়াস কৰিছে মনটোৱে। ক'ৰপৰা, ক'ৰপৰা আৰম্ভ কৰিম বাৰু...। বান্দৰৰ যুগৰ পৰা নে ৰেলগাড়ী আবিষ্কাৰৰ পিছৰ পৰা... লাহে লাহে মই উকা কাগজত কলমেৰে বোলাই গ'লো মোৰ জীৱনত ঘটি যোৱা এটি এটি মুহূৰ্তক...।।

**(প্ৰকাশ কালঃ ২০১২-২০১৩)**

# ৰান্ধনি বেলি

**ৰিম্পী গগৈ**

"পলাশী... তই সঁচাই যাবগৈ ?"

উফ্... অডিটৰিয়ামৰ পৰা ওলাই আহি খিৰিকিৰ ৰেলিঙত হাত দি বাহিৰখন চাইছো। চাইছো বুলি ক'লে হয়তো ভুল কোৱা হ'ব। মাত্ৰ চাবলৈ যত্নহে কৰিছো। মস্তিষ্কত ইমান সতেজ গৈ থাকিব পাৰিনে এটা বাক্য ? সোতৰ বছৰ... সোতৰ বছৰৰ আগৰ এটা বাক্য ইমান আলসভাৱে নিগৰি আহিব পাৰেনে ? ইমান বছৰৰ পাছতো আজিও সেই একেই চিনাকি-চিনাকি বকুল-বকুল গোন্ধ। বকুলৰো ইমান সুগন্ধ হ'ব পাৰেনে...! নাই.... সকলো একেই আছে। মাথো সময় সলনি হৈছে। হৃদয়ৰ সেউজীয়া অৰণ্যৰ মাজত থকা নিৰ্মল নিজৰাটিৰ পাৰৰ ডাঙৰ শিলটিৰ ওপৰত বহি কোনে পূৰ্ণিমা নিশা বাঁহীৰ মায়াবী ৰাগেৰে মাতাল কৰি তোলা সেইজন.... আৰু আজি সোতৰটাকৈ বছৰৰ পাছত এইজন।

বাস্তৱলৈ ঘূৰি আহিবলৈ যত্ন কৰিছো। নাই.... নাই পৰা। সি আহি পোৱাৰ আগতেই মই ইয়াৰ পৰা যোৱাগৈ ভাল। আকৌ ভাবিলো, মই কিয় পলাই যাম ? পলাই যাব লগাকৈতো মই একো চুৰ কৰা নাই.. Polashi you are very strong, you are very strong... নিজকে নিজে যেন সান্ত্বনাহে দিছে। ভবা নাছিলো সি আজি মোৰ এই অনুষ্ঠান চাবলৈ আহিব।

ঃ বাইদেউ, বেয়া নাপায় যদি অলপ কথা পাতিব পাৰিম নে ? খন্তেকৰ বাবে মই স্তব্ধ হৈ গ'লো। মোৰ মন এতিয়াও সম্পূৰ্ণ আড়ষ্টমুক্ত নহয়। সঁচাই হয়নে এইজনেই....

ঃ আপুনি মোক মাতিছিল ?

হয়তো সি ক’ব বিচাৰিছিল— “হয়, তই যেনেকৈহে বাহিৰলৈ চাই আছ, নহয় বান্দৰী। Oh Sorry বেয়া নাপাব। আপুনিতো এতিয়া ডাঙৰ মানুহ।” নাই... সি একো নক’লে। অস্থিৰতা ভাঙি সেয়ে মইয়ে আৰম্ভ কৰিলো—

ঃ মই ঠিক আপোনাক ... এনেকুৱা লাগিছে যেন আমি আগতে ক’ৰবাত...

সি হয়তো বুজিলে মই তাৰ আগত অভিনয় কৰি আছো... মইতো তাক চিনি নোপোৱাৰ কোনো কাৰণেই থাকিব নোৱাৰে। সোতৰটা বছৰ কিয়... হাজাৰটা বছৰৰ পাছতো তাক দেখিলেই যে মই চিনি পাম সি ভালদৰে জানে।

ঃ নহয়... আমি আগতে কেতিয়াও লগ হোৱা নাই। মই মাত্ৰ আপোনাৰ অনুৰাগী। ভাল লাগিছে... অসমৰ এই সাতামপুৰুষীয়া সত্ৰীয়া নৃত্যক আপুনি বিশ্বৰ বিভিন্ন স্থানত প্ৰদৰ্শন কৰি অসমলৈ গৌৰৱ কঢ়িয়াইছে। আমাৰ উঠি অহা নতুন চামকো শিকাইছে।

সঁচা, সকলোৱে অভিনয় কৰিব নাজানে। বাস্তৱত যেতিয়া। অভিনয় কৰিবলগীয়া হ’ল তেতিয়া কলেজৰ একালৰ দুৰ্দান্ত অভিনেতাজনেও ধৰা পৰিব লগাত পৰিল। মই বুজিলো সি পৰিস্থিতি সহজ কৰিবৰ বাবে এনেকৈ কৈছে। পিছে উত্তৰত মই কি ক’ম ভাবি নাপালো। মাত্ৰ ক’লো....

ঃ লগ পাই ভাল লাগিল আপোনাক। আশা কৰো আগলৈও পাম।

ওলাই আহিলো মই তাৰপৰা। অনুষ্ঠানৰ কৰ্মকৰ্তাই কৈছিল, “বাইদেউ, আপোনাৰ লগত অলপতে কথা-পাতি থকা ব্যক্তি গৰাকীয়ে কবিতা আবৃত্তি কৰিব। তেওঁ নামজ্বলা কবি অসমৰ। মাত্ৰ ছদ্মনামত কবিতা ৰচে বাবে কোনেও চিনি নাপায়। কণ্ঠস্বৰ বৰ ভাল। বাইদেউ আপুনি শুনিলে খুউব ভাল পাব।” কিন্তু মই তেওঁলোকক কেনেকৈ কওঁ যে এই কণ্ঠ মোৰ খুবেই চিনাকি। এই কবিয়ে এসময়ত কেৱল এজনৰ বাবেই যে কবিতা লিখিছিল... আৰু যে কিমান জনা-নজনাৰ ইতিহাস.....

মহানগৰীৰ ফুটপাথেৰে খোজ কাঢ়ি কাঢ়ি ওলাই আহিলো। কিন্তু সঁচাকে জানো ওলাই আহিব পাৰিলো আবেগৰ জগতখনৰ পৰা। আকাশেদি বৰষুণ নিগৰিছে। কিন্তু হৃদয়খন যেতিয়া তিতা যায়। আবেগৰ বৰষুণত, তেন্তে কি নাম হ’ব সেই বৰষুণৰ ?

নাই... মই ওলাই আহিবই লাগিব আবেগৰ জগতখনৰ পৰা। আবেগত পৃথিৱী নচলে। বৰষুণ পৰাৰ বাবে ধূলিময় পৃথিৱীৰ গছ-গছনিবোৰে গা-ধুই সেউজীয়া হৈ

পৰিছে। সেউজীয়া... যৌৱনৰ ৰং সেউজীয়া নে সেউজীয়া ৰঙবোৰ যৌৱনৰ দৰে। অনৰ্থক কিছুমান চিন্তা ৰাস্তাইদি আহি থাকোতে মন-মগজুত খুন্দিয়াই আছে। ৰাস্তাৰ কাষৰ গলিয়েদি কাৰোবাৰ জানাজা বাহিৰ হৈছে। মনত পৰিছে কলেজত পঢ়ি থাকোতে মোৰ এজন ইছলাম ধৰ্মাৱলম্বী বন্ধু আছিল। ইমান অন্তৰঙ্গ আছিল যে কেতিয়াবা তাক মোৰ নিজৰ দাদাৰ দৰে লাগিছিল আৰু কেতিয়াবা তাক দাদা বুলি মাতিও দিছিলো। এতিয়া সি ক'ত আছে নাজানো। কলেজৰ ক্লাছ শেষ কৰি যেতিয়া বাছৰ বাবে তিনিআলিত ৰৈ থাকো তেতিয়া কাষৰ মছজিদত আজান দিয়ে। তাক সোধো ইয়াৰ অৰ্থ কি? আজিও মনত আছে তিনি আলিটোত এজোপা ডাঙৰ বকুল গছ আছিল। কি ৰঙীন আছিল সেই দিনবোৰ... বন্ধুবোৰৰ স্মৃতিবোৰে কেতিয়াবা বৰকৈ আমনি কৰে। কেৱল বন্ধুৰ স্মৃতিয়েই আমনি কৰে নে? সৰুতে কোৱা শুনিছিলো ক'ৰবালৈ যাত্ৰা কৰোতে যদি শৱযাত্ৰা দেখে তেন্তে মংগল হয়। মই সেৱা এটা কৰিলো।

মই আগুৱাই গ'লো... জীৱনটো মাথো আগুৱাই গৈ থাকিলো। তথাপি জানো পাহৰিব পাৰিলো কৈশোৰৰ সেই বকুল তলৰ ধেমালিবোৰ? বকুলৰ সুগন্ধিবোৰ...

এনেদৰেইতো এদিন আৰম্ভ হৈছিল আমাৰ কলেজীয়া জীৱন... কোনো সুখো নাছিল কোনো দুখো নাছিল। মাত্ৰ হৃদয়ৰ একোণত এটা দুৰু-দুৰু আৰু উৎকণ্ঠাৰে লুটি বাগৰ দিছিল। সি... হয় সিও Addmission লৈছিল একেখন কলেজত। পিছে একে অঞ্চলৰ হোৱা সত্বেও তাৰ লগত মোৰ বৰ বিশেষ মাতবোল নাছিল। মাত্ৰ সৌজন্যমূলক Hi-Hello... ভাল-বেয়া... ছিটত বহিছিল। সেইদিনা 'দাদা' মানে দাদা যেন লগা বন্ধুজন অহা নাছিল। আৰম্ভ কৰিছিলো দুই এটা কথা। বৰ বিশেষ নহয়। ভবা নাছিলো মোৰ বাবে সেইজন ব্যক্তিয়েই হৈ পৰিব পৃথিৱীৰ প্ৰথমজন সেউজীয়া। ধৰা পৰিছিলো বন্ধু-বান্ধৱীৰ আগত। আন নালাগে এদিন অৰ্থনীতিৰ বাইদেউয়েও কৈছিল- "পলাশী আহি নোপোৱালৈকে সি মনটো মাৰি থাকে?" পিছে তেতিয়াও আমাৰ মাজত বৰ বিশেষ কথা পতা হোৱা নাছিল। সেই একেই সৌজন্যমূলক Hi-Hello... কিন্তু কাজিয়া হ'লে বহুত হৈছিল। কাজিয়া মানে তুমুল ৰণ, যুক্তিতৰ্ক। জানিছিলো তাক যুক্তিৰে হৰোৱা সহজ নহয়। তথাপি কেতিয়াবা নিজেই হাৰি দিছিলো। কাৰণ মই হৰাতকৈ তাক জিকা দেখি মোৰ বেছি ভাল লাগিছিল। মোক হৰুৱাই তাৰ চকুৰ একোণত জিলিকি উঠা আনন্দৰ ৰেঙণি মই দেখিছিলো। আৰু এদিন... এদিন আনি দিছিল সি মোক তাৰ এটা কবিতা। কি নাম আছিল কবিতাটো... অ' পৰিছে,

পৰিছে মনত। নামটো প্ৰাপ্তি আৰু প্ৰাপ্তিৰ সন্ধিক্ষণত...

কৈছিলো ঃ অণিৰুদ্ধ, তই কিন্তু সাংঘাটিক কবি দেই। সি মাত্ৰ হাঁহিছিল.... আৰু আঁতৰি গৈছিল।

সেইবোৰ সোতৰ বছৰৰ আগৰ ঘটনা। কলেজীয়া জীৱনৰ পাঁচটা বছৰত সি যে মোক কিমানটা কবিতা আনি দিছিল...

ঃ অনিৰুদ্ধ, তই বাৰু কাৰোবাৰ প্ৰেমত পৰিলি নেকি?

ঃ কিয় সুধিলি?

ঃ তই যে দিনক দিনে ইমান কবি হৈ গৈছ কথা কি।

ঃ বান্দৰী, কেতিয়াবা যদি তই মোৰ প্ৰতিভাৰ আদৰ কৰিলিহেঁতেন। ইফালে Major আকৌ Literatureত তাইৰ...।

ঃ ধেমালিও নুবুজা হ'লি নে?

ঃ নাই অ' ভয় হয়... কি বুলি কাৰোবাক ভালপাওঁ বুলি কম। মোৰ অৱস্থাটো তই ভালদৰে জান'। এসাজ খালে ইসাজলৈ চিন্তা। "কবিৰ উদং পকেটত ক'তেই বা ধন? গতিকে আঁতৰি থাকো। বাৰু বাদ দে... কাইলৈ Quiz লৈ যাবিনে?

ঃ কথা শুনা তাইৰ... ভালে ভালে ওলাই থাকিবি বান্ধবী। সেই সময়ৰ Prize Money Quize Competition বোৰত কেৱল আমাৰেই ৰাজত্ব চলিছিল। মই ইচ্ছা নথকাৰ সত্বেও গৈছিলো। কাৰণ সেই টকাৰেই যে অনিৰুদ্ধহঁতৰ জুহালত জুই জ্বলিছিল.... মাকৰ ঔষধৰ বাবে টকা ওলাইছিল। সেই মুহূৰ্তত বন্ধুৰ মুখত দেখিবলৈ পোৱা এটা তৃপ্তিৰ হাঁহিতকৈ মোৰ বাবে কি হ'ব পাৰে চৰম প্ৰাপ্তি....

আজিও কলেজীয়া দিনৰ স্মৃতি জল-জল পট-পটকৈ ভাঁহি আহে চকুৰ পটাত। সেইয়া লাগে Dance ৰ ৰিহাৰচেলৰ সময়ত কৰা উৎপাতেই হওঁক কিম্বা শীতৰ কুঁৱলীসনা এটা পুৱা Major Class খটি হ'লে বান্ধৱীৰ সতে ৰ'দত বহি বহি আড্ডা দিয়াই হওক। জীৱনৰ বাটতো কেতিয়াবা বাৰে বাৰে ৰিঙিয়াই মাতিছিল সেই কলেজখনে... পলাশী... ঘূৰি আহা, এয়া তোমাৰ জীৱন গঢ়াৰ কমাৰশাল।

গছ এজোপাৰ ছাঁত বৈ পিছলৈ উভতি চালো... দেখিলো, অনিৰুদ্ধও মোৰ পিছে পিছে আহি আছে। আচৰিত। এইবোৰ মইয়ে প্ৰথমে মাত লগালো। (কাৰণ তাকটো মই আজিলৈকে হাৰিবলৈ দিয়া নাই।)

ঃ অই, মোক সঁচাকে পাহৰিলি নেকি?

ঃ তোৰ এই অবান্তৰ প্ৰশ্ন সোধা স্বভাৱটো মোৰ ভাল লাগে....।

ঃ তাৰ মানে মনত আছে?

ঃ এই সোতৰটা বছৰতে মই বুঢ়া হৈ গ'লো বুলি ভাবিলি নেকি?

গছৰ ছাঁত ৰৈ থাকোতে যেন গছজোপাৰ পাতবোৰে সুহুৰিহে বজাইছে... দুয়ো খোজকাঢ়ি আগুৱাই গৈ থাকিলো। কাৰো মুখত মাত-বোল নাই। চিপ্-চিপ্ বৰষুণত তিতি-তিতি আমি কিমান দূৰ খোজ কাঢ়িলো নিজেও ধৰিব নোৱাৰিলো। এইবাৰো ময়ে অস্থিৰতা ভাঙিবলগীয়াত পৰিলো।

ঃ মেঘাৰ খবৰ কেনে?

ঃ কোন মেঘা?

ঃ এইবাৰ দেখিছো কোনোবাইহে অবান্তৰ প্ৰশ্ন কৰিছে। বিয়া কেতিয়া পাতিলি? মোক যে নামাতিলি?

ঃ মেঘা... বাদ দে।

ঃ কিয়?

ঃ বান্দৰী... তাই মোৰ Best friend তই মানে আমাক সন্দেহ কৰিছিলি?

ঃ অ'... আৰু সেই সময়তো সকলোৱে জানিছিল তোৰ আৰু মেঘাৰ কথা।

ঃ সঁচাই পাগলী তই। আৰু মোক মানে গোটেই কলেজখনেই ভুল বুজিলে। জমনি দে... শুন, মই বিয়া নাই পতা।

ঃ কিয়?

সি একো নামাতিলে। আগৰে পৰাই সি কম কথা কয় অহা যোৱা বাটত বা বাছৰ বাবে ৰৈ থকা তিনি আলিৰ বকুলজোপাৰ তলত মই হে মাত্ৰ তেপ-তেপ-তেপ মুখখন বজাই যাওঁ। আৰু ৰ লাগি শুনি থাকে সি। পিছে তাৰ মনৰ অনুভূতিবোৰ মুখত ফুটি উঠে... তাৰ চকুযোৰ মই পঢ়িব জানো। আজি সোতৰটা বছৰৰ পাছতো তাৰ মুখখন চকুহালি মই যেন পঢ়িব পাৰিলো। খং, ক্ষোভ, অভিমান, বিষাদ এই অনুভূতিবোৰ মুখখনত ফুটি উঠিছে, আৰু তাৰ চকুযোৰৰ একোণত কিবা যেন প্ৰাপ্তিৰ উৎসাহত আনন্দৰ ৰেশ আঁকিছে। (কি ঠিক, কিজানি মোক বহু দিনৰ মূৰত লগ পোৱাৰ বাবেই.....।)

আৰু মই? মই কি কৰিলো? মেঘালীক সি ভালপায় বুলি ভাবি তাৰ জীৱনৰ পৰা আঁতৰি আহিলো.... বাস্তৱত মই প্ৰয়োজনতকৈ বৰ বেছি জেদী আছিলো। মেঘাৰ সতে তাক দেখি মই কিজানি সহ্য কৰিব পৰা নাছিলো মোৰ অপমৃত্যু প্ৰেমবোৰক... যেতিয়া সমীৰে দিছিল মোক বিয়াৰ প্ৰস্তাৱ, মই একে মুখে মানি লৈছিলো। জীৱনৰ

সৰু এটা ভুলৰো চাগে কোনো ক্ষমা নাই। মই যি বৃহৎ ভুল কৰিলো, তাৰ কোনো সংশোধনো নাই। হৃদয়ে কুৰুকি কুৰুকি আজিও দহি আছে মোক...

এইবাৰ সি আৰম্ভ কৰিলে তাৰ কথাবোৰ আৰু কৈ গ'ল মোক... কেনেকৈ এদিন দেউতাকৰ মৃত্যু হ'ল, মৃত্যুৰ পাছত ৰুগীয়া মাকৰ মতে ঘৰখনৰ সমস্ত দায়িত্ব তাৰ ওপৰত পৰিল, কেনেকৈ তাৰ একমাত্ৰ ভগ্নীক গাঁওবাসীয়ে ডাইনী সজালে, আৰু এদিন ৰাতি... এদিন ৰাতি অন্ধবিশ্বাসত আক্ৰান্ত গঞা ৰাইজে সিহঁতৰ ঘৰ জ্বলাই দিলে...

ঃ জান পলাশী, নষ্টালজিয়াৰ প্ৰিয়তম নাৰীক মনৰ কথা ক'বলৈ থাকি গ'ল... এতিয়া সময়ো নাই। এতিয়া হৃদয়ৰ পৰা হৃদয়লৈ বহু যোজন বাট। সপোনবোৰচোন সব ছাৰখাৰ হৈ গ'ল...

এইবাৰ মই মনে মনে ৰ'লো। সিও জানে- সি নকলেও মই তাক বুজো। কি ভুল ধাৰণা আছিল মোৰ। মেঘা... মেঘালীয়েই সেইজনী ছোৱালী যাৰ কাৰণে সি কবিতা লিখিছিল, যাৰ কাৰণে সি বন্ধুমহলৰ পৰা আঁতৰি গৈছিল... যাৰ কাৰণে সি মোকো avoid কৰি চলিছিল। এই আটাইবোৰ ধাৰণা মোৰ ভুল বুলি আজি প্ৰমাণিত হ'ল। আচলতে বাস্তৱ আৰু নিয়তিৰ মেৰপাকত সি যেন এচপৰা শিল হৈ পৰিছিল। পদে পদে পোৱা নিৰাশাই তাক কঠোৰ কৰি তুলিছিল... যেন সি এজন যুঁজাৰু সৈনিক... যাৰ বাবে সি মানুহৰ সংগ এৰাই চলিছিল। এই কথা বুজিবলৈ মোৰ বহু পৰেই লাগিল।

মই বাৰু কেনেকৈ পাহৰি যাওঁ সেই দিনটো যিদিনা তাক মই মোৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ দিছিলো। হয়... সেইদিনাও সি অভিনয় কৰিব পৰা নাছিল মোৰ আগত। এজন সফল ব্যক্তিৰ হাতত মোৰ বিয়া হ'ব বুলি সি সুখী হৈছিল সঁচা... কিন্তু তাৰ চকুযোৰত মোত হেৰুওৱাৰ বিষাদে চানি মাৰি ধৰাও মই দেখিছিলো... আৰু মই? কিয় বুজিব নোৱাৰিলো তেতিয়া সেই চকুৰ ভাষা? কি ভুল ধাৰণা লৈ মেঘা তাৰ প্ৰেয়সী বুলি ভাবি একো নোকোৱাকে, মোৰ অনুভৱ আৰু সপোনবোৰৰ কথা তাক জানিবলৈ নিদিয়াকে তাৰ জীৱনৰ পৰা আঁতৰি আহিছিলো। সি ঠিকেই কয়... সঁচাকৈ মই প্ৰয়োজনতকৈ বেছি জেদী।

হয়তো সেইবাবেই আজিও মোৰ কাণত বাজি আছে মোৰ বিয়াৰ আগত কোৱা তাৰ অন্তিমটো বাক্য...

"তই সঁচাকৈয়ে যাবগৈ পলাশী?"

মই একো নমতাকে সেইদিনা গুচি আহিছিলো তাৰ ওচৰৰ পৰা পাছলৈ ঘূৰিও চোৱা নাছিলো। চোৱা হ'লে কিজানি আজি?

ঃ অই বান্দৰী, ভাবুক হৈ পৰিলি যে? বাৰু বাদ দে... তই তোৰ কথা ক। সংসাৰখন কেনেকৈ চলিছে? ল'ৰা-ছোৱালী?

ঃ সংসাৰখনৰ কথা... কি ক'ম। জান' অনিৰুদ্ধ মই এই পৃথিৱীৰ সবাতোকৈ সুখী নাৰী। মোৰ স্বামীয়ে মোক অসীম মৰম দিছে। অভাৱৰ নামেই শুনা নাই। সন্তান এটাও আছিল, তাৰ নাম দিছিলো... 'পোহৰ'।

ঃ পোহৰ... বৰ ধুনীয়া নাম। এতিয়া কোন ক্লাচত সি? বৰষুণ জাক হঠাৎ থমকি ৰ'ল। মইও যেন নিথৰ হৈ পৰিলো কেনেকৈ কওঁ...

ঃ অনিৰুদ্ধ, মোৰ প্ৰতিটো কথায়ে তোক কওঁ। আজিও কৈছো শুন। পোহৰ এতিয়া আমাৰ মাজত নাই। কিয় জান' অনিৰুদ্ধ, সি তাৰ জন্মতে বেমাৰৰ বীজাণু লগত লৈ আহিছিল... HIV। শেষবাৰৰ বাবে লগ হৈছো। আৰু কিজানি লগেই নাপাম তোক...। এই বীজাণু মোক মোৰ স্বামীয়ে উপহাৰ দিয়া। অই... তই কিন্তু ভুল নুবুজিবি। মোৰ স্বামীৰ কোনো নাৰীৰে সৈতে অবৈধ সম্পৰ্ক নাই। তেওঁ মোৰ বাহিৰে আনৰ কথা ভাবিবই নোৱাৰে। এই ৰোগ একেই চিৰিঞ্জত বেজি লোৱাৰ বাবেও হয়। মোৰ স্বামীয়ে তেওঁৰ বন্ধুমহলৰ লগত মোৰ বিয়াৰ আগৰ পৰাই ড্ৰাগচ লৈছিল। তেওঁৰ এদিনৰ কৌতুহলে যে তেওঁৰ লগতে পোহৰ আৰু মোকো শেষ কৰি দিলে অ'...।

**(প্ৰকাশ কালঃ ২০১৩-২০১৪)**

# সোঁৱৰণীৰ এখিলা পাতত দেউতা আৰু মা

**শাশ্বতী শৰ্মা**

আঘোন মহীয়া ধান দাই থাকোঁতেই নীতাক ঘৰৰ পৰা মাতি পঠিওৱা হ'ল বোলে আলহী আহিছে, উস ! কি যে মানে, এই ভৰ দুপৰীয়াখনো এইখন ঘৰলৈ আলহী আহিবলৈ নেৰিলে।

পকা ধানৰ সুবাস গাত ছটিয়াই তাই ঘৰ ওলালহি। "মাজনী, অ মাজনী আলহী আহিছে সোনকালে আজৰি হৈ আলহীৰ লগত কথা বতৰা পাত। এইবুলি মাকে কৈ থাকোতেই আজৰি হৈ তাই পাকঘৰলৈ সোমাই আহিল, "ক'ৰ আলহী অ' মা? হোৱাই নোহোৱাই যে ৰাজু ককাইদেৰে লগত ল'ৰাবোৰ লৈ আমাৰ ঘৰলৈ আহে? মাকৰ মৌনতাৰ প্ৰতি লক্ষ্য ৰাখি জিনাই মাত লগালে, "বা তই কিবা সদায় ঘৰতে থাকিম বুলি ভাবিছ নেকি? তোক চাবলৈ অহা আলহী এয়া।" নিমিষতে তাইৰ মূৰত আকাশী সৰগ ভাঙি পৰাৰ দৰে হ'ল, মাক-দেউতাকৰ আলাসত ডাঙৰ হোৱা ছোৱালীজনী, গাভৰু জীৱনৰ প্ৰথম চেৰেঙা ৰ'দতেই বিয়াৰ প্ৰস্তাৱ, উস, মই যে ভাবিবই নোৱাৰো, B.A. টো পঢ়াৰ খুউব ইচ্ছা ! কিন্তু, এইষাৰ কথা দেউতাক কওঁ কেনেকৈ? ঘৰৰ সাতটাকৈ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ খৰচ দিয়েই বা ক'ৰ পৰা? ৬০ টকা দৰ্মহাৰে পোহ-পাল দিয়েই বা কেনেকৈ? ইতিমধ্যে নীতাৰ ডাঙৰ বায়েকৰ বিয়া হৈ গৈছে, ককায়েক দুয়োটাৰে ভালদৰে ঠান-ঠিত লগা নাই, সৰু ভায়েক Class X লৈ পাওঁতেই C.R.P.F. গ'ল যি গ'লেই, আজিলৈকে তাৰ ছাঁটোও দেখিবলৈ নাই, দুয়োজনী ভনীয়েক এজনী Class IX ৰ এজনী Class XII ৰ।

তাই চিন্তা কৰি একোৰেই উৰা-দিহ নাইপোৱা। মাক-দেউতাকে পছন্দ কৰা এই ল'ৰাটোক তাই গ্ৰহণ কৰিব নে, নকৰে? যদি এই প্ৰস্তাৱ তাই প্ৰত্যাখ্যান কৰে, দেউতাকে মনত দুখ পাব। কাৰণ সুচৰিত্ৰ, শিক্ষিত তথা দেখাই শুনাই আকৰ্ষণীয় প্ৰহ্লাদক হাততে পায়ো হেৰুওৱাৰ মন দেউতাকৰ নাই। নিশা প্ৰায় ১২ বাজিবৰে হ'ল, নাই এতিয়ালৈকে টোপনিয়েই অহা নাইচোন, এই কথাবোৰে খুলি খুলি খাইছে তাইক।

পুৱা চৰাই চিৰিকটিৰ মধুৰ কাকলিৰ লগতে দেউতাকৰ বৰগীতৰ সুৰে তাইক টোপনিৰ পৰা জগাই দিলে, বিচনাৰ কাষতে থকা খিড়িকিখন খুলি দিলত পুৱাৰ কোমল মলয়াজাকে স্পৰ্শ কৰি নিলে দেহ-মন সকলো; ঘড়ীত ৬ বাজিবৰে হ'ল। "উঠ, উঠ, নীতা গাভৰু ছোৱালী এজনী ইমান দেৰিলৈকে শোৱা ভাল নহয়। পিছত শহুৰৰ ঘৰত গৈ ৪ বজাতেই বাঢ়নি ধৰিবগৈ লাগিব।" মাকৰ এই কথাষাৰে তাইৰ মনত উদ্বেগ সৃষ্টি কৰিলে। "হে ভগৱান ! ছোৱালী কৰিনো কিয় ভূমিষ্ঠ কৰিলা? কেৱল বিয়া, শহুৰৰ ঘৰ, এইবোৰে আৰু দিনে নিশাই আমুৱাই গৈছেগৈ। কন্যা হৈ জনম লোৱা মানেই অন্য এখন ঘৰলৈ গুছি যোৱা নেকি? এই কথাবোৰে তাইৰ বুকু বিযোৱাই তোলে।

কিন্তু.... কি কৰিব? সমস্যাৰ সমাধান যে তাই, তাইৰ দৰে কোনো নাৰীয়েই কৰিব নোৱাৰে।

*"মই দুৰাচাৰ, কেৱলে তোমাৰ*
*অপৰাধী নাৰায়ন..."*

মূল ঘৰৰ কাষতে লাগি থকা গোসাঁই ঘৰৰ পৰা নিঃসৰিত হোৱা দেউতাকৰ কণ্ঠৰ এই প্ৰাৰ্থনাটোৱে তাইৰ মনটো কিছু সময়ৰ কাৰণে পাতলাই তুলিছিল যদিও ক্ষন্তেক পাছতেই প্ৰহ্লাদ আৰু উৎপল (ৰাজু) ৰ উপস্থিতিয়ে তাইৰ মনটো একেবাৰে সেমেকাই তুলিলে।

উৎপল (ৰাজু) তাইৰ মোমায়েকৰ ল'ৰা, সমন্ধত ককায়েক। উৎপলৰ বন্ধু হিচাপে প্ৰহ্লাদ সিহঁতৰ ঘৰলৈ আহে। সকলো দিশৰ পৰা চালি জাৰি চাই প্ৰহ্লাদ নীতাৰ বাবে উপযুক্ত। সেইফালৰ পৰা তাইৰ আপত্তি নাই, কিন্তু... তাৰ ঘৰখন বা কেনেকুৱা?

সময়ে বাগৰ সলাই, এদিন দুদিনকৈ প্ৰায় এবছৰেই হ'বৰ হ'ল, প্ৰহ্লাদৰ সেইখন ঘৰৰ লগত চিনাকি, নীতাক খুজি অহাৰ, সেইবাবে এইবাৰ প্ৰহ্লাদে তেওঁৰ

মাক-দেউতাকক পঠিয়াই বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। মানুহৰ পৰিৱৰ্তনশীল মন। নীতায়ো মাক-দেউতাকক সুখী কৰিবলৈ গৈ এই বিয়াত সন্মতি জনালে। দুচকুত সঁচা সপোন ৰচি লাজৰ দীঘল ওৰণি টানি, এটা নতুন জীৱন, এখন নতুন ঘৰত খোজ পেলালে নীতাই, পিতৃ গৃহ ত্যাগ কৰি স্বামী গৃহলৈ যোৱাৰ সময়ৰ বেদনা হয়তো প্ৰতিগৰাকী বিবাহিতা নাৰীৰেই বোধগম্য। তথাপিও এই চিৰন্তন সত্যক প্ৰতিগৰাকী নাৰীয়েই স্বীকাৰ কৰিব লাগে।

সহজ-সৰল গাঁৱলীয়া ছোৱালী, কামে বনে সকলোতে পাৰ্গত আৰু তাইৰ মুখৰ মিঠা মাতষাৰে সকলোকেই অতি কম দিনৰ ভিতৰতে আপোন কৰি ল'লে। কিন্তু ? তাই ভাৱিব পৰা নাই প্ৰহ্লাদৰ বাদে ঘৰৰ বাকীসকলে তাইৰ মৰমক আকোঁৱালী লৈছে নে নাই ? নে প্ৰহ্লাদৰ চৰকাৰী চাকৰি নাই বাবে শহুৰ-শাহু লগতে ননদ দেওৰহতেঁ তাইক অৱহেলাৰ দৃষ্টিৰে চাই, নাই, তাই একোৱেই ভাবি পোৱা নাই, কি কৰিব কি নকৰিব, কিন্তু এনেদৰে বহুকেইটা দিনেই পাৰ হৈ গ'ল। যিজনী ছোৱালীক মাক-দেউতাক, ককায়েকহঁতে তিলমানো টোপ পৰিবলৈ দিয়া নাছিল। সেই ছোৱালীজনীয়ে শুনিব লগা হৈছে ননদ, দেওৰৰ কঠুৱা মাত। কিন্তু, প্ৰহ্লাদ, তেওঁতো এইবোৰ একোৱেই গম নাপায়, ঘৰখন ভাঙি যোৱাৰ ভয়তে নীতাই এইবোৰ কথা প্ৰহ্লাদৰ অজ্ঞাতে থৈছে, কাৰণ তাই জানে বহুত কথা ইয়াৰ পৰিণতি....

আবেলি ৩ বজালৈকে পাকঘৰৰ পৰা ওলাবলৈ নোপোৱা, ৰাতিপুৱা ৰঙা চাহটোপাৰ বাদে দিনটো পেটত একো পেলাবলৈ নোপোৱাৰ পাছতো আবেলি কৰ্কৰীয়া ভাতকেইটা মুখৰ আগতবাঢ়ি লওঁতেই শাহুৱেকে কথা শুনায়, "এই কুলক্ষণী জনীৰ গিৰিয়েকৰ চাকৰি এটাটো নায়েই, ঘৰলৈ বুলি কিবা এটা অনাৰ সামৰ্থ্যয়ে বা ক'ত ? তাই এইবোৰ কথাৰ কোনোদিনেই প্ৰতিবাদ নকৰিলে। মাথোঁ অন্তৰত যাতনা লৈ কণ্টকময় পথত আগবাঢ়ি গ'ল। এগৰাকী সাহসী আৰু ধৈৰ্য্যশীলা নাৰী হিচাপে।

নীতা আৰু প্ৰহ্লাদৰ বৈবাহিক জীৱনৰ ঠিক এবছৰ পাৰ হৈ গৈছে। তাই এতিয়া অন্তঃসত্বা। এগৰাকী গৰ্ভৱতী মহিলাই যি স্থান পাব লাগিছিল, সেয়া তাইৰ কপালত নিলিখিলে। প্ৰহ্লাদে কিতাপৰ দোকানখনৰ পৰা পোৱা টকাকেইটাৰেই তাইলৈ বুলি ফল-মূল বা কেতিয়াবা গৰু-গাখীৰ অকনমান লয়, তাতো শাহুৱেকহঁতৰ খেচ-খেচনি।

নিশা প্ৰায় ১০ বাজিবৰে হ'ল প্ৰহ্লাদ বিচনাতে পৰি আছে, নীতা শুবলৈ অহাই নাই, বাচন-বৰ্তন ধুই কৰি অহালৈ তাইৰ ১০-৩০ মানেই বাজে। দুৱাৰখন

বন্ধ কৰি তাই শুবলৈ আহিল।

নীতা আহিলা? আজি তোমাক কথা এটা কম বুলি ভাবিছোঁ তুমি বা কি ভাৱিছা?

কি কথা কওকচোন,

প্ৰতিগৰাকী নাৰীৰেই প্ৰথমটি সন্তান মোমায়েকৰ ঘৰত হ'ব লাগে হেনো, তুমি মাক কথাষাৰ সুধিছা নেকি?

তাই ক'লে, কথাটো ময়ো নভবা নহয়, কিন্তু, কিন্তু কি নীতা? ৰৈ গ'লা যে? কথাষাৰ শেষ কৰা সম্পূৰ্ণকৈ।

মানে? মাক কথাষাৰ কওঁ কেনেকৈ?

তুমি ৰাতিপুৱা এবাৰ মাক সুধি চাবা, কাৰণ সকলো নিয়মত হৈছে যেতিয়া এই কামটোও নিয়মত হ'লে ভাল হয়, নহয় জানো?

ঠিক আছে, সুধি চাম বাৰু।

আৰু এটা কথা নীতা Agriculture Dept ত Post ওলাইছে তাতেই এবাৰ Apply এটা কৰি চাওঁ নেকি?

চাকৰি এটা নথকাৰ বাবে দিনে নিশাই সকলোৰে কথা শুনাৰ পাছত নীতাই এই কথাত না কোৱাৰ প্ৰশ্নই নুঠে। তাই সহাঁৰি জনালে।

কুকুৰাৰ প্ৰথম ডাকত সাৰ পোৱা নীতাই পুৱাতেই উঠি চোতাল ঘৰ সাৰি, মছি, গা-পা ধুই গোসাঁই ঘৰত মূৰ দোঁৱালে, শাহুৱেকক ক'ম বুলি ভবা কথাষাৰৰ যাতে কিবা এটা সদুত্তৰ পায়।

সকলোৰে একেলগে বহি চাহ খাইছে, তেনেতে নীতাই পাকঘৰৰ পৰা মাকক সুধিলে, 'মা, আমাৰ প্ৰথমটি সন্তান আহিবলৈ ওলাইছে যেতিয়া মই মা'ৰ ঘৰলৈ যোৱাৰ নিয়ম আছে, আপুনি কি কয় মা?

শাহুৱেক নিমাত হৈ থাকিল, কাৰণ তেওঁ জানে নীতা ৪ মাহ ৫ মাহ ধৰি মাকৰ ঘৰত থাকিলেগৈ ঘৰৰ কামবোৰ কোনে কৰিব। কিন্তু নন্দেক ৰণিতাই মাত লগালে, 'বৌ তোমাৰ মানুহজনৰ চাকৰি-বাকৰি নাই কাৰণে ওলাইছা নেকি ঘৰলৈ?

নিমাখিত নীতাই মুখেৰে টু মাত্ৰ শব্দও নকৰিলে। সদায় নিজৰেই দোষ বুলি ভাবি লোৱা ছোৱালীজনীয়ে এতিয়াও ভাবি লৈছে এইয়া প্ৰহ্লাদ আৰু তাইৰ কপালৰ লিখন।

এনেদৰেই দিনবোৰ গৈ থাকিল, তাই ৫ মাহত ভৰি দিলেহি, শাহুৱেকৰ

কথাক প্ৰথমবাৰৰ বাবে আওকাণ কৰি নীতা ঘৰলৈ যাবলৈ ওলাল। প্ৰহ্লাদে গাড়ীখনকে ভাড়া কৰি নীতাহঁতৰ ৰংদৈৰ ঘৰলৈ গ'ল। বিয়াৰ পাছত কোনোদিনেই ঘৰৰ পৰা ওলাবলৈ নোপোৱা নীতাই আজি বন্দীত্বৰ পৰা মুক্তি পোৱা যেন পাইছে। তাকে বিয়া দি উলিয়াই দিয়া ছোৱালী এজনীৰ মাকৰ ঘৰলৈ কিমান হেঁপাহ সেয়া বিবাহিতা নাৰীয়েহে বুজিব।

গাড়ীৰ Glass খন আধাকৈ খুলি তাই বাহিৰলৈ চাই আহিলে। শাৰী শাৰী গছবোৰ, মনোমোহা চাহ বাগিচাবোৰে তাইৰ মনত এক অপাৰ আনন্দ দিলে।

"কি ভাৰিছা নীতা, প্ৰহ্লাদে মাত লগালে। "নাই তেনেকৈ একো ভবা নাই, প্ৰকৃতিৰ সৌন্দৰ্য্যবোৰ উপভোগ কৰিছো, বহুদিনৰ বেলিকা, বৰ ভাল লাগিছে। বেলি ডুবাৰ দৃশ্যটো চাওকচোন আৰু সৌ চৰাইজাকলৈ চাওকচোন কেনেকৈ নিজৰ বাহলৈ উৰা মাৰিছে। এই সকলোবোৰেই ক্ষন্তেকসময়ৰ বাবে হ'লেও সকলো দুখ-বেদনা পাহৰাই ৰাখে, নহয়নে?

অ, নীতা, সঁচাকৈ আকৰ্ষণীয় এই সকলোবোৰ। তুমি ছাগে ল'ৰালিত এইবোৰৰ মাজতেই উমলিছিলা?

ঠিকেই, কিন্তু, সেই সোণালী শৈশৰ, ৰূপোৱালী দিনবোৰ ক'ত যে, হেৰাই গ'ল মাথোঁ এতিয়া অনুভৱ হে কৰিব পাৰোঁ।

গাঁৱৰ দীঘলীয়া পদূলিত গাড়ীখন সোমাই অহাৰ লগে লগে জী-জোঁৱাইৰ অপেক্ষাত থকা দেউতাকে সিহঁতক দেখি আগবাঢ়ি আহিল। ভালদৰে চকুৰে মণিব পৰা নাই যদিও নিজৰ সন্তানৰ হাতৰ স্পৰ্শ অনুভৱ কৰি, হুৰহুৰাই জীয়েকক সাৱটি কান্দিবলৈ ধৰিলে। 'তই ইমানদিনে ক'ত আছিলি অ' মাজনী, মোৰ বুকুৰ আমঠু তোলৈ বৰ মনত পৰে, কিন্তু বুঢ়া বাপেৰে তোৰ খবৰ এটা লবলৈও নিজে যাব নোৱাৰা হ'লো।'

দেউতাকে তেনেদৰে থাকোঁতেই মাক ওলাই আহি মাত লগালে ছোৱালীজনী ভাগৰে জুগৰে আহি পাইছে। আপুনিনো কি কন্দা কটাখন কৰিছে।

আহ মাজনী, প্ৰহ্লাদ আহাঁ, বোপাই আহা। মুখ হাত কেইটা ধুই কিবা এটা খাই ল। নবৌৱেক ৰুমীয়ে পিঠা পনাৰে সৈতে সিহঁতক চাহ দিলে। চাহ খাই থাকোঁতেই ডাঙৰ ককায়েক আহি পালেহি। এনেদৰে কথা বতৰা পাতোঁতেই সন্ধিয়া সময়কণ পাৰ হৈ গ'ল, ৰাতি মাছে মাংসই বহুদিনৰ মূৰত একেলগে এসাজ খালে।

শুবলৈ যোৱাৰ আগত মাকে তাইক ক'লে, মাজনী সদায় গাখীৰ এগিলাচ

খাই শুবি। তেতিয়া স্বাস্থ্যটো সবল হৈ থাকিব। হোঁ এইগিলাচ খাই ল।

মাক ৰুমৰ পৰা ওলাই গ'ল। সিহঁত শুবলৈ ল'লে, গিৰিয়েকে ক'লে — "নীতা মই হয়তো ঘৰলৈ গৈ সোনকালেই উভতি আহিব নোৱাৰিম। চাকৰিটোৰ কাৰণেও অলপ দিন অফিচলৈ অহা যোৱা কৰি যোগাযোগটো ৰাখিব লাগিব। চাকৰিটো নহ'লে বৰ বিপদ হ'ব। তোমাকটো বিয়া কৰাই আনি অভাৱৰ মাজতেই ৰাখিলো, এতিয়া আহিবলগীয়া সন্তানটো, সেই দেৱশিশুটিকো যদি..."

নাপায়, তেনেকৈ নকব। যদি দুখেই নাথাকে সুখ কেনেকৈ আহিব? বিশ্বাস ৰাখি আগবাঢ়ক, এদিন সুখৰ দিন আহিব। সদায় মনত ৰাখিব ৰাতিপুৱাৰ সময়তহে অন্ধকাৰ বেছি হয়।

তুমি সঁচাকৈ মহিয়সী নীতা। তুমি সদায় এনেদৰেই মোক সাহস দিবা। আমি নিশ্চয় পাৰিম। শুনা কালিলৈ মই যামগৈ, তুমি সাৱধানে থাকিবা। মই পাৰিলে মাজতে আহি যামহি, যদি নোৱাৰো, তোমাৰ দিন আহিলে দাদাহঁতৰ যোগেদি মোক খবৰটো দিবলৈ ক'বা। মই আহিম, এতিয়া ভালদৰে শুই থাকা।

ৰাতিপুৱালেই দেউতাকে বৰগীত গাই সকলোকে টোপনিৰ পৰা জগোৱাৰ অভ্যাস আজিও আছে। দেউতাকৰ বৰগীতৰ তানত সকলোৱে শোৱা পাটী এৰি প্ৰত্যেকেই নিজৰ নিজৰ কামত ধৰে। এইখন ঘৰত প্ৰতিদিনাই বৰগীতৰ সুৰত সৃষ্টি হয় এক শান্ত, নিৰ্জু আৰু আধ্যাত্মিক পৰিৱেশ।

বৌৱেক ৰুমীয়ে গা-পা ধুই ভাত পানী ৰান্ধি প্ৰায় আজৰি হ'বৰে হ'ল। সকলোকে খুৱাই-বুৱাই কামে কামে পঠিওৱাটো তেওঁৰ দায়িত্ব।

প্ৰহ্লাদ, ভাত বাঢ়িলো, আহাঁ গৰমে গৰমে খাই লোৱাঁহি।

ভাত-পানী খাই প্ৰহ্লাদ যাবলৈ ওলাল। সকলোৱে পদূলিলৈকে আগবঢ়াই থৈ গ'লহি। মা, নীতাক চাব। আৰু নীতা তুমিও ভালদৰে থাকিবা। গাড়ী আহিলেই, মই আহোঁ।

সন্ধিয়া হোৱাৰ আগতেই প্ৰহ্লাদ ঘৰ পালেগৈ। নিজৰ সন্তান হ'লেও মাক-দেউতাকে তেওঁক কোনোদিনেই পেটৰ পোৱালীৰ দৰে ব্যৱহাৰ নকৰে, কাৰণ এটাই, তাৰ ভাল চাকৰি নাই, ভাল Income নাই, কিতাপৰ দোকানহে দিয়ে।

কিন্তু, তেওঁ জানে ভাল দিন সকলোৱে জীৱনলৈ একেলগে নাহে, সি আহে এদিন এদিনকৈ,

আজি ২১ জানুৱাৰী, আজি প্ৰহ্লাদৰ Interview আছে। নীতা তেওঁৰ পৰা

দূৰত আছে যদিও তেওঁৰ মংগলৰ বাবে সদায় ভগৱানক খাটে। আজিও গোসাঁই ঘৰত সোমাই তাই সেই কথাষাৰ ভাৱিছে লগতে সিহঁতৰ সন্তানটিৰ প্ৰতি দয়া কৰিবলৈ কাকুতি কৰিলে। প্ৰহ্লাদেও ভগৱানক চিন্তা কৰি Interview লৈ বুলি ওলালে। এনেকুৱা এটা দিন আছিল, যিটো দিনত ২ টকা গাড়ী ভাড়াও দেউতাকে প্ৰহ্লাদক নিদিছিল। কিন্তু ভগৱান সৎজনৰ প্ৰতি ইমান নিষ্ঠুৰ নহয়। সেইসময়ত দেউতাকৰ স্থান ল'লে এজন সমন্ধীয় ককায়েকে। যাবলৈ ওলোৱাৰ সময়ত ৫ টকা এটা পকেটৰ পৰা উলিয়াই দি ক'লে, 'বোপাই ভালদৰে যাবি।' দেউতাকে কৰা অৱহেলা আৰু তেজৰ সমন্ধ নথকা ককায়েকজনে দিয়া আশীষলৈ তেওঁ ওলাই গ'ল।

নীতাৰো দিন চমু চাপি আহিল, প্ৰহ্লাদেও তাইক দেখা কৰিবলৈ যাব পৰা নাই। তথাপিও সদায় নেদেখাজনৰ ওচৰত মিনতি কৰে তাইক যেন কুশলে ৰাখে। আজি সন্ধিয়াৰ পৰা নীতাৰ গাটো বৰ ভাল নহয়। পেটৰ বিষে আমনি কৰিছে। ঘৰত মাক-দেউতাক, ককায়েকহঁতৰ চিন্তা। ককায়েক মহেশে গাঁৱৰে ধাই এজনী মাতি আনিলে। সকলোৰে ভয় শংকাৰ মাজেৰে পাৰ কৰিলে, ধাইগৰাকীয়ে যিমান পাৰে শুশ্ৰূষা কৰি আছে তথাপিও বিষে বেচিঁকৈ ধৰিলে তাই চিঞৰ-বাখৰ লগায়। এনেদৰে অতি কষ্ট আৰু যন্ত্ৰণাৰ মাজত নিশাটি কটোৱাৰ পাছত পুৱা ৭-০০ বজাত এটি কন্যা সন্তানৰ আগমনে ঘৰখন পোহৰাই তুলিলে, প্ৰহ্লাদ আৰু নীতাৰ দুচকুলৈ নমাই আনিলে জোনাক। সেই একেদিনাই আহিল প্ৰহ্লাদৰ Calling Letter ককায়েকহঁতে প্ৰহ্লাদক দেউতাক হোৱাৰ খবৰটো দিলে।

ইয়াতকৈ সুখৰ খবৰ কি থাকিব পাৰে এফালে পিতৃত্বৰ খবৰ, আনফালে চাকৰিৰ Calling Letter প্ৰহ্লাদে নিজৰ ছোৱালীজনীক চাবলৈ সেইদিনাই গাড়ীত উঠিল। ছোৱালী জনী জন্ম হোৱাৰ বাবে শহুৰ-শাহুৰে এতিয়াও অৱহেলা কৰিলে তাইক, শাহুৱেকে শুনালে, "সম্পত্তি খাবলৈ ল'ৰা এটা আনিব নোৱাৰিলি ?" ননদে ক'লে, "সম্পত্তি খাবলৈ সিহঁতৰ সম্পত্তিয়ে নাইচোন, সেই কাৰণে এই জনীকে আনিলে।"

দিনবোৰ গৈ থাকিল, বোৱতী নদীয়ে সুতি সলোৱাৰ দৰে এই দেৱশিশুটিও অলপ অলপকৈ ডাঙৰ হ'বলৈ ধৰিলে, এবছৰ, দুবছৰকৈ, তিনিবছৰেই পাৰ হ'বৰ হ'ল, নীতা আৰু প্ৰহ্লাদৰ একমাত্ৰ সন্তানটি School ত দিবৰ হ'ল। তেওঁলোকে সিদ্ধান্ত ল'লে যে তেওঁলোকৰ একমাত্ৰ ছোৱালীজনীক লৈ ৰচা সপোনবোৰ বাস্তৱায়িত কৰিবলৈ হ'লে এইখন ঘৰৰ ৰক্ষণশীলতাৰ পৰা ওলাই আহিবই লাগিব। যিখন ঘৰত পদে পদে নাৰীক অৱহেলা কৰে, সেইখন ঘৰত তাইৰ অস্তিত্বই বা ক'ত ?

এদিন এটা ভাড়াঘৰ ঠিক কৰি প্ৰহ্লাদ আৰু নীতা তেওঁলোকৰ ছোৱালীজনী লৈ গুচি আহিল। আহিবৰ সময়তো তেওঁলোকে শহুৰ-শাহুৰ পৰা কটু কথাই শুনিবলৈ পালে, 'যা যা জীয়েৰক কিমান ডাঙৰ মানুহ বনাৰ চাম নহয়।"

প্ৰহ্লাদ আৰু নীতাই তেওঁলোকৰ ছোৱালীজনীক তেওঁলোকৰ ভাড়াঘৰৰ ওচৰৰে এখন অসমীয়া মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিলে। পঢ়া-শুনাৰ লগতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ মাক-দেউতাকে তাইক অনুপ্ৰেৰণা দিলে। সদায়ে মেধা শক্তিৰ পৰিচয় দিয়া এই কণমানীজনীয়েই এদিন হৈ পৰিল মাক-দেউতাকৰ লগতে সমাজৰ পৰিচয়। মাক-দেউতাক তথা সকলোৰে মৰমৰ বিস্ময়িকাই Class V ত থাকোতেই স্থিৰ কৰি লৈছিল জীৱনৰ লক্ষ্য। বিভিন্ন গল্প, কবিতা ৰচনা কৰি ভালপোৱা ছোৱালীজনীয়ে শৈশৱতেই আয়ত্ব কৰিছিল এগৰাকী প্ৰশাসনিক বিষয়া হোৱাৰ প্ৰায় সকলোখিনি গুণ। যিজনী ছোৱালীক জন্ম দিয়াৰ বাবে তাইৰ পিতৃ-মাতৃ হাহিয়াতৰ পাত্ৰ হ'ব লগা হৈছিল, সেইজনী ছোৱালীয়েই সৰ্বভাৰতীয় পৰ্যায়ত জিলিকি উঠিল অসমৰ গৌৰৱ তথা ভাৰতবাসীৰ গৌৰৱ IS Dr. Bishmayika Kashyap বুলি। নীতা প্ৰহ্লাদৰ সকলো সপোন বাস্তৱায়িত কৰি আজি তেওঁলোকৰ একমাত্ৰ সন্তানটিয়ে শিৰত পিন্ধিলে সৰ্বভাৰতীয় পৰ্যায়ৰ মুকুট। পিত-মাতৃক দিলে এক নতুন পৰিচয়। IS হৈও দেউতাকৰ সান্নিধ্যত সৃষ্টি কৰা তেওঁৰ গল্প, কবিতাবোৰ আকৌ লেখিবলৈ আৰম্ভ কৰিছে। তেওঁ লেখি গ'ল মাক-দেউতাকৰ জীৱনৰ বহুতো ঘাট-প্ৰতিঘাট প্ৰতিবাদৰ ভাষাৰে, যি লেখনিয়ে আজি ছিঙিব পাৰিছে সমাজৰ ৰক্ষণশীলতা, শোষণশীলতা, বহুতো...।

সমাজত অৱহেলিত হৈও কিদৰে বিশ্বাস আৰু সাহসেৰে প্ৰতিগৰাকী নাৰীয়ে নিজৰ স্থান প্ৰতিপন্ন কৰিব পাৰে তাৰেই জ্বলন্ত সাক্ষী নীতা। এটকা পইচাৰ কাৰণে হাহাকাৰ কৰা নীতা আৰু প্ৰহ্লাদ এতিয়া ৰাজ সুখত, কাৰণ তেওঁলোকে জীৱনৰ সৰ্বস্ব ত্যাগী গঢ়ি তুলিলে তেওঁলোকৰ অদূৰ ভৱিষ্যতক, তেওঁলোকৰ সপোনক। সেই জনী ড° বিস্ময়িকা কাশ্যপে তেওঁৰ পিতৃ-মাতৃৰ সোঁৱৰণত তথা তেওঁলোকৰ জীৱনৰ আধাৰত প্ৰকাশ কৰিলে তেওঁৰ একমাত্ৰ গল্প "সোঁৱৰণীৰ এখিলা পাতত দেউতা আৰু মা"....

**(প্ৰকাশ কালঃ ২০১৪-২০১৫)**

# অপৰাহ্ন

**সুস্মিতা বৰঠাকুৰ**

হঠাৎ বুকুখন জহি খহি আহে। শিল বৰষুণে থকাসৰকা কৰে মোৰ কলিজা। অসহ্য যাতনা। অসহ্য এই জীৱন। কেতিয়াবা ভাব হয় 'মৰি যাওঁ নেকি? শেষ কৰি পেলাও নেকি এই বৰবিহখিনিক?' কিন্তু কিয়? কিয় শেষ কৰিম নিজক? হঠাৎ মনলৈ আহে গ্যেটেৰ 'The Harher's Song' 'যি মানুহে চকুপানী টুকি টুকি নিজৰ আহাৰ খোৱা নাই, যি মানুহে চকুপানী টুকি টুকি গোটেই ৰাতি উজাগৰে কটাই পোৱা নাই, হে দিব্যশক্তি, তেনে মানুহে কেতিয়াও তোমাক জানিব নোৱাৰে।' ময়ো তেন্তে জীয়াই থাকিম। আত্মানুসন্ধানৰ বাবে, ঈশ্বৰৰ অন্বেষণৰ বাবে জীয়াই থাকিম ময়ো।

ঃ "বাইদেউ, সোমাব পাৰোঁ নে?"

দীপকে মোৰ অফিচ ৰুমৰ দুৱাৰখন লাহেকৈ টুকুৰিয়াই খুব নম্ৰভাবে সুধিলে।

ঃ "অঁ দীপক, আহাঁ, আহাঁ, বহাহি.... কি খবৰ? বহুত দিন দেখা-দেখি নাইচোন।"

ঃ "ধন্যবাদ বাইদেউ, মোৰনো ভাল-বেয়া কি, আছোঁ আৰু তেনেকৈয়েই, আপুনি ভালে আছে?"

ঃ "ভালেই আৰু... আছো এই অফিচটোৰ মাজতে, ইয়াৰ মানুহখিনিৰ মাজতে। পিছে তুমি এতিয়া কি কৰি আছা?"

ঃ "বাইদেউ মই সেইটো কাৰণতে আহিছিলো আপোনাৰ ওচৰলৈ'... আপুনিতো আমাৰ ঘৰখনৰ কথা জানেই, দেউতাও ঢুকাই থাকিল যোৱা বছৰ।

মোৰ MA পাছ কৰা দুবছৰেই হ'ল, আজিলৈকে ক'তো একো এটা কাম পোৱা নাই। চলিবলৈ বৰ কষ্ট হৈছে বাইদেউ। প্লিজ আপোনাৰ কোম্পানিটোতে কিবা সৰু-সুৰা কাম এটা যোগাৰ কৰি দিয়ক প্লিজ।"

দীপকে চকীখনৰ পৰা উঠি মোৰ আগত হাতযোৰ কৰি থিয় হৈ কৈছিল। মই তাক কি ক'ম, কেনেকৈ বুজাম, ঠিক ধৰিব পৰা নাছিলো। হাতাশা আৰু অভাৱে অকালতে শোতোৱা পেলোৱা তাৰ নিস্তেজ মুখখনলৈ চাই মই তাক পুতৌ কৰিম, নে এজন সাধাৰণ চাকৰিৰ 'ভিক্ষা' খোজাৰ বাবে এগৰাকী উচ্চপদবীধাৰি বিষয়া হিচাপে নিজৰ পদক লৈ গৌৰৱ কৰিমনে তাৰ দুখখিনি মোৰ দুখতকৈ কম বুলি জানি চিঞৰি চিঞৰি কান্দিম।

ৰ'দে ধোৱা পথাৰখনলৈ থৰলাগি চাই আছোঁ মই। ডুবু ডুবু বেলিটোৱে নীলাকাশৰ চৌপাশে সিঁচি দিছে অযুত হেঙুলীয়া ৰহণ। আজি অফিচৰ পৰা সোনকালে আহিলো। দীপকক মোৰ এই প্ৰাইভেট কোম্পানিটোত সৰু হ'লেও চাকৰি এটা দিয়াৰ ব্যৱস্থা কৰি আহিছো। হওঁক তেওঁ... সেই শেতাঁ পৰা মুখখনলৈ অলপ হাঁহি আহিব। দেউতাক ঢুকোৱাৰ পৰাই সিহঁতৰ ঘৰখনৰ কমখন লটি ঘটি হ'লনে। সঁচাকৈয়েই কোনোবা আপোনজনে যদিহে হঠাতে লগ এৰা দিয়ে, কষ্ট হয়, বহুত কষ্ট।। সৰুতে এদিন সপোনতে দেউতাক খৰি দিয়া দেখিছিলো, তেতিয়াই সেই কণমাণি স্নিগ্ধাই কান্দি কান্দি গোটেই দিনতো দেউতাৰ কোচৰ পৰা নমা নাছিল। অথচ আজি...।

ঃ "বাইদেউ চাহ দিলো।"

চম্পাৰ মাতত মই ভাবৰ জগতৰ পৰা উলটি আহিলো। ইতিমধ্যে আকাশত হেঙুলীয়া ৰেখা আঁকি বেলিটো পাহাৰৰ বুকুত লুকাল। মই বাৰাণ্ডাৰ বেতৰ চকীখনৰ পৰা লাহেকৈ উঠি ভিতৰলৈ সোমাই গৈ ডাইনিঙৰ চকীখনত বহিলোগৈ। আজি দুদিন ধৰি কাৰেণ্ট নাই। ইন্‌ভাৰেটাৰটোৰো চাৰ্জ শেষ হ'ল। চম্পাই ৰুমটো পোহৰাই থ'বৰ কাৰণে বেৰৰ কাষতে লাগি থকা টেবুলখনতে ষ্টেণ্ড এডালত মম কেইডালমান জ্বলাই থৈছে। মমৰ ক্ষীণ পোহৰত নিঃশব্দ ৰুমটোৰ নিৰৱতা যেন আৰু বাঢ়িছে। উস্; নোৱাৰি সহ্য কৰিব এই শব্দহীন জীৱন! মই উচ্‌াট মাৰি উঠি গৈ শোৱাৰুম পালোগৈ।' আইনাখনৰ সমুখত থিয় হৈ ক্ষীণ পোহৰৰ মাজেৰে নিজৰ মুখখনলে চালো। বয়সে আঁচোৰা মুখখন লাহে লাহে কোঁচ খাবলৈ ধৰিছে দেখোন! চকুৰ তলৰ ক'লা দাগবোৰ দিনে দিনে বেছি হৈ আহিছে। Compact টোৰ পৰা পাউদাৰ

অকণমান পাফ্‌টোত লগাই লৈ যিমান পাৰোঁ খৰকৈ, জোৰ দি দি মুখত সানিছো। দুবাৰমান এনেদৰে সনাৰ পিছত মুখৰ দাগবোৰ, সৰু সৰু ৰেখাবোৰ লাহে লাহে অস্পষ্ট হৈ পৰিছে। এইদৰে পাউদাৰ অকণমান ঘঁহিলে অন্তত কোনেও মোৰ মুখৰ এই দাগবোৰ নেদেখে। কিন্তু, কিন্তু বুকুত ৰৈ যোৱা এই দাগবোৰ কোনে নোহোৱা কৰিব পাৰিব? কিহেৰে ঘঁহি, কি সানি নোহোৱা কৰিব পাৰিম এই দাগবোৰ?

বুকুৰ ভিতৰত জৰ্‌জৰকৈ যেন কিবা এটা খহিব ধৰিছে; থৰক বৰক খোজেৰে গৈ মই বিচনাখনত বহিলো। নিঃশব্দতাৰ ভয়ত ড্ৰয়িং ৰুমটোৰ পৰা পলাই আহিছিলো ইয়ালে, কিন্তু ইয়াতো...

লাহেকৈ চকু ঘূৰাই বেৰত আঁৰি থোৱা ফটোকেইখনলৈ চালো। কপালত ৰঙা শিৰত সেন্দুৰ আঁকি ৰঙা পাটৰ কাপোৰযোৰ পিন্ধা হাঁহিমুখীয়া তাহানিৰ স্নিগ্ধাজনী আৰু অলপ সময়ৰ আগতে আইনাত দেখা এই উকা শিৰৰ সৈতে বগা কাপোৰ পিন্ধা স্নিগ্ধাজনীৰ মাজত কিমান পাৰ্থক্য।।

এজাক মৃদু বতাহে ৰুমটোৰ খিড়িকীৰ পৰ্দাকেইখন লৰাইছেহি। দুৱাৰত আঁৰি থোৱা হাৱা ঘণ্টাটোৰ টিং টিং শব্দই যেন অকলশৰীয়া এই হৃদয়ক অলপ সকাহ দিছেহি। এই মৃদু বতাহৰ লগে লগে মোৰ মনটোও যেন উৰি গৈছে তাহানিৰ মোৰ সেই সেউজীয়া পথাৰ ডৰালৈ...

ঃ "স্নিগ্ধা, বেগেতে কৰা অ', দেৰি হৈছে নহয়। ছোৱালীৰ ওচৰত গৈ অলপ সময় ৰ'বলে নাপালো বুলি পিছত তুমি নিজেই মুখ ফুলাবা।"

প্ৰিয়মে গাড়ীৰ ডিকিত বস্তুবোৰ ভৰাই ভৰাই কৈছিল সেইদিনা। দুমাহৰ মূৰত তেওঁৰ কলিজাৰ টুকুৰা ৰিয়াজনীক হোষ্টেলত লগ কৰিবলৈ যাব, মুখখন তেওঁৰ এক অনন্য পোহৰত জিলিকি উঠা যেন লাগিছিল। আমাৰ একমাত্ৰ ছোৱালী ৰিয়াক লগ কৰিবলৈ ময়ো যে সেইদিনা কিমান লৰালৰি কৰিছিলো ঠিকনা নাই। আনকি লৰালৰিৰ কোবত সেইদিনা হাৰাই ছেণ্ডেলেৰেই গুৱাহাটীত থকা তাইৰ হোষ্টেল পাইছিলোগৈ। হঠাৎ আমাক সেইদিনা হোষ্টেলত দেখা পাই ৰিয়া যেন পাগলী হৈ পৰিছিল। সেই Surprise টো তাইৰ জন্মদিনৰ Best Gift আছিল হেনো সেইদিনা।

এনেদৰেই পাৰ হৈছিল স্বাধীনতা সংগ্ৰামৰ শক্তিশালী মুক্তিযোদ্ধা ৰামেশ্বৰ বৰুৱাৰ নুমলীয়া জী স্নিগ্ধা আৰু জোঁৱাই প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰিয়ম শৰ্মাৰ সৰু সংসাৰখন। অভাৱ-অনাতন কি বুজি পোৱা নাছিল সেই স্নিগ্ধাই। 'অকলশৰীয়া',

'নীৰৱতা' — এই শব্দবোৰৰ সংজ্ঞা বিচাৰি নোপোৱা স্নিগ্ধা বৰুৱাক এইবোৰ শব্দৰ অৰ্থ শিকাই পাৰ হৈ গৈছিল প্ৰথমজাক ধুমুহা। সেইদিনা আছিল গৰুবিহু।

ঃ "হেৰা, তাইক আনিবলে' নোযোৱা নেকি? গাটো ধোওঁতেই ইমান দেৰি লাগেনে? মই মাইকী মানুহজনীয়ে চব কাম কৰি আজৰি হ'লো, তেওঁৰ আকৌ...

ঃ "ৰ'বা, ৰ'বা Madam, গৈছো। ইমান হাল্লা নকৰিলেও হ'ব.... আৰু, আমাৰ মাজনীহঁতৰ এইখন কি কলেজ অ'? বিহুৰ আগদিনালৈকে পৰীক্ষা পাতে।"

প্ৰিয়মে লৰালৰিকৈ কাপোৰসাজ পিন্ধি গাড়ীখন উলিয়াবলৈ গেৰেজৰ ফালে গৈছিলহে মাথো....

"প্ৰি—য়—ম"

মই তেওঁৰ নামটো মাত্ৰ এবাৰহে উচ্চাৰণ কৰিছিলো হেনো! প্ৰিয়মে হাতত লৈ যোৱা চাবিকেইটা তাতে পেলাই থৈ দৌৰি আহিছিল মোৰ ওচৰলৈ।' মই ড্ৰয়িংৰুমটোৰ ফ্ল'ৰত তলমূৰ কৰি পৰি আছিলো। ৰুমটোত টি. ভি. টোৰ প্ৰতিটো শব্দ প্ৰতিধ্বনিত হৈ আছিল। মই আৰু বেছি একো শুনা বা বুজাৰ জ্ঞানখিনি হেৰুৱাই পেলাইছিলো। যেতিয়া নিজকে হস্পিটেলৰ বিচনাত পাইছিলো, তেতিয়া কাণত বাজি উঠিছিল সেই শব্দকেইটা— "ব্ৰেকিং নিউজ... হয়, ৰঙালীৰ আনন্দ উলাহৰ মাজতে ৰাজ্যত অঘটন। চলন্ত ৰেলত যুৱতীক ধৰোতা... ধৰ্ষণকাৰীয়ে যুৱতীক পেলাই দিয়ে চলন্ত ৰেলৰ তলত ... ধৰ্ষিতাৰ নাম...

উস্! বুকু ভেদি পাৰ হৈ যোৱা প্ৰতিটো শব্দ, চোকা কাঁড় একোপাটে যেন শালী ধৰিছিল মোৰ বুকু! 'ব্ৰেকিং নিউজ বুলি ডাঙৰ ডাঙৰ আখৰেৰে দেখুওৱা কাৰোবাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ অভিশাপতো দেখোন TRP বঢ়োৱাৰ মাধ্যম হৈ পৰে। উশাহ বন্ধ হৈ যোৱা যেন লাগিছে মোৰ। ৰাক্ষসৰ হাতোৰাই সেইদিনা আঁচুৰি বাকুটি চিঙি পেলাইছিল মোৰ কলিজাৰ এফাল। উন্মাদ কামনাৰ লেতেৰা নখেৰে ৰুকি-ৰুকি শেষ কৰি পেলাইছিল সেইদিনা মোৰ লগত লাগি থকা 'মা' শব্দটো।

মোক হস্পিতেলৰ বেডতে শুৱাই প্ৰিয়ম ওলাই গৈছিল মোৰ মাজনীক আনিবলৈ! মই তাই খাই ভাল পোৱা তিলপিঠা, নাৰিকলৰ লাডু চব বনাই থৈছিলো, তাই আহিব, মন পূৰাই খাবহি সেইবোৰ! কিন্তু...

হস্পিতেলত মই কেইদিন আছিলো, ঠিক মোৰ মনত নাই। কিন্তু যিমানদিন আছিলো মোৰ প্ৰিয়মে কিন্তু মোক এবাৰো দেখা কৰিবলৈ নাহিল। যিদিনা মাজনীক আনিবলে গৈছিল, সেইদিনাই তেওঁক দেখিছিলো। সেইদিনা যেন তেওঁৰ দুচকুত

অঙঠা জ্বলিছিল। গোল, থুপুকা মুখৰ বগা মানুহজনৰ দুগাল ৰঙা হৈ পৰিছিল সেইদিনা। সেইদিনটোৰেই আছিল অন্ত, মোৰ জীৱনৰ অন্ত, পৃথিৱীৰ ৰঙৰ অন্ত! মই মা-দেউতা, দাদাক বাৰে বাৰে সুধিছিলো, 'তেওঁ ক'ত? মোৰ প্ৰিয়ম ক'ত?' কিন্তু সকলো নিমাত আছিল সেইদিনা। গেলি-পচি যাবলৈ আৰম্ভ হোৱা মোৰ কলিজাৰ একোণত তেতিয়াও সজাই থোৱা 'প্ৰিয়ম' নামৰ সপোনটোৰো অন্ত দেখিছিলো। সকলোৰে মুখৰ নিৰৱতাৰ পৰিধি শেষ হৈছিলগৈ মোৰ ঘৰৰ বাৰীৰ চুকত ওচৰা-ওচৰিকৈ থকা দুটা মৰিশালীত জীয়াৰীৰ নিষ্প্ৰাণ দেহ আনিবলে গৈ এটা সাধাৰণ ৰোড এক্সিডেণ্টত শেষ হৈ যোৱা সেই উদ্যমী, কেতিয়াও কোনেও ধৰি ৰাখিব নোৱাৰা মানুহজনক সেইদিনা বেৰি ৰাখিছিল এখন কেঁচা বাঁহৰ জেওৰাই আৰু এখন বগা কাপোৰে! কি আচৰিত! মৰমৰ জীয়াৰীক এৰি থাকিব নোৱাৰিলা... তোমালোকে এবাৰো নাভাবিলা মোৰ কথা?' বুকু উপচি অভিমান আছিল! বাৰীৰ চুকত বহি চিঞৰি চিঞৰি কৈছিলো, "স্বাৰ্থপৰ, তোমালোক, চব স্বাৰ্থপৰ...।" সেইদিনা মোৰ দুচকুৰে বৈ আহিছিল শতযুগীয়া লুইতখন।

'সিৰিং'— বতাহৰ কোব বেছি হোৱাত হাৰা ঘণ্টাটো চিঙি ফ্লৰত পৰিল। মই উচ্প খাই উঠিলো। 'কিয় আহে মনলৈ' এইবোৰ কথা? কি পালো এইবোৰ ভাবি? মাথো দুচকুৰ কোণত জমা হ'লহি আঘোণৰ নিয়ৰৰ কণা... মোৰ বৰ অসহায় যেন লাগিছে। এবাৰ বেৰত আঁৰি থোৱা মাৰ ফটোখনলৈ' চালো ইমান নিৰ্মল, নিষ্পাপ হাঁহি! মোৰ খুব ভাগৰ লাগিছে অ'মা, তোৰ বুকুত মূৰ গুজি মন পূৰাই শুবলৈ মন গৈছে।' কিন্তু, কিন্তু মই শুমনে? মোৰ অফিচ, ব্যস্ততা, মোক ভালপোৱা মানুহখিনিক এৰি, চম্পাক এৰি মই পাৰিমনে শুব?' কিন্তু ইহঁতকতো মোৰ ভিতৰৰ নিৰ্জন, আন্ধাৰ জগতখন দেখুৱাব নোৱাৰিব...।

মই যেন দিনে দিনে জঠৰ হৈ পৰিছোঁ। কাক জনাম, কোনে শুনিব মোৰ নিসংগতাৰ উচুপনিবোৰ? বুকুৰ ভাঁজত অত বছৰে গোট মাৰি থকা বৰফৰ টুকুৰাবোৰ গলিবলে ধৰিছে। আন্ধাৰ জগতখনত লাহে লাহে পোহৰ বিয়পিছে।

"বাইদেউ, আপোনাৰ চাহ ঠাণ্ডাই হ'ল দেখোন।"

চম্পাই চাহৰ কাপটো হাতত লৈ ৰুমলৈ সোমাই আহিছে। জ্বলি থকা মমকেইডাল শেষ হওঁ হওঁ। কালি কিনি অনা শ্লিপিং টেবলেটৰ খালী বটলটো বুকুতে সাৱটি বহল বিচনাখনত চম্পাৰ মৰমৰ স্নিগ্ধা বাইদেৱে তেতিয়া টোপনিয়াইছে, এক গভীৰ টোপনি।।

**(প্ৰকাশ কালঃ ২০১৪-২০১৫)**

# এটি সপোন

প্ৰত্যাশা প্ৰিয়ম গোহাঁই

ৰংমন আজি স্তম্ভিত। ইমান ভাবিব নোৱাৰাকৈ কথাবোৰ হৈ গ'ল। মনৰ অটল গহ্বৰৰ পৰা যেন ক'ব নোৱাৰাকৈ ওলাই গ'ল- বাইদেউ। সি চক্ খাই গ'ল। মানুহকেইগৰাকীয়ে বেয়া পোৱা নাইতো।

ত্ৰিবান্দ্ৰমৰ এখন ডাঙৰ হোটেল। সিদিনা আছিল ডিচেম্বৰ মাহৰ ১৬ তাৰিখ, ২০১৩ চন। দৈনন্দিনৰ দৰে আজিও সি হোটেলৰ নিত্য নৈমিত্তিক কামত ব্যস্ত। আহিছে মানুহ, গৈছে মানুহ। কিমানৰ যে সমাগম। আজিও একে পৰিৱেশ। হঠাতে সি দেখিবলৈ পালে মুগা-পাটৰ সাজ পৰিধান কৰা দুগৰাকী মহিলা আৰু এজন পুৰুষ।

উহুঃ তাৰ চকুৰ গণ্ডগোল হোৱা নাইতো? এয়া যেন ত্ৰিবান্দ্ৰম নহয় অসম। তেওঁলোকৰ অসমীয়া কথা-বতৰা শুনি তাৰ কিমান যে ভাল লাগিল। সি ওচৰলৈ গৈ সুধিলে বাইদেউ, আপোনালোক অসমৰ পৰা আহিছে নেকি? লগে লগে মহিলাগৰাকীয়ে ক'লে হয়, তুমি অসমৰ নেকি? হয় বাইদেউ কি খাব কওক বুলি কৈ সি মেন্যুখন আগবঢ়াই দিলে। ত্ৰিবান্দ্ৰমৰ হোটেলবিলাকত কলপাতৰ ব্যৱহাৰ কৰে। কাঁহীৰ ওপৰত কলপাত দি ভাত দিয়ে। ৰাস্তাৰ কাষৰ ঠাইবোৰ কলগছেৰে ভৰি আছে।

তাৰ মানুহকেইগৰাকীৰ ওচৰৰ পৰা আঁতৰিবলৈ অকণো মন নোযোৱা হ'ল। তাৰ মনত অনেক প্ৰশ্ন। কেতিয়া তেওঁলোক অসমৰ পৰা আহিলে, ক'ত আছে, কিমান দিন হ'ল, কেতিয়া যাব ইত্যাদি ইত্যাদি...। খন্তেকতে তাৰ মানুহকেইগৰাকীৰ

লগত আন্তৰিক আদান প্ৰদানৰ ভাৱে মূৰ্ত কৰি তুলিলে। তাৰ এনেহে লাগিল যেন তেওঁলোক আৰু বেছি সময় হোটেলখনত থাকক। খোৱা-বোৱা শেষ কৰি কিছু সময় কথা-বতৰা পতাৰ পিছত তেওঁলোক যাবলৈ ওলাল। তাৰ হৃদয় যেন কোনোবাই হাতুৰীয়ে কোবালে। তাৰ ইমান দুখ লাগিছে কিয়, তাৰ মনটো আজি অসমৰ সেউজীয়া বননিলৈ দৌৰিছে, কিয় ?

আজি বহু বছৰ আগতে অসমত যেতিয়া বিদেশী বহিষ্কাৰ ভীষণ আন্দোলন হৈছিল, তেতিয়া সি সৰু ল'ৰা আছিল। তাৰ মামাক তেতিয়া ৩০/৩৪ বছৰীয়া লোক। তেতিয়া সি কথাবোৰ ভালকৈ নাজানে। তেতিয়া সি মাত্ৰ ১০ বছৰীয়া ল'ৰা আছিল। আৰু পাছত এদিন তাক মোমায়েকে ৰে'লত তুলি লৈ আহিছিল বহু দূৰলৈ। সিহঁত গৈ গৈ কন্যাকুমাৰী পাইছিল গৈ। তাতে এখন সমুদ্ৰ হোটেলত মামাকে তাক লৈ হোটেলৰ বয় হিচাপে কাম কৰিছিল। পাছত ত্ৰিবান্দ্ৰামৰ এখন ডাঙৰ হোটেলত কাম কৰিবলৈ লয়। তাতে কি কাম কৰিছিল। হোটেলৰ মালিকে তাক মৰমো কৰিছিল। পঢ়া-শুনা শিকাইছিল। মাজে সময়ে সি মোমায়েকৰ লগত অসমৰ কথা পাতিছিল।

হঠাতে তাৰ মনলৈ বহু স্মৃতি আহিল। তাৰ দেউতাক আছিল নীলকান্ত ডেকা আৰু মাক আছিল মনোৰমা মাথুৰ। নীলকান্ত ব্যৱসায় সংক্ৰান্তত কন্যাকুমাৰীলৈ আহিছিল আৰু তাত মনোৰমা মাথুৰৰ লগত বিবাহপাশত আৱদ্ধ হৈছিল। কিছুদিন তাতে ব্যৱসায় কৰি সিহঁতে অসমলৈ আহিছিল। অসমতে ৰংমনৰ জন্ম হৈছিল। মাক-দেউতাকৰ অকলশৰীয়া অৱস্থা অদিন হেনো তাৰ মাকে মৰমৰ ভায়েকক চিঠিৰে মাতি পঠিয়াইছিল। তাৰ পাছত সিহঁতৰ এক নতুন জীৱন আৰম্ভ হ'ল। পৰিয়ালটিত থাকিল দেউতাক, মাক, ভায়েক কৌশক মাথুৰ আৰু সি।

সি তেতিয়া সৰু ৫/৬ বছৰীয়া। হঠাতে তাৰ মাক টান নৰিয়াত পৰিল আৰু ইহলীলা সম্বৰণ কৰিলে। ৰংমন ডাঙৰ হ'ল। দেউতাকৰ ব্যৱসায়ো ডাঙৰ হ'ল। লগত থাকিল মোমায়েক কৌশিক মাথুৰ। ৰংমন তেতিয়া ১৬ বছৰীয়া চফল ডেকা। কিন্তু অসমত বিদেশী আন্দোলন চলিছিল আৰু দেউতাকৰ সেই সময়তে মৃত্যু হৈছিল।

তাৰ মোমায়েকে এদিন বুজাইছিল। ব'ল ৰংমন আমি উভতি যাওঁগৈ বহু দূৰলৈ। সি হতবাক। সি মোমায়েকৰ মুখলৈ চাইছিল। সঁচাকৈয়ে এমাহৰ ভিতৰতে সিহঁত আহি কন্যাকুমাৰী পালেহি। তাত গৈ সিহঁতে মাকৰ মিতিৰ-কুটুমক বিচাৰিলে।

কিন্তু একোৱেই নাপালে। ২০০৪ চনৰ ২৫ ডিচেম্বৰৰ ছুনামীৰ সময়ত সিহঁতৰ মৃত্যু। হ'ল। এতিয়া সিঁহতি এক নতুন পথ বিচাৰি উপস্থিত হ'ল কন্যাকুমাৰীৰ সমুদ্ৰ হোটেলত।

তাত থকা সময়ত তাৰ কিমান যে অসমলৈ মনত পৰি থাকে। তাৰ মনত গোপন বেদনা এটাই তাক সদায়ে আমনি কৰি থাকে। অসমৰ লগত তাৰ হৃদয়ৰ এক অনুভূতি সদায়ে জাগ্ৰত হৈ আছে। সেয়া হৈছে লচমী। সি এৰি থৈ আহিছে লচমীক। ১৪ বছৰীয়া লচমীয়ে তাৰ হৃদয়ৰ কোনোবা এখনিত যে খুন্দিয়াই খুন্দিয়াই সোমাই আছে সেয়া সি মাজে মাজে অনুভৱ কৰে। লচমীৰ লগত কটোৱা হাঁহি-ধেমালিবোৰ সি অনুভৱ কৰে। নাই সি আৰু ইয়াত নাথাকে। সি সোনকালে অসমলৈ যাবগৈ। তাৰ লচমীজনীয়ে ছাগৈ তালৈ বাট চাই কিমান মনোকষ্ট পাইছে। তাৰ দুচকু সেমেকি উঠিল।

আজি দহ বছৰে সি আৰু মোমায়েক সমুদ্ৰ হোটেলত থাকিল। তাৰ পাছত সিহঁতি ত্ৰিবান্দ্ৰামৰ হোটেলত থাকিল। তাতে লগ পালে অসমীয়া পৰিয়ালটি। পৰিয়ালটো গুচি যোৱাৰ পাছত সি হতভম্ব হৈ ৰ'ল। সি স্থিৰ কৰিলে সি অসমলৈ যাবগৈ। তাত কিবা এটা কৰিব। সি যেন আজি মুক্ত বিহংগ।

**(প্ৰকাশ কালঃ ২০১৪-২০১৫)**

# অতীতৰ স্মৃতি

**পলাশী শইকীয়া**

শৰৎ কাল। ফৰকাল আকাশ। এজাক শীতল বতাহে পৃথিৱীখনক পৰশি গৈছে। সূৰুয দেৱতা পশ্চিম আকাশত দূৰ দিগন্তত বিলীন হৈ যাব ধৰিছে। তাৰ ম্লান হৈ পৰা হেঙুলীয়া কিৰণমালাই ৰাঙলী কৰি তুলিছে নীল আকাশখনক, যেন এক বিৰাট ফাকুৰ মেলা। নীল গগনৰ অ'ত ত'ত ডোখৰ ডোখৰ ৰঙা বগা মেঘৰ টুকুৰা বিয়পি আছে। চম্পা, মালতী, তগৰ, শেৱালি, গোলাপ নানা ৰঙৰ ফুলৰ উজ্জ্বল পাহিবোৰেৰে গোটেই ফুলনিখনক ৰমক-জমক কৰি তুলিছে। ৰিব ৰিব শীতল মৃদু বতাহৰ হেন্দোলনিত পাহিবোৰে যেন গীত জুৰিব। তাৰ মাজতেই দুটি পখিলাই পাখিত পাখি লগাই মৌ পাণ কৰাৰ আনন্দত বিভোৰ। কাষেৰে বৈ যোৱা তটিনীৰ কুলু কুলু মধুৰ ৰাগিনীয়ে পৰিৱেশটো আৰু মধুৰ কৰি তুলিছে।

চকুৰ পলক নেপেলোৱাকৈ নীৰৱে সমুখৰ এটা বিন্দুলৈ চাই আছে। আগ চোতালত থকা বাগিচাৰ চকী এখনত বহি পাৰ নোপোৱা এক গভীৰ ভাৱনাত নিমগ্ন হৈ। বিগত ঘটনাবোৰৰ স্মৃতিবোৰ চকুৰ আগত ভাঁহি উঠিছে। এবাৰ অস্তগামী সূৰ্যটোলৈ চাই পঠিয়ালে, নিজৰ জীৱনটোৰ দৰেই লাগিব। এৰি অহা ঘাত-প্ৰতিঘাতবোৰৰ কথা নেভাবো বুলিও বাৰে বাৰে সি ভাবিবলৈ বাধ্য হয়।

নগৰৰ পৰা বহু দূৰৈৰ এখন সৰু গাঁৱৰ সাধাৰণ খেতিয়ক পৰিয়ালত নীৰৱৰ জন্ম। মাক-দেউতাকে বহুত আশাৰে লিখা-পঢ়া শিকাই নীৰৱক ডাঙৰ মানুহ কৰাৰ চেষ্টা কৰিছিল। নীৰৱে এটা ডাঙৰ চাকৰি কৰিব। এজনী শিক্ষিতা সুন্দৰী ছোৱালীক বিয়া কৰাব, পো-বোৱাৰীৰ সুখৰ জীৱন দেখি তেওঁলোকে বুঢ়া বয়সত অকণমান

শান্তি লাভ কৰিব। কিন্তু হায়! নীৰৱৰ পাঁচ বছৰ নৌ হওঁতেই এদিন দেউতাকৰ আকস্মিকভাৱে মৃত্যু হ'ল। ইয়াৰ পিছত নীৰৱক মানুহ কৰা দায়িত্ব শিৰ পাতি ল'বলৈ মাকৰ বাহিৰে আৰু সংসাৰত কোনো নাছিল। জীৱন সংগ্ৰামৰ সন্মুখীন হোৱাটো নীৰৱৰ মাকৰ পক্ষে বৰ কঠিন কাম হৈ পৰিছিল। তথাপিতো মাকে নীৰৱক লৈ সাহস হেৰুৱাই পেলোৱা নাছিল।

সময়ৰ গতিত বিৰাম নাই। দিনবোৰ গতানুগতিকভাৱেই আগবাঢ়িল। নীৰৱে এদিন স্কুল এৰি কলেজত ভৰি দিলে। ধৰাৰ বুকুলৈ বসন্ত অহাৰ দৰে তাৰ অজানিতে যৌৱনে স্পৰ্শ কৰি গ'ল। মাকেই সকলো কষ্ট মূৰ পাতি লোৱাত সি অনুভৱ কৰা নাছিল অভাৱ। সমুখৰ পৃথিৱীখনক ৰঙীন দেখিছিল আৰু ভাবিছিল — সংসাৰ সুখময়, ইয়াত দুখ বেদনা নাই। তেনে সময়তে নীৰৱে লগ পাইছিল এজনী গাভৰুক। নাম প্ৰিয়া। বহুতৰ ভিতৰত কিবা এক কাৰণত প্ৰিয়াক তাৰ ভাল লাগিছিল। সেয়েহে ক'ব নোৱাৰাকৈয়ে এটা সম্পৰ্ক গঢ়ি উঠিছিল সিহঁতৰ মাজত। ইয়াৰ পিছত বহুত সন্ধিয়া পাৰ হৈ গৈছিল উদাৰ লুইতৰ সোণোৱালী বালিৰাশিৰ বুকুত, য'ত আবেগ বিভোৰ হৈ প্ৰিয়াই কৈ যায় — "জানা নীৰৱ দা, মই যেন সুন্দৰ পৃথিৱীত তোমাৰ বাবেই জন্ম লৈছো। তোমাৰ অবিহনে মই জীয়াই থকাৰ কল্পনাই কৰিব নোৱাৰো।"

"মই কি ভাবিছো জানা? প্ৰতিটো বস্তু সহজলভ্য হ'লে পোৱাত আনন্দ নাথাকে। ভাবি চাওঁ, তুমি মোৰ বাবে দুৰ্লভ হৈ থাকিলেহে যেন আমাৰ প্ৰেম মধুৰ হ'ব। তেতিয়া তুমি হৈ পৰিবা মোৰ গল্প উপন্যাসৰ নায়িকা, বেয়া হ'ব জানো? আৰু চোৱা প্ৰিয়া, আমাৰ বাবে জীৱন এক বিৰাট সংগ্ৰাম। আমাৰ দৰে দুখীয়া পৰিয়ালত তুমি জানো সহজ হ'ব পাৰিবা?"

প্ৰিয়াই খুউব লাহে-লাহে কঁপা-কঁপা কণ্ঠৰে কৈছিল — "তুমি যদি হাল বাব পাৰা, মই ভুঁই-ৰুব নোৱাৰিম কিয়? তাৰ মানে তুমি মোক ভাল নোপোৱা?"

"ধেৎ আজলি মই ধেমালিহে কৰিছো।" — নীৰৱে হাঁহি মাৰি প্ৰসংগ সলনি কৰে। সেই হাঁহিৰ লগত তাল মিলাই প্ৰিয়ায়ো হাঁহে। দুয়োৰে হাঁহিৰ যেন অন্ত নাই।

এদিন দুয়োৰে কলেজীয়া জীৱনৰ যৱনিকা পৰিল। অৱশেষত শেষ সিদ্ধান্তৰ দিনটো যেতিয়া আহিল তেতিয়া প্ৰিয়াই মাকক কৈছিল — "মা, নীৰৱৰ বাহিৰে আন কাৰো লগত মই বিয়াত বহিব নোৱাৰিম।" জীয়েকৰ কথাত মাক খঙত জ্বলি-পকি উঠিছিল। যিগৰাকী মাকে গিৰিয়েকৰ প্ৰচুৰ ধন সম্পত্তিক লৈ সদায় অহংকাৰত ওফন্দি থাকে, তেনেগৰাকী মাকে এনে কথা সহ্য কৰে কেনেকৈ?

"ধনী ঘৰৰ ছোৱালী হৈ ক'ৰবাৰ বাটৰ ভিকহু ল'ৰা এটাক বিয়া কৰাবলৈ ওলাইছ? ই কেতিয়াও হ'ব নোৱাৰে। অমৰ হৈছে ধনী আৰু উচ্চ বংশৰ ল'ৰা। বেচ আৰামত খাই বৈ থাকিব পাৰিবি। ঘৰ দুখনৰ সম্পৰ্কও ভাল হ'ব।"

প্ৰিয়াই সিদিনা চকুৰে অন্ধকাৰ দেখিছিল। তাই এতিয়া কি কৰিব ? অমৰ ধনী আৰু উচ্চ বংশৰ ল'ৰা, লাহ-বিলাহত দিন কটাই, সুৰাপান কৰে, আৰু হেনো বহুত ভাল গুণ আছে। মাকৰ মতে এনে এজন অত্যাধুনিক যুৱকৰ লগত বিয়াত সোমোৱাত কি আপত্তি থাকিব পাৰে।

"কিন্তু মা, ধন-বিত আৰু বংশ কুলেই তহঁতৰ দৰা ভাল বেয়া নিৰ্ণয় হ'লনে ?"

"আৰু কথা বঢ়াই নিনিবি প্ৰিয়া। অমৰৰ দৰে এজন ল'ৰাক তই আকৌ নেপাবও পাৰ।"

"ঠিক তহঁতৰ দৰা নিৰ্বাচন মা। ধন-সম্পত্তি আৰু বংশ কুলেই তহঁতৰ বাবে শ্ৰেষ্ঠ সম্পদ, যাক লৈ বৰ্তমান সমাজত উচ্চ-নীচ দুটা শ্ৰেণীৰ সৃষ্টি হৈছে। তহঁতৰ নিচিনা স্বাৰ্থপৰবোৰৰ দৃষ্টিত দেশৰ হোজা দৰিদ্ৰ জনসাধাৰণবোৰ একোটা গধুৰ বোজা। তহঁতৰ দৰে মানুহৰ বাবেই সমাজত দ্বিতীয় এটা শ্ৰেণীৰ সৃষ্টি হৈছে। কিন্তু মনত ৰাখিবি মা, সমাজৰ প্ৰতিজন মানুহ তহঁতৰ দৰে অমানুহ হোৱা নাই। এদিন তহঁতৰ এই ভাৱধাৰাই পৰাজয় স্বীকাৰ কৰিবই লাগিব। কৰ্তব্যবোধ নথকা, সুৰাসক্ত, অভিজাত্যৰ ভেম লৈ থকা এজন যুৱক তহঁতৰ বিচাৰত উপযুক্ত দৰা। মা, এই বিয়া কেতিয়াও হ'ব নোৱাৰে। তাৰ পৰিৱৰ্তে মই অবিবাহিত হৈয়ে থাকিম। তহঁতৰ মনৰ কামনা মচি পেলাম।"

মাক-দেউতাকক বুজাই প্ৰিয়া ভাগৰি পৰিছিল। সকলোৰে মতৰ বিৰুদ্ধে যুঁজি তাই হাৰ মানিবলৈ বাধ্য হৈ এদিন নীৰৱলৈ লিখিলে — "নীৰৱ দা, তুমিয়ে আছিলা মোৰ হৃদয় থাপনাৰ একমাত্ৰ দেৱতা। কিন্তু আজি... তুমি মোক কেনেদৰে লোৱা নাজানো। চকুৰ পানীয়েই আজি মোৰ একমাত্ৰ লগৰী। জানা নীৰৱ দা মই কোনোপধ্যে মা-দেউতাৰ মত পৰিৱৰ্তন কৰিব নোৱাৰিলো। মই এতিয়া কি কৰো কোৱা ?... মোৰ অনুৰোধ তুমি যেন মোক পাহৰি অন্য কাৰোবাৰ লগত... তুমি সুখী হোৱা ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।"

নীৰৱে এদিন শুনিছিল, কোনোবা অমৰ নামৰ ল'ৰা এজনৰ লগত জোৰ কৰি প্ৰিয়াক বিয়া দিলে। জীৱনত যাক আপোন কৰি লোৱাৰ সপোন দেখিছিল, সেই স্মৃতি পাহৰিব নোৱাৰি মাকে ঠিক কৰা বহুত বিয়াৰ প্ৰস্তাৱ সি প্ৰত্যাখ্যান কৰিলে। দিন

আগবঢ়াৰ লগে লগে মাকো বেছি চিন্তিত হৈ পৰিল। এদিন ক'লে — "তোৰ মঙ্গলৰ বাবেই মই সকলো কৰি আহিছো। এতিয়া জানো শেষ বয়সত তই মোক অলপ শান্তি নিদিয় ? মোৰ শেষ প্ৰশ্ন তই বিয়া কৰাবিনে নকৰাৱ ?" নিৰুপায় হ'ল নীৰৱ। এফালে নিজৰ প্ৰতিজ্ঞা, আনফালে মাকৰ আদেশ। অৱশেষত মাকৰ পছন্দৰ মতেই নীৰৱে বিয়া কৰালে। এজনী অচিনাকী ছোৱালী ঘৰলৈ বোৱাৰী হৈ আহিল।

যুগ্ম জীৱনৰ দিনবোৰ সুখেৰেই আগবাঢ়িল। সংগ্ৰামেৰে পৰিপূৰ্ণ দিনবোৰৰ পাছত যেন নিয়তিয়ে নীৰৱৰ ওপৰত কৃপা দৃষ্টি পেলালে। সিদিনাৰ দৰিদ্ৰ নীৰৱ আজি নৈতিকতাৰ মেৰুদণ্ডস্বৰূপ প্ৰধান শিক্ষক নীৰৱ বৰুৱা হিচাপে সকলোৰে মাজত পৰিচিত হ'ল। মান, প্ৰতিপত্তি, ঐশ্বৰ্য সকলোবিলাকেই নীৰৱৰ জীৱনলৈ বাৰিষাৰ ঢল অহাৰ দৰে আহিল। পত্নী আৰতিয়ে উপহাৰস্বৰূপে দিলে পুতলাহেন দুটি সুন্দৰ শিশু। তথাপি কিয় জানো অকলশৰে থাকিলে নীৰৱৰ বুকুখনৰ কোনোবাখিনিত বিষাই উঠে। শূন্য শূন্য যেন লাগে তাৰ মন। জীৱন সমুদ্ৰৰ অনেক ঢৌৰ কোনোবা এটিৰ মাজত এখনি টুলুঙা নাওঁ যেন বিলীন হৈ গ'ল, যাক আৰু সি কোনো দিন দেখা নাপায়।

ফুলনিৰ কোনোবা এজোপা ফুলৰ পৰা এটি সুন্দৰ সুবাস তাৰ নাকত লাগিল। তাৰ দৃষ্টি সন্মুখৰ ক'ব নোৱাৰা কোনোবা এটি বিন্দুত।

প্ৰধান শিক্ষক নীৰৱ বৰুৱাই আজি গল্প-উপন্যাস লিখে। সেই গল্প উপন্যাসৰ নায়িকা হৈছে বুকুৰ মাজত কোনোবা এটা বিন্দু, যি বিন্দু বুকুত থকা এটি তৰাৰ দৰে। এটি দিবা সপোনৰ দৰে আৰতিয়ে সেইবোৰ নিৰ্বিকাৰ ভাৱেই পঢ়ি যায়। নীৰৱে এখন উপন্যাসৰ এচুকত লিখিছে — "প্ৰিয়া, মই তোমাক বিয়া নকৰালো সঁচা, কিন্তু হৃদয় আকাশত এটি তৰা হৈ আজিও থাকি গ'লা।"

"দেউতা, মায়ে আপোনাক চাহ খাবলৈ মাতিছে।" হঠাৎ মণিৰ মাতত নীৰৱৰ তন্দ্ৰা ভাগিল। চকীৰ পৰা উঠি মণিৰ হাতত ধৰি ভিতৰলৈ সোমাই হ'ল।

ইতিমধ্যে ধৰণীক চয়তান আন্ধাৰে আঁকোৱালি লৈছিল।

"হাঁহি আৰু কান্দোনৰ অপূৰ্ব মিলন, এয়ে হায় মানৱ জীৱন।"

**(প্ৰকাশ কালঃ ২০১৬-২০১৭)**

# নলগা জেং

**যতীন গগৈ**

"ঐ খালে খালে।" — বুলি চিঞৰ এটা মাৰি চাইকেলখন ধনীৰামে জপনামুখতে থৈ বাৰীৰ পাছফালে দৌৰ মাৰিলে। লহপহকৈ বাঢ়ি উঠা বন্ধাকবিৰ পুলিকেইটা ঢাঁহি-মুখি গৰুমখাই এফালৰ পৰা তহিলং কৰি নিয়া দেখি ধনীৰামৰ হুচ হেৰাল। পিছে গৈ দেখে যে গচকি ফেনেকি সকলোবোৰ আধ্যা পেলালে। ওচৰৰে মানুহ এঘৰত বহি থকা ধনীৰামৰ তিৰী বীণাই চাহৰ কাপত শোহাটো মাৰিবলৈ বাটিটো লৈছিলহে মাত্ৰ, গিৰীয়েকৰ হুলস্থূল শুনি গম পালে যে সৰ্বনাশ! আজি নহ'বলগীয়াটোৱে হ'ল। বুটলি থোৱা পাণকেইখিলা হাতত লৈ বাণী ঘৰলৈ খৰখেদাকৈ খোজ ল'লো।

ধৰনীৰামৰ মূৰত এনেই অহেতুক খং এটা উঠি আছিল। অৱশ্যে ইয়াৰ কাৰণ কেইবাটিও। টিকা ফটা ৰ'দত নিৰন্তৰে যোল্ল দিন কাম কৰাৰ পাছত ঠিকাদাৰে টকা এহেজাৰৰ বাহিৰে ইমান দিনে একো দিয়া নাই। এইফালে সিহে জানে ঘৰ চলোৱাটো কিমান সমস্যা। বাৰীৰে শাক-পাচলি বেচি পোৱা টকাকেইটাৰে নিমখ-তেলকণৰ খৰছটো হ'লেও ওলায়। টেৰটেৰীয়া ৰ'দ, ইফালে আকৌ ইটোহে হোৱা নাই, সিটোহে অহা নাই আপত্তি। পা-পইচাৰ নামত আকৌ পযেকলৈ ফুটা কড়ি এটাও নাই। তাতে আকৌ কামৰ পৰা আহি ঘৈণীয়েকক ঘৰত নাপাই ধনীৰামৰ খঙে চুলিৰ আগ পালেগৈ।

এই বিচিত্ৰ সংসাৰত নিয়ম আছে যে, বাহিৰত য'তে যিহতে পুৰুষৰ খং নুঠক, সেই খং যদি তাতে সদ্ব্যৱহাৰ কৰিব নোৱাৰে, ঘৰলৈ উভতি আহি ঘৈণীয়েকৰ ওপৰত সঁচাই-মিছাই সেই খং দপালি দি বৰমতা দেখায়। বীণাও জানো কম পানীৰ

মাছ। গিৰীয়েকে কিবা এটা ক'লে তাই দুগুণ জোৰে চিঞৰে। তথাপি শ্ৰদ্ধা ভক্তি কৰিবলৈ নেৰে। এনেহেন মুখৰ বাবে বীণাৰ পিঠিত আগতেও এবাৰ ঔকিল পৰা কথা বীণাই পাহৰিব নোৱাৰে।

খঙত অগ্নিশৰ্মা হৈ থকা ধনীৰামে তিৰীক দেখি টেটুঁ ফালি গালি-শপনি পাৰিবলৈ উঠি-পৰি লাগিল।

ধনীৰামঃ অমুকৰ জীয়েক, এই বেলি পৰা সময়ত চাহৰ জুতি লৈ লৈ বিয়নিমেল পাতি ফুৰিছ। ঘৰলৈ ধাউতি নাই। পাছফালে যা চাই আহগৈ। তোৰ মূৰাটো ৰুবি এতিয়া।

বীণাঃ কত দিনৰ পৰা চিঞৰিলো, পিছফালে জেওৰাখন ভাঙিছে, অলপ সময় লৈ বৈ পেলাব। কাণসাৰ নাই। ৰাতিপুৱাই কানিৰ মেল পাতিব। এতিয়া মোক দপদপাবলৈ আহিছে।

বোন্দাপৰ দি মই ৰখীয়া কৰি থাকিব লাগিছিল নেকি?

(অত সময়ে ধৈৰ্য ধৰি থকা ধনীৰামৰ এইবাৰ ধৈৰ্যৰ বান্ধ নৰ'ল। তিৰীৰ শব্দবোৰে তাৰ মগজুত যেন জুইহে লগালে।)

— 'বেটি কি বুলিলি?' এইবুলি পিৰালিত থিয় দি থকা ধনীৰামে নেওৰাৰ পৰা হালোৱা এচাৰি ডাল উলিয়াহ বীণালৈ চোঁচা ল'লে। বীণাই টলকিব পৰাৰ আগতেই ধনীৰামে বীণাক ভালকৈ এসেকা দিলে। ভয়ৰ কোবতে আৰু সৌকাৰ বিষত বীণাই আটাহ পাৰিলে। চিঞৰৰ কোব শুনি বৰজনাক দৌৰি আহি ধনীৰামৰ খঙৰ পৰা যেনে তেনে ৰক্ষা কৰিলে। বীণাই কপালত চপৰিয়াই কান্দি কান্দি অচেতন হৈ মাটিত পৰিল। এইবাৰ আকৌ লাগিল হুৱা-দুৱা। গাড়ী মাত, গাড়ী মাত।

— বীণাই চাৰে সাত বজা মানত হাস্পাতালৰ বিচনাত সাৰ পালে। কাষত মাক-দেউতাক আৰু সৰু ভায়েক। বীণাই আকৌ উচুপিবলৈ লাগি গ'ল। মাক-দেউতাকে কথা মিলালে বীণাক ঘৰলৈ লৈ যোৱা হ'ব এনেকে মাৰ-কিল খাই মৰিবলৈ এৰি দিব নোৱাৰি। কথামতেই কাম।

— বীণাৰ নিজৰ ঘৰৰ চোতাল। বুঢ়া-মেথা আৰু গাঁওবুঢ়া, আনফালে ধনীৰাম, ককায়েক আৰু নবৌয়েক। আঠ দিনৰ মূৰত ধনীৰামে নিজৰ তিৰীক ঘৰলৈ নিবলৈ আহিছে। লাজে-কাজে উপায়ন্তৰ হৈ ধনীৰামে মূৰ তল কৰি চোতালৰ এমূৰত থিয় দি আছে। ইফালে বাৰী, গৰু-ছাগলী, গাহৰি, কুকুৰা, বাহি বন এইবোৰত তাৰ যিহে পানীত হাঁহ নচৰা অৱস্থা হৈছেগৈ। সঁচাই ঘৰ চম্ভালাটো সহজ কাম নহয়।

ককায়েক নবৌয়েকে বীণাৰ মাক দেউতাক আৰু বুঢ়া-মেথাৰ লগত কথা পাতি আছিল, এনেতে সকলোকে আচৰিত কৰি ধনীৰামে কান্দি পেলালে। 'দেউতা মই বৰ ডাঙৰ ভুল কৰিলো, আজিৰ পৰা এনে ভুল নহয়। তাইক যেনে-তেনে সৈমান কৰাওক। ঘৰখন এইৰ অবিহনে বাঁহনিতল হৈছেগৈ।'

নিজৰ গিৰিয়েকৰ চকুলো দেখি বীণা ৰ'ব নোৱাৰিলে। ''নাই দেউতা মোৰহে ভুল হৈছিল। এওঁ ইমান কষ্টৰে কৰা বাৰীখন মই চাব লাগিছিল।'

পতি-পত্নীৰ আলাপ আৰু মৰম দেখি উপস্থিত ৰাইজে কাটা বিস্কুটৰ লগত দিয়া চাহত শোহা মাৰিলে।

**(প্ৰকাশ কালঃ ২০২০-২০২১)**

# বৰশী

**চয়নিকা চেতিয়া**

চিপ্‌চিপকৈ দি থকা বৰষুণজাকৰ মাজতে বৰশীটো লৈ সি জানৰ পাৰ পালেগৈ। নামদাঙৰ বুকুলৈ বৈ যোৱা এই জানটো সিহঁতৰ প্ৰাণৰ আপোন। নামটো ৰূপজান। মাছ পুঠি দি পাৰৰ মানুহখিনিক সহায় কৰাৰ লগতে খৰালি পথাৰত পানীৰ যোগান ধৰা, বৰষুণৰ অভাৱ আঁতৰাই কঠিয়া পৰাত সহায় কৰালৈকে জানটোৱে দাঁতিকাষৰীয়া মানুহবোৰক কম সহায় কৰি অহা নাই। ৰূপজানে আজিলৈকে কাকো বিপদত পেলোৱা নাই। বাৰিষা ওফন্দি উঠিলেও বিশেষ একো ক্ষতি নকৰে ৰাইজৰ। বৰঞ্চ দিহে যায়। বহাগৰ বিহুটোত গাঁৱৰ ৰাইজে গৰু গা ধুৱাই ৰং ৰহইচ কৰাৰ থলি ৰূপজান, উৰুকাৰ ভোজ ভাত খোৱা আৰু মাঘৰ মেজি জ্বলাই আনন্দ কৰাৰ থলী ৰূপজানৰ পাৰ। ৰূপজানৰ পানীতেই সাঁতুৰি-নাদুৰি যৌৱনপ্ৰাপ্ত হয় শিশু, কিশোৰ। এই ৰূপজানৰ পাৰৰ মুকলি ঠাইতে সৰু সৰু ল'ৰা ছোৱালীবোৰে খেলে কাবাডী, দৌৰ, এঠেঙীয়া আৰু যে কত কি...। জানটোৰ পাৰত ঠায়ে ঠায়ে জাৰণি, বেতনি। শৰত কালত কঁহুৱা ফুলৰ শুভ্ৰতা আৰু বসন্ত কালত আজাৰ ফুলৰ বেঙুনীয়াৰে জিলিকি উঠে ৰূপজানৰ ইপাৰ সিপাৰ। জাৰণিৰ মাজত ডাউক, ডঁৰিয়লি চৰায়ে কণী পাৰে। বেতগুটি আনিবলৈ যাওঁতে কাঁইটে বিন্ধি তেজ উলিয়ালেও কাৰো খবৰ নাথাকে। জেতুলীপকা, হেলচৰ গুটিৰে পেণ্টৰ জেপ ভৰে। শীতকাল বাবে এতিয়া শুকাই আছে ৰূপজানৰ বুকু। কিছু কিছু অংশত চিল্‌চিলীয়া পানীৰ ধাৰ। দ হৈ আছে ডুবিবোৰহে। আজাৰজোপাৰ তলত সদায় বহা ঠাইডোখৰতে লাহেকৈ বহি ল'লৈগৈ সি। দ ডুবিটোত যথেষ্ট মাছ আছে। ৰমেন খুড়াকে বৰশীটো সাজি

দিয়াৰ পাছত মাছ ধৰাৰ নিচাটো এনেকৈ লাগিল যে স্কুলৰ পৰা আহি কিতাপৰ বেগটো দলিয়াই বৰষুণ দি থকা স্বত্বেও ইয়াত পালেহি সি । আগতে সি ৰূপ, ধনটিহঁতৰ লগত বল খেলে, সেউজীয়া বৰটেঙাটো ক'লা হৈ নপৰালৈকে সিহঁতৰ ভৰিৰ তলে তলে ইফালৰ পৰা সিফাললৈ দৌৰে। মাকে আজিকালি তাক খেলিবলৈ বৰকৈ আহিবলৈ নিদিয়ে। আজিও ৰূপ আৰু ধনটিয়ে কৈছিল তাক ডাউক চৰাইৰ কণী বুটলিবলৈ যোৱাৰ কথা। কিয় জানো সেইবোৰ ভাল নালাগে তাৰ আজিকালি। ঘৰতে থাকি মাকক কামত সহায় কৰে সি। দিনটো কামলৈ ওলাই যোৱা মাকক আবেলি আহি পাওঁতে ভাগৰে হেঁচা মাৰি ধৰে। সি বুজি পায়। খৰি গোটোৱা, পানী গোটোৱা, চাউল পাত ধোৱা কামকেইটা সিয়ে কৰি থবলৈ ল'লে।

কিন্তু আজি কেইদিনমানৰ পৰা মাছ ধৰা চখটোহে বেছিকৈ লাগিল তাৰ। কেইদিনমানৰ আগত খৰি গোটাই থাকোঁতে ৰমেন খুড়াকে লগ ধৰি লৈ গৈছিল তাক জানৰ পাৰলৈ। সি চাই আছিল তেওঁ বৰশী টোপোৱা। কিমান যে ভাল লাগিছিল দেখি। মাক আহি পোৱাৰ আগেয়ে ঘৰলৈ আহিছিল সি দুজনী চেনীপুঠি লৈ। ৰাতি ভাতৰ পাতত মাকে সুধিছিল তাক ক'ত মাছ পালে বুলি। কৈছিল সি। মাকে মানা কৰিছিল তাক বৰশী টোপাবলৈ যাবলৈ। বৰষুণে জেকাই পেলোৱা ঠাইখিনিত ঘৰৰ পৰাই লৈ অনা আধা কটা ঢকুৱাডোখৰ পাৰি আৰামত বহি ল'লে সি। পলিথিনত ভৰাই অনা টোপকেইটা চাই ল'লে এবাৰ।

মুখখন পোহৰ হৈ উঠিল তাৰ। বৰলৰ টোপ। ৰমেন খুড়াকেই আনি দিছে। স্কুলৰ পৰা আহি থাকোঁতে ৰাস্তাতে পাই দি পঠিয়াইছে তেওঁ। মাছে খাই ভাল পাই বৰলৰ টোপ। আজি কেইটামান মাছ সৰহকৈ পাব যেন লাগিছে মনটোতে। বৰষুণৰ বতৰত মাছে বৰকৈ নোখোটে। কিন্তু বৰলৰ টোপ পালে নেৰিব সিহঁতে। বেছিকৈ মাছ পালে ৰমেন খুড়াককো দিব লাগিব দুটামান। টোপটো বৰশীটোত সী মুখেৰে থুঁ থুঁ কৰি ডাঁৰিকী ডালত ধৰি বঁতীয়াডাল পানীত পেলাই দিলে সি। পানীত ওপঙি থকা বঁতীয়াডালত গাঁঠি দি থোৱা পুঙাটোতেই সোমাই আছে সকলোবোৰ উৎকণ্ঠাৰ উৎস। ফলি পেঞ্চিলডালৰ নিচিনা কুঁহিলাডোখৰৰ পুঙাটোত দৃষ্টি নিবদ্ধ কৰিলে সি এইবাৰ। পচা পাতত বৰষুণ পৰি ওলোৱা গোন্ধ এটা নাকত লাগিছেহি তাৰ। শেঙুনেনাকী বগীজনীৰ ফ্ৰকটোও তেনেকুৱাই গোন্ধায় কেতিয়াবা। মাকজনী লেতেৰী যে জীয়েকজনীকো লেতেৰিকৈ ৰাখে। তাৰ মাকজনী ইমান চাফা। সিহঁতৰ ঘৰৰ সন্মুখত তাৰ লগতে স্কুললৈ যাবলৈ ৰৈ থকা বগীজনীৰ মাকজনীক অকণো ভাল

নালাগে তাৰ আজিকালি। আগতে মৰম কৰিছিল তাক। আজিকালি বেয়া পায় তেওঁ তাক। লেতেৰী হ'লেও মৰমলগা বগীজনীক কিন্তু বেয়া নাপায় সি। ৰমেন খুড়াকে তাক দিয়া মৰ্টন লৈ যায় সি তাইলৈ। সেইদিনাখন তাইৰ মাকে সি দিয়া মৰ্টন খোৱা বুলি জানি খুব পিটিলে তাইক। বগী তালৈ বৈ নথকা দেখি সি স্কুলত সুধিছিল তাইক। মাকে তাইক মৰাৰ কথা কৈ তাৰ লগত কথা পাতিলেও পিটিব বুলি আঁতৰি গ'ল তাই। দুদিনমানৰ আগতে ৰমেন খুড়াকে বাটত পাই চাইকেলত উঠাই লৈ আহিছিল তাক। চাইকেলত উঠিবলৈ পাই বগীক এৰি থৈ আহিল সি। সেইটো কাৰণতে তাক দেখিব নোৱাৰা হ'ল চাগৈ বগীৰ মাকে। মনটো বৰ বেয়া লাগিছিল। খঙতে সি সেইদিনা সিঁহতৰ ঘৰৰ টিং ফুটি যোৱাকৈ শিলগুটি মাৰি থৈ আহিলগৈ দুটামান। কুঁহিলাৰ পুঙাটো লৰচৰ কৰি উঠা দেখি পোনকৈ বহি ল'লে সি। খুঁটিলেই মাছে। চকুদুটা উজ্জ্বল হৈ উঠিল তাৰ।

লাহে লাহে ইলুটি সিলুটি কৰি থকা পুঙাটো বৈ গ'ল থৰ হৈ পুনৰ। দাঙি চালে সি। টোপটো আধা এৰুৱাই লৈ গ'ল মাছটোৱে। ততাতৈয়াকৈ টোপ এটা সীঁ আকৌ বৰশীতো পানীত পেলাই দিলে সি।

নাই, খোটা নাই আকৌ।

আজাৰজোপাত আঁউজি ভালকৈ বহোঁতেই পিঠিটো চেকচেকাই উঠিল তাৰ। অথনি স্কুলত বৰনেওতা মুখস্থ কৰি নিনিয়াৰ বাবে অংকৰ ছাৰে তাক পিঠিতে কেইবাছাটো দিলে বেতেৰে।

শ্ৰেণীৰ প্ৰথম সি। পঢ়াত ভাল।

কিন্তু কেইদিনমানৰ পৰা বৰশী বোৱাৰ নিচাত পঢ়া শুনাও গৈছে তাৰ। মাৰ খাই মনতে ভাবিছিল সি গৈ পায়েই নেওতা মুখস্থ কৰিব। ৰমেন খুড়াকৰ হাতত বৰলৰ টোপ দেখি সি পাহৰি থাকিল মাৰকেইছাট। ৰাতি পঢ়িবগৈ লাগিব। নহ'লে কাইলৈ আকৌ মাৰ খাব লাগিব। অংকৰ ছাৰেও গোচৰ দিমহি কৈছে তাতে মাকৰ আগত। মাকেও তাক গালি দিছে বৰশী টোপাবলৈ অহাৰ কাৰণে। কিন্তু সিহে মাকৰ কথাও আওকাণ কৰিছে।

এই যে সি ইয়াত মাছৰ বাবে জোপ পাতি আছেহি ইয়াৰ কাৰণ হ'ল মাছ খাই জুতি পোৱা তাৰ জিভাখন আৰু তাৰ মাক। মাকে তাৰ বাবে কমখন কষ্ট কৰে নে, যাৰে তাৰে ঘৰত ৰোৱা তোলাত মাকক লাগে। তাঁত এখন লগালেও মাক যাব লাগে। কিন্তু সকাম, নামঘৰ আদিৰ কামত মাকক যোৱা দেখা নাই সি আজিলৈকে।

দিনৰ দিনটো আৰ ঘৰে তাৰ ঘৰে কাম কৰি ফুৰা মাকজনীয়ে ৰাতি শুদা ভাতকেইটা খোৱাতকৈ মাছ এজনী থাকিলে খায়ো ভাল পাব; গাতো জোৰ পাব। তদুপৰি শুদা ভাতগাল খাবলৈ মন নাযায় তাৰ। মাকৰ গালি খায়ো আহে সি সেইবাবেই। গাঁওখনৰ একেবাৰে মূৰত আছুতীয়াকৈ সিহঁতৰ ঘৰটো। তাৰ মোমায়েক, আইতাকহঁতক আজিলৈকে দেখা নাই সি। মাকক সোধোতে কৈছিল, তেওঁ সৰু থাকোঁতেই তাৰ ককাক আইতাক ঢুকাইছিল। মোমায়েকৰ ঘৰত থাকি ডাঙৰ হৈছিল। দেউতাকৰ পছন্দ হ’ল মাকক। দেউতাকৰ ঘৰৰ মানুহে মানি নল’লে। নীচ জাতৰ আছিল যে মাক।

ব্ৰহ্মপুত্ৰ পাৰ হৈ নিজৰ গাঁও এৰি ৰূপজানৰ পাৰত মাটি ভাঙি দেউতাকে ঘৰ সাজিলেহি। ইয়াতে দেউতাকৰ ঘৰত সৰুৰে পৰা কাম কৰি থকা গোবিন্দৰ ঘৰ আছিল। তাৰ ভৰসাতে লৈ আহিছিল তেওঁ ইয়ালৈ তাৰ মাকক। সকলোৰেই এৰি দিছিল তেওঁলোকক। অ’ত ত’ত হাজিৰা কৰি পোৱা পইচাৰে ঘৰখন চলিছিল। সি জন্ম হোৱাৰ পিছৰে পৰাই হাঁহ, পাৰ, ছাগলীৰে নদন বদন হৈ পৰিছিল ঘৰখন। মাকৰ কথাবোৰ তধা লাগি শুনিছিল সি।

দেউতাক ঢুকাওঁতে তাৰ ছয় বছৰমান হৈছিল। এদিন দেউতাক ওলাই গৈছিল ৰমেন খুড়াকহঁতৰ গছ এজোপা কাটিবলৈ। গছ কাটি থাকোঁতে তলত পৰিছিলহি দেউতাক। চিঞৰ বাখৰ হুলস্থূল হৈছিল। কোনোবাই চিঞৰি চিঞৰি খবৰ দিছিলহি। মাক ঢপলিয়াইছিল তাক হাতত টানি টানি। জুম পাতি থকা মানুহবোৰৰ মাজত মাটিত পৰি থকা দেউতাকৰ শৰীৰটো দেখি সি একো বুজি পোৱা নাছিল। মাকে সাৰটি ধৰি কন্দা দেখি সিও কান্দিছিল চিঞৰি চিঞৰি। হস্পিটেললৈ নিছিল যদিও কাম নহৈছিল।

গাঁৱৰ ৰাইজে ৰূপজানৰ দাঁতিৰ হাবিখনলৈ লৈ গৈছিল সাঙীত তুলি দেউতাকক। তাকো লৈ আনিছিল গাওঁবঢ়া ককাই কোঁচত তুলি। কোনোবাই জোৰ কৈ খেৰ এমুঠি আগত দি বন্ধা মাৰি এডালত জুই লগাই তাক ধৰাই নিয়ম কৰি দেউতাকক মাজত ভৰাই শুৱাই থোৱা খৰিৰ জাপখিনিত লগাই দিছিল। দেউতাকক পুৰিব পুৰিবকৈ কমখন কান্দিছিল নে সি। গাঁওবুঢ়া ককাকে কোঁচত তুলি লৈ আনিছিল তাক তাৰপৰা। তৰাৰ দেশলৈ গুচি যোৱা দেউতাক আহিব আহিবকৈ ৰৈ থকা বহুদিন হ’ল। প্ৰথম শ্ৰেণীত পঢ়ি থকা সিও এতিয়া পঞ্চম শ্ৰেণী পালেগৈ। হিচাপত সি সপ্তম শ্ৰেণী পাবগৈ লাগে। দেউতাকৰ লগত ঘটা ঘটনাটোৰ পাছত মাকৰ কি

হৈছিল জানো। তাকো স্কুললৈ নপঠিওৱা হৈছিল। পৰীক্ষা নিদিয়াকৈ ৰৈ গৈছিল সি ঘৰতে। এদিন স্কুলৰ হেডছাৰে গৈ বুজালতহে আকৌ যাবলৈ লৈছিল সি স্কুললৈ।

সি এতিয়া বুজে দেউতাকৰ মৃত্যু হৈছে। মৰা মানুহ ঘূৰি নাহে। দেউতাকৰ লগত পাৰ কৰা সময়বোৰে তাক আমনি কৰে। সকলোবোৰ কথা মনত নাথাকিলেও বৰষুণৰ বতৰত কাগজৰ নাও সাজি পানীত উটুৱা, দেউতাকৰ পিঠিত উঠি ঘোঁৰা ঘোঁৰা খেলা।

মাকৰ হাতৰ মুঠি, দেউতাকৰ হাতৰ মুঠি আৰু তাৰ হাতৰ মুঠি ইটোৰ ওপৰত সিটো থৈ খেলা খেলটোও সজীৱ হৈ আছে মনত।

দেউতাকে কয়, এইটো কাৰ দ'ল?

মাকে কয়, এইটো "আমাৰ দ'ল।

দেউতাকে আকৌ সোধে, ভাঙিমনে নাভাঙিম?

মাকে কয়, নাভাঙিবা।

কলী কুকুৰক মাতিম নে নামাতিম?

নামাতিবা।

কলি ঔচ, বগী ঔচ ধেকেচ।

দেউতাকে হাতৰ মুঠিকেইটা আঁতৰাই ভাঙি পেলাইছিল দ'লটো।

ঘেটঘেটাই হাঁহিছিল সি।

সঁচাকৈয়ে দেউতাকৰ মৃত্যুত ভাগি গৈছিল যেন সিহঁতৰ সোণৰ দ'লটো!

হঠাতে লৰচৰ কৰি উঠা পুঙাটো দেখি সন্বিৎ হৈ উঠিল সি। চাই থাকোঁতেই সাউতকৈ পানীৰ তললৈ সোমাই গ'ল পুঙাটো। চিপ মাৰি উঠালে সি বৰশীটো।

নাই!

ক্ষন্তেকৰ বাবে পোহৰ হৈ উঠা মুখখন আকৌ ম্লান পৰি আহে তাৰ। টোপটো লৈ গুচি গ'ল মাছটো।

নতুনকৈ টোপ এটা খুৱাই থুঁ মাৰি পুনৰ পেলাই দিলে সি বৰশীটো। বৰশী বোৱাৰ এই নিয়মবোৰ সি ৰমেন খুড়াকৰ পৰাই শিকিছে। ডিফেন্সত চাকৰি কৰিছিল ৰমেন খুড়াকে। কাণৰ কাষেদি গুলি যোৱাত চাকৰি এৰি দি গুচি অহা এবছৰমান হৈছে। বিয়া বাৰু নকৰালে। ককায়েক নবৌয়েকৰ লগতে থাকে। তাৰ দেউতাক তেওঁলোকৰ গছ কাটোতেই পৰিছিল তলত। মাকে দেখিব নোৱাৰে সেইকাৰণে তেওঁক। কিন্তু তাক বাটত পালেই ৰমেন খুড়াকে মৰ্টন দিয়ে, পইচা দিয়ে আৰু

বিবিধ বস্তু দিয়ে। কিছুমান কথা সি মাকক গালি খোৱাৰ ভয়তে নকয়। কিন্তু ৰমেন খুড়াক যে ভাল মানুহ সেই কথাটো সি ক'বলৈ চেষ্টা কৰে পাকে প্ৰকাৰে। সিদিনা মাকৰ গা বেয়া হৈছিল। তাৰ মুখত শুনি ৰমেন খুড়াকেই দৰৱ আনি দি থৈ গৈছেহি। কেনেকৈ বেয়া হ'ব পাৰে এই মানুহটো ! আজিকালি ৰমেন খুড়াক আহিবলৈ লৈছে মাজে মাজে তাৰ লগতে স্কুলৰ পৰা আহোঁতে। পঞ্চম শ্ৰেণীলৈ পোৱাত তাৰ নতুন স্কুলখনো দূৰ হ'ল। ৰমেন খুড়াকে চাইকেলত উঠাই থৈ আহে তাক আধাবাটৰ পৰা। কেতিয়াবা ঘৰত থৈয়ো যায়হি। বগীৰ মাকৰ তাতেই হিংসা লাগিল। বৰশী বাবলৈও সিহঁতৰ ঘৰৰ কাষৰ গো বাটেদি প্ৰায়ে জানখনলৈ আহে তেওঁ। সিও শিকি ল'লে আদৰ কায়দাবোৰ। তেওঁ নাহিলেও অকলে আহিব পৰা হ'লগৈ সি। মাক আহি পোৱাৰ আগতে মাছকেইজনীমান লৈ সদায়েই ঘৰ সোমাইগৈ সি। প্ৰায় এঘণ্টা হৈ গ'ল। আজিহে এটা মাছো নাই পোৱা সি। যোৱাগৈয়ে ভাল হ'ব, ভাবিবলৈ লওঁতেই সি দেখিলে লৰিছে পুঙাতো।

উৎকণ্ঠাবোৰ বাঢ়িল তাৰ। সেপ এটা গিলি ৰৈ গ'ল সি সাৱধানে শব্দ নোহোৱাকৈ। সাউতকৈ তললৈ সোমাই যোৱা পুঙাটো দেখি জোৰেৰে চিপ মাৰিলে সি এইবাৰ। পাৰ নাপাওঁতেই বৰশীৰ পৰা শূন্যতে এৰাই মাছজনী পৰি গৈছিল পানীত। মনটো একেবাৰে মৰি গ'ল তাৰ। টোপকেইটা লৈ আহোঁতে বলোৰাম বুঢ়াই দেখিছিল।

মুখেই লাগিল চাগৈ।

আজি আৰু নহ'ব।

টোপো শেষ হ'লগৈ।

মাকো কামৰ পৰা আহি পাবৰ হ'ল।

বৰশী সামৰি খোজ ল'লে সি ঘৰলৈ নিৰাশ মনেৰে।

বৰষুণজাক এৰিছিল কেতিয়াবাই। ঘৰত থাকি কাম দুই এখন কৰা হলেই ভাল আছিল। ভাগৰে জোগৰে অহা মাকজনীয়ে ভাল পালেহেঁতেন মনটোতে। এনেয়ে গ'ল সময়বোৰ। ঘৰৰ সন্মুখ পাই দেখিছিল সি খোল খাই আছিল জপনাখন।

মাক আহিল চাগৈ!

গালি খোৱাৰ ভয়তে সি পাছফালে মাকৰ তাঁতশালৰ ওচৰতে বৰশীটো থৈ চুচুক-চামাককৈ ভিতৰলৈ আহিবলৈ লওঁতেই ৰৈ গ'ল হঠাতে। ভিতৰৰ পৰা ভাঁহি আহিছিল মাকৰ কণ্ঠ ....

কাৰোবাক গালি পাৰিছে মাকে।

ঠাইতে ৰৈ কাণ উনাইছিল সি।

"তোক আগতেও কৈছোঁ, নাহিবি মোৰ ঘৰলৈ। বাঁৰী হ'ব পাৰোঁ চৰিত্ৰহীন নহয় মই। ল'ৰাটোক তই মৰ্টন, চানা খুৰাই হাত কৰি মোৰ গাত হাত লগাবলৈ আহিছ? মই চিঞৰাৰ আগতে ওলাই যা, নিধক।"

মাকে কাক তেনেকৈ কৈছে বাৰু!

বেৰৰ জলঙাত চকু থৈছিল সি।

আস! কি দেখিছে সি এইবোৰ।

চকুৰ ওপৰতে বিশ্বাস হেৰাই গৈছিল তাৰ।

থৰ হৈ গৈছিল সি।

ৰমেন খুড়াকে মাকক জপটিয়াই ধৰিছিল।

মাকে চিঞৰিছিল পাৰ্যমানে।

উফ! আৰু এক ছেকেণ্ডো ৰ'ব নোৱাৰি।

মগজটোৱে কাম নকৰা হৈছিল তাৰ।

হাতত নিবলৈ একো বিচাৰি নাপাই বৰশীৰ ডাঁৰিকীডাল একে আজোঁৰে টানি আঁঠুৰ মূৰত লৈ ভাঙি দুডোখৰ কৰি দুৱাৰ ঠেলি ভিতৰ সোমাই গৈছিল সি। মাকে দেখিছিল তাক।

আঙুলি এটা মুখত দি মাকক ইংগিত দিছিল সি অহাৰ উমান নিদিবলৈ।

চকু কাণ মুদি দাঁত কৰচি বৰশীৰ ডাঁৰিকীডালেৰে গাৰ সমস্ত শক্তিৰে কোবাই দিছিল সি জোৰকৈ ৰমেন খুড়াকৰ পিঠিত।

জাৰৌপ কৈ শব্দ এটা হৈছিল।

পাছফালৰ পৰা কাণে মূৰে জপটিয়াই মৰা কোবটো খাই ৰৈ গৈছিল অসুৰটো।

মাকে সেই সুযোগতে চৰিত্ৰহীনটোৰ হাতৰ মুঠিৰ পৰা এৰাই দাখন তুলি লৈছিল।

তাক ঠেলা মাৰি পেলাই থৈ দৌৰ মাৰিছিল ৰমেন খুড়াক।

কঁপনিত দাঁতে দাঁতে লগা মাকক সাৱটি ধৰিছিল সি।

কান্দিছিল মাকে।

সিও।

তোক নাযাবলৈ কওঁ নহয় ওলায়। নুশুন। এই দগাবাজটোক বিশ্বাস নকৰাকৈ আছিলোঁ ভালেই হৈছিল। তোক মৰম কৰা দেখিহে ভাল বুলি ভাবিবলৈ লৈছিলোঁ।

তাক সাৰটি কান্দি কান্দি কৈছিল মাকে।

অপৈণত মগজুৰে সি বহুত কথাই বুজিছিল যেন।

বহু দেৰিকৈ ভাত ৰান্ধিছিল মাকে। গহীন হৈ আছিল মাক। সিও সহায় কৰি দিছিল। ভাতৰ পাতত বহি শুদা ভাতগৰাহ মুখলৈ নিওঁতে মনত পৰিছিল তাৰ অথনি বৰশীৰ পৰা এৰাই যোৱা মাছটোলৈ।

দুখ লগা নাছিল তাৰ মাছটো ধৰিব নোৱাৰি।

বৰঞ্চ মাছটো এৰাই যোৱাৰ বাবে ভাল লগা ভাব এটাই আৱৰি ধৰিছিল তাক সেইমুহূৰ্ত্ততে...

মাছ নথকাকৈয়ে নিমখ এজেবা সানি খোৱা ভাতখিনিতে সোৱাদ পাইছিল আজি সি।

খাই উঠি মেলি লৈছিলহি সি নেওতাখন।

মুখস্থ নোহোৱালৈকে আওঁৰাইছিল সি।

মাকে খুচি দিয়া ফটা আঁঠুৱাটোৰ তলত সোমাই শুবলৈ লোৱা সি দেখিছিল বাকচৰ পৰা মাকে দেউতাকৰ ফটোখন উলিয়াই সেৰা এটা কৰি ভৰাই থৈছিল পুনৰ। জনা নজনা ভাৱেৰে বুকুখন ভৰি আহিছিল তাৰ। এইজনী মাকক একো বিপদত পৰিবলৈ নিদিয়ে সি। ডাঙৰ হৈ সকলো সুখ দিব মাকক। আৰু কোনো দিন কেতিয়াও ৰমেন খুড়াকৰ দৰে বেয়া মানুহৰ টোপ নিগিলে সি। সংকল্প লৈছিল সি মনত।

টিপচাকিতো নুমুৱাই ভগৱানৰ নাম লৈ তাৰ কাষত আহি শুই পৰা মাকজনীৰ গাত এহাতেৰে মেৰিয়াই ভৰিটো তুলি টোপনি যাবলৈ চেষ্টা কৰিছিল সি...

পুৰণি বগীতামৰ জলঙা আৰু জালিকটা বেৰেদি সোমাই অহা জোনৰ পোহৰেও যেন আদৰণি জনাইছিল তাৰ সংকল্পক।

**(প্ৰকাশ কালঃ ২০২২-২০২৩)**

# ৰহস্যৰ সিপাৰে

**পৰশ হাজৰিকা**

ৰাতি ১০ মান বাজিছে। মই ৰাতিৰ আহাৰ গ্ৰহণ কৰি টি.ভি.টোৰ সন্মুখত বহি নিউজ চেনেলটো অন কৰি চালো আৰু তাত ডাঙৰ ডাঙৰ আখৰেৰে এটা খবৰ বাৰে বাৰে দি আছে। ঘটনাটো আমাৰ স্থানীয় চহৰখনৰ। এগৰাকী নৱবিবাহিতা মহিলাই যোৱা ৰাতি নিজৰ ৰুমতেই আত্মহত্যা কৰিলে। তাক লৈ সকলোফালে চিঞৰ-বাখৰ। অৱশ্যে বৰ্তমান সময়ত নিউজ চেনেলবোৰত মাত্ৰ এইবোৰ খবৰেই বেছিকৈ দেখা পোৱা যায়। ময়ো নিউজটো অলপ ওপৰে ওপৰে চাই টি.ভি.টো বন্ধ কৰি শুবলৈ লৈছিলোহে, ঠিক তেনেকুৱাতে ফোনটো বাজি উঠিল। নাম্বাৰটো চেভ কৰা নাছিল, ফোনটো নুঠাও ভাবিছিলো যদিও কোনোবাই বিপদত পৰি ফোন কৰিছে বুলিয়ে ফোনটো ৰিচিভ কৰিলোঁ। ফোনটো ৰিচিভ কৰাৰ লগে লগে সিফালৰ পৰা কোনোবা নাৰীৰ কণ্ঠস্বৰ ভাঁহি আহিল.....

হেল্ল...! এইটো অৰ্নিৰ্বাণ শইকীয়াৰ নাম্বাৰ হয়নে ? ...মাতটো শুনি এনেকুৱা লাগিছে যেন তেওঁ এইমাত্ৰ কান্দি উঠিছে নতুবা কান্দিয়ে আছে। গতিকে মইয়ো যিমান পাৰোঁ সহজ হৈ ক'লো...

হয়... কিন্তু আপুনি ? ...লগে লগে আনফালৰ পৰা কন্দাৰ শব্দ ভাঁহি আহিল।

বহুত কষ্ট কৰি আপোনাৰ নাম্বাৰটো যোগাৰ কৰিলোঁ। বহুত আশাত ফোন কৰিলো। আপুনিহে আমাক সহায় কৰিব পাৰিব।

ৰ'বচোন আপুনি অলপ...। ধৈৰ্য ধৰক। আচলতে কি হৈছে গোটেই কথাখিনি কওক মোক। কি বিপদত পৰিছে আপুনি ?

মোৰ বায়ে আত্মহত্যা কৰা নাই। তাইক হত্যা কৰা হৈছে। নিজৰ স্বামীয়ে হত্যা কৰিছে মোৰ বাক।

ঠিক আছে, কিন্তু আপুনি কাৰ কথা কৈছে? মই ঠিক ধৰিব পৰা নাই।

'জোনাকী বৰুৱা'। যি যোৱা ৰাতি আত্মহত্যা কৰিলে বুলি বাতৰিত প্ৰকাশ পাই আছে। মই তেওঁৰ ভগ্নী জোনালী বৰুৱা। মোৰ বায়ে আত্মহত্যা কৰিব নোৱাৰে। তাইক হত্যা কৰা হৈছে। অনুগ্ৰহ কৰি মোক ন্যায় দিয়ক। পুলিচৰ ওপৰত মোৰ বিশ্বাস নোহোৱা হৈছে। সেইবাবে আপোনাক ফোন কৰিলোঁ। বহুত কথা আছে সেইবোৰ আপোনাক লগ পালেহে ক'ব পাৰিম।

বাৰু বাৰু; মোক তোমাৰ ঘৰৰ ঠিকনাটো পঠিয়াই দিয়া, আৰু মই নিশ্চয় কাইলৈ যাম।

ধন্যবাদ ছাৰ। ...... বুলিকৈ ছোৱালীজনীয়ে ফোনটো কাটি দিলে। ময়ো বিচনাতে পৰি পৰি ছোৱালীজনীয়ে কোৱা কথাটোকে ভাবিবলৈ ধৰিলো। নিউজত প্ৰকাশ কৰা মতে বা স্বামীৰ কথা আৰু ঘৰখনৰ কথামতে জোনাকী বৰুৱাই আত্মহত্যা কৰিছে। কিন্তু এতিয়া দেখোন কথাটোয়ে অন্য এটা ৰূপ লৈছে। বাৰু যি হওঁক, কাইলৈ সকলোকে লগ কৰিলে নিশ্চয় গম পাম। নিজক অলপ নিজেই বুজনি দি শুই পৰিলোঁ।

পিছদিনা পুৱা ১০ মান বজাত অফিচৰ কামবোৰ শেষ কৰি জোনালীয়ে দিয়া ঠিকনা মতে তেওঁৰ ঘৰত উপস্থিত হ'লোগৈ। ঘৰৰ মানুহবোৰৰ মনবোৰ বেজাৰত একেবাৰে অস্থিৰ হৈ আছে। তেনে পৰিস্থিতিত যিকোনো কথা বেছিকৈ সুধি থাকিবলৈও বেয়া লাগে।

যিমান পাৰো জোনালীৰ পৰাই কথাবোৰ জানিবলৈ ইচ্ছা কৰিলোঁ। জোনাকী বৰুৱাৰ বিয়া হৈছিল মাত্ৰ ৪ মাহৰ আগতে। মাক-দেউতাকৰ মতে সুখৰ সংসাৰ তেওঁলোকৰ। কোনো হাই-কাজিয়া নাই। কিন্তু জোনালীৰ মুখৰ ভাষ্য একেবাৰে ওলোটা। বহুতো কিবা-কিবি ক'ব বিচাৰি আছে। কিন্তু মাক-দেউতাকে ক'বলৈ দিয়া নাই। গতিকে বেছিকৈ ইয়াত থকা আৰু কথা পতা ভাল ন'হব বুলি ভাবিয়েই মই মাজতে মাত লগালোঁ... বাৰু মই জোনাকী বৰুৱাৰ ফটো এখন চাব পাৰিম নেকি?

ৰ'ব, মই এতিয়াই লৈ আহিছোঁ বুলি জোনালীয়ে ভিতৰৰ পৰা ধুনীয়াকৈ ফ্ৰেমত সজাই থোৱা এখন ফটো আনি দিলে। ফটোখন চাইহে চকু কপালত উঠিল। কাৰণ জোনাকী আৰু জোনালী দেখিবলৈ প্ৰায় একেই। মই আচৰিত হোৱা দেখি জোনালীয়ে নিজেই ক'লে... "আমি দুইজনী যমজ ভগ্নী"। মাত্ৰ ৩-৪ মিনিটৰ ব্যৱধানত আমাৰ

জন্ম।

চিনিপোৱাত সকলোৰে খেলি মেলি হোৱা বাবেই জোনাকী বায়ে বেছিভাগ ৰঙা কাপোৰ পিন্ধি থাকে আৰু এটা সৰু ক'লা ফোট লৈ থাকে। কিন্তু মই বেছিকৈ হালধীয়া কাপোৰ পিন্ধো। তেতিয়াহে ভালকৈ আকৌ ফটোখন চাই ধৰিব পাৰিছো। বেছিদেৰি নকৰি জোনাকীৰ বিবাহিত ঘৰখনৰ পৰা এবাৰ গৈ আহিবলৈ মন গ'ল আৰু বহু প্ৰশ্নই আমনি কৰিলে আৰু তাকে ভাবি জোনালী আৰু তেওঁৰ মাক-দেউতাকৰ পৰা বিদায় লৈ, বাহিৰলৈ ওলাই আহি গাড়ীখনৰ ওচৰ পাইছিলোহে। তেনেতে পাছফালৰ পৰা কোনোবাই মাত দিয়া শুনি ঘুৰি চাই দেখিলোঁ, জোনালী আহি ওচৰ পাইছেহি।

আহিয়ে লৰালৰিকৈ মোতকৈ আগতেই মোৰ গাড়ীৰ আগৰ চিটত বহি ক'লে... সোনকালে ব'লক। বহুত কথা ক'বলৈ আছে, কিন্তু ঘৰত মা-দেউতাৰ কাৰণে ক'ব নোৱাৰো। ভয় কৰে বহুত, কথাবোৰ ক'বলৈ। ময়ো দেৰি নকৰি গাড়ীখন চহৰৰ পৰা বাহিৰৰ দিশে লৈ গুচি গ'লো। চহৰৰ পৰা অলপ বাহিৰ হোৱাৰ পাছতে জোনালীয়ে গাড়ীখন ৰখাই দিবলৈ কোৱাত ৰাস্তাৰ অলপ কাষলৈ নি ৰখাই দিলোঁ। ৰখোৱাৰ ৫, ৬ মিনিট পাছতেই দীঘলকৈ উশাহ এটা লৈ জোনালীয়ে ক'বলৈ আৰম্ভ কৰিলে... "চাৰিমাহৰ আগতে এইখন চহৰৰে ব্যক্তি উজ্জ্বল বৰুৱাৰ লগতে জোনালীবাৰ বিয়া হৈছিল। ঘৰৰ পৰা চাই ঠিক কৰা বিয়া। দুয়োখন ঘৰে কথা পাতি সকলো ঠিক কৰি দিন বাৰ চাই বিয়া ঠিক কৰিছিল। বিয়াৰ আগৰ পৰা বিয়া হৈ যোৱা ৩ মাহমানলৈকে সকলো ঠিকেই কিন্তু ৩ মাহৰ পাছৰ পৰাই বাৰ জীৱনৰ সকলো সলনি হৈ গৈছিল। উজ্জ্বল বৰুৱাৰ আচল স্বৰূপ তেতিয়াহে ধৰা পৰিছিল, আমাৰ ঘৰত ছোৱালী দুজনী দেখা পাই মাত্ৰ সম্পত্তিৰ লালসাত হে জোনাকী বাক বিয়া কৰাইছিল তেওঁ। প্ৰথমতে কামৰ কিবা দৰকাৰত লাগে বুলি অলপ বেছিকৈ পইচা বিচাৰিবলৈ ধৰিলে। লাহে লাহে ১, ২ লাখকৈ বহুতো টকা ল'লে। এবাৰ একো নিদিওঁ বুলি কোৱাত সৰুৰ পৰা টানকৈ কথা শুনি নোপোৱা জোনাকী বাৰ গাত প্ৰথম বাৰ হাত তুলিছিল উজ্জ্বল বৰুৱাই। সেইদিনা ৰাতিয়েই বায়ে কান্দি কান্দি সকলো কথা কৈছিল মোক। মই সেইদিনা ঘৰলৈ ঘুৰি আহিবলৈ কৈছিলো, কিন্তু মা-দেউতাৰ সন্মানৰ কথা ভাবি ঘূৰি নাহিল আৰু মোকো ঘৰত কথাবোৰ ক'বলৈ মানা কৰিলে।

তাৰ পাছৰ পৰাই বাৰ গাত হাত উঠোৱাটো উজ্জ্বল বৰুৱাৰ দৈনিক কামৰ দৰে হৈ পৰিছিল। বায়ে মোক কথাবোৰ খুলি নক'লেও মই বাৰ মাততে গম পাইছিলো।

মাৰ গৰ্ভৰে পৰা একেলগে ডাঙৰ হোৱা আমি বাৰ কথাবোৰত সকলো বুজি পাওঁ মই। কিন্তু তাইক বহুত বুজাইয়ো ঘুৰি আহিবলৈ মই কিন্তু মান্তি কৰাব নোৱাৰিলোঁ। টকা এৰি শেষত উজ্জ্বল বৰুৱাই আমাৰ ঘৰৰ আধা সম্পত্তি খুজিবলৈ জোনাকী বাক জোৰ দিছিল, কিন্তু বায়ে মৰি গ'লেও সেই কাম নকৰোঁ বুলি বুজাই দিয়াত সেইদিনা ৰাতি ঘৰত কোনো নথকাৰ সুযোগ লৈ ৰূমৰ ভিতৰত পেট্ৰ'ল ঢালি... — কৈয়ে জোনালীয়ে হুক হুকাই কান্দি উঠিল। কি বুলি সান্ত্বনা দিম মই নিজেই একো ভাবিকে নাপালো। আজিকালি বহু মানুহ মাত্ৰ দেখিবলৈ হে মানুহৰ দৰে, কিন্তু কামবোৰ নৰপিশাচৰ দৰে। জীৱন্ত এজনী ছোৱালীক জ্বলাই দিয়াৰ কথা ভাবিব কেনেকৈ পাৰে। সেই পৰিস্থিতিৰ কল্পনা কৰিয়েই বুকুখনে হাহাকাৰ কৰি উঠিছিল। কিমান যে যন্ত্ৰণা সহিছিল, সেইয়া কোনোবাই কল্পনা কৰাও কঠিন। গাড়ীত থকা বেগটোৰ পৰা পানী বটল এটা উলিয়াই জোনালীৰ ফালে আগবঢ়াই দিলো। ...ধৈৰ্য ধৰা জোনালী, তোমাৰ বাৰ আত্মাই শান্তি নাপাব নহ'লে। জোনালীয়ে বটলৰ পৰা পানী অলপ খাই সুস্থিৰ হৈ কন্দা কন্দা মাতেৰেই ক'লে — আপুনি দোষীক শাস্তি দিব পাৰিবনে? নহ'লে মোৰ বাৰ আত্মাই কেতিয়াও শান্তি নাপাব। আপোনাক কি লাগে সকলো লৈ লওক। টকা, পইচা মোৰ সন্মান কনো লৈ লওক দৰকাৰ হ'লে, কিন্তু মোৰ বাৰ আত্মাক শান্তি দিয়ক ছাৰ। এইবুলি কৈ জোনালীয়ে পুনৰ কান্দি উঠিল।

"পাব দোষীয়ে নিশ্চয় শাস্তি পাব। একো নালাগে মোক। তুমি মাথো অলপ ধৈৰ্য ধৰা, মোক কিছু সময় দিয়া। নিজক দুৰ্বল নকৰিবা। দোষীক মই উচিত শাস্তি দিম। কথা দিলোঁ মই তোমাক।" — এইদৰে বহু বুজনিৰ অন্তত জোনালীয়ে কিছু শক্তি ঘুৰাই পাইছিল। গতিকে দেৰি নকৰি মই পুনৰ গাড়ীখন চহৰৰ ফালে ঘুৰাই আনিলো। আহোতে কান্দি কান্দি ভাগৰি জোনালী গাড়ীৰ চিটতে শুই পৰিছিল। আহি থাকোঁতে তাই কোৱা কথাবোৰ চিন্তা কৰি আছিলো। আজিকালি মানুহক বিশ্বাস কৰিবলৈ বহুত কঠিন। কোনো মতে মনটোক বুজালো। জোনালীক ঘৰত নমাই মই গুচি গ'লো জোনাকী অৰ্থাৎ উজ্জ্বল বৰুৱাৰ ঘৰৰ অভিমুখে। উজ্জ্বল বৰুৱাৰ ঘৰ পাইহে সকলো খেলি মেলি হ'ল। কাৰণ জোনালীয়ে কোৱা কথাবোৰতে প্ৰমাণ পোৱা যায় তাইৰ কথাবোৰ মিছা নহয় বুলি। তাৰ পাছতো উজ্জ্বল বৰুৱাৰ ভাষ্য একেবাৰে ওলোটা। জোনাকীৰ মৃত্যুত তেওঁ যেন নিজকে মৃত বুলি ঘোষণা কৰি দিছে। শোকত ভাগি পৰা অৱস্থা। কিবা প্ৰশ্ন কৰিলেও যেন কিঞ্চিৎমানহে উত্তৰ দিয়ে। সকলো সুন্দৰভাৱে সুখেৰে সংসাৰ চলি থকাৰ পাছতো জোনাকীয়ে কিয়

এনেকুৱা এটা সিদ্ধান্ত ল'লে নাজানে তেওঁ এই বিষয়ে। বৰুৱাৰ মতে জোনাকীৰ মৃত্যুৰ সময়ত তেওঁ চহৰতে নাছিল। কিন্তু তেওঁৰ কথাবোৰ মিছা কথা বুলি সুৰতে বুজি পাইছিলো। সকলো কাহিনী তেওঁ আগতেই সজাই পৰাই থৈছে। গতিকে প্ৰতি বাৰে একেখিনি কথাই পুনৰাবৃত্তি কৰি গৈছে। বহু সোধাপোছা কৰিও একো প্ৰমাণ নাপাই ঘৰলৈ উভটি আহিলো। ঘৰলৈ আহি বৰুৱাৰ কিদৰে প্ৰমাণ গোটাব পাৰো তাকে চিন্তা কৰিবলৈ ধৰিলো। বহু কষ্ট কৰিলো। কিন্তু একোৱেই শক্তিশালী প্ৰমাণ নাপালো। যাতে প্ৰমাণ কৰিব পাৰোঁ জোনাকী বৰুৱাই আত্মহত্যা কৰা নাই। এদিন দুদিনকৈ ৬ টা দিন পাৰ হৈছিল। কিন্তু মই উজ্জ্বল বৰুৱাৰ বিপক্ষে একো ভাল প্ৰমাণ গোটাব নোৱাৰিলো। মাজে মাজে জোনালীয়ে ফোন কৰি সোধে, কিন্তু মই বহুত বুজনি দি ধৈৰ্য ধৰিবলৈ কৈ থাকো। মই কথা দিছিলো দোষীক শাস্তি দিম বুলি। এতিয়া কিদৰে কওঁ যে মই কোনো ধৰণৰ প্ৰমাণ গোটাব পৰা নাই। যমৰ যন্ত্ৰণা দি হত্যা কৰা ছোৱালীজনীৰ হত্যাকাৰীক সন্মুখত দেখিও মই অসহায় হৈ আছো। বহুত বিশ্বাস কৰি মোৰ ওচৰলৈ সহায় বিচাৰি আহিছিল। মই পৰা নাই একো কৰিব। ঠিক তেনেতে ম'বাইলটো বাজি উঠাত চালো জোনালীয়ে ফোন কৰিছে। ফোনটো উঠাই দোষী দোষী ভাবেৰেই কৈছিলো মোক ক্ষমা কৰিবা জোনালী, তোমালোকৰ দোষীক মই এতিয়ালৈকে শাস্তি দিব পৰা নাই। প্ৰমাণৰ অভাৱত তোমাক দিয়া কথাও মই ৰাখিব পৰা নাই...!" কিন্তু জোনালীয়ে একেবাৰে সাধাৰণ ভাৱেই উত্তৰ দিলে... নাই, নাই... আপোনাক মই বেয়া পোৱা নাই। প্ৰমাণ দিব পাৰো আপোনাক, কিন্তু তাৰ বাবে মোৰ লগত যাব লাগিব। ... আগৰ দিনতকৈ আজি কথাবোৰ অলপ বেলেগ যেন লাগিছিল জোনালীৰ। যেন মৃত্যু হোৱা বায়েকৰ দুখৰ পৰা উপশম হৈছে। মাতটোও আগতে কান্দি উঠাৰ পৰা মাত দিয়া যেন লাগে, কিন্তু আজি স্বাভাৱিক একেবাৰে। কেচটোৰ কথাও জানিবলৈ বিচৰা নাই। আটাইতকৈ আচৰিত কথাটো হ'ল জোনালীৰ ওচৰত হত্যাৰ প্ৰমাণ কেনেকৈ ওলাল। আৰু যদি প্ৰমাণ আছিলেই, আজিলৈকে মোক জানিবলৈ নিদিলে কিয়? আচলতে সকলো প্ৰশ্নৰ উত্তৰ জোনালীয়েহে দিব পাৰিব। গতিকে, এবাৰ লগ পোৱাই ভাল হ'ব বুলি ভাবিলো। সেই কাৰণে সুধিলো? ক'ত যাব লাগিব মই...?

আজি ৰাতি ৯ মান বজাত আহিব, উজ্জ্বল বৰুৱাৰ ঘৰলৈ যাব লাগিব। তাতেই প্ৰমাণ পাব আপুনি।"... ইমানকে কৈ ফোনৰ সংযোগ বিচ্ছিন্ন কৰিলে। মই কিবা সুধিব লৈও সময় নিদিলে। মইয়ো কথাটো বেছিকৈ নাভাবি যোৱাটোৱে উচিত হ'ব

বুলি ভাবিলো। দোষীয়ে শাস্তি পোৱাতো মইয়ো বিচাৰো। গতিকে ৰাতি ৯ মান বজাত জোনালীৰ ঘৰৰ সন্মুখত উপস্থিত হ'লোগৈ। জোনালী নিজৰ ঘৰৰ বাহিৰতে ৰৈ আছিল। মই গৈ পোৱাৰ লগে লগে এটা হাঁহিৰে সম্ভাষণ জনাই গাড়ীৰ ভিতৰত বহিল। জোনালীয়ে একেবাৰে ৰঙা সাজ আৰু ক'লা ফোট এটা লৈ আহিছিল। প্ৰথম দিনা কথা পাতোতে ৰঙা আৰু ক'লা ফোট জোনাকীয়েহে পৰিধান কৰে বুলি কৈছিল তেনেস্থলত আজি জোনালীয়ে কিয় ৰঙা সাজ পৰিধান কৰি আহিছে। কথাটো সুধিম বুলি ভাবিছিলো যদিও নুসুধিলো, সুধিলে কি বুলি ভাবে ? এইবোৰ ভাবি থাকোতেই জোনালীয়ে মাত দিলে...

কি হ'ল অ; কি ভাবি আছে দাদা। ব'লক আকৌ। ... তেতিয়াহে মোৰ সম্বিৎ ঘূৰি আহিল।

অ' ব'লা... বুলি কৈ উজ্জ্বল বৰুৱাৰ ঘৰৰ ফালে গাড়ীখন লৈ গুচি গ'লো। জোনালীৰ মাতটোও কিছু বেলেগ লাগিছিল সেইদিনা। সকলো ক্ষেত্ৰতে অলপ পৰিবৰ্তন হ'ল। আজি গোটেই ৰাস্তাটোত এবাৰো মাত দিয়া নাই। সেইকাৰণে ময়ো কথাবোৰ সুধিম বুলি সুধিব পৰা নাই।

তেনেদৰে কিছুসময়ৰ পাছত আমি আহি উজ্জ্বল বৰুৱাৰ ঘৰৰ গেটৰ সন্মুখত আহি উপস্থিত হ'লোহি। মই গাড়ীৰ পৰা নামি যোৱাৰ আগতেই জোনালী গাড়ীৰ পৰা নামি উজ্জ্বল বৰুৱাৰ ঘৰলৈ সোমাই গ'ল।

জোনালী অকলে নাযাবা, ময়ো আহিছো বুলি কোৱা শুনিলেনে নুশুনিলে নাজানো। মই খৰ খেদাকৈ গাড়ীখন ৰাস্তাৰ পৰা অলপ কাষলৈ নি ৰখাই দি নামি গ'লো। কিন্তু তেতিয়ালৈকে জোনালী গৈ ঘৰৰ ভিতৰ পালেগৈ। তাৰ পাছত ময়ো দৌৰ মাৰিলো ঘৰৰ ভিতৰলৈ। কাৰণ ভিতৰত কি পৰিস্থিতি হয় ক'ব নোৱাৰি। মই যিটো অনুমান কৰিছিলো তাকেই হ'ল। বৰুৱা মদ্যপান কৰাত ব্যস্ত। জোনাকীৰ সাজত জোনালীক দেখিয়ে তাৰ হাতৰ মদৰ গিলাচ পৰি গৈছিল। ভূত ভূত কৰি কৰি ভিতৰ ফালে দৌৰ মাৰিব লৈছিল যদিও ফ্লৰত পৰি থকা মাদক দ্ৰব্যত পিছলখাই তাতেই পৰি গ'ল।

ত-তই কোন ? তোক মই নিজ হাতেৰে মৰাৰ পাছতো কেনেকৈ আহিলি ? মই দুৱাৰমুখৰ পৰা চাই আহিছো আৰু বৰুৱাই কোৱা সকলো কথাই শুনিলো।

তোক নমৰালৈকে মই শান্তি নেপাওঁ, মোক মাৰি কি ভাবিছিলি, তই বাচি যাবি। কি ভুল আছিল মোৰ, মোৰ ঘৰখনৰ ? সকলো থান-বান হৈ গ'ল আজি তোৰ কাৰণে।

মই একে ঠাইতে নিথৰ হৈ মাত্ৰ শুনি আছিলোঁ, আচলতে মোৰ সন্মুখত এইজনী জোনালী নে জোনাকী? কি কৈছে তাই? এইবোৰ কিদৰে সম্ভৱ? কিন্তু বৰুৱাই হয়তো কথাবোৰ উপলব্ধি কৰিলে। গতিকে প্ৰস্তুত হৈ উত্তৰ দিছিল — জোনাকীয়ে আত্মহত্যা কৰিছে, কি প্ৰমাণ আছে মই হত্যা কৰাৰ? তই জোনাকী নহয়, জোনালী। মোক মিছা কৈ ঠগিব নোৱাৰিবি।

প্ৰমাণ... প্ৰমাণ এতিয়াও আছে, প্ৰমাণ হ'ল মোক হত্যা কৰাৰ আগতে মোৰ ডিঙিচেপি ধৰা ৰছিডাল। যি এতিয়াও ষ্টৰ ৰূমত পৰি আছে। প্ৰথমতে নিজৰ ৰূমত ডিঙিচেপি হত্যা কৰি, তাৰ পাছত বাহিৰলৈ আনি এইখিনি ঠাইতে মোৰ শৰীৰত তেল ঢালি জ্বলাই দিয়া নাছিলি জানো? কৈ গৰজি উঠিছিল জোনালী।

কথাবোৰ শুনি মোৰ লগতে উজ্জ্বল বৰুৱাও আচৰিত হৈ পৰিছিল। জোনালীয়ে এইবোৰ কথা গম পালে কেনেকৈ? তাৰমানে...... একো তলকিবই নাপাওঁতেই উজ্জ্বল বৰুৱাই ড্ৰয়াৰৰ পৰা পিষ্টলটো উলিয়াই জোনালীৰ ফালে টোৱাই চিঞৰি উঠিল..... আগবাঢ়িবৰ চেষ্টা নকৰিবি, ইয়াতেই গুলীয়াই শেষ কৰি দিম।" কিন্তু জোনালীয়ে অলপো ভয় কৰা নাই, ওলোটাই জোৰেৰে চিঞৰি উঠিল......

মাৰ....., শক্তি আছে যদি গুলী চলা তই আজি। মোক আজি তই মাৰিব নোৱাৰ। আজি তোৰ মৃত্যুৰ হে সময় আহিছে।

কি..... মোৰ মৃত্যু, তই মাৰিবি, তোকেই আজি শেষ কৰি দিও, চাওঁচোন কোনে বচাই আৰু মোক কোনে শাস্তি দিয়ে। বৰুৱাই গুলীয়াবলৈ উদ্যত হওঁতেই মই দৌৰি গৈ বৰুৱাৰ হাতত এটা গোৰ মাৰিলো আৰু উজ্জ্বল বৰুৱাৰ হাতৰ পৰা পিষ্টলটো এৰাই গৈ দূৰত পৰিল। সন্মুখত মোক দেখা পাই এবাৰ তেওঁ......

তই আহিছ....., তোকো আজি শেষ কৰি দিওঁ বুলি কৈ মদৰ বটলটো হাতত তুলি ল'লে। কিন্তু মদৰ বটল ল'বলৈ টনা-আজোৰা কৰি থাকোতেই গুলীৰ শব্দ হ'ল "গুৰুম" আৰু লাহে লাহে তললৈ ঢলি পৰিল উজ্জ্বল বৰুৱা। পাছলৈ ঘূৰি চাই দেখিলো জোনালীয়ে হাতত পিষ্টললৈ আমাৰ পৰা কিছু আঁতৰত থিয়হৈ আছে। বৰুৱাৰ শৰীৰৰ পৰা তেজ বৈ গৈছিল। মই কি কৰিম একো ঠিৰাং কৰিব নোৱাৰি মাত্ৰ তেজৰ পৰা কেইখোজমান পিছুৱাই আহিছিলো।

জোনালীৰ ফালে চোৱাত জোনালীয়ে নিজেই লাহে লাহে আহি পিষ্টলটো মোৰ ফালে আগুৱাই দি ক'লে ক্ষমা কৰিব, প্ৰমাণ দিব নোৱাৰিলো মই, কিন্তু এতিয়া প্ৰমাণৰ কোনো প্ৰয়োজন নাই। আজি মই নিজেই হত্যাকাৰী হৈ পৰিলো। এতিয়া

আপুনি যি শাস্তি দিয়ে তাকে মানি ল'ম।

মই একো নকৈ মাত্ৰ ৰুমালখলেৰে জোনালীৰ হাতৰ পৰা পিষ্টলটো লৈ বৰুৱাৰ হাতত পিষ্টলটো গুজি দিলো আৰু জোনালীক লগত লৈ ঘৰৰ পৰা ওলাই আহিলো। দুয়ো আহি গাড়ীত বেগেৰে ঘৰৰ দিশে গাড়ী আগুৱাই নিলো। আহি জোনালীৰ ঘৰৰ সন্মুখত গাড়ী ৰখাই দিলো। গাড়ীৰ পৰা নামি যোৱাৰ আগে আগে জোনালীয়ে সুধিছিল... "এয়া আপুনি উচিত কৰিছে জানো? সন্মুখত হত্যা কৰা দেখিও মনে মনে আছে এইদৰে। এইটো কথাই কষ্ট দিব আপোনাক ভৱিষ্যতে।

উচিত কৰিছো নে নাই নাজানো ময়ো। কিন্তু সময়ত যি মনলৈ আহিল কৰিলো। এজনী নিৰপৰাধী ছোৱালীক হত্যা কৰিছো বুলি সন্মুখত স্বীকাৰ কৰাৰ পাছতো একো কৰিব নোৱাৰিলো। এইটোৱেই গোটেই জীৱন অশান্তি দিলেহেঁতেন। আজি যিবোৰ হৈ গ'ল কৰবাত ভুল যেন লাগিলেও কৰবাত শুদ্ধ হ'ল বুলি অনুভৱ হয়। সকলো হত্যাকাৰীক শাস্তি দিব নোৱাৰো কেতিয়াও। যি হ'ব লগা আছিল হৈ গ'ল। এতিয়া যোৱা; সকলো পাহৰি ভালদৰে থাকিবলৈ চেষ্টা কৰিবা। কিবা অসুবিধা পালে মোক জনাবা।

বাহিৰৰ পৰাই ক'লে তাই... 'ধন্যবাদ, বৰ্তমান সমাজত আপোনাৰ দৰে চিন্তাৰ প্ৰয়োজন আছে। আকৌ লগ পাম। এনেদৰে কৈ জোনালী ঘৰলৈ গুচি গ'ল। মইয়ো নিজৰ ঘৰলৈ আহি কেতিয়া শুই পৰিলো গমকে নাপালো। ৰাতিপুৱা ৪ মান বজাত সাৰ পালো। যোৱাৰাতি হৈ যোৱা কথাবোৰ ৰাতিপুৱা সপোনৰ দৰে লাগিছিল। শোৱাপাটিৰ পৰা উঠি টি.ভি.টো অন কৰি নিউজ চেনেলটো লগাই দিওঁতেই চেনেলটোৱে চিঞৰি উঠিছিল.... ৰাতিপুৱাৰ বিগ ব্ৰেকিং নিউজ জোনাকী বৰুৱাৰ হত্যাকাণ্ডৰ নতুন মোৰ। জোনাকী বৰুৱাৰ স্বামী উজ্জ্বল বৰুৱাই যোৱাৰাতি নিজৰ ৰিভলভাৰেৰেই গুলীয়াই আত্মহত্যা কৰে। তেওঁ আত্মহত্যাৰ কাৰণ এতিয়াও ৰহস্যজনক। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। টি.ভি.টো বন্ধ কৰি বাহিৰলৈ ওলাই আহিলো। বতৰটো ডাৱৰীয়া, হয়তো বৰষুণ দিব পাৰে।

**(প্ৰকাশ কালঃ ২০২২-২০২৩)**

# দিক্‌ভ্ৰান্ত

**সান্ত্বনা বড়া**

ৰাতি গভীৰ হৈ আহিছে, চৌদিশে নিজম-নিতাল পৰিৱেশ। কাৰো কেনিও কোনো সাৰ-সুৰ নাই। ঘড়ীৰ কাটাকেইডালৰ শব্দ স্পষ্টকৈ শুনা গৈছে। বাহিৰত কুঁৱলীৰ ডাঠ ছামিয়ানা। ঠাণ্ডাও যথেষ্ট পৰিছে। এনে ঠাণ্ডাতো সাৰে আছে সুনীতা। সকলো টোপনিত লালকাল। ইমান এটা ডাঙৰ চিন্তা লৈ তাই শোৱেনো কেনেকৈ। তাই মাথোঁ ডেৰবছৰৰ আগৰ কথাবোৰ ভাবি ভাবি তন্ময় হৈ পৰিছে।

তেতিয়া তাই বহুত সুখী। ৫ বছৰীয়া ল'ৰাটো আৰু কণমানি ছোৱালীজনীৰে সৈতে সুখৰ সংসাৰ। গিৰিয়েক ৰাতুলে অসমৰ বাহিৰত কাম কৰে। বছেৰেকৰ মূৰত ঘৰলৈ আহে। তাই ঘৰতে চিলাই কাম কৰে। দুপইচা আৰ্জন হয়। ঘৰখন চলি থাকে। এদিন তাই গাঁৱৰে চুবুৰীয়া মহিলাসকলৰ সৈতে এটা কৰ্পৰেচন গোটত সোমাইছিল। তেনেদৰেই তাই চলি গৈছিল। তাইক বায়েক আৰু গিৰিয়েকে গোটৰ পৰা বেছি টকা নল'বলৈ বা পাৰিলে আঁতৰত থাকিবলৈ বাৰে বাৰে সকীয়াই আছিল। তথাপিও তাই কাণসাৰ কৰা নাছিল। সময়ত টকা লৈ সেইখিনিৰে চিলাইৰ সামগ্ৰী আনি কামত খটুৱাই পুনৰ ওভতাই দিছিল সময়মতে। কোনো অসুবিধাত তাই পৰা নাছিল, সময়ত টকা লৈ সময়ত ঘুৰাই দিছিল।

সমস্যাটো হৈছে এতিয়া। আজিকালি মানুহবোৰ তাইৰ ওচৰত চিলাইৰ বাবে বেছিকৈ নহা হৈছে। কিবা বোলে 'অনলাইন'ত বয়-বস্তু কিনে। তাইৰ উপাৰ্জনো কমি গৈছে। এইবাৰ তাই অলপ সৰহকৈ টকা লৈছিল। কিন্তু ইমান টকা এতিয়া ঘুৰাবলৈ পইছা পায় ক'ত? তাই দিব নোৱাৰাৰ বাবেই কেইবাটাও কিস্তি তাইৰ লগৰ

দুজনীমানে মিলি দি দিলে। কিন্তু এইবাৰ বোলে সিঁহতে আৰু দিব নোৱাৰে। ইফালে ল'ৰা-ছোৱালীহালকো চাব লাগে। ওপৰৰ পৰা মানুহ আহি সিদিনা গোটৰ সকলোকে কৈ গৈছে - সময়ত টকা ঘূৰাব লাগিবই। তাইৰ যে বৰ ভয় লাগিছে। তাইৰ ঘৰৰ অলপ আঁতৰৰ সিখন গাঁৱত বোলে টকা দিব নোৱাৰাৰ বাবে ঘৰৰ পৰা প্ৰথমে চকীখন, তাৰ পিছত টেবুলখন এনেকৈ নি নি আল্‌না, পালেংখনো নিলে। পিছে ওপৰৰ পৰা অহা গোটৰ মানুহে নহয়, গোটত থকা ওচৰৰ মানুহবোৰেহে। সিঁহতে যে তাইৰ টকাবোৰ অতদিনে দি আছিল। লোকৰ টকানো কোনে কিমানদিন দি থাকিব। এতিয়াও শুনিবলৈ পোৱা মতে টকা যদি দিব নোৱাৰে ঘৰৰ চালৰ টিনপাত কেইখনকে লৈ যাব। সুনীতাৰ সেইটো কাৰণতে ভয় বেছি হৈছে। গিৰিয়েকেও টকা পঠিয়াব পৰা নাই কেইবা মাহেও।

অ' মা কি কৰিছ বুলি সৰু ল'ৰাটোৱে মতাতহে তাইৰ তন্ময়তা ভাগিল। ইমান তন্ময় হৈ তাই কথাবোৰ ভাবি আছিল।

তাই বহুত চিন্তা কৰিছে এতিয়া। ক'ৰ পৰা তাই ইমান টকা দিব, ক'ত পাব। তাইৰ বাৰে বাৰে বায়েকৰ আৰু গিৰিয়েকৰ সকীয়নিলৈ মনত পৰিছে। কিমান যে দুখ পাইছে তাই, তাইৰ কোটৰত সোমাই যোৱা বিষাদগ্ৰস্ত চকুকেইটাতে ধৰিব পাৰে। গৰু কেইটা উলিয়াই নিওঁতে ৰাতিপুৱাই তাই পদুলিমুখত স্কুটীত অহা কাৰোবাক দেখি মূৰৰ ওপৰেদি এসোঁতা তেজ বৈ গ'ল। তাই ভাবিলে—

"হে প্ৰভু, গোটৰ মানুহজনী ইমান ৰাতিপুৱাই কিয় আহিছে!"

হেলমেট পিন্ধাৰ বাবে তাই ধৰিব পৰা নাছিল আচলতে কোন! সেয়া কিয় যে তাইৰ বান্ধৱীয়েকৰ জীয়েকহে, ফুৰিবলৈ ৰাতিপুৱাই আহিল।

তাই বহুত সাহস গোটাই লৈ গোটৰ লগৰ কেইগৰাকীক নিজৰ অৱস্থাটোৰ কথা বিৰৰি ক'লে। সিহঁতেও বুজি পালে। সিহঁতেও সিহঁতৰ নিজৰ কিস্তিকেইটা যেনে তেনেহে দিছে। গোটটোৰ শীৰ্ষ দুগৰাকীমান ওপৰত গৈ কথাটো জনাম বুলি ক'লে। প্ৰয়োজনত অনুনয়-বিনয় কৰিম বুলিও ক'লে।

গোটটোৰ মানুহকেইগৰাকীয়ে আহি তাইক জনালেহি যে 'ওপৰৱালা অফিচাৰে' কি ক'লে। সিহঁতে কোৱা এষাৰ কথাই তাইৰ কাণত বাজি থাকিল— "...দৰকাৰ হ'লে কিড্‌নী বেচি বা দেহ বিক্ৰী কৰি হ'লেও টকা পৰিশোধ কৰিব লাগিব..."।

সিদ্ধান্ত ল'লে তাই সিহঁতৰ খেতি মাটিখিনিকে বিক্ৰী কৰি দিব, যিখিনি আছে সেয়াও বেছি নাই। ঘৰৰ তামোল পাণৰ বাৰীখনো যে বেচিব লাগিব। পিছে তাই

এইটো সিদ্ধান্ত অকলে ল'ব নোৱাৰে। এইখনটো ৰাতুলৰো ঘৰ। কিদৰে জনাব তাই গিৰিয়েকক ইমান এটা ডাঙৰ সিদ্ধান্তৰ কথা? নাই নাই গিৰিয়েকক সুধিবই। ভয়ে ভয়ে তাই বাংগালুৰত কাম কৰি থকা গিৰিয়েকলৈ ফোন লগালে। সিফালৰ পৰা গিৰিয়েক ৰাতুলৰ কণ্ঠস্বৰ স্পষ্টভাৱে ভাঁহি আহিল— "হেল্ল', হেল্ল' সুনীতা।"

**(প্ৰকাশ কালঃ ২০২২-২০২৩)**

# জীয়া

টুটুমণি ভূমিজ

জীৱনটো আমি ভবাৰ দৰে কমাৰে গঢ়াৰ দৰে নিজ ইচ্ছাৰে গঢ়িব পৰা হ'লে! ভাগ্যৰ লিখনো নিজে লিখিব পৰা হ'লে! ৰিমঝিম আশাৰ বৰষুণত তিতিয়েই জগুৱে সপোন দেখিছিল অসংখ্য আকাংক্ষাৰ পৰ্বত। সেই পৰ্বতত বগাই সি এক অফুৰন্ত সুখৰ সন্ধানত ঘূৰি ফুৰিছিল। জীৱনটোত সি যি পাইছে, তাকে লৈয়ে বহুত সুখী। নোপোৱাৰ বাবে আক্ষেপ নাই। কিন্তু পায়ো হেৰুৱাৰ বেদনা কিমান গধূৰ সি আজি বাৰুকৈয়ে অনুভৱ কৰিছে। জীৱনত সুখ-দুখ থাকিবই, সুখ-দুখৰ মিশ্ৰণতেই জীৱনৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰি। কিন্তু এইবাৰ তাক এক মৰ্মান্তিক আঘাত হানিলে।

জগুৰ গাঁওখনৰ নাম জীয়া পাৰ। জীয়া নৈখন খৰালি শুকাই খিনাই কোনো মতে উশাহ থাকে। কিন্তু বাৰিষাৰ লগে লগে ষোড়শী গাভৰুৰ ৰূপ লয়। যৌৱনৰ বলিয়া বানত সকলোকে উটুৱাই জীয়াই চঞ্চলা ৰূপ লোৱাৰ লগে লগে সকলো মথাউৰিলৈ ঢাপলি মেলে। এয়া সকলোৰে বাবে গতানুগতিক। জীৱনৰ অধ্যায়ৰ সকলোৰে বাবে এইয়া অপৰিৱৰ্তিত পৃষ্ঠা। ৰূপে কাৰো বাধা নামানে। এফালৰ পৰা বুৰাই পেলায় বিস্তীৰ্ণ পথাৰ। ঘৰ দুৱাৰ সকলো। জীয়া পাৰৰ ৰাইজে সচেতন হোৱাৰ আগতেই সকলো শেষ হয়। ভাঙি চুৰমাৰ হয় সকলো সপোন। অতীতৰ দাপোনত হেৰোৱা আপোনজনক চাবলৈ বিচাৰিলে স্মৃতিৰ টুকুৰাই কাটে।

কতৰ ঘৰ ভাঙিলে গৰু-ছাগলী উটিল তাৰ হিচাপ নাই। কিন্তু যেতিয়া কোনো আত্মীয় হেৰাই যায় তেতিয়া...! জীয়া সকলোৰে চকুলোৰে বয়। কিন্তু যেতিয়া চঞ্চলা গাভৰুৰ পৰা গম্ভীৰ মাতৃলৈ পৰিৱৰ্তিত হয়, তেতিয়া জীয়া পাৰৰ সকলোৰে মুখত হাঁহি বিৰিঙে। আকৌ ভাৱনাৰ ঘৰ সাজি সেউজীয়া সপোনে সোণোৱালী ৰূপ লৈ জীয়া বাসীক পুনৰ সপোন দেখিবলৈ বাধ্য কৰায়।

জগুৱাৰ সকলো সপোন সেউজীয়া ৰূপ লোৱা খেতিয়কে ৰোৱা ধানৰ দৰেই জীয়াই বুকুত সামৰি ল'লে। সৰুতে জগুৱে দেউতাকক হেৰুৱালে এই জীয়াৰ বহল বুকুত। কল গছৰ সৰু ভুৰখনত মাকক আৰু তাক আনি শিবিৰত থৈ ৰমাকান্ত খুড়াক যি গ'ল উভতি নাহিল আজি পৰ্যন্ত।

উঁৱলি যোৱা জীৱনত কোনো মতে মাকে অ'ত-ত'ত কাম কৰি জীৱনৰ অন্ধকাৰময় পথত আগবাঢ়ি যায় তাক বুকুত সাৱটি।

লাহে লাহে সিও কাম কৰিব পৰা হ'ল। ঘৰৰ মাটিখিনিও দেউতাকৰ অবিহনে পৰি আছিল। এতিয়া জগুৱে সকলো কৰে। জীয়াৰ পলসুৱা মাটিত খেতি ভাল হয়। জীয়াৰ আশীৰ্বাদ স্বৰূপ এই খেতিয়েই জীয়া পাৰৰ ৰাইজৰো জীয়াই থকাৰ ইচ্ছা বঢ়াই তোলে। সকলোৱে আকৌ সোণালী সপোনত নিজকে বিলাই দিয়ে। পাহৰি যায় জীয়াই দিয়া যাতনা। সকলো পাহৰি নতুন উদ্যমেৰে আকৌ ঘৰ পাতে।

জগুৱে সকলো পাহৰে সময়ৰ সোঁতত। মাকেও যথেষ্ট সকাহ পায়। বিয়াৰ দুবছৰ পিছত মাকে সকলো হেৰুৱালে। দেউতাক নিতাই আৰু মাক কুসুম জীয়া পাৰৰ নহয়। দুয়ো আছিল সোণাপুৰৰ। প্ৰেমত পৰি বিয়াৰ এক পৱিত্ৰ বন্ধনত বান্ধ খাইছিল কামাখ্যাত। ঘৰৰ মানুহে প্ৰতিবাদ কৰিছিল। দুয়ো ঘৰ এৰি গৈছিল। এৰি গৈছিল সোণাপুৰৰ সকলো স্মৃতি।

বহুতো ঠাই ভ্ৰমি অৱশেষত জীয়াপাৰত থকা সহজ-সৰল মানুহখিনিৰ লগত মিলি পৰিছিল। জীয়াই থকাৰ আনন্দত পাহৰি হৈছিল সকলো কষ্ট। কিন্তু কালৰ কুটিল গতিত কোনো সাৰিব নোৱাৰে। সেইদৰে সাৰিব পৰা নাছিল নিতাই। কুসুমক নিঠৰুৱা কৰি গুছি গৈছিল এক অজান দেশলৈ। বহু কষ্টেৰে নিজক চম্ভালি মাক কুসুমে কৰ্তব্যত নিজক ব্যস্ত ৰাখিছিল।

জগু ডাঙৰ হোৱাত বহু চিন্তা কমিল মাকৰ। জগুৰ দেহ মনে এক পৰিপক্কতা লাভ কৰিছে। হতাশা নিৰাশাৰ বানত থকা-সৰকা হৈ পৰিছিল যদিও মাকৰ নিষ্ঠাৰে কৰি অহা কৰ্তব্যৰ স্মৰণে মনত সাহস বঢ়াই তোলে। মাকে গাঁৱৰে পাহিক ঘৰৰ বোৱাৰী কৰাৰ সিদ্ধান্তৰ কথা জগুৰ আগত ব্যক্ত কৰিলে। মাকৰ সকলো কথা সি একে আষাৰে পালন কৰে। এইবাৰ মাকৰ কথাটোলৈ হয়ভৰ দিলে, যিহেতু পাহিৰ লগত তাৰ বহু দিনৰে পৰা আত্মীয়তা আছে। অনুষ্টুপীয়াকৈ সিহঁতৰ বিয়া পাতিছিল। জগুৰ দায়িত্ব বাঢ়িছিল। যোৱা বছৰ বানৰ পিছত গাঁৱত দেখা দিয়া জহ্নীৰ আৱিৰ্ভাৱত গাঁৱৰ অধিক মানুহ গাঁৱত একো হস্পিতালৰ সুবিধা নথকাত মৃত্যুৰ গ্ৰাসত পৰিছিল।

শিবিৰৰ নামত এজন ডাক্তৰ আহি দুই-এপদ ঔষধ বিতৰণতে সামৰণি মাৰিছিল নিজৰ কৰ্তব্য।

জগুৰ মাকো ৰক্ষা নপৰিল। একো দৰৰ-বেজীৰ স্পৰ্শ পোৱাৰ আগতেই ঢাপলি মেলিলে। অত দিনে আৱদ্ধ কৰি ৰখা সাংসাৰিক কৰ্তব্যৰ সঁজাৰ পৰা অন্য এক বন্ধনমুক্ত আকাশলৈ, য'ত নাই কোনো বেদনা। জীয়া পাৰৰ দৰে এখন ভিতৰুৱা ঠাইত- য'ত নাই বিজুলীৰ সুবিধা, নাই পানীৰ সুবিধা তেনে এখন দুৰ্গম ঠাইত দুই এজন ডাক্তৰ দুই এদিনৰ বাবে আহে আৰু গুছি যায়। ৰাইজৰ কথা ভাবিবৰ সময় নাই। মাকৰ মৃত্যুৰ পিছতে পাহিৰো একেই দশা হ'ল। একো কৰিব পৰাৰ আগতেই পাহিও তাক অকলে এৰি গুচি গ'ল। জগুৰ জীৱন স্তব্ধ হৈ পৰিল। উশাহ ল'বলৈও পাহৰি গৈছিল সি।

জীৱনটো ইমান সোনকালে শেষ হ'ব বুলি সি ভবা নাছিল। সি ভাবি ৰ'ল তাৰ মৃত্যু কিয় হোৱা নাই। জীৱনৰ বোজা আমনি লাগিল। মৃত্যু যদিও বাঞ্ছা কৰে সি তথাপি আত্মহত্যাৰ পথ বাছি লোৱাৰ পক্ষ-পাতি নহয়। মাকে হাজাৰ কষ্ট সহিও আত্মহত্যাৰ কথা নাভাবিলে, সি ভাবিলে। এতিয়া সি ভাবিলে মাকে কি এয়াই শিক্ষা দিছিল.... ? নিজৰ ওপৰতেই ধিক্কাৰ উপজিল।

মাকৰ মমতাময়ী আঁচলৰ শীতলতাই তাপিত শৰীৰ শান্ত কৰিছিল, কষ্টও মধুৰ লাগিছিল। পাহিৰ সান্নিধ্যই আনন্দিত কৰিছিল প্ৰতি পল। বছৰি বছৰি জীয়াৰ স'তে যুঁজিবলৈ সাহস পাইছিল সি।

কিন্তু এতিয়া..... ?

টোপা-টোপে চকুলো পানীৰ সৈতে মিলি গ'ল। বতৰটো গোমা কৰিছে আকৌ বৰষুণ আহিব ছাগে! অকলশৰীয়াকৈ সি এবছৰে কিমান কষ্টৰে পাৰ কৰিছে উদ্দেশ্যহীনভাৱে প্ৰতি পল।

যোৱা দুদিন ধৰি পৰি থকা বৰষুণৰ ফলত আকৌ বানৰ কলীয়া ৰূপে গ্ৰাস কৰিছে গাঁওখনক। সকলো অন্য ঠাইলৈ ঢাপলি মেলিলে সিও নিজৰ সংগী স্বৰূপে নাওখন লৈ কোনোবা দূৰৈত কেঁচুৱাৰ ক্ৰন্দনৰ ক্ষীণ মাত শুনি বহি থকাৰ পৰা উঠি লাহে লাহে আগবাঢ়িল সেই দিশে। পানী বাঢ়ি ঘৰৰ ছাল চুবগৈ। এতিয়া ইমান পানীত ক'ৰ কেঁচুৱা। কোনোবা চৰাইৰ মাত শুনি ভুল হোৱা বুলি ভাবোতে আকৌ শুনিলে সি মাতটো। যি ফালৰ পৰা মাতটো আহিছে সেইফালে চাওঁতে সি যি দেখিলে, সেই দৃশ্য দেখি তাৰ চকু থৰ হ'ল। আধা ডুব যোৱা গছ এডালৰ কাষত

গোট খোৱা মেটেকাৰ মাজত এটা কেঁচুৱা কাপোৰত মেৰিওৱা আছে। লাহে লাহে নাওখন চপাই সি কেঁচুৱাটো নাওখনলৈ তুলিলে। ইমান পানীৰ মাজত কেঁচুৱাটো আহিল ক'ৰ পৰা? ইফালে সিফালে চাওঁতে দেখিলে দুটা মানুহ পানীত কলৰ ভূৰ এখনেৰে সৈতে উটি গৈ আছে। নাওঁখন লৈ সি আগলৈ যাওঁতে গভীৰ পানীত দুয়ো বিলীন হৈ গ'ল। সি কেঁচুৱাটো লৈ উভতি আহিল। তজবজীয়া মৰমলগা এজনী ছোৱালী। আগতে ঘটি যোৱা ঘটনাবোৰ এটা সপোনৰ দৰে লাগিল তাৰ। সি ভাবিলে এই শিশুটি এক দেৱশিশু। এই শিশুটি লৈ সি চহৰলৈ গুছি যাব। তাতে চিকিৎসক ৰূপে গঢ়িব। নিজে দেখা বাস্তৱৰ কেঁচা সপোনটো এই শিশুটিৰ জৰিয়তে পূৰ কৰিব। সকলো হেৰুওৱাৰ অন্তত এই শিশুটোৱেই তাৰ একমাত্ৰ আশ্ৰয়। সকলো হেৰুৱাৰ পিছতো জীয়াই থকাৰ আশা উজ্বলি উঠিল। আকৌ উভতি আহিব সি জীয়াপাৰৰ ৰাইজক উদ্ধাৰ কৰিবলৈ। সি শিশুটিলৈ চালে। শিশুটি এক প্ৰশান্তিৰ ভাৱেৰে নিদ্ৰাত মগ্ন। আজিৰ পৰা সিয়েই তাৰ সকলো, পিতৃ-মাতৃ। ইমান দিনে জীৱনৰ প্ৰতি থকা সকলো অভিযোগ শেষ হ'ল। সঁচাকৈ জীয়াই সকলোকে নিঠৰুৱাও কৰে, আকৌ জীয়াই থকাৰ সমলো যোগায়। জগুৱে দূৰলৈ চালে সন্ধ্যাৰ লগে লগে ৰাতিৰ আৰম্ভণি হৈছে। বহুত দিনৰ মূৰত যেন আজিহে যেন জোনটোৰ উজ্জ্বলতা ইমান বেছি যেন ভাব হৈছে। সি নাওখন বান্ধি ওচৰে গাঁওখনত থকা শিবিৰলৈ বুলি খোজ ল'লে। কালিলৈ পোহৰ হোৱাৰ লগে লগে গুচি যাব সি। এক শুদ্ধ সিদ্ধান্তৰে প্ৰাপ্তিৰ মাদকতাত সি কেঁচুৱাটি সাৱটি শিবিৰ অভিমুখে আগবাঢ়িল।

**(সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ আলোচনী 'পানচৈ'ত প্ৰকাশিত)**

# উদাসী ৰাগৰ মালিতা

কৃষ্ণাশ্ৰী গগৈ

হেই, তুমি পাহি নহয় জানো, মই ৰাহুল, চিনি পাইছানে।

আৰে তুমিচোন,

ইয়াত যে...

মই ইয়াতে থাকো আজি-কালি। মোৰ কথা বাদ দিয়া। তুমি ইয়াত যে কিবা কামত আহিছিলা। ভাল নে তোমাৰ? মই গুৱাহাটীৰ ওচৰতে বিয়া হৈছো ইয়াতে থাকো এতিয়া। অহ, হব দিয়া এতিয়া মোৰ দেৰি হৈছে তোমাৰ নম্বৰটো দিয়াচোন জলদি, ফেচবুকতো পাবা মোক।

এই শুনা, এতিয়া কিন্তু গগৈহে দেই। লগ পাম দিয়া পিছত, ফোন কৰিম তোমাক। Sorry দেই ৰাহুল, গাড়ী এখনত উঠি পাহি পানবজাৰৰ ফালে গুছি গ'ল, পাহিয়েহে মোৰ নম্বৰ ল'লে মোৰ লোৱা নহ'ল- তাই নিশ্চয় মোক ফোন কৰিব।

পাহি বৰা, কলেজৰ অন্তৰংগ বান্ধৱী আছিল। আমি পাঁচজনৰ এটা গ্ৰুপ আছিল। আমাৰ লগত আছিল ভাগ্য, নেহা, চঞ্জনা। সাহিত্য, নাটক, গান আদিত আমাৰ গ্ৰুপটোৰ নাম আছিল। পাহি পঢ়াতো চোকা আছিল। প্ৰকৃতাৰ্থত বহুত ভাল বন্ধু আছিলোঁ আমি। তাই সকলো অনুষ্ঠানেই এৰিব বিচৰা নাছিল। কলেজ শেষ হোৱাৰ মই গাঁৱলৈ গুচি গৈছিলোঁ আৰু এদিন পাহিও বিয়া হৈ গৈছিল। তেতিয়াৰ পৰাই তেওঁৰ লগত যোগাযোগ নাইকীয়া হৈ গ'ল। তেতিয়াৰ দিনত আজিৰ দৰে হাতে হাতে ম'বাইল ফোন নাছিল। গতিকে কলেজৰ পিছত কোনে ক'ত কি কৰিছে, সেইবোৰ খবৰ সঘনাই পোৱা নগৈছিল। পিছত কামৰ তাগিদাত গুৱাহাটীলৈ আহিলোঁ। ভাগ্যয়ে এদিন কৈছিল পাহি গুৱাহাটীতে থাকে বুলি। কিন্তু লগ পোৱা নাছিলোঁ।

তাকে ভাবি ভাবি ঘৰ কেতিয়া পালোহি গমেই নাপালো। সন্ধ্যাসময়ত বহি থাকোতে এটাৰ ফোন আহিল, ফোনটো উঠাই মাত দিব লওঁতেই সেইফালৰ পৰা মাত আহিল, হেল্ল মই পাহি, "ৰাহুল, কিমান বছৰৰ পিছত লগ পালো আজি তোমাক। বহুত ভাল লাগিছে জানা। কিমান যে মধুৰ স্মৃতিয়ে আজি আমনি কৰিছে। কেনে আছা তুমি। আৰু ইহঁতবোৰৰ খবৰ ভালনে?

"মোৰ ভালেই বাৰু। মোৰো বহুত ভাল লাগিছে মনটো কোনখিনিত থকা আৰু পৰিয়াল?" খন্তেক মৌন হৈ থাকি পাহিয়ে কলে...." একেদিনাই ইমান বোৰ জানিব নালাগে দিয়া। সেইবোৰ বহুত কথা, তুমি এদিন আহিবা আমাৰ ঘৰলৈ সকলো গম পাবা।

তাৰ পিছত প্ৰায় প্ৰতিদিনে আমাৰ যোগাযোগ হৈ আছিল কিন্তু পাহিয়ে কিছুমান কথা কব নোখোজে। এনেকুৱা লাগে এই যেন কান্দে নীৰবে। পৰিয়ালৰ কথা উলিয়াব খুজিলেই বেলেগ কথা পাতে। জোৰ কৰি একো সুধিবও নোৱাৰি। কিবা যেন ৰহস্য আছে। এদিন পাহিৰ ঘৰ বিচাৰি উলিয়ালে। মোক দেখিয়েই বৰ স্ফুৰ্তি পালে তাই। পাহিৰ পাঁচ বছৰীয়া ছোৱালী এজনী আছে। পাহিৰ দৰে মৰমলগা। বহুত কথা পাতিলো আমি, কিন্তু কিছুমান কথা স্পষ্ট নহয়। বৰ্তমানৰ পৰা যেন পলাব খোজে পাহিয়ে। আমাৰ গ্ৰুপটোৰ কথা ওলাল। পাহিয়ে বৰ উদাস হৈ ক'লে — সেই দিনবোৰেই বহুত ভাল আছিল নহয়নে ৰাহুল, ইমান যে হাঁহি ধেমালি কৰিছিলো, পঢ়া শুনাও কৰিছিলো। এতিয়া তুমি মোৰ বিষয়ে বিশেষ নাজানা। কিমান বছৰ এনেদৰে গ'ল নহয়নে ৰাহুল। এনেতে পাহিৰ ছোৱালীজনীয়ে ভিতৰৰ ৰুমৰ পৰা এখন ডাঙৰ ফটো লৈ আহি মোৰ ওচৰত বহিল আৰু ক'লে — 'আংকল এয়া হেনো মোৰ পাপা' আকাশত থাকে বোলে। আমাৰ ঘৰলৈ নাহে। তুমি চিনি পোৱা নেকি। মায়ে কৈছে পাপায়ে আমাক বেয়া পাই গুছি গ'ল। বেছিকৈ পাপাৰ কথা কৈ থাকিলে মায়ে খং কৰে। আংকল তুমি পাপাক আনি দিব পাৰিবা নেকি? প্লিজ আংকল পাপাক আনি দিয়া। ছোৱালীজনীয়ে মোৰ হাতখন ধৰি জোকাৰি আছে। মই অকল পাহিৰ ফালে চালো, তাই হুকহুকাই কান্দি কান্দি ক'লে- "তাইক এতিয়া মই কেনেকৈ বুজাও ৰাহুল, যে তাইৰ জন্ম হোৱাৰ আগতেই দেউতাকৰ মৃত্যু হ'ল। এটা হুমুনিয়াহ ওলাই আহিল মোৰ।

# আইতা

শতাব্দী চুতীয়া

আইতাৰ সৎকাৰৰ সকলো কাম-কাজ ইতিমধ্যে হৈ গৈছে। দিনটোৰ ব্যস্ততাৰ শেষত ভাগৰত বিছনাতেই গা এৰি দিলেঙ্গ। মনটো সহজ হ'ব পৰা নাই। কেনেকৈ বিশ্বাস কৰো সৌ-সিদিনালৈকে হাঁহি মাতি থকা মানুহজনী হঠাতে এনেকৈ যাওঁ বুলিয়েই গুচি যাব। অনাহকত তেওঁৰ ওপৰত অভিমান এটা উঠলি আহিল। "মোক অকলশৰীয়া কৰি নিজে সুখত আছৈগৈ।"

মামাহঁতৰ ঘৰত থকা আজি মোৰ প্ৰায় ২৫ বছৰ হ'ল। মা-দেউতাৰ মৃত্যুৰ পাছত আইতাই মোক বুকুৰ মাজত সুমুৱাই মৰম দিছিল। মা-দেউতাৰ অভাৱ নোহোৱাকৈ ৰাখিবলৈ মানুহজনীয়ে বাৰু কমখন কষ্ট কৰিছিলনে? আইতাৰ সৰু ৰুমটোতে দুইটি থাকোঁ। সেইকাৰণেই কিজানি আইতা ঢুকুৱাত অলপ অস্বস্তি অনুভৱ কৰিছো ৰুমটোত। এনেই ভয় নাই মোৰ। কাণত হেডফোন লগাই মই কিবা এটা চাম বুলি মোবাইলটো হাতত ল'লো। দিনটোত ঘটি যোৱা ঘটনাবোৰ পাহৰিবলৈকে এই বৃথা চেষ্টা মোৰ। ফেচবুকটো মেলি ল'লো কিজানি মনটো অলপ পাতল লাগে। সোনকালে শুব লাগিব। কাইলৈ এগাল কাম পৰি আছে। মোবাইলটো চাই থাকোতেই এনে লাগিল মই শুই থকা বেৰখনৰ সিপাৰে কিহবাই গা ঘঁহাই আছে। গৰু চাগে। ভূত-প্ৰেত মই বিশ্বাস নকৰোঁ। গৰম দিন। ফেনখন চলাই থৈছো। ইস ৰাম খিৰিকীখন আজি বন্ধ কৰিবলৈ নহ'লেই। উঠি যোৱাৰ এলাহতে খিৰিকীখন তেনেকৈ খোলা হৈয়ে থাকিল। নিশা দহমান বাজিবৰ হৈছে। মই মোবাইলতেই ব্যস্ত। হঠাৎ ঠাণ্ডা ঠাণ্ডা বতাহ এছাতি পাৰ হৈ গ'ল মোৰ গাৰ মাজেৰে। কথাটোত ইমান গুৰুত্ব দিয়া নাই। পাতল কাপোৰ এখন গালৈকে টানি আকৌ মোবাইল চোৱাত ব্যস্ত হৈ পৰিলো। হঠাৎ এক আচহুৱা অনুভৱে মনটো হেঁচা মাৰি ধৰিলে। যেন মই লোৱা কাপোৰখন ভৰিৰফালৰ পৰা কোনোবাই লাহে লাহে টানিছেচোন। মই অলপ সতৰ্ক হলো। মনটোৱেচোন বৰ কিবা কিবি ভাবিবলৈ আৰম্ভ কৰিছে। অলপ সাহস গোটাই কোন হয় বুলি সুধিলো। এইবাৰ কাপোৰখন ডিঙিলৈকে টানি শুবলৈ যত্ন কৰিলো। আকৌ টানিছে। উশাহবোৰ চুটি হৈ আহিছেচোন। আন্ধাৰৰ মাজতে ইফালে সিফালে চালো। মোৰ আঠুৱাৰ কাষত কিবা এটা লৰি চৰি ফুৰা যেন অনুভৱ হ'ল। মই ভয়ত কঁপিবলৈ ধৰিলো। এনেতে লাহেকৈ মোৰ আঠুৱাটো দাঙি ক'লা কিবা এটা বিচনালৈ উঠি আহিল। উপায়বিহীন হৈ মই ইটো কাটি হৈ শুই পৰিলোঁ। অনুভৱ কৰিলো, মোৰ কান্ধত এখন শীৰ্ণ হাতৰ চেঁচা স্পৰ্শ। কাণৰ কাষত অলপ আগত সৎকাৰ কৰি অহা আইতাৰ কণ্ঠই কৈ উঠিল "ভয় কৰিছ নেকি সোণ' মই তোৰ কাষতে আছো...।"